UG ED S6- 01 (DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

ষষ্ঠ ষান্মাসিক

জনসংখ্যাৰ শিক্ষা

শিক্ষা

ইন্দিৰা মিৰি শিক্ষা অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দুলুমনি গোস্বামী, শিক্ষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নীল ৰতন ৰায়, শিক্ষা বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়
ড° মৰমী গোস্বামী, শিক্ষা বিভাগ, NERIM (প্ৰাক্তন সহযোগী অধ্যাপক, গুৱাহাটী মহাবিদ্যালয়)

সমন্বয়ৰক্ষী

ড° ইন্দ্ৰানী কলিতা আৰু ড° দেৱযানী দুৱৰা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়-	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	**ড° প্ৰণৱ শইকীয়া,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ড° প্ৰণৱ শইকীয়া,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
২	**ড° গীতাঞ্জলী চৌধাৰী** পশ্চিম গুৱাহাটী বি.এড. মহাবিদ্যালয় আৰু **ড° কান্তা চক্ৰৱৰ্তী,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**গীতাঞ্জলী মেধি** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৩	**ড° নীলিমা ডেকা,** এল. চি. বি. মহাবিদ্যালয়	**জোনালী ৰাভা** স্বতন্ত্ৰতৰীয়া লেখক
৪	**ড° নীলিমা ডেকা,** এল. চি. বি. মহাবিদ্যালয়	**ইদন চুলতানা আহমেদ** স্বতন্ত্ৰতৰীয়া লেখক
৫, ৬, ৭, ৯	**ড°উৎপল কলিতা,** আৰ জি বৰুৱা কলেজ	**ড°উৎপল কলিতা**
৮	**ড° ৰীতিমণি বৰদলৈ আৰু ড° ৰঞ্জু মেধি** আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়	**গীতাঞ্জলী মেধি** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১০-১৪	**অপৰাজিতা শৰ্মা** মানবেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয়, ৰঙিয়া	**অপৰাজিতা শৰ্মা** ° ইন্দ্ৰানী কলিতা ড° অৰুণিমা বৰুৱা

সম্পাদনা :

বিষয়বস্তু সম্পাদনা : **ড° মৰমী গোস্বামী,** প্ৰাক্তন সহযোগী অধ্যাপক, গুৱাহাটী মহাবিদ্যালয়
ড° প্ৰণৱ শইকীয়া, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ভাষা সম্পাদনা : **ড° বিনাপাণী তালুকদাৰ,** সুৰেন দাস মহাবিদ্যালয়

গাঁথনিক সম্পাদনা : **ড° দেৱযানী দুৱৰা** আৰু **ড° ইন্দ্ৰানী কলিতা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰথম প্ৰকাশ ঃ মে'-২০২৬

This Self-learning material (SLM) of Krishna Kanta Handiqui State Open University is made available under Creative Commons Attibution-Non-commercial-shareAlike4.0 License (International): http//creativecommons.org/license/by-nc-sa/4.0

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

মূখ্য কাৰ্যালয় : পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১ ০১৭
নগৰ কাৰ্যালয় : ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১ ০২২
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয়

ষষ্ঠ ষান্মাসিকত মূল পাঠ্যবিষয়ৰ বাবে বাছনি কৰা শিক্ষার্থীসকলে চাৰিটা মূল পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব, সেইবোৰ হ'ল, ভাৰতত স্বাধীনতাৰ পিছৰ সময়ছোৱাত শিক্ষাৰ ইতিহাস, জনসংখ্যা শিক্ষা, সম্প্রদায় উন্নয়নৰ বাবে শিক্ষা, আৰু নির্দেশনা আৰু পৰামর্শ ।

"জনসংখ্যা শিক্ষা" শীর্ষক ষান্মাসিকৰ এই দ্বিতীয় পাঠ্যবিষয়টো ১৪টা অধ্যায়ৰে গঠিত। পাঠ্যবিষয়টোৰ প্রথম অধ্যায়টিত জনসংখ্যা শিক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব, ইয়াৰ প্রকৃতি আৰু পৰিসৰ সম্পর্কে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল জনসংখ্যা বৃদ্ধিৰ আঁৰৰ চালন শক্তিসমূহ। জনসংখ্যা বিস্ফোৰণৰ কাৰণ আৰু ইয়াৰ প্রভাৱ আলোচনা হ'ল তৃতীয় অধ্যায়ৰ বিষয়বস্তু। চতুর্থ অধ্যায়ত জীৱনৰ গুণগত সম্পর্কে আলোচনা কৰা হৈছে। সৰু পৰিয়াল গঢ়াৰ প্রথা কেনেদৰে অনুসৰণ কৰিব পৰা যায় তাৰ আলোচনা হ'ল পঞ্চম অধ্যায়ৰ বিষয়বস্তু। ষষ্ঠ আৰু সপ্তম অধ্যায় দুটাত প্রাথমিক, মাধ্যমিক আৰু উচ্চতৰ পর্যায়ৰ শৈক্ষিক পাঠ্যক্রমবোৰত অন্তর্ভুক্ত জনসংখ্যা শিক্ষাৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। অষ্টম অধ্যায়টিত জনসংখ্যা নিয়ন্ত্রণৰ শিক্ষণ প্রক্রিয়াৰ ব্যৱহৃত নির্দেশনাত্মক সামগ্রী আৰু শিক্ষণ আহিলাবোৰৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। নৱম অধ্যায়ৰ আলোচনাত জনসংখ্যা নিয়ন্ত্রণত গণমাধ্যমৰ ভূমিকাত আলোকপাত কৰা হৈছে। দশম অধ্যায়ৰ আলোচনাৰ মূল বিষয় হ'ল জনসংখ্যা শিক্ষাৰ শিক্ষাপ্রদানৰ পদ্ধতিসমূহ। ভাৰতত জনসংখ্যা নীতি বিষয়ক বিস্তৃত আলোচনা হ'ল একাদশ অধ্যায়ৰ মূল বিষয়। দ্বাদশ অধ্যায়ত ভাৰতত চলি থকা বিভিন্ন পৰিয়াল কল্যাণ কার্যসূচীৰ বিষয়ে আলোচনা কৰা হৈছে। ত্রয়োদশ অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল জনসংখ্যা বৃদ্ধি আৰু শৈক্ষিক উন্নয়ন। খণ্ডটোৰ আন্তিম তথা চতুর্দশ অধ্যায়টিত জনসংখ্যা শিক্ষা আৰু শিক্ষকসকলৰ ভূমিকা সম্পর্কে বহলাই আলোচনা কৰা হৈছে।

এই পাঠ্যভাগটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ জনসংখ্যাৰ শিক্ষা ৭-১৯

জনসংখ্যা শিক্ষাৰ প্ৰকৃতি, জনসংখ্যা শিক্ষাৰ লক্ষ্য জনসংখ্যা শিক্ষাৰ পৰিসৰ, জনসংখ্যা শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব।

অধ্যায় ২ ঃ ভাৰতত জনসংখ্যা বৃদ্ধিৰ ধাৰা ২০-৩৬

জনসংখ্যা বিস্ফোৰণৰ ধাৰণা, বৈশিষ্ট্যসমূহ, ভাৰতবৰ্ষত জনসংখ্যা বিস্ফোৰণৰ উৎপত্তিৰ কাৰণ সমূহ আৰু সমস্যাসমূহ, জনসংখ্যা বৃদ্ধি ৰোধ কৰিবলৈ ল'বলগীয়া ব্যৱস্থাসমূহ ।

অধ্যায় ৩ ঃ জনসংখ্যাৰ বিস্ফোৰণ ৩৭-৪৯

মানৱ বিকাশ আৰু সমাযোজন, বিকাশ আৰু সমাযোজনত সহায়ক অনুকূল আৰু প্ৰতিকূল আচৰণৰ ধাৰা।

অধ্যায় ৪ ঃ জনসংখ্যা আৰু জীৱনৰ গুণগত মান ৫০-৬১

মানৰ অৰ্থ, জনসংখ্যা বৃদ্ধি আৰু জীৱনৰ গুণগত মান, জীৱনৰ গুণগত মানৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা কাৰকসমূহ, জনসংখ্যা শিক্ষাৰ লগত সঙ্গতি ৰাখি জীৱনৰ গুণগত মান কিদৰে উন্নত কৰিব পাৰি?

অধ্যায় ৫ ঃ সৰু পৰিয়ালৰ আদৰ্শ ৬২-৭০

সৰু পৰিয়ালৰ আদৰ্শৰ অৰ্থ, সৰু পৰিয়ালৰ আদৰ্শৰ প্ৰকৃতি, জনসংখ্যা নিয়ন্ত্ৰণত সৰু পৰিয়ালৰ আদৰ্শৰ সুবিধা, সৰু পৰিয়ালৰ আদৰ্শৰ বাধাবোৰ।

অধ্যায় ৬ ঃ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা পৰ্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্ৰম ৭১-৯১

প্ৰাথমিক শিক্ষা পৰ্যায়ত জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰ, প্ৰাথমিক শিক্ষাৰ পৰ্যায়ত জনসংখ্যা শিক্ষা অন্তৰ্ভুক্তিৰ কাৰণবোৰ, প্ৰাথমিক শিক্ষাৰ পৰ্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্ৰম, প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমত জনসংখ্যা শিক্ষা অন্তৰ্ভুক্তিৰ সমস্যাবোৰ, জনসংখ্যা শিক্ষা আৰু মাধ্যমিক শিক্ষা পৰ্যায়, মাধ্যমিক শিক্ষাৰ পৰ্যায়ত জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰ, মাধ্যমিক শিক্ষা পৰ্যায়ত জনসংখ্যা শিক্ষাৰ প্ৰয়োজনীয়তা, মাধ্যমিক শিক্ষা পৰ্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্ৰম, মাধ্যমিক বিদ্যালয়ৰ বিভিন্ন বিষয়ৰ দ্বাৰা জনসংখ্যাৰ ধাৰণাৰ সংহতকৰণ।

অধ্যায় ৭ ঃ উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম ৯২-১০২
উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষা, ইয়াৰ উদ্দেশ্যবোৰ, উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ প্রয়োজনীয়তা,উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ বিষয়বস্তু।

অধ্যায় ৮ ঃ জনসংখ্যা নিয়ন্ত্রণত প্রয়োজনীয় নির্দেশন সামগ্রী আৰু শিক্ষণ আহিলা ১০৩-১১৪
নির্দেশন সামগ্রীৰ ধাৰণা, জনসংখ্যা শিক্ষাত বিভিন্ন শিক্ষণ আহিলাৰ ব্যৱহাৰ, জনসংখ্যা নিয়ন্ত্রণত গণ-মাধ্যমৰ ভূমিকা।

অধ্যায় ৯ ঃ জনসংখ্যা নিয়ন্ত্রণত গণ-মাধ্যমৰ ভূমিকা ১১৫-১২৬
গণ মাধ্যমৰ ধাৰণা, জনসংখ্যা নিয়ন্ত্রণত নিয়ন্ত্রণত গণ মাধ্যমৰ গুৰুত্ব গণ মাধ্যমৰ প্রকাৰ, জনসংখ্যা নিয়ন্ত্রণত বিভিন্ন গণ-মাধ্যমৰ ভূমিকা- বাতৰি কাকতৰ, ৰেডিঅ, দূৰদর্শনৰ, দৃশ্য-শ্রাব্য সজুলিৰ ভূমিকা।

অধ্যায় ১০ ঃ জনসংখ্যা শিক্ষা প্রদানৰ পদ্ধতিসমূহ ১২৭-১৪০
জনসংখ্যা শিক্ষা প্রদানৰ পদ্ধতিসমূহ-পর্যবেক্ষণ পদ্ধতি, আত্ম অধ্যয়ন পদ্ধতি, আলোচনা পদ্ধতি, বক্তৃতা পদ্ধতি, প্রকল্প পদ্ধতি, গৃহ কার্য, ক্ষেত্র অধ্যয়নত।

অধ্যায় ১১ ঃ ভাৰতৰ জনসংখ্যাৰ নীতি ১৪১-১৪৯
ভাৰতৰ জনসংখ্যা নীতিৰ বিকাশ, ভাৰতৰ স্বাধীনতাৰ পূর্বৰ জনসংখ্যাৰ নীতি স্বাধীনোত্তৰ কালৰ ভাৰতৰ জনসংখ্যাৰ নীতি, ভাৰতত জনসংখ্যা নীতিৰ প্রভাৱ।

অধ্যায় ১২ ঃ ভাৰতবর্ষৰ পৰিয়াল কল্যাণ কার্যসূচী ১৫০-১৫৮
পৰিয়াল কল্যাণ কার্যসূচীৰ ধাৰণা,পৰিয়াল কল্যাণ কার্যসূচীৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ, ভাৰতবর্ষত পৰিয়াল কল্যাণ কার্যসূচীৰ বিকাশ, পৰিয়াল কল্যাণৰ বিভিন্ন আঁচনিসমূহ, পৰিয়াল কল্যাণ কার্যসূচী প্রয়োগৰ প্রধান কৌশলসমূহ, ভাৰতবর্ষত পৰিয়াল কল্যাণ কার্যসূচী প্রয়োগৰ কিছুমান সফলতা, পৰিয়াল কল্যাণ কার্যসূচীত অর্থ নিয়োজন।

অধ্যায় ১৩ ঃ জনসংখ্যা বৃদ্ধি আৰু শৈক্ষিক বিকাশ ১৫৯-১৬৬
জনসংখ্যা বৃদ্ধিৰ অর্থ, প্রকৃতি, ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ কাৰণসমূহ, জনসংখ্যা বৃদ্ধি আৰু গুণমান বিশিষ্ট শিক্ষা, জনসংখ্যা বৃদ্ধিত প্রাপ্ত বয়স্ক শিক্ষাৰ প্রভাৱ, জনসংখ্যা বৃদ্ধি আৰু বৃত্তীয় শিক্ষা,জনসংখ্যা বৃদ্ধি আৰু অগতানুগতিক শিক্ষাৰ সম্পর্ক।

অধ্যায় ১৪ ঃ জনসংখ্যা শিক্ষা আৰু শিক্ষকৰ ভূমিকা ১৬৭-১৭৪
জনসংখ্যা শিক্ষাত শিক্ষকৰ ভূমিকা, জনসংখ্যা শিক্ষা উন্নতকৰণৰ ক্ষেত্র শিক্ষকৰ দায়িত্ব আৰু কর্তব্য।

অধ্যায় ১ ঃ জনসংখ্যা শিক্ষা

অধ্যায় গাঁথনি

1.1 উদ্দেশ্য
1.2 পৰিচয়
1.3 জনসংখ্যা শিক্ষাৰ ধাৰণা
1.3.1 জনসংখ্যা শিক্ষাৰ প্ৰকৃতি
1.3.2 জনসংখ্যা শিক্ষাৰ লক্ষ্য
1.3.3 জনসংখ্যা শিক্ষাৰ পৰিসৰ
1.4 জনসংখ্যা শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব
1.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
1.6 অধিক জানিবলৈ
1.7 অগ্ৰগতিৰ খতিয়ান
1.8 আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জনসংখ্যা শিক্ষা ধাৰণাটোৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- জনসংখ্যা শিক্ষাৰ প্ৰকৃতি বৰ্ণনা কৰিব পাৰিব
- জনসংখ্যা শিক্ষাৰ লক্ষ্যসমূহ বৰ্ণনা কৰিব পাৰিব
- জনসংখ্যা শিক্ষাৰ পৰিসৰ ব্যাখ্যা কৰিব পাৰিব আৰু
- জনসংখ্যা শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

জনসংখ্যা বিস্ফোৰণ বৰ্তমান সময়ত এক প্ৰধান মৌলিক সমস্যাত পৰিণত হৈছে। ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰত এই সমস্যাই গুণগত জীৱন-ধাৰণৰ ক্ষেত্ৰত ডাঙৰ প্ৰত্যাহ্বান ৰূপে থিয় দিছে। জনসংখ্যাৰ দ্ৰুত বৃদ্ধিয়ে অনেক সমস্যাৰ সৃষ্টি কৰিছে, এই সমূহৰ ভিতৰত প্ৰধান হ'ল— দৰিদ্ৰতা, নিবনুৱা সমস্যা, বাসস্থানৰ

অভাৱ, পুষ্টিহীনতা, প্ৰদূষণ, নিৰক্ষৰতা, সন্ত্ৰাসবাদ আৰু মানৱ সৰ্ৱৱাহ ইত্যাদি। শেহতীয়াকৈ ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা তথ্য অনুসৰি 2019 চনৰ অক্টোবৰ মাহত বিশ্বৰ জনসংখ্যা 7.7 বিলিয়ন হৈছেগৈ। এই হাৰত যদি বিশ্বৰ জনসংখ্যা বৃদ্ধি হৈ থাকে তেন্তে 2024 চনত বিশ্বৰ জনসংখ্যা হ'বগৈ 8 বিলিয়ন আৰু 2042 চনত হ'বগৈ 9 বিলিয়ন। ৰাষ্ট্ৰসংঘৰ তথ্য মতে 2019 চনৰ মধ্য ভাগত ভাৰতৰ জনসংখ্যা হৈছেগৈ 136.65 কোটি। এয়া হৈছে বিশ্বৰ জনসংখ্যাৰ 17.71 শতাংশ, যি পৃথিৱীৰ 2.4 শতাংশ ভূমি ভাগত বাস কৰে। ভাৰতৰ জনসংখ্যা যদি এই হাৰতে বৃদ্ধি হৈ থাকে তেন্তে 2045 চনত ভাৰতে বৰ্তমান বিশ্বৰ সৰ্বাধিক জনসংখ্যা থকা চীনদেশক চেৰপেলাই শীৰ্ষস্থানত উপনীত হ'ব। আপোনালোকে নিশ্চয় জানে যে এখন দেশৰ আৰ্থ-সামাজিক উন্নতিৰ মূল লক্ষ্য হ'ল দেশৰ নাগৰিকৰ জীৱন ধাৰণৰ মান উন্নত কৰা। কাৰণ নাগৰিকৰ জীৱনৰ মানদণ্ড উন্নত হ'লেহে তেওঁলোকে নিজকে সমাজৰ বাবে উপযোগী আৰু উৎপাদনক্ষম মানৱ সম্পদ ৰূপে গঢ় দিব পাৰিব। কিন্তু দেশৰ জনসংখ্যাৰ দ্ৰুত বৃদ্ধিক ৰোধ কৰিব নোৱাৰিলে নাগৰিকক গুণগত জীৱন প্ৰদান কৰাটো সম্ভৱ নহয়। দেশত ন্যায় সংগত বিতৰণ ব্যৱস্থা সকলোৰে বাবে উপলব্ধ কৰিব নোৱাৰিলে বহনক্ষম বিকাশক আগবঢ়াই নিয়াটো অসম্ভৱ হ'ব। সেয়ে বৰ্তমান জনসংখ্যা নিয়ন্ত্ৰণৰ পদক্ষেপসমূহৰ লগতে আনুষ্ঠানিক শিক্ষাত জনসংখ্যা শিক্ষা প্ৰদান কৰাটো অতি প্ৰয়োজন। ইয়াৰ দ্বাৰা উঠি অহা নতুন প্ৰজন্মই জনসংখ্যাৰ সমস্যাসমূহৰ বিষয়ে সজাগ হ'ব, এই সমস্যাসমূহৰ ওপৰত সঠিক মনোভাৱ গঠন কৰিব পাৰিব আৰু ভৱিষ্যতে জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত সঠিক সিদ্ধান্ত ল'ব পাৰিব। কোৱা বাহুল্য, আজিৰ শিশু কাইলৈ পিতৃ-মাতৃ হ'ব। গতিকে জনসংখ্যা ৰোধত তেওঁলোকৰ ভূমিকা হ'ব অতিশয় গুৰুত্বপূৰ্ণ আৰু নিৰ্ণায়ক।

এই অধ্যায়টিত আমি জনসংখ্যা শিক্ষাৰ লগত জড়িত মৌলিক ধাৰণাসমূহ আলোচনা কৰিম। জনসংখ্যা শিক্ষাৰ ধাৰণা, প্ৰকৃতি, পৰিসৰ আৰু ইয়াৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বক এই অধ্যায়ত আলোচনা কৰা হ'ব। আপুনি এই অধ্যায়টি অধ্যয়ন কৰি জনসংখ্যা শিক্ষাৰ ধাৰণাটোৰ ওপৰত এক নিজস্ব ধাৰণা গঢ়ি তুলিব পাৰিব আৰু বৰ্তমান দেশত দেখা দিয়া দ্ৰুত জনসংখ্যা বৃদ্ধিৰ সমস্যাটোৰ ওপৰত এক সম্যক ধাৰণা কৰিব পাৰিব।

১.৩ জনসংখ্যা শিক্ষাৰ ধাৰণা

আপুনি আপোনাৰ দৈনন্দিন জীৱনত নিশ্চয় জন্ম-নিয়ন্ত্ৰণ, পৰিয়াল পৰিকল্পনা আৰু যৌন শিক্ষা আদি ধাৰণাবোৰৰ বিষয়ে শুনিছে। ইয়াত আপোনালোকক এই ধাৰণাবোৰতকৈয়ো ব্যাপক এক পৃথক ধাৰাৰ লগত পৰিচয় কৰাম, সেয়া হ'ল জনসংখ্যা শিক্ষা। জনসংখ্যা শিক্ষাই এক শৈক্ষিক কাৰ্যসূচীক বুজায়। এই ধাৰণাটোত দুটা শব্দ প্ৰত্যক্ষ হয় জনসংখ্যা আৰু শিক্ষা। জনসংখ্যা বুলিলে এক নিৰ্দিষ্ট ভৌগোলিক অঞ্চলত বাস কৰা মুঠ লোকসকলক বুজায়। ইয়াত ভৌগলিক অঞ্চল বুলি কওঁতে গাওঁ, জিলা, দেশ বা সমগ্ৰ পৃথিৱীক সামগ্ৰিকভাৱেও বুজোৱা হৈছে। অন্যহাতে শিক্ষা হৈছে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা ব্যক্তিয়ে জ্ঞান, তথ্য, বোধ, মনোভাৱ, দক্ষতাঁ কৌশল আৰু অভ্যাস আদি অৰ্জন কৰিব পাৰে। শিক্ষাৰ দ্বাৰা অৰ্জন কৰা এই গুণ বা দক্ষতা দ্বাৰা এজন ব্যক্তিয়ে পৰিয়ালৰ, সমাজৰ, দেশৰ অথবা বিশ্বৰ এজন সদস্য হিচাবে জীৱনৰ কাৰ্যক্ষেত্ৰত সফল আৰু কাৰ্যকৰী ৰূপত কৰ্ম সম্পাদন

কৰিব পাৰে। ওপৰত আগবঢ়োৱা ব্যাখ্যাৰ ভিত্তিত তলত কেইটামান জনসংখ্যা শিক্ষাৰ সংজ্ঞা আগবঢ়োৱা হ'ল।

ইউনেস্ক'ৰ (1970) মতে, "জনসংখ্যা শিক্ষা হ'ল এক শৈক্ষিক কার্যসূচী যি পৰিয়াল, সম্প্রদায়, দেশ আৰু বিশ্বৰ জনসংখ্যাৰ পৰিস্থিতি সম্পৰ্কে অধ্যয়ন কৰাৰ সুবিধা দিয়ে। এই অধ্যয়নৰ উদ্দেশ্য হ'ল জনসংখ্যা পৰিস্থিতিৰ সম্পৰ্কে শিক্ষার্থীৰ মাজত যুক্তি নির্ভৰ, দায়িত্বশীল মনোভাব আৰু আচৰণ গঢ় দিয়া।" **ষ্টিফেন ভিদাৰমেনে** জনসংখ্যা শিক্ষাৰ সংজ্ঞা দিছে এইদৰে— 'এক প্রক্রিয়া যাৰ দ্বাৰা শিক্ষার্থীয়ে অনুসন্ধান কৰি জনসংখ্যা প্রক্রিয়াৰ অর্থ আৰু প্রকৃতি, বৈশিষ্ট্য, জনসংখ্যা পৰিৱর্তনৰ কাৰকবোৰ আৰু এই প্রক্রিয়াবোৰৰ পৰিণতিবোৰ উদঘাটন কৰা। জনসংখ্যা প্রক্রিয়াৰ এই অনুসন্ধান আৰু উদঘাটন প্রক্রিয়াৰ মাধ্যমেদি শিক্ষার্থীয়ে নিজৰ লগতে পৰিয়াল, সমাজ আৰু বিশ্বত হ'ব লগা পৰিৱর্তন বা বৈশিষ্ট্যবোৰ অনুধাৱন কৰা।'

গতিকে জনসংখ্যা শিক্ষা হ'ল জনগণক বহল দৃষ্টিভংগীৰে জনসংখ্যা সম্পর্কিত বিষয়সমূহৰ ওপৰত বোধ সৃষ্টিৰ বাবে শিকন কার্যত জড়িত কৰা আৰু তেওঁলোকৰ মাজত যথাযোগ্য দক্ষতা বা কৌশল বিকশিত কৰা যাতে তেওঁলোকে জনসংখ্যা সম্পৰ্কীয় বিষয়বোৰ বিশ্লেষণ কৰি ব্যক্তিগতভাৱে অর্থপূর্ণ আৰু সামাজিকভাৱে প্রাসংগিক ৰূপত সংজ্ঞা নিৰূপণ কৰিব পাৰে। জনসংখ্যা শিক্ষাই শিক্ষার্থীৰ মাজত কেৱল জনসংখ্যা সমস্যাবোৰৰ প্রতি সঠিক মনোভাৱ গঢ়াই নহয় লগতে বর্ধিত জনসংখ্যাই অনা সমস্যাবোৰৰ প্রতি যুক্তিপূর্ণ সিদ্ধান্ত গ্রহণৰ দক্ষতাও সৃষ্টি কৰা। প্রকৃতার্থতে জনসংখ্যা শিক্ষাই উন্নয়ন, জীৱন ধাৰণৰ মানদণ্ড আৰু গুণগত জীৱনক প্রভাৱিত কৰা জনসংখ্যা সম্পৰ্কীয় সকলো বিষয় সামৰি লয়। গতিকে জনসংখ্যা সম্পৰ্কীয় বিষয়বোৰ সামগ্রিক ৰূপত অন্তর্ভুক্ত আৰু জনসংখ্যা শিক্ষাৰ বিষয়বস্তু তাৰপৰাই নির্ধাৰিত হয়।

ওপৰত উল্লেখ কৰা হৈছে যে জনসংখ্যা শিক্ষা মানে পৰিয়াল পৰিকল্পনাও নহয় অথবা যৌন শিক্ষাও নহয়। যৌন শিক্ষা বুলিলে যৌন সংক্রমিত ৰোগবোৰৰ প্রতিৰোধৰ ওপৰত জোৰ দিয়ে। পৰিয়াল পৰিকল্পনা হ'ল জনসংখ্যা শিক্ষাৰ বিষয়সমূহৰ মাজৰ এটা। যৌন শিক্ষাই কেৱল ব্যক্তিৰ ওপৰত জোৰ দিয়ে অন্যহাতে, জনসংখ্যা শিক্ষাই ব্যক্তি, পৰিয়াল, সমাজৰ ৰাষ্ট্রীয় প্রেক্ষাপটত হোৱা আন্তঃক্রিয়াক বুজায়। পৰিয়াল পৰিকল্পনা মূলত চিকিৎসা বিষয়ক কেৱল বিবাহিত পুৰুষ-মহিলাৰ বাবে এক কার্যসূচী। ইয়াৰ বিপৰীতে জনসংখ্যা শিক্ষা মূলত এক শৈক্ষিক কার্যসূচী যাৰ দ্বাৰা জনসংখ্যা সম্পৰ্কীয় প্রয়োজনীয় সজাগতা আৰু বোধৰ সৃষ্টি কৰা।

জনসংখ্যা শিক্ষাৰ ধাৰণা সম্পৰ্কত অধিক পৰিস্কাৰকৈ আৰু সঠিকভাৱে বুজিবলৈ তলৰ সংজ্ঞাসমূহে আপোনাক সহায় কৰিব।

ড. ভি কে আৰ ভি ৰাওৰ মতে, "জনসংখ্যা শিক্ষা মূলত মানৱ সম্পদ বিকাশৰ লগত জড়িত। সেয়ে জনসংখ্যা শিক্ষাই কেৱল জনসংখ্যা সম্পৰ্কীয় সজাগতাই নহয় মানুহৰ মাজত সঠিক মূল্যবোধ আৰু মনোভাৱো গঢ়ি তোলে যাতে জনসংখ্যাৰ সংখ্যাগত আৰু গুণগত দুয়োটা দিশ সামৰি ল'ব পাৰিব।"

বার্বচনৰ মতে, "জনসংখ্যা শিক্ষা হ'ল জনসংখ্যা, পৰিয়াল আৰু যৌনতা সম্পৰ্কে জ্ঞান আৰু মনোভাৱ উদ্‌ঘাটন কৰা। ইয়াত অন্তর্ভুক্ত বিষয়বোৰ হ'ল— জনসংখ্যা সম্পৰ্কীয় সজাগতা, পৰিয়াল যাপন, প্রজনন শিক্ষা আৰু মৌলিক মূল্যবোধবোৰ।"

আৰ. চি. শর্মাৰ মতে, "জনসংখ্যা শিক্ষা হ'ল মানৱ জনসংখ্যাক ইয়াৰ পৰিৱেশৰ লগত সম্পর্কিত কৰি অধ্যয়ন কৰা। এই অধ্যয়নৰ উদ্দেশ্য হ'ল পৰিৱেশত কোনো বিৰূপ প্রভাৱ নেপেলোৱাকৈ মানুহৰ গুণগত জীৱনৰ উন্নতি সাধন কৰা।"

অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জনসংখ্যা শিক্ষাৰ সংজ্ঞা দিয়ক।

প্রশ্ন নং ২ ঃ জনসংখ্যা শিক্ষা ধাৰণাটো অন্য মিল থকা ধাৰাবোৰৰ পৰা পার্থক্য দেখুওৱাক।

১.৩.১ জনসংখ্যা শিক্ষাৰ প্রকৃতি

জনসংখ্যা শিক্ষা তুলনামূলকভাৱে এক নতুন অধ্যয়ন ক্ষেত্র। যিহেতু জনসংখ্যা সম্পর্কীয় কথাবোৰ সদায় পৰিৱর্তনশীল। সেয়ে জনসংখ্যা শিক্ষা ধাৰণাটোও পৰিৱর্তিত প্রয়োজন, নতুনকৈ উদ্ভৱ হোৱা বিষয়বোৰ আৰু চিন্তাবোৰৰ লগত খাপ খাই লাহে লাহে উদ্ভৱ হৈছে। এই কথাখিনি মনত ৰাখি তলত জনসংখ্যা শিক্ষাৰ প্রকৃতি সম্পর্কে আলোচনা কৰা হ'ল।

- জনসংখ্যা শিক্ষা মানে কেৱল জনসংখ্যাৰ সাংখ্যিক তথ্য নহয় কিন্তু ই মানৱ জনসংখ্যাৰ গুণগত দিশটোও সামৰি লয়। সেয়ে, জনসংখ্যা শিক্ষা মানৱ সম্পদ বিকাশৰ লগত জড়িত।
- জনসংখ্যা শিক্ষা হ'ল এক শৈক্ষিক কার্যসূচী।
- জনসংখ্যা শিক্ষাই অন্য শৈক্ষিক কার্যসূচীৰ দৰেই শিক্ষার্থীক জনসংখ্যা বিষয়ক বিষয়বস্তুৰ ওপৰত জ্ঞান, বোধ, কৌশল, মনোভাৱ আৰু মূল্যবোধ গঢ়াত সহায় কৰে।
- জনসংখ্যা শিক্ষাৰ ধাৰণাটো হ'ল বহু বিষয়যুক্ত আৰু অন্য বহু বিষয়ৰ লগত সম্পর্কিত।
- জনসংখ্যা শিক্ষাই জনসংখ্যা পৰিস্থিতিক পৰিয়াল, সম্প্রদায়, দেশ তথা পৃথিৱীৰ প্রেক্ষাপটত বুজিবলৈ শিক্ষণীয় পৰিৱেশ সৃষ্টি কৰে।
- জনসংখ্যা সম্পর্কীয় উপাদানবোৰ ব্যক্তি, পৰিয়াল আৰু সমাজৰ কল্যাণত কিদৰে জড়িত হৈ আছে সেয়া বুজাত জনসংখ্যা শিক্ষাই সহায় কৰে।
- জনসংখ্যা শিক্ষাই মানুহ আৰু পৰিৱেশৰ লগতে মানুহৰ গুণগত জীৱনৰ মাজৰ সম্পর্কক অধ্যয়ন কৰে।
- জনসংখ্যা শিক্ষাৰ প্রাথমিক চিন্তাৰ বিষয়টো হ'ল কিয় জনসংখ্যাৰ পৰিৱর্তন হৈ বর্তমানৰ অৱস্থাটো পালে।
- জনসংখ্যাৰ পৰিৱর্তনে পৰিয়াল, সম্প্রদায়, দেশ আৰু বিশ্বত কিদৰে প্রভাৱ পেলাইছে আৰু কি কি পৰিৱর্তন আনিছে সেয়াও জনসংখ্যা শিক্ষাৰ চিন্তাৰ বিষয়বস্তু।
- জনসংখ্যা শিক্ষাই জনসংখ্যা পৰিৱর্তনৰ সাম্ভাব্য কাৰকবোৰ আৰু পৰিণতিবোৰৰ সম্পর্কে অধ্যয়ন কৰে। এই কাৰকবোৰ আৰু পৰিণতিবোৰৰ প্রকৃতি জৈৱিক, সামাজিক, অর্থনৈতিক, ৰাজনৈতিক আৰু সংস্কৃতিক

ইত্যাদি হ'ব পাৰে।

- জনসংখ্যা শিক্ষাৰ বিষয়বস্তু মূলত এহাতে জনসংখ্যা সম্পৰ্কীয় উপাদানবোৰৰ মাজৰ সম্বন্ধক কেন্দ্ৰ কৰি হয় আৰু অন্যহাতে বিভিন্ন আৰ্থ-সামাজিক প্ৰক্ৰিয়াবোৰো ইয়াৰ অন্তৰ্গত।
- জনসংখ্যাৰ পৰিৱৰ্তন আৰু বিকাশ পাৰস্পৰিকভাৱে নিৰ্ভৰশীল। পৰিয়াল, সম্প্ৰদায় বা দেশত হোৱা জনসংখ্যাৰ পৰিৱৰ্তন নিৰ্ভৰ কৰে সেই পৰ্যায়বোৰত লোৱা কিছুমান নিৰ্দিষ্ট সিদ্ধান্তৰ ওপৰত। পৰিয়াল, সম্প্ৰদায় বা দেশ যি পৰ্যায়তে নহওক কিয় তেওঁলোকে লোৱা সিদ্ধান্ত নিৰ্ভৰ কৰে তেওঁলোকে সেই পৰ্যায়ত জনসংখ্যা সম্পৰ্কীয় সকলো বিষয় সামগ্ৰিকভাৱে বুজাৰ ওপৰত আৰু এই ক্ষেত্ৰত জনসংখ্যা শিক্ষাৰ ভূমিকা অপৰিসীম। জনসংখ্যা শিক্ষাই যিকোনো পৰ্যায়ৰ জনসংখ্যা পৰিস্থিতিৰ জ্ঞান, বোধ, মনোভাৱ আৰু আচৰনৰ মানুহৰ মাজত বিকাশ ঘটাই ব্যক্তিক যুক্তিপূৰ্ণ আৰু দায়িত্বশীল সিদ্ধান্ত গ্ৰহণত সহায় কৰে। গতিকে জনসংখ্যা পৰিৱৰ্তনৰ ক্ষেত্ৰত সঠিক সিদ্ধান্তই মানুহৰ গুণগত জীৱনত বৰ্তমান আৰু ভৱিষ্যতে প্ৰভাৱিত কৰিব।

১.৩.২ জনসংখ্যা শিক্ষাৰ লক্ষ্য

1971 চনত এন চি আৰ টি (NCERT) য়ে নতুন দিল্লীত হোৱা এখন জনসংখ্যা বিষয়ক কৰ্মশালাত জনসংখ্যা শিক্ষাৰ সাধাৰণ লক্ষ্য হিচাবে তলত দিয়া ধৰণে নিৰ্ধাৰণ কৰিছে ঃ

- জনসংখ্যা সম্পৰ্কীয় ধাৰণা আৰু প্ৰক্ৰিয়াসমূহৰ বিষয়ে এক বোধ গঢ়ি তোলা।
- বিশ্বত দ্ৰুত জনসংখ্যা বৃদ্ধি ইয়াৰ কাৰকসমূহৰ বিষয়ে নতুন প্ৰজন্মৰ মাজত এক সম্যক বোধ গঢ়ি তোলা।
- দ্ৰুত জনসংখ্যা বৃদ্ধিৰ প্ৰৱণতাই কিদৰে মানৱ জীৱনৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশবোৰত প্ৰভাৱিত কৰিছে সেই বিষয়ে এক বোধ গঢ়ি তোলা।
- জনসংখ্যা বৃদ্ধি আৰু উন্নয়ন প্ৰক্ৰিয়াৰ মাজৰ নিকট সম্বন্ধক মানুহৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিবলৈ লোৱা উন্নয়নমূলক কাৰ্যসূচীসমূহৰ প্ৰসংগত এক বোধ গঢ়ি তোলা।
- মাত্ৰাধিক জনসংখ্যাই পৰিৱেশৰ ওপৰত পেলোৱা বিৰূপ প্ৰভাৱ লগতে আহি পৰা প্ৰদূষণ সম্পৰ্কে এক বোধ গঢ়ি তোলা।
- বৈজ্ঞানিক আৰু চিকিৎসা বিজ্ঞানৰ অগ্ৰগতিৰ ফচলসমূহ ব্যৱহাৰ কৰি কেনেকৈ দুৰ্ভিক্ষ, ৰোগ-ব্যাধি আদিৰ ওপৰত নিয়ন্ত্ৰণ আনি জন্মৰ হাৰ আৰু মৃত্যুৰ হাৰৰ মাজত ভাৰসাম্য আনিব পাৰি সেই সম্পৰ্কে এক বোধ সৃষ্টি কৰা।
- এটা প্ৰজাতিৰ ধাৰাবাহিকতাৰ ক্ষেত্ৰত ক্ৰিয়া কৰা জৈৱিক উপাদানবোৰ আৰু প্ৰজনন সম্পৰ্কীয় কথাবোৰৰ সম্পৰ্কে এক বোধ গঢ়ি তোলা।
- তলত উল্লেখ কৰা বিষয়সমূহৰ মৰ্ম উপলব্ধি কৰা ঃ

  (ক) সৰু পৰিয়াল মানদণ্ডক সঠিক আৰু বাঞ্ছিত বুলি গ্ৰহণ কৰা।

  (খ) জনসংখ্যাৰ আকাৰ আৰু গুণগত জীৱনৰ মাজৰ সম্বন্ধক বুজি পোৱা, আৰু

(গ) পৰিয়ালৰ আকাৰ নির্ণয় ব্যক্তিৰ নিজস্ব ইচ্ছাৰ ওপৰত নির্ভৰশীল আৰু ই মানৰ নিয়ন্ত্রিত বিষয়।

- ব্যক্তিগত আৰু পৰিয়াল জীৱন ধাৰণৰ লগত জড়িত সকলো দিশৰ প্রতি এক দায়বদ্ধ আৰু পাৰস্পৰিক সহায় আৰু সহযোগিতাৰ মনোভাৰ গঢ়ি তোলা।
- শিশুৰ মাতৃক সু-স্বাস্থ্যৰে ৰখা, শিশুৰ কল্যাণ আৰু পৰিয়ালৰ ক্ষুদ্র আকাৰ আদিৰ মাজৰ সম্পর্কৰ মর্ম উপলব্ধি কৰা বা বুজি উঠা।
- জনসংখ্যাৰ ক্ষেত্রত সমাজৰ প্রতিজন ব্যক্তিৰ কার্যই যে সমাজৰ আনসকলক প্রভাৱিত কৰে এই কথাটোৰ মর্ম সঠিক ৰূপত উপলব্ধি কৰা বা বুজা। পৰিয়ালৰ আকাৰ আৰু জনসংখ্যাৰ ক্ষেত্রত ব্যক্তিগত আৰু ৰাষ্ট্রীয় সিদ্ধান্তই দীর্ঘকালীন ৰূপত বিশ্বৰ জনসংখ্যাৰ পৰিৱর্তনত প্রভাৱ পেলায়।
- দেশৰ জনসংখ্যা নীতিসমূহ আৰু কার্যসূচীসমূহৰ বিষয়ে এক সজাগতা সৃষ্টি কৰা, আৰু
- জনসংখ্যা সম্পর্কীয় মৌলিক শব্দ সম্ভাৰ শিক্ষার্থীক পৰিচয় কৰাই দিয়া যাতে তেওঁলোকে জনসংখ্যা সম্পর্কীয় পাঠসমূহ বোধগম্যতাৰে পঢ়িব আৰু ব্যাখ্যা কৰিব পাৰিব।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ জনসংখ্যা শিক্ষাৰ প্রকৃতি চমুকৈ বর্ণনা কৰক।

প্রশ্ন নং ৪ ঃ জনসংখ্যা শিক্ষাৰ তিনিটা প্রধান লক্ষ্য লিখক।

১.৩.৩ জনসংখ্যা শিক্ষাৰ পৰিসৰ

ওপৰত কৰা আলোচনাৰ মাধ্যমেদি আপুনি নিশ্চয় জনসংখ্যা শিক্ষাৰ পৰিসৰ সম্পর্কে এক ধাৰণা কৰিব পাৰিছে। জনসংখ্যা শিক্ষা হ'ল এক বহু বিষয়যুক্ত ধাৰণা আৰু এক মূল্যবোধযুক্ত শৈক্ষিক কার্যসূচী যাৰ মূল লক্ষ্য হ'ল বর্তমান আৰু ভৱিষ্যতৰ বাবে মানুহৰ গুণগত জীৱনক উন্নতি সাধন কৰা। জনসংখ্যা শিক্ষাৰ বিষয়বস্তু বিভিন্ন ক্ষেত্রৰ পৰা লোৱা হয়। ইয়াৰে প্রধান কিছুমান হ'ল— জনগাঁথনি, জনসংখ্যা গতিশীলতা, জনসংখ্যা অধ্যয়ন, যৌন শিক্ষা, পৰিয়াল পৰিকল্পনা আৰু জনসংখ্যাৰ নীতি আৰু কার্যসূচীসমূহ। গতিকে জনসংখ্যা শিক্ষাই ইয়াৰ বিষয়বস্তুত সামৰি লয় জনসংখ্যাতত্ত্ব, সমাজতত্ত্ব, ভূগোলবিজ্ঞান, অর্থনীতি, মনোবিজ্ঞান, জীৱবিজ্ঞান, পৰিস্থিতিবিজ্ঞান, জনসংখ্যা অধ্যয়ন আৰু চিকিৎসা বিজ্ঞান ইত্যাদি। তলত জনসংখ্যা শিক্ষাৰ পৰিসৰ সম্পর্কে বিস্তৃত ৰূপত দাঙি ধৰা হ'ল ঃ

- **জনসংখ্যাতত্ত্ব ঃ** ই হ'ল জনসংখ্যা সম্পর্কীয় অধ্যয়ন। ইয়াত জন্মৰ হাৰ, মৃত্যুৰ হাৰ, প্রব্রজন হাৰ ইত্যাদিৰ পৰিমাপন আৰু বিশ্লেষণ কৰা হয়। জনসংখ্যা পৰিৱর্তন হ'ল এক জৈৱিক প্রক্রিয়া। জনসংখ্যাতত্ত্বত জন্মৰ হাৰ, মৃত্যুৰ হাৰ, লিংগ-অনুপাত, নির্ভৰশীলতা অনুপাত, বয়স-লিংগ পিৰামিড্ আৰু জনসংখ্যা বৃদ্ধিৰ হাৰ ইত্যাদি বিষয়বোৰ অন্তর্ভুক্ত হয়।

- **জনসংখ্যা বৃদ্ধিৰ পৰিণতিসমূহ ঃ** দ্রুত জনসংখ্যা বৃদ্ধিয়ে পোনপটীয়াকৈ মানৱ জীৱনৰ বিভিন্ন দিশসমূহ যেনে— জৈৱিক, সামাজকি, অর্থনৈতিক আৰু সাংস্কৃতিক, পৰিৱেশ আৰু পৰিস্থিতিতন্ত্ৰৰ ভাৰসাম্যতা আৰু দেশৰ বিকাশমূলক আৰু কল্যাণকামী আঁচনিসমূহক প্রভাৱিত কৰে। মানৱ স্বাস্থ্যত জনসংখ্যা বৃদ্ধিৰ বিৰূপ প্রভাৱ সম্পর্কে জনসংখ্যা শিক্ষাই আলোচনা কৰে। ইয়াৰ লগতে জনসংখ্যা বৃদ্ধিৰ বিশ্লেষণ আৰু ইয়াৰ পৰিণতিসমূহৰ দৈনন্দিন জীৱনত প্রভাৱ সম্পর্কেও জনসংখ্যা শিক্ষাই আলোচনা কৰে।
- **জনসংখ্যা পৰিৱর্তনৰ নির্ধাৰকসমূহ ঃ** জনসংখ্যাৰ পৰিৱর্তন জন্ম, মৃত্যু আৰু প্রব্রজনৰ মাধ্যমেৰে হয়। ই সামৰি লয় জৈৱিক, সামাজিক আৰু সাংস্কৃতিক দিশসমূহ যিবোৰে পোনপটীয়াকৈ জনসংখ্যা পৰিৱর্তনৰ উপাদানবোৰক প্রভাৱিত কৰে। ইয়াত দৰিদ্রতা আৰু জনসংখ্যা পৰিৱর্তনত প্রভাৱ পেলোৱা ৰীতি বা প্রথাবোৰৰ সম্পর্কেও বিশ্লেষণ কৰে।
- **মানৱ যৌনতা আৰু প্রজনন পদ্ধতি ঃ** ইয়াত অন্তর্ভুক্ত বিষয়সমূহ হ'ল মানৱ যৌনতা আৰু প্রজনন প্রক্রিয়াৰ মৌলিক প্রক্রিয়াসমূহ যেনে- যৌন আচৰণসমূহ, মানৱ প্রজনন পদ্ধতিৰ বিকাশ আৰু ইয়াৰ লগত জড়িত সমস্যাসমূহ। জনসংখ্যা শিক্ষাৰ পৰিসৰে প্রজনন স্বাস্থ্যৰ প্রতি এক যোগাত্মক মনোভাৱ গঢ়াৰ দিশটোও সামৰি লয়।
- **ভৱিষ্যতৰ বাবে পৰিকল্পনা ঃ** ইয়াত অন্তর্ভুক্ত বিষয় হ'ল জনসংখ্যা ব্যৱস্থাপনাৰ বিভিন্ন দিশসমূহ যেনে- বিবাহৰ উপযুক্ত বয়স, প্রথম গর্ভধাৰণ, জন্মৰ মাজৰ ব্যৱধান, পৰিয়াল পৰিকল্পনা, পৰিয়াল কল্যাণ আৰু জন্ম নিৰোধকৰ ব্যৱহাৰ ইত্যাদি।

জনসংখ্যা শিক্ষাৰ পৰিসৰ সম্পর্কে তলত উল্লেখ কৰা কথাখিনিও উল্লেখযোগ্যঃ

গুণগত জীৱন অর্জন হ'ল জনসংখ্যা শিক্ষাৰ মূল কেন্দ্রীয় বিষয়। 1998 চনত এন চি ই আৰ টি (NCERT) য়ে জনসংখ্যা শিক্ষাৰ ধাৰণাত্মক গাঁথনিটো ছটা প্রধান বিষয়ক লৈ গঠন কৰিছে। সেইসমূহ হ'ল— (1) পৰিয়ালৰ আকাৰ আৰু পৰিয়াল কল্যাণ, (2) বিলম্বিত বিবাহ, (3) দায়িত্বশীল পিতৃ-মাতৃত্ব, (4) জনসংখ্যাৰ পৰিৱর্তন আৰু সম্পদৰ বিকাশ, (5) জনসংখ্যা সম্পর্কীয় বিশ্বাস আৰু মূল্যবোধ, আৰু (6) নাৰীৰ স্থান বা মর্যাদা। এই মূল বিষয়কেইটাক কেন্দ্র কৰি জনসংখ্যা শিক্ষা বিষয়বস্তু ছটা ক্ষেত্রৰ পৰা লোৱা হৈছে, সেয়া হ'ল— (1) জনসংখ্যা আৰু অর্থনৈতিক বিকাশ, (2) জনসংখ্যা আৰু সামাজিক বিকাশ, (3) জনসংখ্যা, পৰিৱেশ আৰু বিকাশ, (4) জনসংখ্যা আৰু ঘৰুৱা জীৱন, (5) জনসংখ্যা, স্বাস্থ্য আৰু পৰিপুষ্টি, আৰু (6) জনসংখ্যা গতিশীলতা।

ওপৰত উল্লেখ কৰা জনসংখ্যা শিক্ষাৰ বিষয় বস্তুবোৰৰ উপৰিও, কিছুমান নতুনকৈ উদ্ভৱ হোৱা বিষয় যেনে কৈশোৰৰ সমস্যাবোৰ, যৌন সংক্রমিত ৰোগবোৰ যেনে- এইডছ (AIDS), নগৰীকৰণ আৰু বয়সস্থ ব্যক্তিৰ সমস্যা আদিবোৰ জনসংখ্যা শিক্ষাই অধ্যয়নৰ বিষয় হিচাবে সামৰি লয়।

অন্যহাতে 2000 চনত অনুষ্ঠিত মিলেনইয়াম শীর্ষ সম্মিলনত গ্রহণ কৰা সহস্রাব্দ বিকাশৰ লক্ষ্যসমূহ (MDGs) জনসংখ্যা শিক্ষাৰ আওতাৰ ভিতৰত পৰে। এই লক্ষ্যসমূহ হ'ল— দৰিদ্রতা আৰু ক্ষুদ্ধ নির্বাৰণ, সার্বজনীন প্রাথমিক শিক্ষা অর্জন, লিংগ সমতা আৰু নাৰী সবলীকৰণক উৎসাহ দিয়া, শিশুৰ মৃত্যুৰ হাৰ হ্রাস কৰা, প্রসূতিৰ স্বাস্থ্যৰ উন্নতিকৰণ, এইচ আই ভিûএইডছ্, মেলেৰিয়া আৰু অন্যান্য ৰোগসমূহ প্রতিহত কৰা, পৰিৱেশীয়

বহনক্ষমতাক সুনিশ্চিত কৰা আৰু বিকাশৰ বাবে এক গোলকীয় অংশীদাৰিত্ব গঢ়ি তোলা।

শেষত, এটা কথা উল্লেখ কৰিব পাৰি যে জনসংখ্যা শিক্ষাৰ লক্ষ্যসমূহ, বিষয়বস্তু আৰু পৰিসৰ নির্ভৰ কৰে এই শিক্ষা প্রদান কৰিবলৈ স্থিৰ কৰা দলটোৰ ওপৰত, তেওঁলোকৰ শৈক্ষিক অর্হতাৰ ওপৰত। ইয়াৰোপৰি ব্যক্তিৰ প্রয়োজন, স্থানীয় আৰু ৰাষ্ট্রীয় প্রয়োজন আৰু সমস্যাবোৰৰ ওপৰত ভিত্তি কৰি জনসংখ্যা শিক্ষা স্থিৰ কৰা হয়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ জনসংখ্যা শিক্ষাৰ পৰিসৰৰ ভিতৰত পৰা কিছুমান গুৰুত্বপূর্ণ বিষয়বস্তু উল্লেখ কৰক।

প্রশ্ন নং ৬ ঃ জনসংখ্যা শিক্ষাৰ পৰিসৰ কিদৰে সহস্রাব্দ বিকাশৰ লক্ষ্যসমূহৰ (MDGs) লগত জড়িত চমুকৈ ব্যাখ্যা কৰক।

১.৪ জনসংখ্যা শিক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব

পূর্বতেই কোৱা হৈছে যে যদি বর্তমানৰ হাৰত ভাৰতৰ জনসংখ্যা বৃদ্ধি হৈ থাকে তেন্তে 2045 চনত ভাৰত বিশ্বৰ সর্বাধিক জনসংখ্যা থকা দেশ হিচাবে পৰিগণিত হ'ব। যদিও জনসংখ্যা বিস্ফোৰণ এক বিশ্বব্যাপী হোৱা সমস্যা তথাপিও ভাৰতৰ দৰে দেশত এই সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। এই সমস্যাক ৰোধ কৰিবলৈ জনসংখ্যা শিক্ষাৰ প্রয়োজনীয়তা অতি আৱশ্যক হৈ পৰিছে।

মানুহেই জনসংখ্যা বৃদ্ধি কৰি নিজৰ ব্যক্তিগত, সামাজিক আৰু ৰাষ্ট্রীয় জীৱনক বিপন্ন কৰি তুলিছে। সেয়ে, এই মানৱসৃষ্ট সমস্যাটোৰ সমাধান মানুহৰ যুক্তিযুক্ত চিন্তা আৰু কর্মৰ মাধ্যমেদিহে সম্ভৱ। ইয়াৰ বাবে মানুহক জনসংখ্যাৰ সমস্যা আৰু ইয়াৰ লগত জড়িত বিষয়বোৰৰ ওপৰত শিক্ষিত কৰি তুলি তেওঁলোকৰ পৰা এই সমস্যা সমাধানৰ বাবে সঠিক ভূমিকা পালনৰ বাবে প্রস্তুত কৰি তুলিব লাগিব।

তলত জনসংখ্যা শিক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব সম্পর্কে আলোচনা কৰা হ'ল।

- জনসংখ্যা পৰিস্থিতি এটাত জন্ম, প্রব্রজন আৰু জীৱনৰ অন্যান্য দিশবোৰ আন্তঃসম্পর্কিত হৈ থাকে। উচ্চ জন্মহাৰ আৰু নিম্ন মৃত্যু হাৰৰ বাবে জনসংখ্যা দ্রুত গতিত বৃদ্ধি পাইছে। ইয়াৰ ফলত দেশৰ অর্থনীতি, মূল্যবোধ আৰু কল্যাণৰ ক্ষেত্রত যথেষ্ট প্রভাৱ বিস্তাৰ কৰিছে। সেয়ে, জন্মৰ হাৰ কমাবলৈ পৰিয়াল পৰিকল্পনা আঁচনিৰ অতি প্রয়োজন।এই আঁচনিৰ যোগেদি আধুনিক গর্ভনিৰোধক ব্যৱহাৰৰ যোগেদি যে জন্ম নিয়ন্ত্রণ কৰিব পাৰি তাৰ বিষয়ে সজাগতা গঢ়ি তোলা। দেশত বিবাহিতসকলৰ মাজত জন্ম-নিয়ন্ত্রণ কার্যসূচী গ্রহণ কৰি বর্ধিত জনসংখ্যাক ৰোধ কৰাৰ চেষ্টা কৰা হৈছে। কিন্তু উঠি অহা প্রজন্মৰ মাজত জনসংখ্যা শিক্ষা প্রদানৰ হেতু কোনো কার্যকৰী ব্যৱস্থা লোৱা হোৱা নাই। যিহেতু আজিৰ শিশু কাইলৈ পিতৃ-মাতৃ হ'ব, গতিকে আমি শিশুসকলৰ বাবে সৰুৰে পৰা জনসংখ্যা শিক্ষাৰ কার্যসূচী গ্রহণ কৰিব লাগে।
- জনসংখ্যা বৃদ্ধিৰ পৰিণতি স্বৰূপে ৰাষ্ট্রীয় ৰাজনৈতিক, অর্থনৈতিক আৰু ব্যক্তিগত জীৱনত কি প্রভাৱ

পৰিছে সেই সম্পৰ্কে উঠি অহা প্ৰজন্মক ভালকৈ জনোৱা উচিত। তেনে কৰিলেহে তেওঁলোকে ভৱিষ্যতে এক সুপৰিকল্পিত প্ৰাপ্তবয়স্ক জীৱন-যাপন কৰিব পাৰিব। সেয়ে নতুন প্ৰজন্মক জনসংখ্যা শিক্ষাৰে শিক্ষিত কৰি জনসংখ্যা সমস্যাবোৰৰ প্ৰতি সঠিক মনোভাৱ গঢ়ি ভৱিষ্যতে তেওঁলোকৰ পৰা জনসংখ্যা বৃদ্ধিৰ প্ৰতি দায়িত্বশীল আচৰণ প্ৰদৰ্শন সুনিশ্চিত কৰা।

- ভাৰতৰ দৰে বৃহৎ জনসংখ্যাৰ মৌলিক প্ৰয়োজনসমূহ পূৰণৰ বাবে ভাৰত চৰকাৰে বৃহৎ পৰিমাণৰ ধন খৰচ কৰিব লগা হেতুকে জনগণৰ গুণগত জীৱনৰ উন্নতিৰ প্ৰতি খৰচ কৰিবলৈ পুঁজিৰ অভাৱে দেখা দিছে। ফলত দেশৰ বহু লোক খাদ্য, বাসস্থান, শিক্ষা আৰু স্বাস্থ্য আদিৰ ক্ষেত্ৰত প্ৰয়োজনীয় সা-সুবিধা নোপোৱাকৈয়ে জীয়াই আছে। গতিকে দেশৰ নাগৰিকৰ গুণগত জীৱন সুনিশ্চিত কৰিবলৈ বৰ্দ্ধিত জনসংখ্যাক নিয়ন্ত্ৰণ কৰিবই লাগিব। ইয়াৰ বাবে জনসংখ্যা শিক্ষাৰ দ্বাৰা দেশৰ লোকসকলক গুণগত জীৱনৰ বাবে যে জনসংখ্যা নিয়ন্ত্ৰণ অতীৱ প্ৰয়োজন সেয়া সঠিকভাৱে বুজাই তেওঁলোকক জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত অতি যুক্তিপূৰ্ণ সিদ্ধান্ত ল'বলৈ সক্ষম কৰি তুলিব লাগে।
- জনসংখ্যা বৃদ্ধিয়ে বিভিন্ন সামাজিক সমস্যাৰ সৃষ্টি কৰিছে। এইবোৰৰ ভিতৰত প্ৰধান হ'ল অপৰাধ, হিংসা, অসামাজিক কাম-কাজ, কৈশোৰ অপৰাধী, সন্ত্ৰাসবাদ ইত্যাদি। ইয়াৰোপৰি জনসংখ্যা বৃদ্ধিয়ে পৰিৱেশীয় সমস্যা যেনে প্ৰদূষণ, গোলকীয় উষ্ণতা বৃদ্ধি আৰু পৰিস্থিতিতন্ত্ৰৰ ভাৰসাম্যহীনতা আদিবোৰৰ সৃষ্টি কৰিছে। এই সমস্যাবোৰৰ স্থায়ী সমাধান কেৱল জনসংখ্যা শিক্ষাৰ মাধ্যমেদিহে সম্ভৱ।
- জনসংখ্যা শিক্ষাই এক শৈক্ষিক কাৰ্যসূচী স্বৰূপে জনসংখ্যা বিষয়ক দিশবোৰ প্ৰতি মানুহক প্ৰভাৱিত কৰি এইবোৰ মোকাবিলা কৰিবলৈ প্ৰয়োজনীয় জ্ঞান, কৌশল, মনোভাৱ আৰু আচৰণ গঢ় দিব পাৰে। বিভিন্ন গৱেষণাই এইটো প্ৰমাণ কৰিছে যে জ্ঞানে মনোভাৱ গঠনত আৰু মনোভাৱে এক অভ্যাস বা আচৰণ প্ৰদৰ্শনত প্ৰভাৱিত কৰে। সেয়ে জনসংখ্যা শিক্ষা হ'ল জনসংখ্যাৰ ক্ষেত্ৰত মানুহৰ বাঞ্ছিত আচৰণ সুনিশ্চিত কৰাৰ এক পূৰ্ব চৰ্ত।
- জনসংখ্যা শিক্ষাই নাৰী সবলীকৰণটো ভূমিকা পালন কৰে। লিংগ-সমতা স্থাপন কৰি সমাজত নাৰীৰ স্থান বা মৰ্যাদাক সুনিশ্চিত কৰি জীৱনৰ বিভিন্ন ক্ষেত্ৰত নাৰীয়ে স্বতন্ত্ৰ সিদ্ধান্ত ল'ব পৰা এটা পৰিৱেশতহে জনসংখ্যা নিয়ন্ত্ৰণ বা অন্যান্য আৰ্থ-সামাজিক উন্নতি সম্ভৱ। ইয়াৰ বাবে জনসংখ্যা শিক্ষা নিশ্চয় এক শক্তিশালী মাধ্যম ৰূপে ব্যৱহাৰ কৰিব পাৰি।
- জনসংখ্যা শিক্ষাই যিবোৰ সমস্যাত জনসংখ্যা বৃদ্ধিয়ে প্ৰভাৱিত কৰিছে সেইবোৰ চিনাক্ত কৰাত বা তাৰ প্ৰকৃতি বুজাত ব্যক্তিক সহায় কৰে। জনসংখ্যা শিক্ষাই মানুহক কিদৰে সমস্যাবোৰ উদ্ভৱ হৈছে সেয়া বুজাত সহায় কৰে লগতে তেওঁলোকে বৰ্তমান এই সমস্যাবোৰৰ ক্ষেত্ৰত লোৱা সিদ্ধান্ত আৰু কৰ্মই ভৱিষ্যত কি ফলাফল আনিব তাকো বুজাত সহায় কৰে। সমাজৰ আৰ্থ সামাজিক উন্নয়নৰ প্ৰেক্ষাপটতো বুজাত জনসংখ্যা শিক্ষাই ব্যক্তিক সহায় কৰে। এখন দেশৰ বা সমাজৰ আৰ্থ সামাজিক পৰিস্থিতিয়ে জনসংখ্যা প্ৰক্ৰিয়াটো প্ৰভাৱিত কৰে। কাৰণ ব্যক্তিৰ বা সমাজৰ আৰ্থ সামাজিক অৱস্থাই জনসংখ্যা বৃদ্ধিৰ সিদ্ধান্তত নিৰ্ণয়ক ভূমিকা পালন কৰে।

- জনসংখ্যা শিক্ষাক সামাজিক পৰিৱৰ্তনৰ আহিলা হিচাবেও ব্যৱহাৰ কৰিব পাৰি। জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত আমাৰ দেশৰ বহুলোকে এতিয়াও অন্ধবিশ্বাস বা গোড়ামিৰ দ্বাৰা পৰিচালিত হৈ আছে। ফলত এইবোৰ দ্ৰুত জনসংখ্যা বৃদ্ধিৰ কাৰক ৰূপে থিয় দিছে। জনসংখ্যা শিক্ষাই সমাজ পৰিৱৰ্তনৰ আহিলা হিচাপে এই অন্ধবিশ্বাসবোৰ দূৰ কৰি শিক্ষাৰ্থীৰ মাজত বিজ্ঞানসন্মত বিচাৰ-বিবেচনা বা সিদ্ধান্ত গ্ৰহণৰ বাবে প্ৰয়োজনীয় জ্ঞান, কৌশল আৰু মনোভাৱ সৃষ্টি কৰিব পাৰে।
- জনসংখ্যা শিক্ষাই এখন প্ৰকৃত গণতান্ত্ৰিক সমাজ গঢ়াত সহায় কৰিব পাৰে। কাৰণ জনসংখ্যা যিমানেই কম হ'ব বা নিয়ন্ত্ৰিত হ'ব সিমানেই গণতান্ত্ৰিক মূল্যবোধবোৰ সমাজত প্ৰতিষ্ঠা কৰিবলৈ সুবিধা হ'ব।
- জনসংখ্যা শিক্ষাৰ প্ৰকৃতি হ'ল আচৰণগত আৰু বহু বিষয়যুক্ত। সেয়ে ইয়াক মূল্যবোধৰ ক্ষেত্ৰত পৰিৱৰ্তন সাধিবলৈ এক শক্তিশালী আহিলা হিচাবে ব্যৱহাৰ কৰিব পাৰি। শিক্ষাৰ্থীৰ মাজত সামাজিকভাৱে বাঞ্ছিত এক মূল্যবোধ ব্যৱস্থা গঢ়ি তুলিবলৈ আৰু তেওঁলোকৰ প্ৰজ্ঞাত্মক ক্ষেত্ৰৰ ব্যাপকতা বৃদ্ধি কৰিবলৈ আমি কেনেকৈ এক মূল্যবোধযুক্ত শিক্ষা ব্যৱস্থা গঢ়ি তুলিব পাৰে সেই কথা বুজাত বা প্ৰস্তুত কৰাত জনসংখ্যা শিক্ষাই সহায় কৰে।

2 ১.৫ আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- জনসংখ্যা শিক্ষা হ'ল এক শৈক্ষিক কাৰ্যসূচী। ইয়াৰ দ্বাৰা পৰিয়াল, সম্প্ৰদায়, দেশ আৰু বিশ্বৰ জনসংখ্যা পৰিস্থিতি সম্পৰ্কে অধ্যয়ন কৰা হয় যাতে শিক্ষাৰ্থীয়ে এই পৰিস্থিতিৰ প্ৰতি যুক্তিযুক্ত আৰু দায়িত্বশীল মনোভাৱ আৰু আচৰণ গঢ়িব পাৰে।
- জনসংখ্যা শিক্ষাই উন্নয়ন, জীৱন ধাৰণৰ মানদণ্ড আৰু গুণগত জীৱনৰ লগত জড়িত সকলো কথা সামৰি লয়।
- জনসংখ্যা শিক্ষা মানে পৰিয়াল পৰিকল্পনাও নহয় অথবা যৌন শিক্ষাও নহয়।
- যৌন শিক্ষাই পৰিয়াল পৰিকল্পনাত যৌন সংক্ৰমিত ৰোগৰ প্ৰতিৰোধক বুজায়।
- পৰিয়াল পৰিকল্পনা জনসংখ্যা শিক্ষাৰ এটা বিষয় মাথো।
- যৌন শিক্ষাই ব্যক্তিৰ ওপৰত জোৰ দিয়ে। অন্যহাতে, জনসংখ্যা শিক্ষাই ব্যক্তি, পৰিয়াল, সমাজক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত হোৱা আন্তঃক্ৰিয়াক বুজায়।
- জনসংখ্যা শিক্ষাৰ ধাৰণাটো পৰিৱৰ্তিত সময়ৰ প্ৰয়োজন, আৱশ্যকতা আৰু নতুনকৈ উদ্ভৱ হোৱা বিষয় আৰু চিন্তাবোৰ সামৰি লাহে লাহে বিকশিত হৈ আহিছে।
- জনসংখ্যা শিক্ষাৰ ধাৰণাটো মূলত জটিল সামাজিক-সাংস্কৃতিক আৰু ঐতিহাসিক ভিন্নতাৰ ওপৰত প্ৰতিষ্ঠিত।
- জনসংখ্যাৰ পৰিৱৰ্তন আৰু বিকাশ হ'ল পাৰস্পৰিকভাৱে নিৰ্ভৰশীল বিষয়।
- জনসংখ্যা শিক্ষাৰ লক্ষ্য হ'ল শিক্ষাৰ্থীৰ মাজত এই কথাৰ মৰ্ম উপলব্ধি কৰোৱা যে সমাজৰ প্ৰতিজন

ব্যক্তিৰ কার্যই সমাজৰ আনসকলক প্রভাৱিত কৰে। লগতে ব্যক্তি আৰু ৰাষ্ট্রৰ পৰিয়ালৰ আকাৰ আৰু জনসংখ্যাৰ ওপৰত লোৱা সিদ্ধান্তই বিশ্বৰ জনসংখ্যাত দীর্ঘকালীন ৰূপত প্রভাৱ পেলায়।

- এন চি আৰ টি NCERT (1988)য়ে জনসংখ্যা শিক্ষাৰ ধাৰণাত্মক আর্হিটো ছটা প্রধান দিশ লৈ তৈয়াৰ কৰিছে। সেয়া হ'ল— পৰিয়ালৰ আকাৰ আৰু পৰিয়াল পৰিকল্পনা, বিলম্বিত বিবাহ, দায়িত্বশীল পিতৃ-মাতৃত্ব, জনসংখ্যাৰ পৰিৱর্তন আৰু সম্পদৰ বিকাশ, জনসংখ্যা সম্পর্কীয় বিশ্বাস আৰু মূল্যবোধ আৰু নাৰীৰ মর্যাদা বা স্থান।
- এন চি আৰ টি NCERT য়ে জনসংখ্যা শিক্ষাৰ ছটা বিষয়বস্তুৰ ক্ষেত্রত চিনাক্ত কৰিছে। সেয়া হ'ল— জনসংখ্যা আৰু অর্থনৈতিক বিকাশ, জনসংখ্যা আৰু সামাজিক বিকাশ, জনসংখ্যা, পৰিৱেশ আৰু সম্পদ, জনসংখ্যা আৰু ঘৰুৱা জীৱন, জনসংখ্যা, স্বাস্থ্য আৰু পৰিপুষ্টি আৰু জনসংখ্যাৰ গতিশীলতা।
- জনসংখ্যা শিক্ষাই শিক্ষার্থীৰ প্রজ্ঞাত্মক আৰু অনুভূতিমূলক দুয়োটা ক্ষেত্রকে সামৰি লয়।
- মানুহেই জনসংখ্যা বৃদ্ধি কৰি ব্যক্তিগত, পৰিয়াল, সামাজিক আৰু ৰাষ্ট্রীয় কল্যাণৰ ক্ষেত্রত ভাবুকি আনিছে। যিহেতু জনসংখ্যাৰ সমস্যা মানৱসৃষ্ট গতিকে ইয়াৰ সমাধান নির্ভৰ কৰে মানুহৰ বিবেচনাপূর্ণ চিন্তা আৰু কর্মৰ ওপৰত। ইয়াৰ বাবে জনসংখ্যা শিক্ষাৰ যোগেদি মানুহক জনসংখ্যা সমস্যাৰ ক্ষেত্রত নিজৰ ভূমিকা সম্পর্কে সজাগতা-সচেতন আৰু কৌশলী কৰি তুলিব লাগিব।
- নাৰীক সমাজত সঠিক স্থান দি সমাজত থকা লিংগ-বৈষম্য দূৰ কৰি নাৰীক আর্থ-সামাজিক বিকাশৰ সম-অংশীদাৰ কৰি তোলাত জনসংখ্যা শিক্ষাৰ ভূমিকা আছে।
- জনসংখ্যা শিক্ষাৰ প্রকৃতি আচৰণগত আৰু বহু বিষয়যুক্ত হোৱা হেতু ইয়াক সমাজৰ মূল্যবোধ পৰিৱর্তনৰ শক্তিশালী আহিলা হিচাপে ব্যৱহাৰ কৰিব পাৰি।

১.৬ অধিক জানিবলৈ

1] Aggarwal, J.C. (2010). *Theory and Principles of Education.* New Delhi: Vikash Publishing House Pvt. Ltd.

2] Gupta, P.K. (2012). *Population Education*. Meerut: R.Lall Book Depot.

3] Nanda, S.K. (2008). *Population Education.* Delhi: Doaba House.

4] Seshadri, C., and Pandey, J. L. (eds). 1991. *Population Education: A National Source Book* Vol- I. New Delhi: NCERT.

5] Sharma, R. C. 1991. "An Overview of Population Education" in Seshadri, C. and Pandey, J. L. (eds). op cit.

6] http://egyankosh.ac.in/bitstream/123456789/43753/1/Unit-1.pdf

K ১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষা হ'ল এক শৈক্ষিক কার্যসূচী। ইয়াত পৰিয়াল, সম্প্রদায়, ৰাষ্ট্ৰ আৰু বিশ্বৰ জনসংখ্যাৰ পৰিস্থিতি সম্পর্কে অধ্যয়ন কৰা হয় যাতে শিক্ষার্থীয়ে এই পৰিস্থিতিৰ প্রতি যুক্তিযুক্ত আৰু দায়িত্বশীল মনোভাৰ আৰু আচৰণ গঢ়ি তুলিব পাৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষাৰ ধাৰণাটো কেতিয়াবা পৰিয়াল পৰিকল্পনা অথবা যৌন শিক্ষাৰ ধাৰণাটোৰ লগত একে বুলি ধৰা হয়। কিন্তু প্রকৃতার্থতে ইয়াৰ মাজত কিছু পার্থক্য আছে। যৌন শিক্ষা বুলিলে যৌন ৰোগৰ প্রতিৰোধৰ ওপৰত জোৰ দিয়া হয়। পৰিয়াল পৰিকল্পনাও জনসংখ্যা শিক্ষাৰ এটা অধ্যয়নৰ বিষয়হে। যৌন শিক্ষাৰ মূল লক্ষ্য হ'ল ব্যক্তি কিন্তু জনসংখ্যা শিক্ষাই ব্যক্তি পৰিয়াল, সমাজক ৰাষ্ট্ৰীয় প্রেক্ষাপটত হোৱা আন্তঃক্রিয়াক বুজায়। ইয়াৰোপৰি, পৰিয়াল পৰিকল্পনা হ'ল বিবাহিত পুৰুষ-মহিলাৰ বাবে আৰু এয়া হৈছে এক সম্পূর্ণ চিকিৎসা বিষয়ক বিষয়। ইয়াৰ বিপৰীতে, জনসংখ্যা শিক্ষা হ'ল এক শৈক্ষিক কার্যসূচী যি জনসংখ্যা বিষয়ক সজাগতা সৃষ্টি আৰু বোধ গঢ়ি তোলা বাবে চেষ্টা কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষা হ'ল আপেক্ষিকভাৱে নতুন অধ্যয়ন ক্ষেত্র। জনসংখ্যা বিষয়বোৰ সদায় পৰিৱর্তনশীল। সেয়ে, জনসংখ্যা শিক্ষাৰ ধাৰণাটো পৰিৱর্তিত প্রয়োজন, আৱশ্যকতা আৰু নতুনকৈ আহি পৰা বিষয় আৰু চিন্তাবোৰক সামৰি লাহে লাহে বিকশিত হৈ উঠিছে। জনসংখ্যা শিক্ষাৰ ধাৰণাটো সমাজৰ জটিল সামাজিক-সাংস্কৃতিক আৰু ঐতিহাসিক ভিন্নতাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। ইয়াৰোপৰি, জনসংখ্যাৰ পৰিৱর্তন আৰু বিকাশ পাৰস্পৰিকভাৱে নির্ভৰশীল বিষয়। পৰিয়াল, সম্প্রদায় অথবা ৰাষ্ট্রত হোৱা জনসংখ্যাৰ পৰিৱর্তন নির্ভৰ কৰে। কিছুমান নির্দিষ্ট বিবেচনাৰ ওপৰত যিবোৰ এক নির্দিষ্ট প্রেক্ষাপট বা পৰিস্থিতিত যুক্তিযুক্ত বুলি মানুহে গণ্য কৰে। মানুহে এক নির্দিষ্ট পৰিস্থিতিত লোৱা এই সিদ্ধান্ত যুক্তিপূর্ণনে বা অযুক্তিপূর্ণ সেইটো নির্ভৰ কৰে সেই নির্দিষ্ট পর্যায়ত পৰিয়াল, সম্প্রদায় ইত্যাদিত, জনসংখ্যা সম্পর্কীয় বিষয়বোৰৰ সদায় প্রতি থকা তেওঁলোকৰ বোধ বা বুজাৰ স্পষ্টতাত।

৪ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষাৰ তিনিটা লক্ষ্য হ'ল— (1) জনসংখ্যা দ্রুত বৃদ্ধিৰ সমস্যাটো আৰু এই বৃদ্ধিৰ কাৰকবোৰ সম্পর্কে এক বোধ শিক্ষার্থীৰ মাজত গঢ়ি তোলা, (2) জনসংখ্যা বৃদ্ধিৰ প্রভাৱ কিদৰে সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু অর্থনৈতিক দিশত পৰে সেই সম্পর্কে শিক্ষার্থীৰ মাজত সঠিক বোধ সৃষ্টি কৰা। (3) জনসংখ্যাৰ ক্ষেত্রত সমাজৰ প্রতিজন ব্যক্তিৰ কার্যই যে সমাজৰ আনসকলক প্রভাৱিত কৰে এই কথাটোৰ মর্ম সঠিক ৰূপত উপলব্ধি কৰা বা বুজা। পৰিয়ালৰ আকাৰ আৰু জনসংখ্যাৰ ক্ষেত্রত ব্যক্তিগত আৰু ৰাষ্ট্রীয় সিদ্ধান্তই দীর্ঘকালীন ৰূপত বিশ্বৰ জনসংখ্যাৰ পৰিবর্তনত প্রভাৱ পেলায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষাৰ পৰিসৰৰ অন্তর্গত প্রধান বিষয় কিছুমান হ'ল— (1) জনসংখ্যা আৰু অর্থনৈতিক বিকাশ, (2) জনসংখ্যা আৰু সামাজিক বিকাশ, (3) জনসংখ্যা, পৰিৱেশ

আৰু সম্পদ, (4) জনসংখ্যা আৰু ঘৰুৱা জীৱন, (5) জনসংখ্যা, স্বাস্থ্য আৰু পৰিপুষ্টি, আৰু (6) জনসংখ্যা গতিশীলতা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বিগত 2000 চনৰ পিছৰে পৰা সহস্ৰাব্দ বিকাশৰ লক্ষ্য (MDGs) সমূহ জনসংখ্যা আৰু বিকাশমুখী শিক্ষাৰ লক্ষ্যসমূহৰ অভিন্ন অংশ হৈ পৰিছে। জনসংখ্যা আৰু বিকাশমুখী শিক্ষাৰ বিষয়বস্তুত আৰু পৰিসৰত সহস্ৰাব্দ বিকাশৰ লক্ষ্যবোৰ সামৰি লোৱা হৈছে। এই বিকাশৰ নিবাৰণ, সাৰ্বজনীন প্ৰাথমিক শিক্ষা অৰ্জন, লিংগ-সমতা আৰু নাৰী সবলীকৰণ কৰা, শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰা, প্ৰসূতি স্বাস্থ্য উন্নতিকৰণ, মেলেৰিয়া, এইচ আই ভিÛএইডছৰ দৰে ৰোগবোৰ প্ৰতিহত কৰা, পৰিবেশীয় বহনক্ষমতা সুনিশ্চিত কৰা আৰু বিকাশৰ বাবে গোলকীয় অংশীদাৰিত্ব গঢ়ি তোলা।

M ১.৮ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰত্যেকটো উত্তৰ 50 টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ জনসংখ্যা শিক্ষাৰ অৰ্থ আপোনাৰ নিজৰ ভাষাত লিখক।

প্ৰশ্ন ২ ঃ জনসংখ্যা শিক্ষাৰ বিশিষ্ট বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ৩ ঃ মিলেনইয়াম শীৰ্ষ সন্মিলন 2000 য়ে নিৰ্ধাৰণ কৰা যিকোনো পাঁচটা সহস্ৰাব্দ বিকাশৰ লক্ষ্য (MDGs) লিখক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্ন উত্তৰ 150 টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ জনসংখ্যাৰ পৰিৱৰ্তন কেনেকৈ বিকাশৰ লগত জড়িত হৈ আছে?

প্ৰশ্ন ২ ঃ জনসংখ্যা শিক্ষাই কেনেকৈ সমাজত লিংগ-সমতা প্ৰতিষ্ঠা কৰে?

প্ৰশ্ন ৩ ঃ জনসংখ্যা শিক্ষাৰ বিষয়বস্তু কেনেকৈ বিভিন্ন বিষয়বস্তুৰ লগত অপৰিহাৰ্য উপাদান হিচাবে জড়িত হৈ আছে?

খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্ন উত্তৰ 300–500 টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ জনসংখ্যা শিক্ষাৰ লক্ষ্যসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ জনসংখ্যা শিক্ষাৰ পৰিসৰ সম্পৰ্কে ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ জনসংখ্যা শিক্ষাৰ প্ৰয়োজন আৰু গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ ভাৰতত জনসংখ্যা বৃদ্ধিৰ ধাৰা

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য
2.2 পৰিচয়
2.3 জনসংখ্যা বৃদ্ধিৰ নির্ণায়ক
2.4 নির্ণায়ক জোখা পদ্ধতি
2.4.1 অশোধিক সাধাৰণ জন্ম হাৰ
2.4.2 সাধাৰণ গর্ভধাৰণৰ হাৰ
2.4.3 মৃত্যু হাৰ
2.4.4 নৱজাতকৰ মৃত্যু হাৰ
2.4.5 মুঠ প্রব্রজন হাৰ
2.5 ভাৰতত জনসংখ্যা বৃদ্ধিৰ ধাৰা
2.5.1 ভাৰতত এটা দশকৰ ভিতৰত হোৱা জনসংখ্যা বৃদ্ধি (Decadal Growth of Population)
2.5.2 ভাৰতৰ জনসংখ্যাৰ সংৰচনা
2.6 ভাৰতত জনসংখ্যা বৃদ্ধিত প্রভাৱিত কৰা কাৰকসমূহ
2.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
2.8 অধিক জানিবলৈ
2.9 অগ্রগতিৰ খতিয়ান
2.10 আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জনসংখ্যা বৃদ্ধিৰ নির্ণায়ক আৰু নির্ণায়কবোৰ জোখাৰ উপায়বোৰৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতৰ জনসংখ্যাৰ বর্তমানৰ স্থিতি চিনাক্ত কৰিব পাৰিব
- ভাৰতত জনসংখ্যা বৃদ্ধিৰ ধাৰাবোৰ আলোচনা কৰিব পাৰিব
- ভাৰতত জনসংখ্যা বৃদ্ধিক প্রভাৱিত কৰা বিভিন্ন কাৰকৰ বিষয়ে বাখ্যা কৰিব পাৰিব।

২.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে আপোনালোকে জনসংখ্যা বৃদ্ধিৰ কেইটামান নির্ণায়ক আৰু জনসংখ্যা বৃদ্ধিৰ বিভিন্ন কাৰকৰ বিষয়ে জানিব পাৰিব। জনসংখ্যা বৃদ্ধি এটা শেহতীয়া পৰিঘটনা। 'জনসংখ্যা বৃদ্ধি' বোলা ধাৰণাটোৰে সময় বাগৰাৰ লগে লগে জনসমষ্টি এটাত মানুহৰ সংখ্যা কিমান বাঢ়িল অথবা কমিল তাৰ হিচাপ আৰু কাৰণবোৰৰ কথা বুজোৱা হয়। সাধাৰণ মৃত্যুহাৰ কমি যোৱা বাবে, জন্মৰ সময়তে আয়ুস বৃদ্ধিৰ প্রত্যাশা বাঢ়ি যোৱা বাবে আৰু গর্ভধাৰণৰ হাৰ উচ্চ হোৱা বাবে ভাৰতৰ জনসংখ্যা অবিৰতভাৱে বৃদ্ধি পাবলৈ ধৰিছে। জনসংখ্যাৰ এই ক্রমবর্দ্ধিত হাৰৰ বাবে অহা অর্ধ দশকৰ ভিতৰত ভাৰত পৃথিৱীৰ ভিতৰতে সর্বাধিক জনবহুল দেশত পৰিণত হ'ব বুলি কোৱা হৈছে। ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ হাৰ 2.2%। অর্থাৎ প্রতি বছৰে ভাৰতত 13 মিলিয়ন জনসংখ্যা বৃদ্ধি হয়। জন্ম, মৃত্যু আৰু প্রব্রজনৰ হাৰে জনসংখ্যা বৃদ্ধিত অৰিহণা যোগায়। কম বয়সতে বিয়া পতাৰ পৰম্পৰাগত নিয়ম বাবে জন্মৰ হাৰ বৃদ্ধি পায় আৰু পলমকৈ বিয়া পতাৰ বাবে জন্মৰ হাৰ কমিব পাৰে। ধর্মীয় বিশ্বাস আৰু প্রথাৰ বাবে মানুহে সন্তান জন্মৰ পুৰণিকলীয়া নিয়মবোৰ অনুসৰণ কৰাৰ প্রতি অধিক আগ্রহী হয়। কিন্তু আমি জনসংখ্যা বৃদ্ধিৰ নির্ণায়কবোৰ নিয়ন্ত্রণ কৰিব পাৰোঁ।

পৃথিৱীৰ সকলোতে জনসংখ্যাৰ বিতৰণ সমান নহয়। পৃথিৱীৰ জনসংখ্যাৰ আধা এচিয়া মহাদেশৰ বাসিন্দা। ভাৰতত পৃথিৱীৰ মুঠ জনসংখ্যাৰ 17% লোকে বাস কৰে। এই পৰিমাণ সমগ্র ইউৰোপ মহাদেশৰ নাইবা উত্তৰ আমেৰিকা তথা আফ্রিকাৰ সংযুক্ত জনসংখ্যাৰ সমান।

২.৩ জনসংখ্যা বৃদ্ধিৰ নির্ণায়ক

জনসংখ্যা বৃদ্ধিৰ সবাতোকৈ উল্লেখনীয় নির্ণায়ক কেইটা হ'ল জন্মহাৰ, মৃত্যুহাৰ আৰু প্রবজন। বিপদজনকভাৱে জনসংখ্যা বাঢ়ি যোৱাৰ কাৰণ হ'ল উচ্চ জন্ম হাৰ। জন্মৰ হাৰ উচ্চ হোৱাৰ কাৰণ হ'ল নিৰক্ষৰতা, পৰিয়াল পৰিকল্পনা বিষয়ক জ্ঞানৰ অভাৱ, কম বয়সতে বিয়া হোৱা, সামাজিক বিশ্বাস আৰু পৰম্পৰা, ল'ৰা সন্তান সম্পর্কে মনোভাৱ ইত্যাদি। মানুহৰ সন্তান জন্ম দিব পৰা ক্ষমতা বাঢ়ি যোৱাটোও জন্মৰ হাৰ বৃদ্ধি পোৱাৰ আন এক উল্লেখযোগ্য কাৰণ। থমছন আৰু লিৰিছৰ মতে, "গর্ভধাৰণৰ ক্ষমতা বুলিলে সাধাৰণতে কোনো এগৰাকী মহিলাৰ কোনো এটা গোটৰ প্রকৃত সন্তান জন্ম দিব পৰা পাৰদর্শিতাৰ বিষয়ে বুজোৱা হয়।" অর্থাৎ গর্ভধাৰণ ক্ষমতা মানে হ'ল মহিলাৰ সন্তান জন্ম দিব পৰা ক্ষমতা। গর্ভধাৰণ ক্ষমতা বেছি হোৱা মানে জন্মৰ হাৰ বাঢ়ি যোৱা। গর্ভধাৰণ ক্ষমতা বৃদ্ধি পোৱাৰ বহুতো কাৰণ আছে। যেনে-বিবাহৰ সার্বজনীনতা, কম বয়সতে বিয়া হোৱা, অধিক সন্তান জন্ম দিয়াৰ সামাজিক প্রথা,ল'ৰা সন্তানক দিয়া অগ্রাধিকাৰ, দুর্বল অর্থনৈতিক অৱস্থা, ছোৱালীবোৰৰ নিৰক্ষৰতা, কৃষিজীৱি সমাজ ব্যৱস্থা ইত্যাদি। এই পৰিৱেশবোৰত মানুহৰ গর্ভধাৰণক উৎসাহিত কৰাৰ প্রৱণতা অধিক হয়। ই জনসংখ্যা বৃদ্ধিৰ প্রভাৱ পেলায়।

জনসংখ্যা বৃদ্ধি পোৱাৰ আন এক কাৰণ হ'ল মৃত্যুহাৰ কমি যোৱা। মৃত্যু হাৰ কমি যোৱাত সহায় কৰিছে চিকিৎসা বিজ্ঞান ক্ষেত্রখনত হোৱা অভূতপূর্ব বিকাশ আৰু স্বাস্থ্য সেৱা মানৰ উন্নতি ঘটা কার্যই। এই দুয়োটা কাৰকৰ যুটীয়া ফলাফল হিচাপে বহুতো মাৰাত্মক ৰোগ নির্মূল হৈছে অথবা প্রার্দুভাৱৰ যাত্রা কমি গৈছে। ইয়াৰ বাবে বর্তমান প্রতি হাজাৰ ব্যক্তিৰ বিপৰীতে মৃত্যুৰ সংখ্যা অনুমানিক 15 জন হৈছেগৈ। একেদৰে নৱজাতক আৰু প্রসূতি মাতৃৰ হাৰো লক্ষণীয়ভৱে কমি গৈছে। চিকিৎসা বিজ্ঞানৰ অত্যাধুনিক বিকাশ ঘটা বাবে সকলো ধৰণৰ বেমাৰকে দৰৱ আৰু অস্ত্রোপচাৰৰ জৰিয়তে নিয়ন্ত্রণ কৰিব পৰা হৈছে। ইয়াৰ উপৰি ব্যক্তিগত তথা চৌপাশৰ পৰিস্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত জোৰ দিয়া, প্রদূষণ নিয়ন্ত্রণৰ ব্যৱস্থা গ্রহণ কৰা, সুষম খাদ্য খোৱা, স্বাস্থ্য সজাগতা গঢ়ি তোলা আদিৰ বাবেও বহুতো বেমাৰ কমি গৈছে আৰু মৃত্যুহাৰ হ্রাস পাইছে। শিক্ষাৰ প্রসাৰ ঘটা বাবেও আগতকৈ অধিক লোক স্বাস্থ্য আৰু জীৱন সম্পর্কে সজাগ হৈছে। মহিলাৰ মৃত্যুহাৰ কমাৰ কাৰণ হ'ল কম বয়সত বিবাহ নিষেধ কৰা আৰু মহিলা সাক্ষৰতাৰ প্রসাৰ ঘটোৱা। কিন্তু ইয়াৰ পৰিণাম স্বৰূপে জনসংখ্যা দ্রুতগতিত বৃদ্ধি পাইছে। সময় বাগৰাৰ লগে লগে মানুহৰ সংখ্যা বাঢ়ি যোৱাই হ'ল জনসংখ্যা বৃদ্ধি। মৃত্যুতকৈ হাৰ বৃদ্ধি পালেই সাধাৰণতে জনসংখ্যা বৃদ্ধি হোৱা বুলি হয়। কিন্তু প্রব্রজনো জনসংখ্যা বৃদ্ধিৰ এক উল্লেখযোগ্য কাৰণ। দেশ এৰি বাহিৰলৈ যোৱা লোকতকৈ দেশলৈ বাহিৰৰ লোকৰ আগমনৰ সংখ্যা অধিক হ'লেও জনসংখ্যা বাঢ়ি যায়। অৱশ্যে জন্ম-মৃত্যুৰ হাৰৰ তাৰতম্যতকৈ প্রব্রজনৰ ফলত হোৱা জনসংখ্যা বৃদ্ধিৰ ভূমিকা দুর্বল। মানুহে যেতিয়া স্থায়ীভৱে বসবাস কৰাৰ উদ্দেশ্যেৰে এঠাইৰ পৰা আন এঠাইলৈ যায় তেন্তে সেই ঠাইৰ জনসংখ্যা বাঢ়ে। মাটিৰ নাটনি, আধুনিক সা-সুবিধাৰ অভাৱ, দুর্ভিক্ষ-ভূমিকম্প-বানপানীৰ দৰে প্রাকৃতিক দুর্যোগ, জাতি আৰু ধর্মৰ আধাৰত বৈষম্য, কম উপার্জন আদিৰ দৰে কাৰকৰ বাবেও আভ্যন্তৰীণ আৰু বাহ্যিক প্রব্রজন হ'ব পাৰে আৰু ইয়াৰ ফলত জনসংখ্যাও বৃদ্ধি হ'ব পাৰে। মানুহ সদায় উন্নত সংস্থাপনৰ সুযোগ থকা, জীৱন আৰু সম্পত্তিৰ সুৰক্ষা থকা, শিক্ষা আৰু স্বাস্থ্যৰ সুবিধা থকা স্থানলৈ গমন কৰে।

5 জানি থোৱা ভাল

- জনসংখ্যা বৃদ্ধি তিনিটা কাৰকৰ ওপৰত নির্ভৰশীল। কাৰককেইটা হ'ল-জন্ম হাৰ, মৃত্যু হাৰ আৰু প্রব্রজন।
- জনসংখ্যা বৃদ্ধি হোৱা বুলি তেতিয়া কোৱা হয় যেতিয়া
  - জন্ম হাৰ বৃদ্ধি
  - মৃত্যু হাৰ বৃদ্ধি
  - ভৱিষ্যৎ জীৱন সম্পর্কে সৃষ্টি হোৱা মনোভাৱৰ বাবে হোৱা প্রবজন।

২.৪ নির্ণায়ক জোখা পদ্ধতি

জনসংখ্যা বৃদ্ধি জোখাৰ কেইটামান আহিলা/উপায় আছে। জনসংখ্যা বৃদ্ধিৰ ধাৰা নির্ণয় কৰা পন্থা দুটামান তলত আলোচনা কৰা হ'ল।

২.৪.১ অশোধিত/সাধাৰণ জন্ম হাৰ (Crude Birth Rate/CBR)

জন্ম হাৰ মানে হ'ল কোনো এক নির্দিষ্ট সময়ত কোনো এক নির্দিষ্ট অঞ্চলত প্রতি এহেজাৰ ব্যক্তিৰ ভিতৰত শিশুৰ মুঠ সংখ্যা। জন্ম হাৰক সাধাৰণতে 'অশোধিত জন্ম হাৰ' বোলা হয় কাৰণ ই সমষ্ট জনসংখ্যাৰ জন্ম হাৰক সূচায়। ক্ষুদ্র জনসমষ্টিৰ সুনির্দিষ্ট বৈশিষ্ট্যৰ তুলনাত মুঠ জন্ম হাৰ এক অসংশোধিত জোখ। CBR তলত দিয়া নিয়মেৰে বাহিৰ কৰা হয়।

$$\text{CBR} = \frac{\text{এটা বছৰত জীৱন্তে জীয়াই থকা নৱজাতকৰ সংখ্যা}}{\text{জনসংখ্যা}} \times 1000$$

ধৰা হ'ল, কোনো অঞ্চলৰ জনসংখ্যা 20,000 আৰু অঞ্চলটোত জন্মলাভ কৰা শিশুৰ সংখ্যা 500। তেন্তে CBR হ'ল-

$$\text{CBR} = \frac{500}{20,000} \times 1000 = 25$$

আমি গম পালোঁ যে প্রতি এহেজাৰ জনসংখ্যাত CBR হ'ল 25। বিভিন্ন দেশত বিভিন্ন সময়ত CBR ভিন ভিন কাৰণ বছৰৰ এটা নির্দিষ্ট মাহৰ পাছতহে এই হাৰ জোখা হয়। পঞ্জীয়নভুক্ত জন্ম সংখ্যাৰ পৰা জীয়াই থকা শিশুৰ তথ্য সংগ্রহ কৰা হয়। কিন্তু সাধাৰণতে সকলো জন্ম পঞ্জীয়নভুক্ত নহয় আৰু সন্তান জন্ম দিব পৰা ক্ষমতা কেৱল মহিলা সকলৰহে থাকে। সেয়েহে জনসংখ্যা বৃদ্ধিৰ ক্ষেত্রত সাধাৰণ গর্ভধাৰণ হাৰ জোখাটোও প্রয়োজনীয়।

২.৪.২ সাধাৰণ গর্ভধাৰণৰ হাৰ (General Fertility Rate/GFR)

প্রতি বছৰে প্রতি 15-49 বছৰীয়া এহেজাৰগৰাকী মহিলাই জন্ম দিয়া সন্তানৰ সংখ্যাক সাধাৰণ গর্ভধাৰণৰ হাৰ (GFR) বোলো। ইয়াক তলত দিয়া ধৰণে প্রকাশ কৰা হয়-

$$\text{GFR} = \frac{\text{এবছৰত জন্ম শিশুৰ সংখ্যা}}{\text{15-49 বছৰীয়া মহিলাৰ সংখ্যা}} \times 1000$$

যদি কোনো এক নির্দিষ্ট এলেকাত 15–49 বছৰীয়া মহিলাৰ সংখ্যা 4000 গৰাকী হয় আৰু এটা বছৰত জন্ম লাভ কৰি জীয়াই থকা শিশুৰ সংখ্যা 200 টা হয়, তেন্তে GFR হ'ব-

$$GFR = \frac{200}{4000} \times 1000 = 50$$

অর্থাৎ সন্তান জন্ম দিব পৰা বয়সৰ প্রতি 1000 গৰাকী মহিলাৰ বিপৰীতে সন্তান জন্ম হৈছে 50 টা। কিন্তু জন্ম হাৰ জোখা এই উপায়টোৰ কেইটামান দোষ আছে। কাৰণ ই মহিলাৰ প্রকৃত সন্তান জন্ম দিব পৰা বয়সক আওকাণ কৰে। থমছন আৰু লিৱিছৰ মতে যেতিয়া সন্তান জন্ম দিব পৰা বয়সৰ মহিলাৰ সংখ্যা বাঢ়ে তেতিয়া GFR সাধাৰণতে চাৰিৰ পৰা পাঁচ গুণ বঢ়িব। সেয়েহে তেওঁলোকৰ মতে, "জনসংখ্যাৰ সম্ভাব্য ভৱিষ্যৎ হাৰৰ পূর্বানুমান কৰিবলৈ এনে হাৰবোৰ ব্যৱহাৰ নকৰাই শ্রেয়।"

২.৪.৩ মৃত্যু হাৰ (Mortality or Death Rate)

মৃত্যু হাৰ হ'ল এবছৰত প্রতি 1000 গৰাকী ব্যক্তিৰ মাজেৰে মৃত্যু হোৱা লোকৰ সংখ্যা। জন্ম হাৰক যিদৰে CBR বোলা হয়, মৃত্যু হাৰক সেইদৰে অশোধিত মৃত্যু হাৰ (Crude Death Rate/CDR) বোলে। CDR জোখা পদ্ধতিটো হ'ল -

$$CDR = \frac{\text{এবছৰত হোৱা মৃত্যুৰ সংখ্যা}}{\text{জনসংখ্যা}} \times 1000$$

যদি কোনো এক নির্দিষ্ট এলেকাৰ মুঠ জনসংখ্যা 25,000 হয় আৰু মৃত্যুৰ সংখ্যা এবছৰত 500 জন হয় তেন্তে

$$CDR = \frac{500}{25000} \times 1000 = 20$$

অর্থাৎ, প্রতি 1000 গৰাকী ব্যক্তিৰ মাজত CDR হ'ল 20।

২.৪৪ নৱজাতকৰ মৃত্যু হাৰ (Infant Mortality Rate/IMR)

নৱজাতকৰ মৃত্যু হাৰ মানে হ'ল এটা বছৰত জন্মা প্রতি 1000 টা শিশুৰবিপৰীতে সেই বছৰটোতে এবছৰ নহওঁতেই মৃত্যু হোৱা শিশুৰ সংখ্যা। ইয়াক তলত দিয়া ধৰণে প্রকাশ কৰিব পাৰি -

$$IMR = \frac{\text{নৱজাতকৰ মৃত্যুৰ সংখ্যা}}{\text{জন্মৰ সংখ্যা}} \times 1000$$

ধৰা হ'ল, কোনোবা এটা বছৰত পঞ্জীয়নভুক্ত মৃত শিশুৰ সংখ্যা 2800 টা আৰু একেটা বছৰতে পঞ্জীয়নভুক্ত নৱজাতকৰ সংখ্যা 40,000 টা। তেন্তে-

$$IMR = \frac{2800}{40,000} \times 1000 = 70$$

অর্থাৎ, সেই বছৰত প্রতি 1000 টা নৱজাতকৰ বিপৰীতে IMR হ'ল 70¼

২.৪.৫ মুঠ প্রব্রজন হাৰ (Net Migration Rate/NMR)

ই হ'ল প্রতি 1000 জনসংখ্যাৰ বিপৰীতে প্রব্রজনকাৰী (কোনো ঠাইলৈ নতুনকৈ অহা) আৰু বহিঃপ্রব্রজনকাৰীৰ (কোনো ঠাইৰ পৰা বাহিৰলৈ যোৱা) মাজত থকা পার্থক্য। ইয়াক তলত দিয়া ধৰণে প্রকাশ কৰা হয় -

$$NMR = \frac{\text{প্রব্রজন - বহিঃপ্রব্রজন}}{\text{মুঠ জনসংখ্যা}} \times 1000$$

জনসংখ্যা বৃদ্ধিৰ হাৰ মানে হ'ল কোনো বছৰ নাইবা কোনো এটা দশকত দনসংখ্যা বঢ়া অথবা টুটাৰ তথ্য। ইয়াক শতাংশ ৰূপে প্রকাশ কৰা হয়। জন্মৰ হাৰ, মৃত্যুৰ হাৰ আৰু প্রব্রজনৰ হাৰে জনসংখ্যা বৃদ্ধিৰ হাৰক প্রভাৱিত কৰে। ইয়াক তলত দিয়া ধৰণে প্রকাশ কৰা হয়-

$$\text{বৃদ্ধিৰ হাৰ} = \frac{\text{জন্মহাৰ - মৃত্যুহাৰ} + \text{মুঠ প্রব্রজন হাৰ}}{10}$$

জন্ম হাৰ, মৃত্যু হাৰ আৰু মুঠ প্রব্রজন হাৰ সাধাৰণতে প্রতি 1000 গৰাকী ব্যক্তিৰ বিপৰীতে নির্ণয় কৰা হয়। বৃদ্ধিৰ হাৰ শতাংশ হিচাপত উলিওৱা হয়। এই সংখ্যাক 10 ৰে হৰণ কৰা হয়।

২.৫ভাৰতত জনসংখ্যা বৃদ্ধি (POPULATION GROWTH IN INDIA)

জনসংখ্যা আৰু এলেকাৰ ভিত্তিত ভাৰত হৈছে বিশ্বৰ ভিতৰতে অন্যতম বৃহৎ দেশ। ভাৰত হৈছে বিশ্বৰ ভিতৰত দ্বিতীয় সৰ্বাধিক জনবহুল দেশ। চীনৰ পিছতে ভাৰতত জনসংখ্যা সৰ্বাধিক। সমগ্ৰ বিশ্বৰ শতকৰা 2.4 শতাংশ এলেকা আগুৰি থকা ভাৰতত বসবাস কৰে বিশ্বৰ মুঠ জনসংখ্যাৰ শতকৰা 17.3 শতাংশ লোক। 2011 চনৰ লোকপিয়ল অনুসৰি ভাৰতত মুঠ জনসংখ্যা হৈছে 1,210,193,422 [1,21 নিযুত) জন। 2001 চনত ভাৰতত মুঠ জনসংখ্যা আছিল 1,028,737,436 জন। অন্য অৰ্থত ভাৰতত 2001-11 দশকত জনসংখ্যা বৃদ্ধি পালে প্ৰায় 181 নিযুত।

1871 চনত ভাৰতত প্ৰথমবাৰ লোকপিয়ল সম্পন্ন কৰা হৈছিল আৰু তাৰ পিছৰে পৰা প্ৰতি দহ বছৰৰ মূৰে মূৰে এই লোকপিয়ল সম্পন্ন কৰা হয়। ইয়াৰ দ্বাৰা ভাৰতীয় জনসংখ্যাৰ আকাৰ, সংৰচনা আৰু বৈশিষ্ট্যৰ বিষয়ে অধ্যয়ন কৰিব পৰা যায়। পুৰণি সময়ৰ পৰাই ভাৰতত জনসংখ্যাৰ বসতি অতি ঘন।

তালিকা 2.1 ভাৰতৰ জনসংখ্যা আৰু দশক ভিত্তিত বৃদ্ধি

লোকপিয়লৰ বৰ্ষ	জনসংখ্যা	দশকভিত্তিত বৃদ্ধি (শতকৰা হাৰ)	গড় বাৰ্ষিক বৃদ্ধিৰ হাৰ (শতকৰা হাৰ)
1901	23,83,96,327	–	–
1911	25,20,93,390	5.75	0.56
1921	25,13,21,213	0.31	0.03
1931	27,89,77,238	11	1.04
1941	31,86,60,580	14.22	1.33
1951	36,10,88,090	13.31	1.25
1961	43,92,34,771	21.64	1.96
1971	54,81,59,652	24.80	2.20
1981	68,33,29,097	24.66	2.22
1991	84,64,21,039	23.87	2.16
2001	1,02,87,37,436	21.54	1.97
2011	1,21,01,93,4221	17.64	1.64

(উৎস ঃ ভাৰতৰ লোকপিয়ল,২০১১)

বিংশ শতিকাৰ আৰম্ভণিতে ভাৰতত জনসংখ্যা আছিল প্ৰায় 23 কোটি 84 লাখ। প্ৰায় এশ দহ বছৰৰ ভিতৰত এই জনসংখ্যাৰ চাৰিগুণৰো অধিক বৃদ্ধি হৈ 2011 চনত হ'লগৈ 1,21 কোটি। অৱশ্যে বিংশ শতিকাৰ

প্ৰথমাৰ্ধত ভাৰতৰ এই জনসংখ্যাৰ এক চতুৰ্থাংশহে বৃদ্ধি হৈছিল আৰু পৰৱৰ্তী অৰ্ধেক ভাগতহে অভূতপূৰ্ব হাৰত বাকী তিনি-চতুৰ্থাংশ জনসংখ্যাৰ বৃদ্ধি হোৱা দেখা যায়।

২.৫.১ ভাৰতত দশকভিত্তিত বৃদ্ধি (Decadal Growth in India)

ভাৰতত জনসংখ্যা বৃদ্ধিক চাৰিটা ভাগত বিভক্ত কৰিব পাৰি-

- 1901-1921 চনঃ স্থিৰ জনসংখ্যা।
- 1921-1951 চনঃ নিয়মিত বৃদ্ধি।
- 1951-1981 চনঃ দ্ৰুত বৃদ্ধি।
- 1981-2011 চনঃ বৃদ্ধিৰ হাৰৰ অৱনমনৰ সুস্পষ্ট ইংগিতসহ উচ্চ হাৰত বৃদ্ধি।

ঊনবিংশ শতিকাত ভাৰতত জনসংখ্যাৰ অস্থিৰ আৰু স্থিৰ প্ৰকৃতিৰ বৃদ্ধি দেখা গৈছিল। 1921 চন পৰ্যন্ত এই ধাৰা অব্যাহত থাকে। 1901-1921 ৰ সময়ছোৱাত ভাৰতৰ জনসংখ্যা হ্ৰাস পাইছিল আৰু ইয়াৰ কাৰণ আছিল কলেৰা, ইনফ্লুৱেঞ্জা, মেলেৰিয়া, প্লেগ, সৰু আই আদি মহামাৰী। 1911-21 ৰ দশকত এই প্ৰাকৃতিক পৰিঘটনাসমূহে ভাৰতৰ জনসংখ্যা হ্ৰাস কৰিছিল। মহামাৰী প্লেগে প্ৰায় ত্ৰিশ লাখ লোকৰ প্ৰাণ কাঢ়ি নিছিল। প্ৰথম বিশ্বযুদ্ধৰ পিছত ইনফ্লুৱেঞ্জা মহামাৰীয়ে সমগ্ৰ দেশতে কালৰূপ ধাৰণ কৰি বহু লোকৰ প্ৰাণ কাঢ়িছিল। মাত্ৰ তিনি মাহৰ পৰা চাৰি মাহ সময়ৰ ভিতৰত এক কোটি বিশ লাখৰ পৰা এক কোটি ত্ৰিশ লাখ লোকৰ প্ৰাণ কঢ়া এই মহামাৰীক ইতিহাসৰ আটাইতকৈ ভয়াবহ মহামাৰী বুলি গণ্য কৰা হয়।

1921 চনৰ পৰা 1951 চনৰ সময়ছোৱাক জনসংখ্যাৰ নিয়মিত হাৰৰ বৃদ্ধিৰ যুগ আখ্যা দিয়া হয়। এই সময়ছোৱাত জন্ম হাৰ উচ্চ হোৱাৰ বিপৰীতে মৃত্যু হাৰ হ্ৰাস পাইছিল। লগতে কলেৰা, প্লেগ, সৰু আই আদি কেতবোৰ মহামাৰী নিয়ন্ত্ৰণলৈ আহিছিল।

স্বাধীনতাৰ পিছত 1951 চনৰ পৰা 1981 চনলৈ জন্মৰ হাৰ অতি উচ্চ হোৱাৰ ফলত জনসংখ্যাৰ অস্বাভাৱিক বৃদ্ধি হৈছিল। এই সময়ছোৱাত জনসংখ্যাৰ অভূতপূৰ্ব বৃদ্ধিৰ কাৰণ আছিল স্বাস্থ্য সেৱাৰ উন্নতি আৰু বৰ্ধিত উন্নয়নমূলক কাম-কাজ। জন্মৰ উচ্চ হাৰ আৰু মৃত্যুৰ নিম্ন হাৰৰ ফলত জনসংখ্যাৰ দ্ৰুত বৃদ্ধি হৈছিল।

1981-2011 চনলৈ জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত এক অৱনমনৰ ধাৰা পৰিলক্ষিত হয়। গ্ৰাম্য অঞ্চলসমূহ পৰ্যাপ্ত স্বাস্থ্য সেৱাৰ সুবিধা সম্প্ৰসাৰিত হৈছিল। এই সময়ছোৱাৰ ভিতৰতে জন্ম হাৰ হ্ৰাস পাই 1981 চনৰ 34 হাজাৰ জনৰ পৰা 2011 চনত 28 হাজাৰ জন হৈছিল।

তালিকা_২.২ জনসংখ্যাৰ জন্ম হাৰ আৰু মৃত্যু হাৰ

লোকপিয়লৰ বর্ষ	জন্ম হাৰ (প্রতি হাজাৰ জনৰ ভিতৰত)	মৃত্যু হাৰ (প্রতি হাজাৰ জনৰ ভিতৰত)
1911	49	43
1921	48	47
1931	46	36
1941	45	31
1951	40	27
1961	42	23
1971	37	15
1981	34	12
1991	31	11
2001	26	9
2011	28	7

(উৎসঃ ভাৰতৰ লোকপিয়ল)

এয়া সত্য যে 1951 চনৰ পৰা পৰৱর্তী দশকসমূহ পর্যন্ত গড় মৃত্যুৰ হাৰ খৰতকীয়াকৈ হ্রাস পোৱাৰ বিপৰীতে 1961 চনলৈকে জন্মহাৰ প্রায় একে আছিল । মৃত্যু হাৰ হ্রাস পোৱাৰ অন্যতম কাৰণ আছিল মহামাৰীৰ কুপ্রভাৱ যথেষ্ট হ্রাস পাই নিয়ন্ত্রণলৈ আহিছিল। জনস্বাস্থ্যৰ সু-ব্যৱস্থা আৰু স্বাস্থ্য সেৱাৰ উন্নতিয়ে ভাৰতত মৃত্যু হাৰ হ্রাস পোৱাত অৰিহণা যোগাইছিল।

1981-1911 দশকত ভাৰতত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ আছিল 23.87 শতাংশ আৰু বার্ষিক বৃদ্ধিৰ হাৰ আছিল 2.16 শতাংশ। 1971-81 দশকত প্রত্যক্ষ কৰা জনসংখ্যা বৃদ্ধিৰ হাৰতকৈ এইকেইটা হাৰ আছিল নিম্ন। 1991-2001 দশকলৈকে দশকভিত্তিত জনসংখ্যা বৃদ্ধিৰ হাৰ 21.54 শতাংশ আৰু বার্ষিক গড় বৃদ্ধিৰ হাৰ 1.97 শতাংশৰ সৈতে জনসংখ্যা বৃদ্ধিৰ হাৰ অৱনমিত হোৱাৰ প্রক্রিয়া অব্যাহত থাকে। 2001-11 ৰ সময়ছোৱাত জনসংখ্যাৰ দশকভিত্তিত বৃদ্ধিৰ হাৰ 3.90 শতাংশ হ্রাস পাই এই হাৰ 17.64 শতাংশ হৈছিল। স্বাধীনতাৰ সময়ৰ পৰা জনসংখ্যাৰ দশকভিত্তিত বৃদ্ধিৰ সর্বনিম্ন হাৰ প্রত্যক্ষ কৰা গৈছিল 2001-2011 দশকত।

1991-2001 ৰ সময়ৰ বার্ষিক গড় বৃদ্ধিৰ হাৰ 1.97 শতাংশৰ পৰা হ্রাস পাই 2001-11 ৰ দশকত 1.64 শতাংশ হৈছিল।

ভাৰতত জনসংখ্যা বৃদ্ধিৰ হাৰ অৱনমিত হোৱাৰ পিছতো এই হাৰ উচ্চ হৈয়ে আছিল। আনহাতে আন কেতবোৰ উন্নয়নশীল দেশ যেনে পাকিস্তান, নেপাল, বাংলাদেশ আদিত জনসংখ্যাৰ উচ্চ হাৰৰ বৃদ্ধি প্রত্যক্ষ কৰা গৈছিল। ভাৰতৰ তুলনাত এই চুবুৰীয়া ৰাষ্ট্রসমূহৰ লগতে আন এছিয়ান দেশসমূহৰ জন্মৰ হাৰ উচ্চ আছিল। অৱশ্যে এই ক্ষেত্রত মন কৰিবলগীয়া যে ভাৰতৰ মূল জনসংখ্যা ইমানেই অধিক আছিল যে কম হাৰৰ বৃদ্ধিয়েও এই জনসংখ্যা বৃদ্ধিত প্রভূত অৰিহণা যোগোৱাত সক্ষম হৈছিল।

২.৫.২ ভাৰতত জনসংখ্যাৰ উপাদান (Composition of Population of India)

লোকপিয়লৰ জৰিয়তে আহৰণ কৰা আটাইতকৈ উল্লেখযোগ্য জনতাত্বিক বৈশিষ্ট্য হৈছে বয়স আৰু লিংগৰ সংৰচনা। বয়স আৰু লিংগ হৈছে সমাজত এজন ব্যক্তিৰ ভূমিকাত ব্যাপক প্রভাৱ পেলাব পৰা দুটা গুণ।

- *লিংগৰ উপাদান* (Sex Composition)ঃ লিংগৰ উপাদান হৈছে মানৱ জনসংখ্যাৰ অন্যতম জনতাত্বিক বৈশিষ্ট্য। যিকোনো অর্থপূর্ণ জনতাত্বিক বিশ্লেষণৰ বাবে এই উপাদান হৈছে অত্যন্ত প্রয়োজনীয়। লিংগৰ সংৰচনাৰ পৰিৱর্তন ব্যাপক ৰূপত এখন সমাজৰ অন্তর্নিহিত আর্থ-সামাজিক আৰু সাংস্কৃতিক শৈলীত পৰিস্ফূট হয়।

2011 চনৰ লোকপিয়ল অনুসৰি মুঠ 1,21,01,93,422 জনসংখ্যাৰ 62,37,24,248 জন হৈছে পুৰুষ আৰু 58,64,69,174 গৰাকী হৈছে মহিলা। এই অনুসৰি প্রতি 1000 জন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা হৈছে 940 গৰাকী। ভাৰতত লিংগৰ অনুপাত সদায়ে মহিলাৰ প্রতিকূল হোৱাই দেখা যায়। 1901 চনৰ পৰাই মহিলাৰ বিপৰীতে পুৰুষৰ সংখ্যা অধিক। মন কৰিবলগীয়া যে বিগত এশ দহ বছৰত পুৰুষ-মহিলাৰ এই অনুপাতৰ অহৰহ অৱনমন ঘটি আছে।

প্রাক-স্বাধীনতা কালত 1951 চন পর্যন্ত লিংগৰ অনুপাতৰ অহৰহ অৱনমন ঘটা দেখা গৈছিল। স্বাধীনোত্তৰ কালত এই ধাৰা অব্যাহত থাকে আৰু 1951 ৰ পৰৱর্তী দুটা দশকত লিংগৰ অনুপাত তললৈ নামি 1971 ত 930 হৈছিল। 1971 ৰ পিছত এই ধাৰা একে ধৰণে থকা নাছিল আৰু প্রতিটো বর্ষত কেতিয়াবা হ্রাস অথবা কেতিয়াবা বৃদ্ধি হোৱা দেখা গৈছিল। 2001 আৰু 2011 ত এই হাৰ বৃদ্ধি হৈ প্রতি এহাজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ক্রমে 933 আৰু 940 হৈছিল।

তালিকা_২.৩_ভাৰতত লিংগৰ অনুপাতৰ হাৰ

লোকপিয়লৰ বর্ষ	লিংগৰ অনুপাত
1901	972
1911	964
1921	955
1931	950
1941	945
1951	946
1961	941
1971	930
1981	934
1991	927
2001	933
2011	940

(উৎসঃ ভাৰতৰ লোকপিয়ল)

ভাৰতৰ লোকপিয়ল কর্তৃপক্ষই দেশৰ অসমান লিংগ সংৰচনাৰ কেতবোৰ সাধাৰণ কাৰণ নির্ধাৰণ কৰিছে-

- কন্যা শিশুক অৱহেলা কৰাৰ ফলত কম বয়সত মৃত্যুৰ উচ্চ হাৰ।
- প্রসূতিজনিত মৃত্যুৰ উচ্চ হাৰ।
- উচ্চ হাৰত কন্যা ভ্রূণ হত্যা।
- কন্যা শিশু হত্যা।
- জন্মতে লিংগৰ অনুপাতৰ পৰিৱর্তন।

➢ *বয়সৰ উপাদান* (Age Composition)ঃ জনসংখ্যাৰ বয়সৰ সংৰচনা অর্থাৎ জনসংখ্যাক বয়স অনুসৰি বিভিন্ন গোটত বিভাজন কৰা কার্য জনতাত্বিক বিশ্লেষণ আৰু উন্নয়নমূলক পৰিকল্পনাৰ এক গুৰুত্বপূর্ণ বিষয়। বয়সৰ সংৰচনাই বহলভাৱে উর্বৰতা, মৰণশীলতা আৰু পৰিয়াল পৰিকল্পনা আৰু সামাজিক ব্যৱস্থাৰ সৈতে সম্পর্কিত পৰিৱর্তনসমূহক সামৰি লয়। বয়সৰ সংৰচনাই জনতাত্বিক বিশ্লেষণৰ দিশক চেৰাই কেতবোৰ অতি গুৰুত্বপূর্ণ দিশক স্পর্শ কৰিছে। জনকল্যাণৰ বাবে জনতাৰ আঁচনি গ্রহণ কৰা হয় আৰু বর্তমান আৰু ভৱিষ্যতৰ জনসংখ্যাৰ প্রয়োজনে জনকল্যাণৰ সূত্রক

আকাৰ দি নির্ধাৰণ কৰে ।

নমুনা পঞ্জীয়ন পদ্ধতি (Sample Registration System, SRS) অনুসৰি ভাৰতৰ জনসংখ্যাৰ বয়সৰ উপাদানে দেখুৱাইছে যে 1971 ৰ পৰা 1981 ৰ সময় সীমাত 0–14 বছৰ বয়সৰ শিশুৰ জনসংখ্যাৰ হাৰ 41.2 ৰ পৰা 38.1 ৰ শতাংশলৈ আৰু 1991 ৰ পৰা 2011 ৰ ভিতৰত 36.3 শতাংশৰ পৰা 29.5 শতাংশলৈ হ্রাস পাইছে। আনহাতে অর্থনৈতিকভাৱে সক্রিয় জনসংখ্যাৰ (15–59বছৰ) হাৰ 1971 ৰ পৰা 1981 লৈ 53.4 শতাংশৰ পৰা 56.3 শতাংশলৈ আৰু 1991 ৰ পৰা 2011 লৈ 57.7 শতাংশৰ পৰা 62.5 শতাংশলৈ বৃদ্ধি হৈছে। উল্লিখিত এই সময়ছোৱাত উন্নত শিক্ষা, স্বাস্থ্যসেৱা আৰু আয়ুস কালৰ বৃদ্ধিৰ ফলত বৃদ্ধ লোকৰ সংখ্যা (60 ৰ উর্ধৰ) 5.3 শতাংশৰ পৰা 5.7 শতাংশ আৰু 6 শতাংশৰ পৰা 8 শতাংশলৈ বৃদ্ধি হৈছে।

2011 চনৰ লোকপিয়ল অনুসৰি 0–6 বছৰ বয়সৰ শিশুৰ মুঠ সংখ্যা হৈছে 15 কোটি 88 লাখ। ইয়াৰ পৰা এটা কথা লক্ষ্য কৰিব পাৰি যে 2001–2011 ৰ দশকত দেশত বৃদ্ধি পোৱা মুঠ 18 কোটি 10 লাখ লোকৰ 88 শতাংশই হৈছে 0–6 বছৰৰ শিশু। 2001 চনত 0–6 বছৰ বয়সৰ শিশুৰ মুঠ সংখ্যা আছিল 16 কোটি 38 লাখ অর্থাৎ 2011 চনতকৈ প্রায় 50 লাখ অধিক। অন্য ধৰণে ক'বলৈ গ'লে 2011 চনত 0–6 বছৰ বয়সৰ শিশু জনসংখ্যাৰ হাৰ মুঠ জনসংখ্যাৰ 13.12 শতাংশ হোৱাৰ বিপৰীতে 2001 চনত এই হাৰ আছিল মুঠ জনসংখ্যাৰ 15.93 শতাংশ। এই অৱনমনৰ হাৰ হৈছে 2.8 শতাংশ আৰু এয়া এক যোগাত্মক ইংগিত। সাধাৰণ ভাষাত ক'বলৈ গ'লে 15 বছৰৰ তলৰ শিশুৰ জনসংখ্যা হ্রাস পাইছে আৰু ইয়াৰ বিপৰীতে দেশত বৃদ্ধ লোকৰ সংখ্যা বৃদ্ধি হৈছে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ জনসংখ্যা বৃদ্ধিৰ কাৰকবোৰ কি কি?

প্রশ্ন নং ২ঃ জন্ম হাৰ কিয় বৃদ্ধি পায়?

প্রশ্ন নং ৩ ঃ গর্ভধাৰণৰ হাৰ কিয় বৃদ্ধি পায়?

প্রশ্ন নং ৪ ঃ মৃত্যু হাৰ কি?

প্রশ্ন নং ৫ঃ ভাৰতত সর্বপ্রথম কোন বর্ষত লোকপিয়ল সম্পন্ন কৰা হৈছিল?

প্রশ্ন নং ৬ ঃ ভাৰতৰ লোকপিয়ল কর্তৃপক্ষই আঙুলিয়াই দিয়া ভাৰতত লিংগৰ অসমান অনুপাতৰ কেতবোৰ কাৰণ উল্লেখ কৰক।

প্রশ্ন নং ৭ ঃ বিগত দুটা দশকত দেশত বৃদ্ধ লোকৰ সংখ্যা বৃদ্ধি পোৱাৰ অর্ন্তনিহিত কাৰণসমূহ কি কি?

২.৬ ভাৰতত জনসংখ্যা বৃদ্ধিত প্ৰভাৱ পেলোৱা কাৰকসমূহ (FACTORS INFLUENCING POPULATION GROWTH IN INDIA)

ভাৰত হৈছে এক জনবহুল দেশ আৰু ইয়াৰ কাৰণ হৈছে দেশৰ অৰ্থনৈতিক উন্নয়নৰ হাৰতকৈ জনসংখ্যা বৃদ্ধিৰ হাৰ অতি দ্ৰুত। ভাৰতত জনসংখ্যা বৃদ্ধিত অৱিহণা যোগোৱা বহুকেইটা কাৰক আছে -

- ***মৃত্যুহাৰ হ্ৰাস*** (Decrease in Death Rate) ঃ মৃত্যু হাৰ হ্ৰাস অৰ্থাৎ মৰণশীলতাৰ হাৰ নিম্নগামী হোৱাটো হৈছে জনসংখ্যা বৃদ্ধিৰ অন্যতম কাৰণ। উন্নত ঔষধৰ আৱিষ্কাৰৰ ফলত মানুহে বহুতো দু�ৰাৰোগ্য ৰোগক জয় কৰিবলৈ সক্ষম হৈছে। শেহতীয়া ঔষধসমূহে প্ৰায় ভাগ মাৰাত্মক ৰোগৰ চিকিৎসা সম্ভৱ কৰি তুলিছে। ইয়াৰ দ্বাৰা মানুহৰ আয়ুস বৃদ্ধি হৈছে। এনেদৰে মৰণশীলতাৰ হাৰ হ্ৰাস পাই জনসংখ্যা বৃদ্ধি হৈছে।

  আধুনিক ঔষধ আৰু বিভিন্ন ৰোগৰ উন্নত চিকিৎসাৰ দ্বাৰা সামগ্ৰিক মৃত্যু হাৰ তললৈ নামিছে। ইয়াৰ যোগাত্মক দিশ হৈছে আমি এইসমূহৰ দ্বাৰা বিভিন্ন ৰোগৰ সৈতে যুঁজি মৃত্যুক ভেঁটা দিবলৈ সক্ষম হৈছো। জনস্বাস্থ্যৰ উন্নতি হৈছে জনসংখ্যাৰ বৃদ্ধিত প্ৰভাৱ পেলোৱা অন্যতম বৈশিষ্ট্য।

- ***জন্মহাৰৰ বৃদ্ধি*** (Rise in Birth Rate)ঃ উচ্চ হাৰৰ জনসংখ্যাৰ অন্যতম কাৰণ হৈছে জন্মহাৰৰ বৃদ্ধি। চিকিৎসা শাস্ত্ৰৰ উন্নতিৰ ফলত দেশৰ মৃত্যু হাৰ হ্ৰাস পোৱাৰ বিপৰীতে জন্ম হাৰ বৃদ্ধি হৈছে আৰু ইয়াৰ ফলত ভাৰতত জনসংখ্যাৰ বিস্ফোৰণ ঘটিছে। তদুপৰি ভাৰতীয়সকলৰ গড় আয়ুস বৃদ্ধিৰ লগতে প্ৰজননক্ষম মহিলাৰ জীৱিতকালৰ অনুপাত বৃদ্ধি হৈছে।

- ***প্ৰব্ৰজন*** (Migration) ঃ জনসংখ্যা বৃদ্ধিৰ আন এটা কাৰণ হৈছে গ্ৰামাঞ্চলৰ পৰা নগৰ অঞ্চললৈ লোকসকলৰ প্ৰব্ৰজন। মহানগৰীয় এলেকাসমূহত জনসংখ্যাৰ বৃদ্ধি অভূতপূৰ্ব। বিদ্যালয় আৰু মহাবিদ্যালয়ত নামভৰ্তিৰ বাবে অহাছাত্ৰ-ছাত্ৰীসকলৰ আৰু নিযুক্তিৰ সন্ধানত অহা যুৱসকলৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি হৈছে।

- ***শিক্ষাৰ অভাৱ*** (Lack of Education)ঃ অধিক জনসংখ্যাৰ আন এটা কাৰণ হৈছে নিৰক্ষৰতা। শিক্ষাৰ পোহৰ নেদেখা লোকসকলে জনসংখ্যা ৰোধ কৰাত ব্যৰ্থ হয়। জনসংখ্যা নিয়ন্ত্ৰণ কৰাৰ পদ্ধতি সম্পৰ্কেও তেওঁলোক অজ্ঞাত। নিৰক্ষৰসকলৰ মাজতে পৰিয়াল পৰিকল্পনাৰ অভাৱ পৰিলক্ষিত হয়। জনসংখ্যা বৃদ্ধিৰ ই হৈছে গুৰুত্বপূৰ্ণ কাৰক। নিৰক্ষৰতা আৰু পৰিয়াল পৰিকল্পনাৰ পদ্ধতিৰ উপযোগিতা আৰু ব্যৱহাৰৰ সন্দৰ্ভত অজ্ঞতাৰ বাবে বিশেষকৈ গ্ৰামাঞ্চলত উচ্চ হাৰত জনসংখ্যা বৃদ্ধি হৈছে।

- ***পুত্ৰ সন্তানৰ প্ৰত্যাশা*** (Desire for Male Child)ঃ হিন্দু বিশ্বাস অনুসৰি কেৱল পুত্ৰৰ দ্বাৰাহে মোক্ষ লাভ কৰাৰ লগতে পৰিয়াল আগবঢ়াই নিব পৰা যায়। ইয়াৰ লগতে বিশ্বাস কৰা হয় যে বৃদ্ধ বয়সত পুত্ৰইহে পিতৃ-মাতৃক চোৱা-চিতা কৰিব। সেইবাবে দম্পত্তিৰ মাজত পুত্ৰ সন্তানৰ মোহ থাকে। সেইবাবে কেইবাগৰাকী কন্যা থকা বহু পৰিয়ালত কেৱল এটি পুত্ৰৰ আশাত সন্তান জন্ম দিয়াটো অব্যাহত থকা দেখা যায়।

- ***কম বয়সত বিবাহ*** (Marriage at Low Age)ঃ ভাৰতীয় নাৰীৰ কম বয়সত বিবাহপাশত আৱদ্ধ হোৱাটো হৈছে দেশৰ জনসংখ্যা বৃদ্ধিৰ অন্যতম কাৰণ। যিহেতুকে বিবাহৰ সময়ত বয়স কম হয় সেইবাবে প্ৰাপ্তবয়স্কৰ প্ৰজনন ক্ষমতা অথবা বিবাহপাশত আবদ্ধ হ'বলৈ এগৰাকী মহিলাৰ বয়স কমেও 18 আৰু পুৰুষৰ কমেও 21 বছৰ হোৱাটো বাধ্যতামূলক। কিন্তু অতি আশ্চৰ্যজনকভাৱে প্ৰায় 26 শতাংশ মহিলাই 15 বছৰ বয়সত বিবাহত বহাৰ বিপৰীতে 54 শতাংশ মহিলাই 18 বছৰ নৌহওঁতেই বিবাহপাশত আবদ্ধ হয়।

2 ২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'জনসংখ্যা বৃদ্ধি' বোলা ধাৰণাৰে সময় বাগৰাৰ লগে লগে জনসমষ্টি এটাত মানুহৰ সংখ্যা কিমান বাঢ়িল অথবা কমিল তাৰ হিচাপ আৰু কাৰণবোৰৰ কথা বুজোৱা হয়।
- সাধাৰণ মৃত্যুহাৰ কমি যোৱা বাবে, জন্মাৰ সময়তে আয়ুস বৃদ্ধিৰ প্ৰত্যাশা বাঢ়ি যোৱা বাবে আৰু গৰ্ভধাৰণৰ হাৰ উচ্চ হোৱা বাবে ভাৰতৰ জনসংখ্যা অবিৰতভাৱে বৃদ্ধি পাবলৈ ধৰিছে।
- ভাৰত হৈছে বিশ্বৰ ভিতৰত দ্বিতীয় সৰ্বাধিক জনবহুল দেশ। চীনৰ পিছতে ভাৰতত জনসংখ্যা সৰ্বাধিক। সমগ্ৰ বিশ্বৰ শতকৰা 2.4 শতাংশ এলেকা আগুৰি থকা ভাৰতত বসবাস কৰে বিশ্বৰ মুঠজনসংখ্যাৰ শতকৰা 17.3 শতাংশ লোক।
- জনসংখ্যা বৃদ্ধিৰ সবাতোকৈ উল্লেখযোগ্য কাৰক তিনিটা হ'ল জন্ম হাৰ, মৃত্যু হাৰ আৰু প্ৰব্ৰজন। চিন্তাজনকভাৱে জনসংখ্যা বৃদ্ধি পোৱাৰ মূল কাৰণ হ'ল অতি উচ্চ জন্মহাৰ।
- জন্মৰ হাৰ উচ্চ হোৱাৰ কাৰণ হ'ল নিৰক্ষৰতা, পৰিয়াল পৰিকল্পনা বিষয়ক জ্ঞানৰ অভাৱ, কম বয়সতে বিয়া হোৱা, সামাজিক বিশ্বাস আৰু পৰম্পৰা, ল'ৰা সন্তান সম্পৰ্কে মনোভাৱ ইত্যাদি। মানুহৰ সন্তান জন্ম দিব পৰা ক্ষমতা বাঢ়ি যোৱাটোও জন্মৰ হাৰ বৃদ্ধি পোৱাৰ আন এক উল্লেখযোগ্য কাৰণ।
- 2011 চনৰ লোকপিয়ল অনুসৰি ভাৰতত মুঠ জনসংখ্যা হৈছে 1,210,193,422 জন। 2001 চনত ভাৰতত মুঠ জনসংখ্যা আছিল 1.028,737,436 জন। অন্য অৰ্থত ভাৰতত 2001–11 দশকত জনসংখ্যা বৃদ্ধি পালে প্ৰায় 181 নিযুত।
- জনসংখ্যা বৃদ্ধিৰ নিৰ্ণায়ক জোখাৰ দুটামান উপায় হ'ল অশোধিত জন্ম হাৰ, মৃত্যু হাৰ, নৱজাতকৰ মৃত্যু হাৰ, সাধাৰণ গৰ্ভধাৰণৰ হাৰ আৰু মুঠ প্ৰব্ৰজন হাৰ।
- ভাৰতত জনসংখ্যা বৃদ্ধিক চাৰিটা ভাগত বিভক্ত কৰিব পাৰি-1901–1921 চনঃ স্থিৰ জনসংখ্যা,1921–1951 চনঃ নিয়মিত বৃদ্ধি, 1951–1981 চনঃ দ্ৰুত বৃদ্ধি আৰু 1981–2011 চনঃ বৃদ্ধিৰ হাৰৰ অৱনমনৰ সুস্পষ্ট ইংগিতসহ উচ্চ হাৰত বৃদ্ধি।

প্ৰথম দুটা দশক আছিল স্থিৰ জনসংখ্যাৰ যুগ। এই সময়ছোৱাত মৃত্যু হাৰ আছিল অতি উচ্চ। 1921 চনৰ পৰা 1951 চনৰ সময়ছোৱাক জনসংখ্যাৰ নিয়মিত হাৰৰ বৃদ্ধিৰ যুগ আখ্যা দিয়া হয়। এই সময়ছোৱাত জন্ম হাৰ উচ্চ হোৱাৰ বিপৰীতে মৃত্যু হাৰ হ্ৰাস পাইছিল। স্বাধীনতাৰ পিছত 1951 চনৰ পৰা 1981 চনলৈ জন্মৰ হাৰ অতি উচ্চ থকাৰ ফলত জনসংখ্যাৰ অস্বাভাৱিক বৃদ্ধি হৈছিল।

- ভাৰতত জনসংখ্যা বৃদ্ধিৰ হাৰ অৱনমিত হোৱাৰ পিছতো এই হাৰ উচ্চ হৈয়ে আছিল। ইয়াৰ কাৰণ হৈছে ভাৰতৰ মূল জনসংখ্যা ইমানেই অধিক আছিল যে কম হাৰৰ বৃদ্ধিয়েও এই জনসংখ্যা বৃদ্ধিত প্ৰভূত অৱিহণা যোগাইছিল।
- লোকপিয়লৰ জৰিয়তে আহৰণ কৰা আটাইতকৈ উল্লেখযোগ্য জনতাত্বিক বৈশিষ্ট্য হৈছে বয়স আৰু লিংগৰ সংৰচনা। লিংগৰ উপাদান হৈছে মানৰ জনসংখ্যাৰ অন্যতম জনতাত্বিক বৈশিষ্ট্য। যিকোনো অৰ্থপূৰ্ণ জনতাত্বিক বিশ্লেষণৰ বাবে এই উপাদান হৈছে অত্যন্ত জৰুৰী। লিংগৰ সংৰচনাৰ পৰিৱৰ্তন ব্যাপকৰূপত এখন সমাজৰ অন্তর্নিহিত আৰ্থ-সামাজিক আৰু সাংস্কৃতিক শৈলীত পৰিস্ফুট হয়।
- জনসংখ্যাৰ বয়সৰ সংৰচনা অৰ্থাৎ জনসংখ্যাক বয়স অনুসৰি বিভিন্ন গোটত বিভাজন কৰা কাৰ্য জনতাত্বিক বিশ্লেষণ আৰু উন্নয়নমূলক পৰিকল্পনাৰ এক গুৰুত্বপূৰ্ণ বিষয়।
- ভাৰতত জনসংখ্যা বৃদ্ধিৰ বিভিন্ন কাৰণ হৈছে মৃত্যুহাৰ হ্ৰাস, জন্ম হাৰ বৃদ্ধি, প্ৰব্ৰজন, নিৰক্ষৰতা আদি।

২.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1) Bhende, Asha, A. and Tara Kanikar.(2006).*Principles of Population Studies*.Mumbai:Himalaya Publishing House.

2) Raj.Hans(1990).*Fundamentals of Demography(Population studies with special reference to India)*.Delhi:Surjeet Publications.

3) Sinha.V.C. and E. Zacharia.(2007).*Elements of Demography(With Demographic Profile of India and the World)*.New Delhi:Allied Publishers Pvt. Ltd.

4) Majumdar P.K.(2013).*India's Demography-Changing Demographic Scenerio in India.*New Delhi:Rawat Publications.

K ২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মানুহৰ সংখ্যাৰ স্বাভাৰিক বৃদ্ধিয়ে সাধাৰণতে জনসংখ্যা বৃদ্ধি কৰে। মৃত্যুতকৈ জন্মৰ হাৰ বেছি হ'লে জনসংখ্যা বাঢ়ে। কিন্তু কোনো এক নির্দিষ্ট অঞ্চলত প্রব্রজনেও জনসংখ্যা বৃদ্ধি কৰিব পাৰে। বহিঃপ্রব্রজনতকৈ কোনো অঞ্চললৈ অহা মানুহৰ বেছি হ'লে জনসংখ্যা বাঢ়ে। জনসংখ্যা বৃদ্ধিৰ প্রধান কাৰকবোৰ হ'ল জন্মৰ হাৰ, মৃত্যুৰ হাৰ আৰু প্রব্রজন।

২ নং প্রশ্নৰ উত্তৰ ঃ জন্মৰ হাৰ উচ্চ হোৱাৰ কাৰণ হ'ল নিৰক্ষৰতা, পৰিয়াল পৰিকল্পনা বিষয়ক জ্ঞানৰ অভাৱ, কম বয়সতে বিয়া হোৱা, সামাজিক বিশ্বাস আৰু পৰম্পৰা, ল'ৰা সন্তান সম্পর্কে মনোভাৱ ইত্যাদি।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতত গর্ভধাৰণৰ হাৰ বৃদ্ধি হোৱাৰ বহুকেইটা আর্থ-সামাজিক আৰু ভৌতিক কাৰক আছে। এনে দুটামান কাৰক হ'ল- বিবাহৰ সার্বজনীনতা, কম বয়সতে বিয়া হোৱা, পৰিয়ালৰ কঠোৰ নীতি-নিয়ম, ল'ৰা সন্তানক অগ্রাধিকাৰ দিয়া, দুর্বল আর্থিক অৱস্থা, নৱজাতকৰ উচ্চ মৃত্যুহাৰ, কৃষিজীৱি সমাজ, নগৰীকৰণৰ প্রক্রিয়া ধীৰ হোৱা, পৰিবর্তনৰ বিৰুদ্ধে সাংস্কৃতিক প্রতিৰোধ ইত্যাদি।

৪ নং প্রশ্নৰ উত্তৰ ঃ মৰণশীলতা মানে মৃত্যু। জন্ম লভাৰ পাছত যিকোনো মূহুর্ততে জীৱনৰ সকলো প্রমাণ স্থায়ীভাৱে নাইকিয়া হৈ যোৱাকে মৃত্যু বোলে। অর্থাৎ, মৃত্যুৰ সৈতে গর্ভপাত আৰু জন্মতে মৃত শিশুবোৰক সামৰি লোৱা নহয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতত সর্বপ্রথম লোকপিয়ল 1871 চনত সম্পন্ন কৰা হৈছিল।

৬ নং প্রশ্নৰ উত্তৰঃ ভাৰতত লোকপিয়ল কর্তৃপক্ষই আঙুলিয়াই দিয়া লিংগৰ সংৰচনাৰ বৈষম্যৰ কেতবোৰ কাৰণ হৈছে-

- কন্যা শিশুক কৰা অৱহেলাৰ বাবে কম বয়সত অধিক হাৰত মৃত্যু।
- উচ্চ হাৰত প্রসূতিজনিত মৃত্যু।
- লিংগ পৰীক্ষণ কৰি গর্ভপাত।
- কন্যা শিশু হত্যা।
- জন্মতে লিংগৰ অনুপাতৰ পৰিৱর্তন।

৭ নং প্রশ্নৰ উত্তৰ ঃ শেহতীয়া দুটা দশকত বৃদ্ধ লোকৰ সংখ্যা বৃদ্ধিৰ আভ্যন্তৰীণ কাৰণসমূহ হৈছে উন্নত শিক্ষা, স্বাস্থ্যসেৱাৰ সুবিধা আৰু আয়ুসকালৰ বৃদ্ধি।

M ২.১০ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ জনসংখ্যা বৃদ্ধিৰ নিৰ্ণায়কবোৰ কি কি? বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ঃ ভাৰতত জনসংখ্যা বৃদ্ধিত প্ৰভাৱ পেলোৱা কাৰকসমূহ কি কি?

প্ৰশ্ন ৩ঃ যদিও ভাৰতত জনসংখ্যা বৃদ্ধিৰ হাৰ হ্ৰাস পাইছে তথাপিও জনসংখ্যা বৃদ্ধি হৈয়ে আছে। কিয়?

প্ৰশ্ন ৪ঃ কোনো এটা অঞ্চলৰ জন্ম হাৰ আৰু মৃত্যুহাৰ কেনেদৰে জোখা হয়?

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ভাৰতত জনসংখ্যাৰ দশকভিত্তিত বৃদ্ধিৰ সন্দৰ্ভত লিখক।

প্ৰশ্ন ২ঃ স্বাধীনতাৰ পিছত ভাৰতৰ জনসংখ্যাৰ ধাৰাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ঃ ভাৰতত জনসংখ্যা বৃদ্ধিত প্ৰভাৱ পেলোৱা কাৰকসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ জনসংখ্যাৰ বিস্ফোৰণ

অধ্যায় গাঁথনি

3.1 উদ্দেশ্য
3.2 পৰিচয়
3.3 জনসংখ্যা বিস্ফোৰণৰ ধাৰণা
3.4 জনসংখ্যা বিস্ফোৰণৰ বৈশিষ্ট্য সমূহ
3.5 ভাৰতবৰ্ষত জনসংখ্যা বিস্ফোৰণৰ উৎপত্তিৰ কাৰণ সমূহ
3.6 ভাৰতবৰ্ষত জনসংখ্যা বিস্ফোৰণৰ ফলত হোৱা সমস্যাসমূহ
3.6.1 শিক্ষাত জনসংখ্যা বিস্ফোৰণৰ প্ৰভাৱ
3.6.2 পৰিৱেশত জনসংখ্যা বিস্ফোৰণৰ প্ৰভাৱ
3.6.3 মানুহৰ আৰ্থ সামাজিক জীৱনৰ ওপৰত জনসংখ্যা বিস্ফোৰণৰ প্ৰভাৱ
3.7 জনসংখ্যা বৃদ্ধি ৰোধ কৰিবলৈ ল'বলগীয়া ব্যৱস্থাসমূহ
3.8 অধ্যায়টিৰ পৰা আমি কি শিকলোঁ
3.9 অধিক জানিবলৈ
3.10 অগ্ৰগতিৰ খতিয়ান
3.11 আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- জনসংখ্যা বিস্ফোৰণৰ ধাৰণাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- জনসংখ্যা বৃদ্ধিৰ বৈশিষ্ট্যসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- জনসংখ্যা বিস্ফোৰণৰ কাৰণসমূহ আৰু সমস্যা সমূহৰ বিষয়ে এক আলোচনা আগবঢ়াব পাৰিব।
- জনসংখ্যা বৃদ্ধি পৰীক্ষা কৰিবলৈ গ্ৰহণ কৰিব লগীয়া ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

মানৱীয় জনসংখ্যাৰ বৃদ্ধিয়ে সাধাৰণতে বিকাশশীল দেশসমূহত এক গভীৰ সমস্যাৰ সৃষ্টি কৰিছে। জনসংখ্যা বৃদ্ধিৰ কাৰণ আৰু পৰিণামসমূহ বৰ্তমানৰ আধুনিক সমাজৰ বাবে এক প্ৰধান বিষয়ত পৰিণত হৈছে। জীৱনৰ

গুণগত মানদণ্ড বজাই ৰাখিবলৈ হ'লে জনসংখ্যা বৃদ্ধি ৰোধ কৰাটো অতি প্ৰয়োজনীয়। আঁচনি প্ৰস্তুতকৰ্তাসকলৰ মতে অৰ্থনৈতিক বিকাশ বজাই ৰাখিবলৈ হ'লে জনসংখ্যা বৃদ্ধি ৰোধ কৰিবলৈ বিশেষ ব্যৱস্থা লোৱাটো জৰুৰী। সেইমতে, ভাৰত চৰকাৰে জনসংখ্যা নীতিৰ লগতে প্ৰতিটো পঞ্চম বাৰ্ষিক পৰিকল্পনাত বিশেষ সুবিধা প্ৰদানৰ জৰিয়তে জনসংখ্যা বৃদ্ধি ৰোধ কৰিবলৈ চেষ্টা গ্ৰহণ কৰি আহিছে। কিন্তু এই পৰিকল্পনাসমুহেওঁ কোনো বিশেষ ফলাফল প্ৰদান কৰা নাই। এইটো ধাৰণা কৰিব পাৰি যে শিক্ষাই জনসংখ্যা বৃদ্ধি ৰোধ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাব পাৰে। এই অধ্যায়টিয়ে জনসংখ্যা বিস্ফোৰণৰ ধাৰণাটো ব্যাখ্যা কৰাৰ লগতে জনসংখ্যা বৃদ্ধিৰ বৈশিষ্ট্য, জনসংখ্যা বিস্ফোৰণৰ উৎপত্তিৰ কাৰণ, জনসংখ্যা বিস্ফোৰণে সৃষ্টি কৰা সমস্যা আৰু জনসংখ্যা বৃদ্ধি ৰোধ কৰাৰ বাবে ল'বলগীয়া ব্যৱস্থা সমূহৰ বিষয়েও আলোচনা কৰে।

৩.৩ জনসংখ্যা বিস্ফোৰণৰ ধাৰণা

জনসংখ্যা বিস্ফোৰণ বা অধিক জনসংখ্যাই এনেকুৱা এক পৰিস্থিতিক বুজায় য'ত এখন দেশত বসবাস কৰা জনসংখ্যাই দ্ৰুতভাৱে ইয়াৰ বহনীয় ক্ষমতা চেৰাই যায়. জনসংখ্যা বিস্ফোৰণ শব্দটোৱে মানৱীয় জনসংখ্যা আৰু পৃথিৱীৰ পৰিৱেশৰ মাজত থকা সম্বন্ধক বুজায়। আন কথাত ক'বলৈ গ'লে, ই পৰিৱেশৰ জৈৱবৈচিত্ৰিক ভাৰসাম্যতাক বুজায় যিটো পৃথিৱীৰ বিভিন্ন উদ্ভিদ আৰু প্ৰজাতিৰ জীৱনধাৰণৰ বাবে অতি প্ৰয়োজনীয়।

জনসংখ্যা বিস্ফোৰণ বৰ্তমানৰ পৃথিৱীৰ আটাইতকৈ প্ৰধান সমস্যাসমূহৰ ভিতৰত এটা বুলি বিবেচিত হৈছে। যিমানদূৰলৈকে ভাৰতৰ কথা ক'ব পাৰি, আন দেশসমূহৰ তুলনাত ইয়াত জনসংখ্যা বৃদ্ধিৰ হাৰ বহুত বেছি। বিশ্বৰ প্ৰতি ছয়জন মানুহৰ ভিতৰত এজন ভাৰতত বাস কৰে। জনসংখ্যাৰ ক্ষেত্ৰত ই চীনৰ পিছতেই দ্বিতীয় স্থান দখল কৰে আৰু 2040 লৈকে ভাৰতৰ জনসংখ্য 1.5 বিলিয়ন হ'ব আৰু তেতিয়ালৈ ইয়াৰ জনসংখ্যাই চীনৰ জনসংখ্যাকো চেৰাই যাব বুলি ধাৰণা কৰা হৈছে।

পৰিসংখ্যা মতে, 2011 চনৰ মাৰ্চলৈকে ভাৰতৰ মুঠ জনসংখ্যা 1 বিলিয়নতকৈ অলপ বেছি আছিল- 1,210,193,422। নতুন দিল্লীৰ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ জনসংখ্যা ঘড়ীয়ে প্ৰতি মিনিটত 31 জন ব্যক্তিৰ হাৰ সূচায়। ইয়াৰ মতে ভাৰতত প্ৰতিদিনে 44,640 টা শিশুৱে জন্ম লাভ কৰে। এই বৃহৎ বৃদ্ধিৰ হাৰে কেৱল অৰ্থনৈতিক বৃদ্ধিয়ে নহয় সমগ্ৰ জীৱন ধাৰণৰ গুণগত মানদণ্ডৰ ওপৰতো প্ৰভাৱ পেলাইছে।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ পৰাই বিশ্ব জনসংখ্যা এক অভূতপূৰ্ব হাৰত বৃদ্ধি পাই আহিছে। এই জনসংখ্যা বৃদ্ধিয়ে কৃষিক্ষেত্ৰৰ অধিক শস্য উৎপাদনৰ ক্ষেত্ৰত আৰু উদ্যোগ খণ্ডৰ অধিক বিকাশৰ ক্ষেত্ৰত বৃহৎ সমস্যাৰ সৃষ্টি কৰিছে। নিৰ্বনানীকৰণে বৰ্তমান সময়ত এক ভয়াৱহ ৰূপ ধাৰণ কৰিছে যাৰ ফলত ভূমি অৱক্ষয়, পৰিৱেশ পৰিৱৰ্তন আৰু প্ৰাকৃতিক সম্পদৰ অপব্যৱহাৰৰ দৰে সমস্যাৰ সৃষ্টি কৰিছে। এইটোৱে এই সচেতনতাৰ সৃষ্টি কৰিছে যে মানুহে পৃথিৱীত অধিক জনসংখ্যাৰ সৃষ্টি কৰিছে যাৰ ফলত পৃথিৱীয়ে এই অত্যাধিক জনসংখ্যাৰ বোজা বহন কৰিব পৰা নাই। বৈজ্ঞানিক সচেতনতা মতে বৰ্তমানৰ জনসংখ্যা বৃদ্ধি আৰু সম্পদৰ বৰ্দ্ধিত ব্যৱহাৰে জীৱ জগতৰ প্ৰতি এক ভাবুকিৰ সৃষ্টি কৰিছে। বহুতো পৰিৱেশজনিত সমস্যা যেনে পৰিবেশত কাৰ্বন ডাই অক্সাইড ৰ বৰ্দ্ধিত স্তৰ,

গ্লৱেল ৱার্মিং, প্রদূষণ ইত্যাদি জনসংখ্যা বৃদ্ধিৰ ফলতে সৃষ্টি হোৱা সমস্যা।

জনসংখ্যা বিস্ফোৰণ হ'ল জনসংখ্যাৰ দ্রুত বৃদ্ধি। ওপৰত উল্লেখ কৰা ধৰণে, বেছিভাগ বিকাশমুখী দেশেই যোৱাটো শতিকাৰ দ্রুত জনসংখ্যা বৃদ্ধিৰ ক্ষেত্রত অৱিহণা যোগাইছে। এইটো হ'ল আমাৰ পৃথিৱীখনে বর্তমান সময়ত সন্মুখীন হোৱা এক গভীৰ সমস্যা আৰু জনসংখ্যাৰ এই অভাৱনীয় বৃদ্ধিকে এতিয়া সঠিকভাৱে জনসংখ্যা বিস্ফোৰণ বুলি ক'ব পাৰি।

৩.৪ জনসংখ্যা বিস্ফোৰণৰ বৈশিষ্ট্য সমূহ

জনসাংখ্যিক বৈশিষ্ট্যসমূহৰ জন্মৰ হাৰ, মৃত্যুৰ হাৰ, প্রব্রজন, ভৌগোলিক বিতৰণ, জনসংখ্যাৰ ঘনত্ব আৰু বৃদ্ধিৰ হাৰ ইত্যাদিৰ সৈতে সম্পর্কিত এই কাৰকসমূহৰ ওপৰত ভিত্তি কৰি জনসংখ্যা বৃদ্ধিৰ বৈশিষ্ট্য সমূহ এনেধৰণে গঠন কৰিব পাৰি-

- কোনো এক বিশেষ অঞ্চলৰ দুটা ভিন্ন সময়ৰ মাজত মানৱীয় সংখ্যাৰ ক্ষেত্রত সংঘটিত হোৱা পৰিৱর্তনক জনসংখ্যা বৃদ্ধি বুলি ক'ব পাৰি।
- যদি এই বৃদ্ধি যোৱাটো বছৰতকৈ অধিক হয়, তেন্তে ইয়াক ইতিবাচক বৃদ্ধি বুলি কোৱা হয়, আৰু যদি ই যোৱাটো বছৰতকৈ কম হয়, তেন্তে ইয়াক নেতিবাচক বৃদ্ধি বুলি কোৱা হয়।
- জনসংখ্যা বৃদ্ধিৰ হাৰ উন্নত দেশসমূহতকৈ উন্নয়নশীল আৰু অনুন্নত দেশসমূহত দ্রুত হয়।
- জনসংখ্যাৰ দ্রুত বৃদ্ধিৰ ফলত, এই অনুন্নত আৰু উন্নয়নশীল দেশ সমূহৰ বিকাশৰ হাৰ আশা কৰাতকৈ কম হয়।
- জনসংখ্যা দ্রুত বৃদ্ধিয়ে নিৰক্ষতা আৰু দৰিদ্রতাৰ হাৰ বৃদ্ধি কৰে।
- জনসংখ্যাৰ দ্রুত বৃদ্ধিয়ে মানৱীয় স্বাস্থ্যৰ ক্ষতি কৰাৰ লগতে ধনী আৰু দুখীয়া দেশসমূহৰ মাজত আর্থ-সামাজিক আৰু সাধাৰণ জীৱনৰ ক্ষেত্রত পাথর্ক্যৰ সৃষ্টি কৰে।
- জনসংখ্যা বৃদ্ধিয়ে প্রাকৃতিক সম্পদৰ ব্যৱহাৰৰ ওপৰত প্রভাৱ পেলোৱাৰ উপৰিও ইয়াৰ ব্যৱহাৰৰ ক্ষেত্রতো অসামঞ্জস্যতাৰ সৃষ্টি কৰে।

৩.৫ ভাৰতবর্ষত জনসংখ্যা বিস্ফোৰণৰ উৎপত্তিৰ কাৰণসমূহ

জনসংখ্যা কি সেয়া আপোনালোকে এতিয়া গম পালে। ভাৰতবর্ষত জনসংখ্যাৰ অভাৱণীয় বৃদ্ধিত অৱিহণা যোগোৱা কাৰণসমূহ বুজি পোৱাটো আমাৰ বাবে অতি প্রয়োজনীয়। জনসংখ্যাৰ এই অভাৱনীয় বৃদ্ধিৰ ক্ষেত্রত সামাজিক, অর্থনৈতিক, সাংস্কৃতিক, মনোবৈজ্ঞানিক ইত্যাদি বহুতো কাৰকেই দায়ী। জনসংখ্যা বৃদ্ধিৰ বাবে দায়ী কেইটামান দৰকাৰী কাৰণ তলত আলোচনা কৰা হ'ল-

- <u>উর্ৰৱতা</u> ঃ মহিলাৰ উচ্চ উর্ৰৱতা হ'ল প্রধান কাৰণসমূহৰ ভিতৰত এটা। ইয়াত বয়সৰ মাত্র হ'ল 15 ৰ পৰা

45 । বহুত কমসংখ্যক মহিলাইহে 45 বছৰৰ পিছত সন্তান জন্ম দিয়ে। মহিলাসকলে কম বয়সত অধিক সন্তান জন্ম দিব পাৰে। ভাৰতবৰ্ষত জন্মৰ হাৰ অধিক হয় কাৰণ ছোৱালীবোৰক কম বয়সতে বিয়া দিয়া হয়। 15 ৰ পৰা 19 বছৰ বয়সৰ 70 % ছোৱালীকে ভাৰতবৰ্ষত বিয়া দিয়া হয় য'ত আমেৰিকাত এই হাৰ মাত্ৰ 15 শতাংশ । 20 ৰ পৰা 28 বছৰ বয়সত ভাৰতবৰ্ষত অধিক সংখ্যক ছোৱালীয়ে বিবাহিত হয়, মাত্ৰ এটা সৰু অংশয়েহে 25 ৰ পৰা 29 ৰ ভিতৰত বিবাহিত হয়। আমেৰিকাত, এক বৃহৎ পৰিমাণৰ ছোৱালীয়ে অবিবাহিত হয় , কিন্তু ভাৰতত বিবাহ হ'ল সার্বজনীন। কম বয়সৰ বিবাহ, সার্বজনীন বিবাহ ইত্যাদিয়েই হ'ল অধিক জন্ম আৰু জনসংখ্য বৃদ্ধিৰ কাৰণ।

- <u>বিধৱা পুনৰ বিবাহ</u> ঃ ভাৰতবৰ্ষত বিধৱা পুনৰ বিবাহ ক্ৰমান্বয়ে জনপ্ৰিয় হ'ব ধৰিছে। যেতিয়া এনেধৰণৰ বিবাহ সুলভ হয় তেতিয়া জন্মৰ হাৰ বৃদ্ধি পায়। 20 ৰ পৰা 35 বছৰ বয়সৰ 90% মহিলা বিবাহিত হয়, য'ত' নেকি এইটো সময়তে জন্ম হাৰ অধিক হয়।
- <u>পুত্ৰ সন্তানক অধিক গুৰুত্ব</u> ঃ ধর্মীয় বিশ্বাস ম'তে, যেনে- দেউতাকৰ মৃত্যুৰ পাছত পুত্ৰ সন্তানে পৰিয়ালৰ নাম চলাই নিয়াৰ লগতে ধর্মীয় কাম কাজসমূহো চলাই নিয়ে, ইত্যাদি বোৰে এখন দেশৰ সামাজিক আৰু অর্থনৈতিক অৱস্থা গঢ়ি তুলে। ইয়াৰ উপৰিও, যৌথ পৰিয়াল ব্যৱস্থাই পুত্ৰ সকলৰ ওপৰত উচ্চ মূল্যবোধ প্ৰদান কৰে। যিহেতু বৃদ্ধসকলৰ প্ৰতি কোনো সুৰক্ষাৰ ব্যৱস্থা নাথাকে, সেয়েহে পিতৃ মাতৃয়ে অধিক সন্তানৰ ওপৰত গুৰুত্ব দিয়ে, যাতে তেওঁলোকৰ বৃদ্ধাৱস্থাত যত্ন ল'বলৈ কমেও এজন বা দুজন পুত্ৰ সন্তান থাকে। সেয়েহে, সৰু পৰিয়ালৰ ধাৰণাটো মানুহৰ মনত প্ৰৱেশ নকৰে।
- <u>ছোৱালী শিক্ষা</u> ঃ ছোৱালীৰ মাজত শিক্ষাৰ অভাৱ হ'ল পৰিয়ালৰ উচ্চ আদর্শ সমূহ ধৰি ৰখাৰ এক প্ৰধান কাৰণ। বিশেষকৈ গ্ৰাম্যাঞ্চলত, মহিলাৰ সাক্ষৰতাৰ হাৰ আটাইতকৈ কম। তেওঁলোক যিহেতু কম বয়সতে বিয়া হয়, সেয়েহে নিজাববীয়াকৈ একো মতামত দাঙি ধৰিব নোৱাৰে, কিমানজন সন্তান তেওঁলোক প্ৰত্যেকৰে থকা উচিত সেইটো ক্ষেত্ৰত অতি কমেও তেওঁলোকৰ মত থাকিব লাগে। ডাঙৰ পৰিয়াল গ্ৰহণ কৰাৰ ক্ষেত্ৰতো ধর্মীয় বিশ্বাস, সামাজিক ৰীতি নীতি, প্ৰচলিত ব্যৱস্থা আদিয়ে প্ৰভাৱ পেলায়।
- <u>শিশু নিয়োগ</u> ঃ যদিও সংগঠিত উদ্যোগসমূহত শিশু শ্ৰমিকৰ নিয়োগ আইন মতে নিষিদ্ধ কৰা হৈছে, অসংগঠিত ক্ষেত্ৰসমূহত কিন্তু শিশুসকলৰ বাবে যথেষ্ট নিয়োগৰ ব্যৱস্থা আছে। যদি শিশুসকলক ঘৰুৱা উদ্যোগ বা কৃষিখণ্ডত নিয়োজিত কৰিব পৰা যায় তেন্তে সিহঁতৰ প্ৰতিপালনৰ ক্ষেত্ৰত ভয়ৰ কথা অভিভাৱকে বেছি চিন্তা কৰিব নালাগে। যিহেতু আমাৰ বেছিভাগ মানুহেই চৰম দৰিদ্ৰতাত বাস কৰে, সেয়েহে তেওঁলোকে অধিক উপার্জনৰ বাবে অধিক ল'ৰা-ছোৱালী জন্ম দিয়াটো বিবেচনা কৰে। এনে ক্ষেত্ৰত ডাঙৰ পৰিয়াল বোজা হোৱাতকৈ এক আর্শীবাদ বুলিহে পৰিগণিত হয়।
- <u>পৰিয়াল পৰিকল্পনাৰ প্ৰতি মনোভাৱ</u> ঃ পৰিয়াল পৰিকল্পনাৰ মনোভাৱে পৰিয়াল এটা ভালদৰে পালন কৰা হৈছে নে নাই সেয়া নিৰূপন কৰে। বেছিভাগ ক্ষেত্ৰতে, মহিলাসকলে পৰিয়াল পৰিকল্পনা বাবে সন্মতি প্ৰদান কৰিব লাগে। পুৰুষ আৰু মহিলাৰ সন্মতি প্ৰদানৰ পাথর্ক্যৰ হাৰ অধিক, য'ত পুৰুষৰ সন্মতিৰ হাৰ মহিলাতকৈ কম। ভিন্ন অধ্যয়নে আৰু সমীক্ষাই এইটো প্ৰমাণ কৰিছে যে পুৰুষতকৈ মহিলাই পৰিয়াল

পৰিকল্পনাৰ ক্ষেত্ৰত আৰু জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত অধিক সু-মনোভাৱ পোষণ কৰে, কিন্তু, তেওঁলোকৰ নিম্ন সামাজিক মৰ্যাদাৰ বাবে তেওঁলোকে পৰিয়ালৰ আকাৰ আৰু ব্যৱধানৰ ক্ষেত্ৰত কোনো মাত মাতিব নোৱাৰে।

- জন্ম আৰু মৃত্যুৰ মাজত পাথৰ্ক্যৰ ব্যৱধান ঃ যোৱা শতিকাৰ ধৰি পৃথিৱীৰ জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ কাৰণ হ'ল জন্ম আৰু মৃত্যু হাৰৰ মাজত থকা পাথৰ্ক্য। ইয়াৰ প্ৰধান কাৰণ হ'ল যোৱাটো সময়ৰ সংঘটিত হোৱা উদ্যোগিক আৰু প্ৰযুক্তিবিদ্যাৰ বিপ্লৱ। এই নতুন প্ৰযুক্তিবিদ্যাই উন্নত ঔষধ উৎপাদনৰ ব্যৱস্থা কৰি মৃত্যুৰ হাৰ কম কৰাৰ লগতে বৰ্দ্ধিত জনসংখ্যাৰ বাবে প্ৰয়োজনীয় খাদ্য উৎপাদনৰ সুবিধাও প্ৰদান কৰিছে।
- প্ৰবজন ঃ প্ৰবজনেও ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিত অৰিহণা যোগাইছে। প্ৰবজনৰ অৰ্থ হ'ল এখন দেশৰ পৰা আন এখন দেশলৈ যোৱা। মানুহে সাধাৰণতে উন্নত জীৱিকাৰ সন্ধানত এখন দেশৰ পৰা আন এখন দেশলৈ গতি কৰে। কিছুক্ষেত্ৰলৈ প্ৰবজন হ'ল সমগ্ৰ বিশ্বজুৰি এক সাধাৰণ পৰিঘটনা। কিন্তু যদি ই বৃহৎ অৰ্থত সংঘটিত হয়, তেন্তেই এখন দেশৰ বাবে এক গভীৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সমস্যাৰ সৃষ্টি কৰিব পাৰে। প্ৰবজনেগুণগত আৰু পৰিমাণগত দুয়োটাতে শোচনীয ভাৱে প্ৰভাৱ সৃষ্টি কৰে। এনেক্ষেত্ৰত, ই এক আন্তঃৰাষ্ট্ৰীয় সমস্যা হৈ পৰে। আমাৰ অসমতো বৰ্তমান একে সমস্যাৰে সৃষ্টি হৈছে। চুবুৰীয়া দেশ, বিশেষকৈ নেপাল আৰু বাংলাদেশৰ পৰা হোৱা প্ৰবজনে ৰাজ্যখনৰ অৰ্থনীতিৰ ওপৰত এক গভীৰ প্ৰভাৱ পেলাইছে। ই মানুহৰ সামাজিক, সাংস্কৃতিক জীৱনৰ ওপৰতো সমস্যাৰ সৃষ্টি কৰিছে । সেয়েহে দেশখনত সংঘটিত এনে প্ৰবজন বন্ধ কৰি দেশখনৰ অলাগতিয়াল সমস্যা সমূহ নিৰ্মূল কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰা উচিত।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ জনসংখ্যা বিস্ফোৰণ কি?

প্ৰশ্ন নং ২ ঃ পৃথিৱীৰ আটাইতকৈ বেছি জনসংখ্যাৰ দেশখন কি?

প্ৰশ্ন নং ৩ ঃ জনসংখ্যা বিস্ফোৰণে সৃষ্টি কৰা কেইটামান পৰিৱেশজনিত সমস্যা উল্লেখ কৰক।

প্ৰশ্ন নং ৪ ঃ জনসংখ্যা বৃদ্ধিৰ তিনিটা বৈশিষ্ট্য লিখক।

প্ৰশ্ন নং ৫ ঃ জনসংখ্যা বৃদ্ধিৰ বাবে দায়ী কাৰণসমূহ লিখক।

৩.৬ ভাৰতবৰ্ষত জনসংখ্যা বিস্ফোৰণৰ ফলত হোৱা সমস্যাসমূহ-

এতিয়ালৈকে আপুনি হয়তো জনসংখ্যা বৃদ্ধিৰ সমস্যাৰ গভীৰতা সম্পৰ্কে অনুমান কৰিব পাৰিছে যিটোৱে আমাৰ দেশৰ বিকাশৰ বিভিন্ন ক্ষেত্ৰসমূহত ভাবুকিৰ সৃষ্টি কৰিছে। সেই কাৰণে স্বাধীনতাৰ সময়ৰে পৰা কৃষি আৰু উদ্যোগ ক্ষেত্ৰত দৃষ্টিমূলক বিকাশৰ সত্বেও আমাৰ দেশৰ মুঠ জনমূৰি আয় সেই অনুপাতে বৃদ্ধি হোৱা নাই। যদি এইটো হাৰত জনসংখ্যা বৃদ্ধি হৈ থাকে, তেন্তে অহা কেইবছৰ মানৰ ভিতৰত আমি অনিয়োজিত, ভোকাতুৰ আৰু

হতাশ লোকেৰে গঠিত এখন সমাজ লাভ কৰিম যিটোৱে দেশৰ সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক ভেটিত এক ভাবুকিৰ সৃষ্টি কৰিব। সকলো ক্ষেত্ৰৰে এক সাংখ্যিক পৰিধি থাকে- লাগিলে ই শিক্ষা, নিয়োগক্ষেত্ৰ, স্বাস্থ্য , পানী যোগান বা অন্যান্য কোনোবা ক্ষেত্ৰই নহওঁক কিয়, প্ৰয়োজনীয় প্ৰশ্নটো হ'ল ঃ আৰু কিমান ক্ষেত্ৰত ? জনসংখ্যা বিস্ফোৰণে কেনেদৰে বিকাশৰ বিভিন্ন ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিছে তাক আলোচনা কৰো আহক।

৩.৬.১ শিক্ষাত জনসংখ্যা বিস্ফোৰণৰ প্ৰভাৱ

জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ এক প্ৰধান সমস্যাসমূহৰ এটা হ'ল বৰ্দ্ধিত ছাত্ৰ ছাত্ৰীক বিদ্যালয়ৰ শিক্ষা প্ৰদান কৰা। যদিও বহুতো বিকাশলীল দেশেই বিদ্যালয়ত যোৱা শিশুৰ নামভৰ্ত্তি বৃদ্ধিৰ যোগেদি নিৰক্ষৰতা আঁতৰাবলৈ কেতবোৰ শিক্ষা আঁচনি গ্ৰহণ কৰিছে, কিন্তু শিশুসকলৰ বৰ্দ্ধিত জনসংখ্যাৰ বিপৰীতে সকলোকে শিক্ষাৰ সুবিধা দিবলৈ সক্ষম হোৱা নাই।

শিক্ষাত জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ চাৰিটা সূচকৰ সহায়ত জুখিব পাৰি, যেনে- ছাত্ৰছাত্ৰীৰ সূচক, শিক্ষকৰ সূচক, সংগঠনৰ সূচক আৰু সা-সামগ্ৰীৰ সূচক। অধিক জনসংখ্যাৰ ফলত সৃষ্টি হোৱা সমস্যাসমূহ আমি তলত উল্লেখ কৰা ক্ষেত্ৰসমূহৰ যোগেদি সংক্ষিপ্ত কৰিব পাৰোঃ

- ছাত্ৰ-শিক্ষকৰ অনুপাতৰ মাজত এক বৃহৎ পাথৰ্ক্য দেখা যাব, উদাহৰণ স্বৰূপে, এজন শিক্ষকৰ বিপৰীতে 50 জন ছাত্ৰ, যিয়ে শিক্ষণৰ সময়ত প্ৰতিজন ছাত্ৰৰ প্ৰতি ব্যক্তিগত মনোযোগ প্ৰদানৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে, ছাত্ৰ ছাত্ৰীৰ দুৰ্বল স্বাস্থ্য আৰু বেমাৰ, উপযুক্ত স্বাস্থ্যৰ ক্ষেত্ৰত যত্নৰ অভাৱৰ লগতে খোৱাপানীৰ যোগান, শৌচাগাৰ ইত্যাদিৰ অভাৱ হোৱা দেখা যায়।
- শিক্ষকসকলে নিয়মিত দৰমহাৰ পৰা বঞ্চিতহোৱাৰ লগতে কম অৰ্হতাসম্পন্নও হয়। ইয়াৰ ফলত শিক্ষণৰ প্ৰতি কম উৎসাহিত হোৱাৰ লগতে সামাজিক প্ৰতিপত্তিও কম হয়।
- সংগঠনবোৰত অপৰ্য্যাপ্ত সহায়'কাৰী দলৰ লগতে কম ঠাইৰ সুবিধা আৰু শিক্ষাৰ বাবে কম বাজেট আৰু কম প্ৰশাসনিক সুবিধা থাকিব।
- সা-সামগ্ৰীৰ সূচকে বিভিন্ন দিশক সূচায়। বিদ্যালয়সমূহত দুৰ্বল পুঁথিভৰালৰ লগতে দুৰ্বল গৱেষণাগাৰৰ সুবিধা, পাঠ্যপুথি, দৃশ্য শ্ৰাব্য মাধ্যম ইত্যাদিৰ ব্যৱস্থাও দুৰ্বল হ'ব। বৃহৎ সংখ্যকৰ বাবে বিদ্যালয় ঘৰ অপৰ্যাপ্ত হোৱাৰ লগতে আন বহুতো ক্ষেত্ৰতো দোষ থাকিব।

এইবোৰৰ লগতে আন কিছুমান সমস্যায়েও আমাৰ দেশৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰভাৱ পেলাব। যেনেঃ

- নিম্ন মানদণ্ডৰ শিক্ষা ঃ জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ ফলত পৰিমাণ আৰু গুণগত মানদণ্ডৰ মাজত ভাৰসাম্য ৰক্ষা কৰি চলাটো সম্ভৱ নহয় আৰু যিটোয়ে অৱশেষত শিক্ষাৰ মান নিম্ন-গামী কৰি তোলে।
- অনুশাসনৰ সমস্যাঃ মানুহৰ জনসংখ্যা গাওঁ আৰু চহৰসমূহত দ্ৰুতভাৱে বৃদ্ধি পাইছে, কিন্তু তাৰ বিপৰীতে উচ্চ শিক্ষা লাভৰ সুবিধাৰ্থে শিক্ষা ব্যৱস্থাৰ সুবিধাসমুহ বৃদ্ধি পোৱা নাই। মহাবিদ্যালয় আৰু কাৰিকৰী

আৰু চিকিৎসা প্ৰতিষ্ঠানসমূহত ইয়াৰ ফলত এক গভীৰ হেচাঁৰ সৃষ্টি হৈছে আৰু আমাৰ দেশত ছাত্ৰ-ছাত্ৰীসকল হতাশ হোৱাৰ অন্য এক কাৰণ হৈ পৰিছে।

- ধন ঘটা ব্যৱসায়ঃ কিছুমানৰ বাবে শিক্ষা এক ধন ঘটা ব্যৱসায়ত পৰিণত হৈছে। বৰ্দ্ধিত শিকাৰুৰ সংখ্যাৰ লগতে যিহেতু শিক্ষাৰ দাবীসমূহো বৃদ্ধি পাইছে। সেয়েহে তেওঁলোকৰ প্ৰতিষ্ঠানসমূহত নামভৰ্ত্তিৰ বাবে তেওঁলোকে অধিক ধন দাবী কৰে, এনে প্ৰতিষ্ঠানসমূহৰ শিক্ষাৰ মানদণ্ডও আনকি সন্দেহজনক হয়। এনে অৱস্থাত বহুতো ভূৱা শিক্ষা প্ৰতিষ্ঠানৰ জন্ম হৈছে আৰু তেওঁলোকে এই ব্যৱস্থাত পূৰামাত্ৰই ধন ঘটাৰ সুবিধা গ্ৰহণ কৰিছে।

৩.৬.২ পৰিৱেশত জনসংখ্যা বিস্ফোৰণৰ প্ৰভাৱ

ভাৰততেই হওঁক বা সমগ্ৰ বিশ্বতেই হওঁক, বেছি-ভাগ পৰিৱেশ জনিত সমস্যায়ৈ মানুহৰ জনসংখ্যা বৃদ্ধিৰ ফলত সৃষ্টি হোৱা সমস্যা। জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ ফলত সৃষ্টি হোৱা কেতবোৰ প্ৰধান সমস্যা তলত উল্লেখ কৰা হ'ল-

পৰিৱেশৰ গুণগত মানদণ্ডৰ অৱনতিঃ জনসংখ্যা সমীক্ষাই এইটো প্ৰকাশ কৰিছে যে 1950 চনৰ পৰা বৃদ্ধি পোৱা জনসংখ্যাৰ ফলত 80% বৰ্ষাৰণ্য ধ্বংস কৰা হৈছে, 10,000 তকৈ অধিক উদ্ভিদ আৰু বন্যপ্ৰাণী প্ৰজাতি হেৰাই গৈছে, সেউজগৃহ গেছসমূহৰ নিগমন 400% লৈ বৃদ্ধি পাইছে আৰু পৃথিৱীৰ ভূমিৰ আধাতকৈ অধিক অংশ বাণিজ্যিক উদ্দেশ্যত ব্যৱহাৰ কৰা হৈছে আৰু যিটো বৰ্তমানলৈও চলি আছে।

খাদ্য বস্তুৰ গুণগত মানদণ্ডৰ অৱনতিঃ খাদ্যবস্তুৰ বৰ্দ্ধিত প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ কৃষিজাত সামগ্ৰীসমূহৰ উৎপাদন বঢ়াবলৈ ৰাসায়নিক সাৰ ব্যৱহাৰ কৰা হৈছে। শস্য আৰু বীজৰ সুৰক্ষাৰ বাবে কীট-নাশকৰ ব্যৱহাৰে খাদ্যবস্তুৰ গুণগত মানদণ্ডৰ অৱনতি ঘটাইছে।

নগৰীকৰণ ঃ জনসংখ্যাৰ নগৰীকৰণ আৰু বসবাস দ্ৰুতভাৱে বৃদ্ধি পাইছে। ইয়ে আৱৰ্জনা, মটৰ গাড়ী, বায়ু, পানী আৰু শব্দ প্ৰদূষণৰ সৃষ্টি কৰিছে।

উদ্যোগীকৰণ ঃ এখন দেশৰ প্ৰয়োজন আৰু দৰকাৰসমূহ পূৰণ কৰিবলৈ উদ্যোগিক আৰু কাৰিকৰী বিকাশ অতি প্ৰয়োজনীয়। উদ্যোগিক ৰাষ্ট্ৰসমূহত ই বায়ু, পানী, ভূমি আৰু শব্দ প্ৰদূষণৰ সৃষ্টি কৰিছে।

পানীৰ অভাৱ ঃ এইটো আশা কৰা হৈছে যে পৃথিৱীৰ জনসংখ্যাই ভৱিষ্যতলৈ পানীৰ অভাৱত ভুগিব পাৰে। পানীৰ অভাৱে আকৌ বিশুদ্ধ পানী সেৱন কৰা মাত্ৰাৰ ক্ষেত্ৰত দেখা দিয়া কঠিনতা সমূহো বঢ়াই তুলিব যিয়ে এক প্ৰকাৰ সমগ্ৰ জীৱজগতৰ ওপৰতে এক ক্ষতি কাৰক প্ৰভাৱ পেলাব।

৩.৬.৩ জনসাধাৰণৰ আৰ্থ-সামাজিক জীৱনত জনসংখ্যা বিস্ফোৰণৰ প্ৰভাৱ

যোৱাটো শতিকাৰ অভাৱনীয় জনসংখ্যাৰ বৃদ্ধিয়ে বিভিন্ন সম্পদৰ অভাৱ সৃষ্টি কৰিছে ফলস্বৰূপে একে

সময়তে মানুহৰ আৰ্থ সামাজিক জীৱনত বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে। এই সমস্যাসমূহৰ কিছুমান হ'ল-

অধিক জনসংখ্যা ঃ এইটো উল্লেখ কৰা হৈছে যে পৃথিৱীৰ প্ৰতি ছয়জন মানুহৰ ভিতৰত এজন হ'ল ভাৰতীয়। কিন্তু পৃথিৱীৰ মুঠ মাটিকালিৰ 45 শতাংশৰ 1 শতাংশ মাটিহে ভাৰতবৰ্ষই অধিকাৰ কৰি আছে। বৰ্তমানৰ এই বৰ্দ্ধিত হাৰত, অষ্ট্ৰেলিয়াৰ জনসংখ্যাৰ প্ৰতি এজনক ভাৰতৰ জনসংখ্যাৰ সৈতে প্ৰতিবছৰে যোগ কৰা হয়। চহৰ অঞ্চলত অধিক জনসংখ্যাৰ বৃদ্ধিয়ে বিভিন্ন সামাজিক সমস্যাৰ সৃষ্টি কৰিছে। যেনে- বস্তি অঞ্চলৰ বৃদ্ধি, অস্বাস্থ্যকৰ থকাৰ পৰিবেশ, বিভিন্ন সামাজিক কুকাৰ্য্যৰ প্ৰতি ল'ৰা ছোৱালীৰ আগ্ৰহ, সামগ্ৰী আৰু সেৱাৰ অপৰ্যাপ্ত যোগান ইত্যাদি।

নিবনুৱা সমস্যা ঃ দ্ৰুত জনসংখ্যা বৃদ্ধিয়ে দেশৰ জনসমাজক নিবনুৱা নাইবা শ্ৰমৰ অপূৰ্ণ নিয়োগ অৱস্থালৈ নি দৃঢ় অৰ্থনীতি ভেটি গঠনত আঘাত হানিব পাৰে। এইটোৱে নিম্ন ৰাষ্ট্ৰীয় উৰ্পাজন, দুৰ্বল জীৱন ধাৰণ অৱস্থা আৰু জনসাধাৰণৰ কষ্টকৰ অৱস্থা এটাৰ সৃষ্টি কৰে।

আবাস ঃ আশ্ৰয় হ'ল মানুহৰ তিনিটা প্ৰাথমিক প্ৰয়োজনৰ ভিতৰত এটা, আন দুটা হ'ল খাদ্য আৰু বস্ত্ৰ। সেয়েহে পৰ্যাপ্ত পৰিমাণৰ আবাসগৃহৰ সুবিধা থকাটো অতি প্ৰয়োজনীয়। গাওঁ অঞ্চলৰ বৃহৎ সংখ্যক জনসংখ্যাক বাদ দি চহৰ আৰু উদ্যোগিক অঞ্চলসমূহত এই অৱস্থা অতি শোচনীয়। বেছিসংখ্যক উদ্যোগেই কোনো আঁচনি নথকাকৈ গঢ় লৈ উঠে, যাৰ ফলত চহৰ সমূহ জধে মধে গঢ়ি উঠে। ফলস্বৰূপে, দেশত অলেখ সংখ্যক বস্তি অঞ্চলৰ সৃষ্টি হয়।

জীৱন ধাৰণৰ নিম্ন মানদণ্ড ঃ এখন দেশৰ জীৱনধাৰণৰ গুণগত মান নিৰ্ণয় কৰে সেই দেশৰ জনমূৰি আয়ৰ ওপৰত। উচ্চ জনমুৰি আয়ে জীৱন ধাৰণৰ উচ্চ মানদণ্ডক বুজায়। আৰু নিম্ন জনমূৰি আয়ে নিম্ন জীৱন ধাৰণৰ মান দণ্ডক বুজায়। মানুহৰ প্ৰকৃত উপাৰ্জনৰ উৎস হ'ল, কেতবোৰ ভিন্ন কাৰকৰ উৎপাদকৰ ফল, যেনে- অৰ্থনৈতিক উন্নয়ন, খাদ্যবস্তুৰ সেৱনৰ মাত্ৰা, খাদ্যবস্তু গ্ৰহণৰ' সুবিধা, স্বাস্থ্য আৰু চিকিৎসা সেৱাসমূহ, জনসাধাৰণৰ শিক্ষা ইত্যাদি। ভাৰতবৰ্ষৰ জনমূৰি আয় আন বিকশিত দেশ সমূহতকৈ কম আৰু যাৰফলত জীৱন ধাৰণৰ মানদণ্ডও অতি দুখজনক।

মানুহৰ স্বভাৱ ঃ জনসংখ্যা বৃদ্ধিৰ ফলত মানুহৰ স্বভাৱ আৰু গুণৰো অৱনতি ঘটিছে। সমাজত দুৰ্নীতি আৰু অন্যায় বৃদ্ধি পাইছে। জীৱনৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু ধৰ্মীয় ক্ষেত্ৰত মূল্যবোধৰ অভাৱ ঘটিছে। আমাৰ দেশৰ দ্ৰুত জনসংখ্যা বৃদ্ধিৰ ফলত মানৱ সমাজ শাৰীৰিক, সামাজিক, মানসিক আৰু সাংস্কৃতিক ভাৱে প্ৰদূষিত হৈছে।

চিকিৎসা আৰু স্বাস্থ্য সেৱা সুবিধাসমূহঃ পৃথিৱীৰ আন সকলো অনুন্নয়শীল দেশৰ দৰে, ভাৰতবৰ্ষইও চিকিৎসা সেৱা প্ৰদানত পিছপৰি আছে। দ্ৰুত জনসংখ্যা বৃদ্ধিয়ে যোগান আৰু চাহিদাৰ ক্ষেত্ৰত বৃহৎ পাথৰ্ক্যৰ সৃষ্টি কৰিছে। যোৱা কেইবছৰত, যদিও চহৰ অঞ্চলত চিকিৎসা আৰু স্বাস্থ্য ক্ষেত্ৰত যথেষ্ট উন্নতি হোৱা দেখা গৈছে, গাওঁ অঞ্চলসমূহ এতিয়াও চিকিংসা সেৱাৰ সুবিধা লাভৰ ক্ষেত্ৰত জীয়াতু ভুগিবলগীয়া হৈছে। ইয়াত কোনো সন্দেহ নাই যে চিকিংসা সেৱাৰ পৰিস্থিতিৰ উন্নতি হৈছে, তথাপিও গাওঁ অঞ্চলত উপলব্ধ সুবিধাসমূহৰ ক্ষেত্ৰত যথেষ্ট অভাৱ আছে। আন বিকশিত দেশ সমূহৰ তুলনাত ভাৰতবৰ্ষত এতিয়াও প্ৰসূতি

মৃত্যু আৰু নৱজাতকৰ মৃত্যুৰ হাৰ যথেষ্ট বেছি। মহিলা আৰু শিশুৰ মাজত পুষ্টিহীনতা এতিয়াও দেখিবলৈ পোৱা যায়। সকলোৰে বাবে চিকিৎসা আৰু স্বাস্থ্য সেৱাসমূহ উন্নত কৰাৰ ক্ষেত্ৰত ভাৰতবৰ্ষই এতিয়াও বহুদূৰ যাবলৈ বাকী।

৩.৭ জনসংখ্যা বৃদ্ধি ৰোধ কৰিবলৈ ল'বলগীয়া ব্যৱস্থাসমূহ

ভাৰতবৰ্ষৰ দৰে এখন বিকাশশীল দেশত জনসংখ্যা বিস্ফোৰণ হ'ল এক অভিশাপ স্বৰূপ যিয়ে দেশৰ বিকাশত ব্যাঘাত জন্মোৱাৰ লগতে সমাজৰো ক্ষতি সাধন কৰে। জনসংখ্যা বিস্ফোৰণৰ কাৰণ সমূহ বিশ্লেষণে এইটো দেখা যায় যে ই এক গভীৰ আৰু জটিল সমস্যা। এই সমস্যাটোৰ এক তাৎক্ষণিক সমাধান ওলোৱাটো সহজ নহয় কাৰণ ই মানুহৰ সামাজিক, মানসিক, অৰ্থনৈতিক, ধৰ্মীয় আৰু ৰাজনৈতিক জীৱনৰ সৈতে জড়িত হৈ আছে।

- জনসংখ্য বিস্ফোৰণৰ কু ফলসমূহৰ বিষয়ে জনসাধাৰণক শিক্ষিত কৰিবলৈ চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা উচিত।
- জনসংখ্যা বিস্ফোৰণ কাৰ্য্যকৰীভাৱে তেতিয়াহে ৰূদ্ধ কৰিব পাৰি যেতিয়া মানুহে সৰু পৰিয়ালৰ প্ৰতি আগ্ৰহী হয়।
- বৰ্দ্ধিত সাক্ষৰতাৰ হাৰ আৰু বিকশিত আৰ্থ-সামাজিক ব্যৱস্থাৰ সহায়ত জনসাধাৰণক সৰু পৰিয়াল ব্যৱস্থাৰ সপক্ষে এক সুবিধাজনক মনোভাৱ গঢ়ি তুলিবলৈ শিক্ষিত কৰিব পাৰি।
- সৰু পৰিয়াল ব্যৱস্থা মানি চলা আৰু এটা শিশু থকা পৰিয়ালসমূহক বিনামূলীয়া শিক্ষা, উন্নত সুবিধা আৰু অৰ্থনৈতিক সঁহাৰি প্ৰদান কৰা উচিত যাতে মানুহক একক পৰিয়ালৰ ধাৰণাৰ প্ৰতি উৎসাহিত কৰিব পাৰি।
- যুৱ প্ৰজন্মক পৰিয়ালৰ ধাৰণা, গাঁথনি, প্ৰকাৰ আৰু কাম সম্পৰ্কে শিক্ষা দিয়াৰ লগতে মৌনতা, দায়িত্বশীল অভিভাৱকতা ইত্যাদিৰ শিক্ষা প্ৰদান কৰিবলৈ পৰিয়ালৰ শিক্ষা আঁচনি প্ৰস্তুত কৰিব লাগে।
- বিবাহৰ আইন সংগত বয়স বৃদ্ধি কৰিব লাগে। ছোৱালীৰ ক্ষেত্ৰত ই 21 বছৰ হোৱাৰ লগতে ল'ৰাৰ ক্ষেত্ৰত ই 25 বছৰ হ'ব লাগে।
- মহিলা সবলীকৰণৰ বাবে শিক্ষাৰ মাজেদি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়ে মহিলাসকলক নাৰীৰ প্ৰচলিত ভূমিকা সম্পৰ্কে প্ৰত্যাহ্বান জনাবলৈ সাজু কৰাৰ লগতে তেওঁলোকৰ জীৱন পৰিৱৰ্তন কৰিবলৈও সাহসৰ যোগান ধৰে। পৰিয়ালৰ আকাৰৰ ক্ষেত্ৰতো মহিলা শিক্ষাৰ প্ৰভাৱ আছে। এগৰাকী মহিলাৰ বহু বছৰৰ শিক্ষায়ে মহিলা গৰাকীক কম সন্তান জন্ম দিয়াৰ বাবে আগ্ৰহী কৰি তোলে। অৰ্থাৎ শিক্ষিত মহিলায়ে সৰু পৰিয়ালৰ প্ৰতি বেছিকৈ আগ্ৰহিত হোৱা দেখা যায়।
- জনসাধাৰণৰ আৰ্থ সামাজিক অৱস্থাৰ উন্নত কৰিবলৈ চৰকাৰে উপযুক্ত শিক্ষা, স্বাস্থ্যসেৱাৰ উন্নত সুবিধা, আশ্ৰয় প্ৰদানৰ ইত্যাদিৰ জৰিয়তে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে যিয়ে জনসংখ্যা বৃদ্ধিৰ হাৰ- হ্ৰাস কৰাত সহায় কৰে।

শেষত, আমি ক'ব পাৰো যে চৰকাৰী, বেচৰকাৰী সংগঠন, সংবাদ মাধ্যম আৰু আন সংগঠনসমূহৰ একত্রিত প্রয়াসে নিশ্চয়কৈ আমাৰ দেশৰ জনসংখ্যা বৃদ্ধিৰ হাৰ হ্রাস কৰাৰ ক্ষেত্রত সহায় কৰিব।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ জনসংখ্যা বিস্ফোৰণে শিক্ষা ক্ষেত্রত সৃষ্টি কৰা সমস্যাসমূহ উল্লেখ কৰক।

প্রশ্ন নং ৭ ঃ চমুকৈ ব্যখ্যা কৰক-চহৰীকৰণ, নিবনুৱা সমস্যা, অধিক জনসংখ্যা।

প্রশ্ন নং ৮ ঃ মানুহৰ প্রাথমিক প্রয়োজন সমূহ কি কি?

প্রশ্ন নং ৯ ঃ জনসংখ্যা বিস্ফোৰণে কেনেদৰে জনসাধাৰণৰ আর্থ-সামাজিক জীৱনত প্রভাৱ পেলাইছে?

প্রশ্ন নং ১০ ঃ জনসংখ্যা বৃদ্ধি ৰোধ কৰিবলৈ গ্রহণ কৰিব পৰা কিছুমান ব্যৱস্থা উল্লেখ কৰক।

2 ৩.৮ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- বর্তমান অসমত জনসংখ্যা বিস্ফোৰণ বিশ্বৰ প্রধান সমস্যাসমূহৰ ভিতৰত এটা বুলি বিবেচিত হৈছে। ই এনে এক পৰিস্থিতিক বুজায় য'ত এখন দেশত বসবাস কৰা জনসংখ্যাই দ্রুতভাৱে ইয়াৰ বহন ক্ষমতা চেৰাই যায়।
- ভাৰতবর্ষৰ বর্তমান জনসংখ্যা বৃদ্ধি আৰু সম্পদৰ বর্দ্ধিত ব্যৱহাৰে দেশৰ অর্থনীতিত প্রভাৱ পেলাইছে। উন্নত দেশসমূহৰ তুলনাত অনুন্নত আৰু উন্নয়নশীল দেশসমূহত জনসংখ্যা বৃদ্ধিৰ হাৰ বেছি।
- জনসংখ্যাৰ অভাৱনীয় বৃদ্ধিৰ ক্ষেত্রত বহুতো কাৰণে প্রভাৱ পেলায়, যেনে- সামাজিক, অর্থনৈতিক, মানসিক, ধর্মীয় ইত্যাদি। ভাৰতত, ছোৱালীক কম বয়সতে বিয়া দিয়া হয় আৰু ফলস্বৰূপে পৰিয়ালো সোনকালেই বৃদ্ধি পায় । ইয়াৰ উপৰিও, যৌথ পৰিয়াল ব্যৱস্থাই পুত্র সন্তানৰ ক্ষেত্রত অধিক হেচাঁ দিয়ে। জন্ম আৰু মৃত্যু হাৰৰ মাজত পাথর্ক্য বৃদ্ধি পোৱাৰ কাৰণ হ'ল উন্নত চিকিৎসা সেৱা আৰু খাদ্য উৎপাদন। এখন দেশৰ পৰা আন এখন দেশলৈ হোৱা প্রবজনেও জনসংখ্যা বৃদ্ধিত অৰিহণা যোগায়।
- জনসংখ্যা বিস্ফোৰণে বিকাশৰ বিভিন্ন ক্ষেত্রত বহুতো সমস্যাৰ সৃষ্টি কৰিছে যেনে- শিক্ষা, পৰিবেশ আৰু অর্থনীতি। শিক্ষা ব্যৱস্থাত শিক্ষক ছাত্রৰ অনুপাতৰ মাজত এক বৃহৎ পাথর্ক্য দেখা যায়, শিক্ষকৰ অভাৱ, বিভিন্ন শিক্ষণ সুবিধা যেনে- আচবাব, পুঁথিভৰাল, গৱেষণাগাৰ ইত্যাদিৰ অভাৱ যিয়ে শেষত নিম্ন মানৰ শিক্ষাৰ লগতে অনুশাসনৰ অভাৱ ঘটায়।
- জনসংখ্যা বৃদ্ধিয়ে প্রধান পৰিৱেশজনিত সমস্যাৰ সৃষ্টি কৰিছে, যেনে- পৰিবেশৰ গুণগত মান দণ্ড, নির্বনানীকৰণ, বায়ু, পানী আৰু শব্দ প্রদূষণ আদি। ই মানুহৰ আর্থ -সামাজিক জীৱনতো প্রভাৱ পেলাইছে।
- জীৱিকাৰ সন্ধানত গাওঁ অঞ্চলৰ পৰা চহৰলৈ হোৱা প্রবজনে চহৰত অধিক জনসংখ্যাৰ সৃষ্টি কৰিছে আৰু যিটোৱে বিভিন্ন সামাজিক অভিশাপৰ জন্ম দিয়ে। ইয়াৰ উপৰিও, নিবনুৱা সমস্যা,শ্রমৰ অপূর্ণ নিয়োগ,

আবাসগৃহৰ অভাৱ, স্বাস্থ্য আৰু চিকিৎসা সেৱাৰ অভাৱেও জটিল সমস্যাৰ সৃষ্টি কৰিছে।

- জনসংখ্যা বিস্ফোৰণৰ কু প্ৰভাৱ সম্পৰ্কে জন-সাধাৰণক শিক্ষিত কৰিবলৈ চৰকাৰে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সৰু পৰিয়াল ব্যৱস্থা গ্ৰহণ কৰিবলৈ জনসাধাৰণক শিক্ষিত কৰিব পাৰি।
- যুৱ প্ৰজন্মক পৰিয়ালৰ ধাৰণা, গাঁথনি, প্ৰকাৰ আৰু কৰ্ম সম্পৰ্কে শিক্ষা দিয়াৰ লগতে যৌনতা, দায়িত্বশীল অভিভাৱকৰণ আদিৰ শিক্ষা প্ৰদান কৰিবলৈ পৰিয়াল শিক্ষা আঁচনি প্ৰস্তুত কৰিব লাগে। শিক্ষাৰ জৰিয়তে মহিলা সবলীকৰণৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে মানুহৰ আৰ্থ সামাজিক ব্যৱস্থা উন্নত কৰাৰ ক্ষেত্ৰতো দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব লাগে যিয়ে অৱশেষত মানুহৰ জনসংখ্যা বৃদ্ধিৰ হাৰ ৰোধ কৰাত সহায় কৰিব।

০ ৩.৯ অধিক জানিবলৈ

১) Agarwala, S. N.(1966), *Some Problems of India's Population*, Vara Publishing Co. Bombay

২) Das, B. B. (2011), *Population Explosion- Its Problems and Awareness in Environmental Education*,Edited by S. Das, K. K. Publication. Guwahati

৩) Nanda, S. K. (2002), *Population Education: An Informative Update*, Doaba House, Delhi

K ৩.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জনসংখ্যা বিস্ফোৰণৰ অৰ্থ হ'ল এখন দেশৰ মানুহৰ জনসংখ্যাৰ দ্ৰুত বৃদ্ধি যিয়ে পৰিবেশৰ জৈৱবৈচিত্ৰিক ভাৰসাম্যতাক বিনাস কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ চীন

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অৰণ্য ধ্বংস আৰু কৃষিভূমিৰ বাবে চৰণীয়া পথাৰ, ভূমি অৱক্ষয়, বানপানী, দুৰ্ভিক্ষ, বায়ু, পানী আৰু ভূমি প্ৰদূষণ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ উন্নয়নশীল আৰু অনুন্নত দেশসমূহত জনসংখ্য বৃদ্ধিৰ হাৰ বেছি। এনে দেশসমূহত জনসংখ্যা বৃদ্ধিৰ হাৰ অধিক দ্ৰুত । জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ ফলত এনে দেশসমূহত বিকাশৰ হাৰ আশা কৰাতকৈ কম।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ মহিলাৰ উৰ্বৰতা, পুত্ৰ সন্তানৰ প্ৰতি অধিক আগ্ৰহ, মহিলাৰ নিম্ন সামাজিক মৰ্য্যাদা, শিশু শ্ৰমিক, জন্ম আৰু মৃত্যু হাৰৰ মাজত পাথৰ্ক্য, পৰিয়াল পৰিকল্পনাৰ প্ৰতি বেয়া মনোভাৱ,

প্রবজন ইত্যাদি।

৬ নং প্রশ্নৰ উত্তৰ ঃ ছাত্র-শিক্ষকৰ অনুপাতৰ বৃহৎ পার্থক্য, অপর্য্যাপ্ত শিক্ষক, অপর্য্যাপ্ত সহায়কাৰী দল, শিক্ষাৰ বাবে কম বাজেট, শিক্ষাৰ সা-সৰঞ্জামৰ অভাৱ, শিক্ষাৰ নিম্ন মানদণ্ড, অনুশাসনৰ সমস্যা ইত্যাদি।

৭ নং প্রশ্নৰ উত্তৰ ঃ উদ্যোগীকৰণ- ইয়াৰ অর্থ হ'ল গাওঁ অঞ্চলৰ পৰা চহৰ অঞ্চললৈ হোৱা প্রবজনে নর্দমাৰ ক্ষতি, আৱাস-গৃহৰ অভাৱ, বস্তি অঞ্চলৰ বিকাশৰ লগতে অন্যান্য সমস্যাৰো সৃষ্টি কৰিছে।
নিবনুৱা সমস্যাঃ নিবনুৱা সমস্যাৰ অর্থ হ'ল কাম কৰিবলৈ সক্ষম ব্যক্তিৰ বাবে কর্মৰ অভাৱ। নিবনুৱা সমস্যা আমাৰ দেশৰ জনসংখ্যা বিস্ফোৰণৰ ফলত গুৰুত্বপূর্ণভাৱে বৃদ্ধি পাইছে।
অধিক জনসংখ্যাঃ বর্তমানৰ এই জনসংখ্যা বৃদ্ধিৰ হাৰত অষ্ট্রেলিয়াৰ এজন ব্যক্তিৰ জনসংখ্যা প্রতিবছৰে ভাৰতৰ জনসংখ্যাৰ সৈতে যোগ কৰা হয়। চহৰ অঞ্চলত অধিক জনসংখ্যাই বহুতো সামাজিক সমস্যাৰ সৃষ্টি কৰে যেনে বস্তি অঞ্চলৰ বিকাশ, ক্ষতিকাৰক কার্য্যৰ প্রতি শিশুৰ আগ্রহ, সামগ্রী আৰু সেৱাৰ অপর্য্যাপ্ত যোগান ইত্যাদি।

৮ নং প্রশ্নৰ উত্তৰ ঃ খাদ্য, আশ্রয় আৰু বস্ত্র।

৯ নং প্রশ্নৰ উত্তৰ ঃ নিম্ন জনমূৰি আয়, নিম্ন জীৱন নির্বাহৰ মানদণ্ড, উপযুক্ত চিকিৎসা সেৱাৰ অভাৱ, আশ্রয়, বস্ত্রৰ অভাৱ আদি।

১০ নং প্রশ্নৰ উত্তৰ ঃ ঃ জনসাধাৰণক সৰু পৰিয়ালৰ ব্যৱস্থা সম্পর্কে শিক্ষিত কৰা, পৰিয়াল শিক্ষা সম্পর্কে সুবিধা, জীৱন ধাৰণাৰ মানদণ্ড উন্নত কৰা, এটা শিশু থকা পৰিয়ালসমূহলৈ উন্নত সুবিধাৰ সৃষ্টি কৰা।

৩.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্ম্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন 1ঃ জনসংখ্যা বিস্ফোৰণ কি?

প্রশ্ন 2ঃ জনসংখ্যা বৃদ্ধি বুলিলে কি বুজে?

প্রশ্ন 3ঃ অধিক জনসংখ্যা বুলিলে কি বুজে?

প্রশ্ন 4ঃ মানুহৰ আর্থ সামাজিক জীৱনত জনসংখ্যা বিস্ফোৰণে কেনেদৰে প্রভাৱ পেলাইছে?

প্রশ্ন 5ঃ জনসংখ্যা বিস্ফোৰণে নগৰীকৰণ বৃদ্ধি কৰিছে বুলি আপুনি কিয় ভাৱে?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন 1ঃ ভাৰতত জনসংখ্যা বৃদ্ধিৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্রশ্ন 2ঃ জনসংখ্যা বৃদ্ধিৰ ফলত সৃষ্টি হোৱা প্রবজনৰ প্রভাৱসমূহ কি কি?

প্ৰশ্ন 3ঃ জনসংখ্যা বৃদ্ধি আৰু নিবনুৱা সমস্যাক কেনেদৰে সম্পৰ্কিত কৰিব পাৰি?

প্ৰশ্ন 4ঃ জনসংখ্যা বৃদ্ধি ৰোধ কৰিবলৈ গ্ৰহণ কৰিব পৰা কিছুমান ব্যৱস্থা আলোচনা কৰক।

(গ) **ৰচনাধৰ্ম্মী প্ৰশ্ন** (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন 1ঃ জনসংখ্যা বিস্ফোৰণ কি? জনসংখ্যা বিস্ফোৰণৰ কাৰণসমূহ কি কি? ব্যাখ্যা কৰক।

প্ৰশ্ন 2ঃ ভাৰতবৰ্ষত জনসংখ্য বিস্ফোৰণৰ ওপৰত এখন ৰচনা লিখক।

প্ৰশ্ন 3ঃ 'জনসংখ্যা বিস্ফোৰণ এক বিশ্বায়নিক সমস্যা।' উক্তিশাৰী বহলাই আলোচনা কৰক। জনসংখ্যা বৃদ্ধি পৰীক্ষা কৰিবলৈ কিছুমান ব্যৱস্থা আগবঢ়াওক।

প্ৰশ্ন 4ঃ অধিক জনসংখ্যাই সৃষ্টি কৰা সমস্যাসমূহ কি কি? সেইসমূহ আঁতৰাবলৈ কেতবোৰ উপায় দৰ্শাৰক।

*** ***** ***

অধ্যায় ৪ ঃ জনসংখ্যা আৰু জীৱনৰ গুণগত মান

অধ্যায় গাঁথনি

4.1 উদ্দেশ্য

4.2 পৰিচয়

4.3 জীৱনৰ গুণগত মানৰ অর্থ

4.3.1 জীৱনৰ গুণগত মানৰ বৈশিষ্ট্যসমূহ

4.4 জনসংখ্যা বৃদ্ধি আৰু জীৱনৰ গুণগত মান

4.4.1 জীৱনৰ গুণগত মানৰ ওপৰত প্রভাৱ বিস্তাৰ কৰা কাৰকসমূহ

4.5 জনসংখ্যা শিক্ষাৰ লগত সঙ্গতি ৰাখি জীৱনৰ গুণগত মান কিদৰে উন্নত কৰিব পাৰি?

4.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

4.7 অধিক জানিবলৈ

4.8 অগ্রগতিৰ খতিয়ান

4.9 আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জীৱনৰ গুণগত মানৰ অর্থ আৰু ইয়াৰ বৈশিষ্ট্যসমূহৰ বিষয়ে ৰাখ্যা আগবঢ়াব পাৰিব
- জনসংখ্যা বৃদ্ধিয়ে কিদৰে জীৱনৰ গুণগত মানত প্রভাৱ বিস্তাৰ কৰে তাক ৰাখ্যা কৰিব পাৰিব আৰু
- জনসংখ্যা পৰিস্থিতিৰ প্রাসঙ্গিকতাৰ জৰিয়তে জীৱনৰ গুণগত মান কিদৰে উন্নীত কৰিব পাৰি তাৰ ৰাখ্যা আগবঢ়াব পাৰিব ।

৪.২ পৰিচয়

পূর্বৰ অধ্যায়ত আমি জনসংখ্যা বিস্ফোৰণৰ বিভিন্ন দিশসমূহৰ বিষয়ে আলোচনা কৰি আহিছো। সেয়ে বর্ত্তমান জনসংখ্যা বিস্ফোৰণে যে বিশ্বৰ মৌলিক সমস্যা সমূহৰ ভিতৰৰ এটা প্রধান সমস্যা তাক আপোনালোকে নিশ্চয় উপলব্ধি কৰিব পাৰিছে। বিশেষকৈ আমাৰ দৰে উন্নয়নশীল দেশৰ ক্ষেত্রত ই সম্পূর্ণ সত্য কাৰণ এনে

দেশত জনসংখ্যা বৃদ্ধিৰ হাৰ অতি দ্রুত। ই আমাৰ দেশৰ কেৱল অর্থনৈতিক বিকাশতে নহয় বৰং সামগ্রিকভাৱে জীৱনৰ মান অটুট ৰখাৰ ক্ষেত্রতো এক ভাবুকি স্বৰূপ হৈ পৰিছে। বর্ত্তমান জনসংখ্যা এনে এক ভয়ঙ্কৰ হাৰত বৃদ্ধি হবলৈ ধৰিছে যে ভৌতিক সম্পদসমূহ সেই অনুপাতে বৃদ্ধিৰ হাৰ বজাই ৰখাত বিফল হৈছে। আমাৰ দেশত মুঠ মাটিকালিৰ বিপৰীতে জনসংখ্যা অধিক, খাদ্য উৎপাদনৰ তুলনাত খাদ্য উপভোক্তাৰ সংখ্যা (বা ক্ষুধার্ত্তৰ সংখ্যা) অধিক, আমাৰ শিক্ষানুষ্ঠান বহুত অথচ অশিক্ষিতৰ সংখ্যা অধিক। নিবনুৱা সমস্যা অবিৰতভাৱে বৃদ্ধি হৈয়ে আছে। আমাৰ জীৱন ধাৰণৰ মানদণ্ডৰ উন্নয়নও অতি মন্থৰ। সেয়ে দেখা যায় শিক্ষাৰ প্রসাৰ, নিবনুৱা সমস্যা, দৰিদ্রতা, নাগৰিকৰ নূন্যতম সা-সুবিধাৰ লগত জড়িত সমস্যাসমূহ অতি সৎ উদ্দেশ্য আৰু সুপৰিকল্পনাৰ দ্বাৰাও সমাধান কাৰটো সম্ভৱ নহব যদিহে দেশৰ মুঠ জনসংখ্যাৰ সমস্যাটোৰ লগত সম্পর্ক ৰাখি যথোচিত ব্যৱস্থা লোৱা নহয়। অর্থাৎ জন্ম নিয়ন্ত্রণ হ্রাসৰ ক্ষেত্রত ভাৰসম্যতা ৰক্ষা কৰিব নোৱাৰিলে যে ভৌতিক বা মানৱ সম্পদ উন্নয়নৰ যিকোনো পৰিকল্পনাই ব্যর্থ হব ই ধূৰূপ।

৪.৩ জীৱনৰ গুণগত মানৰ অর্থ

জীৱনৰ গুণগত মান এক জটিল ধাৰণা। ইয়াৰ সংজ্ঞা তথা ধাৰণাক লৈ জনসাধাৰণৰ মাজত যথেষ্ট মতানৈক্য থকা দেখা যায়। আভিধানিক অর্থ অনুযায়ী গুণগতই কোনো বস্তু বা উপাদানৰ সুন্দৰতা, শ্রেষ্ঠতা বা মূল্যক বুজায়। তাৰোপৰি যেতিয়া কোনো বস্তুৰ তুলনা কৰা হয়, তেতিয়া গুণগতই সেই বস্তুসমূহৰ মানদণ্ড বা শ্রেষ্ঠতাৰ মাত্রাক সূচায়। এই অর্থ অনুযায়ী জীৱনৰ মান বুলিলে এখন দেশৰ জনসাধাৰণৰ জীৱন প্রণালী বা জীৱন নির্বাহৰ মানদণ্ডক আন দেশৰ লগত তুলনা কৰাকে বুজায়। জীৱনৰ গুণগত মানে ব্যক্তি বিশেষৰ লগতে সমাজৰ বাবেও এক সুন্দৰ, উত্তম বা শ্রেষ্ঠ আৰু মূল্যবান জীৱন ধাৰণ প্রণালী গঢ় দিয়াত গুৰুত্ব প্রদান কৰে। সাধাৰণ অর্থত জীৱনৰ গুণগত মানৰ সংজ্ঞা এনেধৰণে আগবঢ়াব পাৰি যে দৈহিক প্রয়োজনীয়তাৰ সর্বোত্তম সন্তুষ্টিৰ লগতে শাৰীৰিক আৰু সাংস্কৃতিক প্রশমনৰ পৰিতৃপ্তিয়ে হৈছে জীৱনৰ গুণগত মান। ই সকলোৰে এক গ্রহণযোগ্য মতামত যে বর্দ্ধিত জনসংখ্যাই এখন দেশৰ জনসাধাৰণৰ জীৱনৰ গুণগত মানৰ ওপৰত যথেষ্ট প্রভাৱ বিস্তাৰ কৰে।

যেতিয়া বর্দ্ধিত জনসংখ্যা আৰু সম্পদৰ সুলভতাৰ মাজৰ ভাৰসাম্যতা ৰক্ষা কৰা হয় , তেতিয়াহে গুণগত মান ৰক্ষা কৰা সম্ভৱপৰ। আধুনিক বিশ্বত জীৱনৰ গুণগত মানৰ উচ্চ শিখৰত উপনীত হোৱাৰ প্রতিযোগিতা ইতিমধ্যে আৰম্ভ হৈছে। জনসংখ্যাৰ পৰিমাণ আৰু জীৱনৰ গুণগত মানৰ মাজৰ প্রতিযোগিতাৰ ফলস্বৰূপে জনসংখ্যা শিক্ষা ধাৰণাটোৰ বিকাশ সাধন হয় যিয়ে আপেক্ষিকভাৱে এক নতুন শৈক্ষিক উৎঘাটনৰ পথ মুকলি কৰে। যদিও 1970 চনৰ আগছোৱাতে আৰম্ভ হোৱা এক নতুন পৰিঘটনা তথাপি ই এক জনপ্রিয় শৈক্ষিক আন্দোলন হিচাবে পৰিগণিত হৈছে।

জনসংখ্যা শিক্ষাত জীৱনৰ গুণগত মানৰ ব্যাখ্যা এইদৰে আগবঢ়োৱা হৈছে—

i) **দৈহিক প্ৰয়োজনীয়তা ঃ** জীৱনৰ গুণগত মান মানুহৰ দৈহিক প্ৰয়োজনীয়তা যেনে অন্ন, বস্ত্ৰ, বাসস্থান, পানী ইত্যাদি পূৰণৰ মাধ্যমেৰে ব্যাখ্যা কৰা হয়। ই সকলোৰে জ্ঞাত যে জনসাধাৰণক পুষ্টিকৰ সুষম খাদ্য আৰু বিশুদ্ধ পানীৰ প্ৰয়োজন। তেওঁলোকক তেওঁলোকৰ পৰিয়ালৰ বাবে পৰ্য্যাপ্ত পোহৰ আৰু প্ৰদূষণমুক্ত বায়ু প্ৰবাহিত বাসগৃহৰ প্ৰয়োজন। যদিহে এই প্ৰয়োজনীয়তাসমূহ আশাব্যঞ্জকভাৱে পূৰণ হয়, তেন্তে আমি কব পাৰো যে জীৱনৰ গুণগত মানৰ উন্নতি সাধন হৈছে।

ii) **সামাজিক আৰু সাংস্কৃতিক প্ৰয়োজনীয়তা ঃ** এইসমূহ প্ৰয়োজনীয়তাৰ অন্তৰ্গত আছে শৈক্ষিক আৰু নিয়োগৰ সুবিধা, স্বাস্থ্য আৰু চিকিৎসাৰ সুবিধা, আমোদ-প্ৰমোদৰ সুবিধা, ভাৱপ্ৰকাশৰ স্বাধীনতা, আৱেগিক সুৰক্ষা আৰু সৃষ্টিশীলতা বিকাশৰ সুযোগ। জীৱনৰ মানদণ্ড এই প্ৰয়োজনীয়তা পূৰণৰ দ্বাৰাও নিৰ্ণয় কৰা হয় কাৰণ ই জীৱনৰ গুণগত মান উন্নত কৰাত নিশ্চিতভাৱে সহায় কৰে।

iii) **জনমূৰি আয় ঃ** জনমূৰি আয় হ'ল এখন দেশৰ জীৱন ধাৰণৰ মানদণ্ডৰ এটা সূচক। জনমূৰি আয় বুলিলে গড় হিচাবে প্ৰতিজন ব্যক্তি বছৰি লাভ কৰা ৰাষ্ট্ৰীয় আয়ৰ অংশ। উচ্চ জনমূৰি আয়ে উচ্চ জীৱন ধাৰণৰ মানদণ্ডৰ নিৰ্দেশ দিয়ে। আনহাতে নিম্ন জনমূৰি আয়ে জীৱন ধাৰণৰ নিম্ন মানদণ্ডক সূচায়। এখন দেশৰ জনসাধাৰণৰ প্ৰকৃত আয় নিৰ্ভৰ কৰে বিভিন্ন লোকৰ ওপৰত যেনে -অৰ্থনৈতিক বিকাশৰ হাৰ, উপভোগৰ স্তৰ, খাদ্য আহৰণৰ ক্ষমতা, স্বাস্থ্য আৰু চিকিৎসা সেৱা, জনসাধাৰণৰ শিক্ষা ইত্যাদি।

৪.৩.১ জীৱনৰ গুণগত মানৰ বৈশিষ্ট্যসমূহ

উপৰোক্ত আলোচনাৰ ভিত্তিত, জীৱনৰ গুণগত মানৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

- জীৱনৰ গুণগত মান এক বহল তথা জটিল ধাৰণা যাক এখন দেশৰ জন-জীৱনৰ লগত জড়িত বিভিন্ন কাৰকৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হয়।
- ই জীৱনৰ এক প্ৰক্ৰিয়া যি ব্যক্তি বিশেষৰ লগতে সমাজৰ বাবেও এক সুন্দৰ, শ্ৰেষ্ঠ আৰু মূল্যবান মানৱ জীৱন গঢ় দিয়াত গুৰুত্ব প্ৰদান কৰে।
- ই মানুহৰ বিভিন্ন দৈহিক, সামাজিক, আৱেগিক আৰু সাংস্কৃতিক প্ৰয়োজনীয়তা পূৰণৰ সন্তুষ্টিৰ লগত জড়িত।
- জীৱনৰ গুণগত মান হৈছে এখন দেশৰ জনসাধাৰণৰ প্ৰকৃত আয়ৰ পৰিণামৰ কাৰক।
- জনসংখ্যা বৃদ্ধিয়ে জীৱনৰ গুণগত মানৰ ওপৰত প্ৰভাৱ পেলায়। সেয়ে জনসংখ্যা বৃদ্ধি আৰু সম্পদৰ সহজ লভ্যতাৰ মাজৰ সমতাÛ ভাৱসাম্যতা অটুট ৰখাত গুৰুত্ব প্ৰদান কৰা উচিত।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ জীৱনৰ গুণগত মান বুলিলে আপুনি কি বুজে?

প্রশ্ন নং ২ঃ মানুহৰ মৌলিক দৈহিক প্রয়োজনীয়তাসমূহ কি কি?

প্রশ্ন নং ৩ঃ মানুহৰ সামাজিক আৰু সাংস্কৃতিক প্রয়োজনীয়তা সমূহৰ এখন তালিকা প্রস্তুত কৰক

প্রশ্ন নং ৪ঃ চমুটোকা লিখক

(i) জনসংখ্যা বৃদ্ধি

(ii) জনমূৰি আয়

৪.৪ জনসংখ্যা বৃদ্ধি আৰু জীৱনৰ গুণগত মান

জনসংখ্যা বৃদ্ধি আৰু জীৱনৰ গুণগত মান দুয়োৰে ইটোৰ লগত সিটোৰ সম্পর্ক থকা দেখা যায়। আগতে উল্লেখ কৰি অহা হৈছে যে সম্প্রতি বিশ্বৰ মৌলিক সমস্যাসমূহৰ ভিতৰত জনবিস্ফোৰণ এক প্রধান সমস্যা, বিশেষকৈ ভাৰতৰ দৰে উন্নয়নসীল দেশ এখনৰ বাবে, কাৰণ এনে দেশত জনসংখ্যা বৃদ্ধিৰ বিশ্বৰ আন দেশতকৈ বহু পৰিমাণে বেছি। জনসংখ্যা বিস্ফোৰণৰ বাবে সামাজিক, অর্থনৈতিক, সাংস্কৃতিক আৰু পৰিবেশত সমস্যাৰ সৃষ্টি হৈছে আৰু তাৰ পৰিণতি ভয়ঙ্কৰ গতিত বৃদ্ধি পাব ধৰিছে যে যথোপযুক্ত সময়ত ইয়াৰ ব্যৱস্থা গ্রহণ নকৰিলে মানুহৰ জীৱন নির্বাহৰ মানদণ্ড লক্ষণীয়ভাৱে অতি নিম্নগামী হোৱাৰ লগতে অতি প্রয়োজনীয় অন্ন, বস্ত্র, বাসস্থান, বিশুদ্ধ খোৱাপানী, সু-চিকিৎসা ব্যৱস্থা, সু-নিয়োগ ব্যৱস্থা, ব্যক্তিগত নিৰাপত্তা, আমোদ-প্রমোদৰ সু-ব্যৱস্থা, গুণগত শিক্ষাৰ অভাৱ দিনকদিনে বৃদ্ধি পোৱাটো খাটাং হৈ পৰিছে। এতিয়া আমি জনসংখ্যা বৃদ্ধিৰ কাৰকসমূহৰ বিষয়ে আলোচনা কৰিম যিয়ে জীৱনৰ গুণগত মানৰ ওপৰত প্র ভাৱ বিস্তাৰ কৰে।

৪.৪.১ জীৱনৰ গুণগত মানৰ ওপৰত প্রভাৱ বিস্তাৰ কৰা কাৰকসমূহ

ব্যক্তিৰ জীৱনৰ গুণগত মানত প্রভাৱ পেলোৱা জনসংখ্যা বৃদ্ধিৰ মূল কাৰকসমূহ তলত উল্লেখ কৰা হ'ল—

i) **জনসংখ্যা বৃদ্ধি আৰু জনমূৰি আয় ঃ** ব্যক্তিৰ জীৱনৰ গুণগত মান আৰু জনমূৰি আয়ৰ মাজত প্রত্যক্ষ সম্পর্ক থকা দেখা যায়। এটা জাতিৰ উন্নয়ন সেই দেশৰ জনসাধাৰণৰ জনমুৰি আয় আৰু জীৱন নির্বাহৰ মানদণ্ডৰ ভিত্তিত বিবেচনা কৰা হয়। যেতিয়া জনসংখ্যা বৃদ্ধি হয় তেতিয়া নিয়োগ কম হোৱাৰ বাবে

সঞ্চয়ো হ্রাস পায়। ফলস্বৰূপে, বিনিয়োগ হ্রাস আৰু মূলধনৰ গতিশীলতা মন্থৰ হয়। গতিকে মূলধন সৃষ্টি গঠনৰ হাৰ নিম্নগামী হয়। সেয়ে জীৱনৰ গুণগত মানৰ উন্নয়নৰ ক্ষেত্রত ই হেঙাৰ স্বৰূপ হৈ পৰে।

ii) **জনসংখ্যা বৃদ্ধি আৰু খাদ্য যোগান ঃ** দ্রুতগতিত বৰ্দ্ধিত জনসংখ্যাই খাদ্যৰ চাহিদা আৰু যোগানৰ মাজত এক ব্যাপক ব্যৱধানৰ সৃষ্টি কৰে। খাদ্য সামগ্রী উৎপাদনৰ হাৰ জনসংখ্যা বৃদ্ধিৰ হাৰৰ তুলনাত বহুত কম। ইয়াৰ পৰিণামস্বৰূপে প্রত্যেক চাৰিজন ব্যক্তিৰ ভিতৰত এজন পুষ্টিহীনতাত ভোগা দেখা যায়। আনহাতে প্রত্যেক চাৰিজন ব্যক্তিৰ মাজৰ দুজনেহে প্রতিদিনে আৱশ্যকীয় উপযুক্ত পৰিমাণৰ খাদ্যৰ মাথোঁ আধা অংশহে আহৰণ কৰে। পুষ্টিকৰ আহাৰৰ অভাৱৰ বাবে এক বুজন সংখ্যকলোক মানসিক আৰু শাৰীৰিক পঙ্গুতাৰ বলি হয়। এইদৰে জনসংখ্যা বৃদ্ধিৰ ফলত জনসাধাৰণৰ জীৱন নির্বাহৰ মানদণ্ডত বিৰূপ প্রভাৱ পৰা দেখা যায়।

iii) **জনসংখ্যা বৃদ্ধি আৰু নিবনুৱা সমস্যা ঃ** নিবনুৱা সমস্যা আন এক ক্ষেত্র যি দ্রুত জনসংখ্যা বৃদ্ধিৰ দ্বাৰা বহলাংশে প্রভান্বিত হয়। কর্মৰত জনসংখ্যা ক্ষিপ্রভাৱে বৃদ্ধি হোৱাৰ প্রধান কাৰণ হৈছে জনসংখ্যাৰ দিশৰ পৰা যুৱকৰ সংখ্যা বৃদ্ধি। কিন্তু এই বৃদ্ধিৰ অনুপাতে নিয়োগৰ সুযোগ সুবিধা বৰ্দ্ধিত হোৱা নাই । বৃহৎ সংখ্যক নিবনুৱাই এখন দেশৰ অর্থনৈতিক উন্নয়নত গুৰুতৰ বাধাৰ সৃষ্টি কৰিব পাৰে।

iv) **জনসংখ্যা আৰু প্রব্রজন ঃ** কম উন্নত ৰাষ্ট্রসমূহত গাওঁ অঞ্চলৰ পৰা নগৰ অঞ্চললৈ হোৱা প্রব্রজন এক সাধাৰণ পৰিঘটনা। সাধাৰণতে গাওঁ অঞ্চলৰ পৰা নগৰ অঞ্চললৈ প্রব্রজন ঘটে কর্ম সংস্থাপনৰ অনুসন্ধানত, ফলত নগৰসমূহ ঘনবসতিপূর্ণ হৈ পৰে আৰু বিভিন্ন পৰিবেশীয় সমস্যাৰ সৃষ্টি কৰে। অস্বাস্থ্যকৰ বাসগৃহ, নিম্নমানৰ খাদ্য বা আহাৰ, প্রদূষিত পৰিবেশ ইত্যাদিয়ে জনসাধাৰণৰ মাজত বহু সমস্যাৰ সৃষ্টি কৰে যিয়ে অৱশেষত জীৱন নির্বাহৰ মানদণ্ড নিম্নগামী কৰে।

v) **জনসংখ্যা বৃদ্ধি আৰু আবাসগৃহ ঃ** জনসংখ্যা বৃদ্ধিৰ ফলত অধিক বাসগৃহৰ প্রয়োজন হয় যিটো ভাৰতৰ দৰে উন্নয়নশীল দেশত ইতিমধ্যে ইয়াৰ নাটনিয়ে দেখা দিছে। বিশেষকৈ দেখা যায় যে নিম্ন আয়ৰ শ্রেণীৰ লোকসকলে বাসগৃহৰ নাটনি আৰু ইয়াৰ চাহিদা বাৰুকৈয়ে অনুভৱ কৰে। ইয়াৰ পৰিণতিত নগৰ অঞ্চলৰ জনসংখ্যাৰ 30% লোক বস্তি অঞ্চলত বসবাস কৰে। উনয়নশীল দেশসমূহ অতিমাত্রা চৰকাৰৰ ওপৰত নির্ভৰশীল, জনসংখ্যাৰ অনুপাত অত্যাধিক, নিবনুৱা আৰু অর্ধ নিবনুৱাৰ হাৰ উচ্চ, আৰু সাক্ষৰতাৰ মান নিম্ন হোৱাৰ বাবে অর্থনৈতিক দিশত এতিয়াওঁ পিছপৰি আছে। সামগ্রিকভাৱে এনে বিভিন্ন সমস্যাই এনে উন্নয়নশীল দেশৰ উন্নয়নত যথেষ্ট অসুবিধাৰ সৃষ্টি কৰে। তদুপৰি, ক্ষিপ্রগতিত বৃদ্ধি পোৱা জনসংখ্যাৰ অনুপাতে বাসগৃহৰ যোগান ধৰাটো এক বৃহৎ প্রত্যাহ্বান। কেৱল জনসংখ্যা বৃদ্ধিৰ উচ্চ হাৰ হ্রাস কৰা পদ্ধতিৰ যোগেদি এই সমস্যা সমাধান কৰিব পৰা যায়।

vi) **জনসংখ্যা আৰু শিক্ষা ঃ** এখন দেশৰ মানৱ সম্পদ উন্নয়ন সম্ভৱ কেৱল শিক্ষাৰ দ্বাৰা। কিন্তু জনসংখ্যা বৃদ্ধিৰ ফলত ছাত্র-ছাত্রীৰ বৰ্দ্ধিত সংখ্যা অনুযায়ী শিক্ষানুষ্ঠান স্থাপন কৰাটো এক প্রধান সমস্যাৰূপে পৰিগণিত হৈছে। এই সমস্যা দূৰীকৰণৰ বাবে আৱশ্যক এক বৃহৎ সংখ্যক বিদ্যালয়, মহাবিদ্যালয়, শিক্ষক আৰু আন

বহু সম্পদ। যদিও অধিক সংখ্যক উন্নয়নশীল দেশে নিৰক্ষৰতা দূৰীকৰণ বা নির্মূলকৰণ আৰু বিদ্যালয়লৈ যোৱা শিশুৰ নামভর্ত্তিকৰণৰ অনুপাত বৃদ্ধি কৰিবলৈ বিভিন্ন শৈক্ষিক আঁচনিৰ প্ৰয়োগ কৰিছে কিন্তু শিশুৰ বর্দ্ধিত সংখ্যাৰ লগত সমতা ৰক্ষা কৰি কার্য্যকৰী কৰিব পৰাকৈ এই আঁচনিসমূহ কৃতকার্য্য হোৱা নাই। ইয়াৰ উপৰিও শৈক্ষিক সমস্যাসমূহ কেৱল কিশোৰ বা যুৱচামৰ মাজতে সীমাৱদ্ধ হৈ থকা নাই কাৰণ ভাৰতবর্ষৰ এক তৃতীয়াংশতকৈ অধিক প্ৰাপ্তবয়স্কলোকেই নিৰক্ষৰ। সেয়ে প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিৰ বাবে দৃঢ়পদক্ষেপ নললে শিশুসকলৰ মাজত নিৰক্ষৰতাৰ সংখ্যা বৃদ্ধি পাব আৰু তেতিয়া জীৱনৰ গুণগত মান প্ৰাপ্তিৰ স্বপ্ন অসম্পূর্ণ হৈয়ে।

vii) **জনসংখ্যা আৰু স্বাস্থ্য ঃ** জীৱন নির্বাহৰ মানদণ্ডৰ আন এক সূচক হৈছে জনসাধাৰণে স্বাস্থ্য ৰক্ষাৰ বাবে লাভ কৰা সা-সুবিধাসমূহ। জনসংখ্যাৰ আকাৰৰ লগতে অর্থনৈতিক বিকাশৰ লগত স্বাস্থ্য সেৱাৰ সুলভ্যতাৰ প্ৰত্যক্ষ্য সম্পর্ক আছে। যি দেশত জনসংখ্যাৰ আকাৰ আৰু বৃদ্ধিৰ হাৰ উচ্চ তেনে দেশত চিকিৎসালয়ৰ প্ৰতি চিকিৎসক আৰু প্ৰতি বিছনাৰ বিপৰীতে জনসংখ্যাও অধিক হোৱা দেখা যায়। দ্ৰুত জনসংখ্যা বৃদ্ধিৰ বাবে ৰাষ্ট্ৰসমূহে স্থাপিত কৰা স্বাস্থ্য কেন্দ্ৰসমূহৰ সেৱা উন্নত হোৱাৰ পৰিৱর্ত্তে অৱনতি হোৱাহে দেখা যায়। জনসংখ্যা বৃদ্ধিৰ তাৎক্ষণিক নিয়ন্ত্ৰণ অবিহনে এই স্বাস্থ্য কেন্দ্ৰসমূহ উন্নত কৰাৰ আশাও অতি ক্ষীণ বিশেষকৈ যিবোৰ কেন্দ্ৰ আওহতীয়া দূর্গম অঞ্চলত অৱস্থিত।

viii) **জনসংখ্যা বৃদ্ধি আৰু পৰিৱেশ ঃ** জনসংখ্যা বৃদ্ধিৰ পৰিণতিস্বৰূপে কিছুমান প্ৰধান পৰিবেশীয় সমস্যাৰ সৃষ্টি হোৱা দেখা যায়। জনসংখ্যা শিতানত প্ৰকাশ কৰা তথ্য অনুযায়ী 1950 চনৰ পৰা বর্দ্ধিত হোৱা জনসংখ্যাৰ ফলত 80% বৃষ্টি ঘন বনাঞ্চল ধ্বংস কৰা হৈছে, 10,000তকৈ অধিক বন্যপ্ৰাণী আৰু উদ্ভিদৰ প্ৰজাতিৰ বিলুপ্তি ঘটিছে, সেউজগৃহ গেছ নির্গমণৰ হাৰ 400% বৃদ্ধি পাইছে, আৰু ভূ-পৃষ্ঠৰ আধাতকৈ অধিক ভূ-খণ্ড বাণিজ্যিক উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰা হৈছে যিটো বর্ত্তমানো প্ৰচলিত হৈ আছে (বৰুৱা, 2000)। পৰিৱেশ বিনস্তকাৰী এই কাৰকসমূহৰ বৃদ্ধিৰ লগে লগে ই শংকাৰ কাৰণ হৈ পৰিছে যে অদূৰ ভৱিষ্যতে বিশ্বৰ জনসংখ্যাই এক ভয়ঙ্কৰ জল নাটনিৰ সন্মুখীন হব পাৰে। জীৱকূলৰ মাজত এক পাৰস্পৰিক আন্তঃসম্বন্ধ আৰু আন্তঃনির্ভৰশীলতা বর্ত্তি থাকে। সকলোৱে এক খাদ্য শৃঙ্খলৰ (food chain) অংশীদাৰ হৈ থাকে যিটো জীয়াই থকাৰ বাবে এক সুস্থ গুণঅভ্যাস বা আচৰণ, কিন্তু ভয়ঙ্কৰ ৰূপত বাঢ়ি অহা জনসংখ্যা আৰু সদাবর্দ্ধিত মানৱ সমাজৰ ভিন্ন কার্য্য-কলাপে পৰিৱেশত বিৰূপ প্ৰভাৱৰ সৃষ্টি কৰিছে যিয়ে জীৱন ধাৰণৰ মানৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিছে।

ix) **জনসংখ্যা আৰু প্ৰদূষণ ঃ** জনসংখ্যাৰ আকাৰ আৰু প্ৰদূষণৰ মাজত এক প্ৰত্যক্ষ সম্পর্ক আছে। প্ৰাকৃতিক সম্পদৰ দ্ৰুত ক্ষয় আৰু বর্দ্ধিত জনসংখ্যাৰ দ্বাৰা সৃষ্ট আর্বজনাই পৰিৱেশৰ ওপৰত প্ৰচুৰ হেচাৰ সৃষ্টি কৰিছে। বিভিন্ন উদ্যোগ আৰু দ্ৰুতগতিত বাঢ়ি অহা যান-বাহন সমূহৰ ফলত এনে এক উচ্চহাৰত বায়ু প্ৰদূষণ হৈছে যিটোৱে মানুহৰ বাবে বিষাক্ত পৰিৱেশৰ সৃষ্টি কৰিছে। অত্যাধিক জনবহুলে চহৰ-নগৰ সমূহত সঠিক স্বাস্থ্যসন্মত অনাময় ব্যৱস্থাৰ অভাৱ ঘটাইছে । তাৰোপৰি জনসাধাৰণৰ ইয়াৰ বাবে আৱশ্যকীয়

নূন্যতম সজাগতাৰো অভাৱ দেখা যায় কাৰণ তেওঁলোকে নিজেই নিজৰ পৰিৱেশ প্ৰদূষণৰ পৰা মুক্ত কৰাৰ বাবে সজাগ নহয়। বায়ু, শব্দ, ভূমি আৰু জল প্ৰদূষণে বিভিন্ন প্ৰজাতিৰ জীৱনলৈ ভাবুকি সৃষ্টি কৰিছে। মুঠতে বৰ্দ্ধিত জনসংখ্যাই এইদৰেই পৰিবেশীয় অস্থিৰতা আৰু ভাৰসাম্যহীনতাৰ সৃষ্টি কৰে। বিশ্বৰ উন্নয়নশীল দেশসমূহে নিশ্চয় উপলব্ধি কৰা উচিত যে অৰ্থনৈতিক বিকাশ আৰু নাগৰিকৰ জীৱন নিৰ্বাহৰ প্ৰণালী উন্নীতকৰণৰ বাবে জনসংখ্যা বৃদ্ধি হ্ৰাস কৰাৰ বিকল্প নাই।

৪.৫ জনসংখ্যা পৰিস্থিতিৰ লগত সঙ্গতি ৰাখি কিদৰে জীৱনৰ গুণগত মান উন্নত কৰিব পাৰি?

এতিয়া আপুনি নিশ্চয় উপলব্ধি কৰিব পাৰিছে যে এখন দেশৰ জনসাধাৰণৰ জীৱনৰ গুণগত মান মুখ্যতঃ নিৰ্ভৰ কৰে সেই দেশখনৰ জনসংখ্যা পৰিস্থিতিৰ ওপৰত। সেয়ে চৰকাৰৰ কৰ্ত্তব্য আৰু দায়িত্ব হ'ল হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন দুয়োধৰণৰ জাতীয় উন্নয়ন আৰু জনসংখ্যা বৃদ্ধিৰ মাজত থকা সম্পৰ্কৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱা আৰু সজাগতা বৃদ্ধি কৰা। তেতিয়াহে সঠিক উপায় অৱলম্বন কৰি জনসংখ্যা বৃদ্ধি ৰোধ কৰাৰ প্ৰতি প্ৰত্যাহবান জনাব পৰা যাব । এতিয়া সময় আহি পৰিছে মানৱ জাতিক দুৰ্যোগৰ পৰা ৰক্ষা কৰা। জনসংখ্যা বৃদ্ধি ৰোধ কৰাৰ কেইটামান উপায় তলত উল্লেখ কৰা হ'ল—

- **প্ৰকৃতিৰ লগত সমন্বয় ৰক্ষা কৰি বসবাস কৰা ঃ** মানুহে প্ৰকৃতিৰ লগত সমন্বয় ৰক্ষা কৰি বাস কৰিবলৈ শিকা উচিত। মানৱ জাতিয়ে কেৱল প্ৰকৃতিৰ মাজতে বসবাস নকৰে বৰং আন বহুতো সংস্থাৰ লগত সম্পৰ্ক থাকে। তেওঁলোকৰ পৰিৱেশৰ লগত সমতা অটুট ৰাখি জীৱন নিৰ্বাহ কৰে। বৰ্দ্ধিত জনসংখ্যাৰ দ্বাৰা দ্ৰুতগতিত প্ৰাকৃতিক সম্পদৰ ক্ষয় আৰু আৱৰ্জনা সৃষ্টিয়ে পৰিৱেশৰ ওপৰত এক প্ৰচণ্ড হেঁচাৰ সৃষ্টি কৰিছে। উদ্যোগীকৰণ আৰু অপ্ৰশমিত জনসংখ্যা বৃদ্ধিয়ে প্ৰদূষণৰ মাত্ৰা বহু পৰিমাণে বৃদ্ধি কৰিছে। এখন দেশৰ জনসাধাৰণৰ এইটো বোধগম্য হোৱা উচিত যে প্ৰাকৃতিক সম্পদ যেনে ভূমি, বনাঞ্চল, পানী আদি পৰিমাণ সীমিত। সেয়ে মানৱ সম্পদ আৰু প্ৰাকৃতিক সম্পদৰ মাজত যিকোনো ধৰণৰ ভাৰসাম্যহীনতাই দেশৰ অৰ্থনৈতিক ক্ষতি সাধন কৰিব পাৰে।
- **জাতীয় সম্পদৰ সম বিতৰণ ঃ** জনসংখ্যাৰ বিভিন্ন স্তৰৰ মাজত জাতীয় সম্পদৰ সম বিতৰণ হোৱা উচিত। জনসাধাৰণৰ প্ৰকৃত আয় বিভিন্ন চলকৰ ফলদায়ক উপাদন। প্ৰধান চলকসমূহ হ'ল অৰ্থনৈতিক বিকাশৰ হাৰ, উপভোগৰ স্তৰ, জনসংখ্যাৰ আকাৰ, খাদ্য আহৰণৰ ক্ষমতা, স্বাস্থ্য আৰু চিকিৎসাৰ সুবিধা বা সেৱা, জনসাধাৰণৰ শিক্ষা, বাসস্থান আদি। এই সকলোবোৰ চলকৰে জীৱন প্ৰণালীৰ স্তৰৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ আছে। জনসাধাৰণৰ কল্যাণৰ বাবে সুবিধা প্ৰদান চৰকাৰৰ প্ৰাথমিক দায়িত্ব, গতিকে দেখা যায় যে এখন দেশ অৰ্থনীতিৰ সম বিকাশৰ বাবে বিভিন্ন কাৰকসমূহৰ মাজত এক যথাৰ্থ ভাৰসাম্যতা থকাৰ প্ৰয়োজন।

- **জনসংখ্যা বৃদ্ধিৰ সর্বাধিক বিকাশ ঃ** জনসংখ্যা বৃদ্ধি আৰু জীৱনৰ গুণগত মানৰ মাজত ইটোৰ লগত সিটোৰ প্রত্যক্ষ সম্পর্ক আছে। অর্থনৈতিক বিকাশৰ লগত সামঞ্জস্য নৰখাকৈ হোৱা জনসংখ্যা বৃদ্ধিয়ে সমগ্র অর্থনৈতিক জীৱনলৈ বিপর্য্যয় কঢ়িয়াই আনে। আমাৰ দেশত সমূহ জনসাধাৰণে এতিয়াও অর্থনৈতিক উন্নয়নৰ ফল আশাব্যঞ্জকভাৱে উপভোগ কৰিব পৰা নাই, চৰকাৰে এনে সঠিক নীতি আৰু পৰিকল্পনা কৰিব লাগে য'ত জনসংখ্যা বৃদ্ধিৰ গুণগত আৰু সংখ্যাগত দুয়োটা দিশতে সমান গুৰুত্ব দিয়ে। সময়ে সময়ে এই নীতিসমূহৰ মূল্যাঙ্কনৰো আৱশ্যক। আমি আমাৰ পৰিকল্পনাত ব্যর্থ হৈছো নেকি? যদি ব্যর্থ হৈছো ই ত্রুটীপূর্ণ পৰিকল্পনা বা ৰূপায়নৰ ব্যর্থতাৰ বাবে নেকি? নে দুয়োবিধৰ বাবে? ইয়াৰ মূল আৰু অন্তর্নিহিত কাৰণ বিচাৰি উলিয়াব পৰা যাব যদিহে মানুহৰ স্বভাৱ আৰু সীমাবদ্ধতা আৰু প্রাকৃতিক সম্পদৰ বিষয়ে আমি এক সমালোচনাত্মক দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰি চাওঁ।

- **জনসংখ্যা শিক্ষাৰ ব্যৱস্থা ঃ** শৈক্ষিক কার্য্যসূচীত জনসংখ্যা শিক্ষাৰ অর্ন্তভুক্তি হ'ল সময়ৰ এক প্রত্যাহ্বান। এই শিক্ষাই পৰিয়াল, সম্প্রদায়, জাতিৰ লগতে বিশ্বৰ জনসংখ্যা পৰিস্থিতিৰ অধ্যয়নৰ সুযোগ দিয়ে যিয়ে ছাত্র-ছাত্রীৰ এনে পৰিস্থিতিৰ প্রতি যুক্তি সঙ্গত চিন্তা-ধাৰা, দায়িত্বপূর্ণ দৃষ্টিভঙ্গী আৰু আচৰণ গঢ় দিয়াত গুৰুত্ব প্রদান কৰে।

  জনসংখ্যা শিক্ষা উদ্দেশ্য সমূহ হ'ল—

  (ক) সৰু পৰিয়ালৰ আর্হিৰ গ্রহণযোগ্যতা

  (খ) পৰিয়ালৰ আকাৰ যে নিয়ন্ত্রণাধীন তাৰ জ্ঞান দিয়া

  (গ) আইন অনুসৰি উপযুক্ত পৈণত বয়সত বিবাহৰ ব্যৱস্থা কৰা

  (ঘ) পৰিয়াল পৰিকল্পনাৰ সুবিধাসমূহৰ লগতে সন্তানৰ সংখ্যা সীমিত ৰখা আৰু দুটা সন্তানৰ মাজত জন্মৰ ব্যৱধান ৰক্ষা কৰাৰ ফলত স্বাস্থ্য আৰু অর্থনৈতিক লাভালাভৰ বিষয়ে জ্ঞান দিয়া

- **সঠিক প্রমূল্যবোধ গঠন ঃ** সময়ৰ পৰিৱর্ত্তনৰ লগত সামঞ্জস্য ৰাখি মানুহৰ মানসিকতাৰ পৰিৱর্ত্তন আৰু নতুন মূল্যবোধৰ সৃষ্টি হোৱাটো বাঞ্চনীয়। জনসংখ্যা বৃদ্ধিৰ হাৰৰ পৰিৱর্ত্তন ঘটাবলৈ হলে ভৱিষ্যতে হবলগীয়া পিতৃ-মাতৃসকলৰ ওপৰত কিছু হেঁচা প্রয়োগ কৰিব লাগিব। যি সকলৰ বাবে পৰিয়ালৰ আকাৰৰ প্রতি পৰিৱর্ত্তনশীল দৃষ্টিভঙ্গীৰ অতি আৱশ্যক। এইসকল পিতৃ-মাতৃৰ মনত এনে দৃষ্টিভঙ্গী আৰু প্রমূল্যবোধ বৃদ্ধি কৰাৰ বাবে জনসংখ্যা শিক্ষা হৈছে এক শক্তিশালী অস্ত্র , যিয়ে তেওঁলোকক যুক্তিপূর্ণ সিদ্ধান্ত গ্রহণ কৰাত সহায় কৰিব। অন্ধবিশ্বাস, ধর্ম্মান্ধতা, অদৃশ্যবাদ আদিৰ দৰে কু-সংস্কাৰৰ অন্ধকাৰ জগতত বুৰ গৈ থকা লোকসকলক জনসংখ্যা শিক্ষাই সমুখ সমৰত এপাত শক্তিশালী অস্ত্রই আক্রমণ কৰাৰ দৰে ফলপ্রসু কার্য্য সম্পাদন কৰিব পাৰে। চৰকাৰেও জনসংখ্যা নিয়ন্ত্রণৰ লগত জড়িত সময়োপযোগী নতুন নীতি প্রৱর্ত্তন কৰাৰ প্রয়োজন আহি পৰিছে। লগতে সৰু পৰিয়ালৰ আর্হি গ্রহণ কৰাৰ বাবে জনসাধাৰণৰ মানসিকতাৰ বা দৃষ্টিভঙ্গীৰ পৰিৱর্ত্তন আনিবলৈ চৰকাৰে অহৰহ প্রচেষ্টা চলোৱা উচিত যাতে সকলোৰে জীৱনৰ গুণগত

মান উন্নত হয়।

- **প্রদূষণ অৱস্থাক নিয়ন্ত্রণ ঃ** জীৱনৰ গুণগত মানৰ উন্নয়নৰ বাবে প্রদূষণমুক্ত প্রাকৃতিক পৰিৱেশৰ অত্যন্ত আৱশ্যক। কিন্তু দ্রুত জনসংখ্যা বৃদ্ধিৰ লগতে উদ্যোগীকৰণে বায়ু, পানী প্রদূষিত কৰাত অৰিহণা যোগায় যিয়ে মানৱ জাতি জীয়াই থকালৈ প্রবল ভাবুকিৰ সৃষ্টি কৰিছে। যদিহে জনসংখ্যাৰ বৃদ্ধিৰ হাৰ এই গতিতেই বাঢ়ি থাকিবলৈ দিয়া হয়, তেন্তে সৰহ সংখ্যক লোকেই ভৱিষ্যতে পুষ্টিহীনতা, ক্ষুধা আৰু ৰোগাক্রান্ত হৈ জীয়াতু ভুগিব লাগিব। সেয়ে জাতীয় উন্নয়ন আৰু সমূহ জনসাধাৰণৰ সুখ-স্বচ্ছন্দৰ বাবে এক পুংখানুপুঙ্খভাৱে পর্য্যবেক্ষিত জনসংখ্যা পৰিকল্পনাৰ প্রয়োজন। সমাগত শতকবোৰত পৃথিৱীত সুযোগ্যতাৰে জীয়াই থাকিবলৈ হ'লে জনসংখ্যা বৃদ্ধিত যে বাধা আৰোপ কৰা নিতান্ত প্রয়োজন এই বিষয়ে জনসাধাৰণৰ মাজত এক বাতাৱৰণৰ সৃষ্টি কৰা উচিত।

- **সাংস্কৃতিক সজাগতা ঃ** প্রত্যেক সংস্কৃতিৰ কিছুমান নিজস্ব মূল্যবোধ আছে যিয়ে ব্যক্তিত্বৰ অন্তর্নিহিত সুন্দৰতা আৰু বৌদ্ধিক, সৌন্দর্য্যবোধ আৰু নৈতিকতাৰ সংস্কৰণৰ গঢ় দিয়ে। নতুন প্রজন্মই তেওঁলোকৰ জ্যেষ্ঠ সকলৰ পৰা নিজ সম্প্রদায়ৰ বা সমাজৰ ৰীতি-নীতি, ধর্ম্ম বিশ্বাস, সমাজৰ অনুমোদিত আচৰণবিধি আৰু দৈনন্দিন জীৱনৰ প্রয়োজনীয় ব্যৱহাৰিক জ্ঞানৰ বিষয়ে শিক্ষা আহৰণ কৰে। এখন সংস্কৃতিবান সমাজ জীৱনৰ গুণগত মানৰ ওপৰত গুৰুত্ব প্রদান কৰে আৰু সেয়ে যুৱপ্রজন্মৰ মাজত পৰিৱেশৰ প্রতি ইতিবাচক দৃষ্টিভঙ্গী জগাই তোলা উচিত। যুৱপ্রজন্মৰ মাজত এনে বার্তা বা তথ্য প্রেৰণ কৰিব লাগে যিয়ে সমগ্র জীৱজগতত পৰিৱেশ আৰু জনসংখ্যাৰ কু-প্রভাৱৰ বিষয়ে যুৱসমাজক বোধগম্য কৰায় যাতে পৰিৱেশীয় মানদণ্ড আৰু জনসংখ্যা নিয়ন্ত্রণৰ বাবে তেওঁলোক আৱেগিকভাৱে প্রতিজ্ঞাৱদ্ধ হবলৈ সমর্থবান হয়।

- **প্রব্রজনৰ ওপৰত নিয়ন্ত্রণ ঃ** প্রব্রজনে এখন দেশৰ জনসংখ্যাৰ জনসাংখ্যিক আর্হিৰ পৰিৱর্ত্তন ঘটায়। কম উন্নত দেশসমূহত গাওঁ অঞ্চলৰ পৰা নগৰাঞ্চললৈ হোৱা প্রব্রজন এক সাধাৰণ পৰিঘটনা কিন্তু এখন দেশৰ পৰা আন এখন দেশলৈ হোৱা প্রব্রজনে গুৰুতৰ ৰূপ ধাৰণ কৰিব পাৰে যদিহে ঘৰুৱা দেশখনৰ থলুৱা লোকসকলৰ আর্থ- সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনত প্রভাৱ পেলায়। তাৰোপৰি ই দেশৰ অর্থনৈতিক আন্তঃগাথনিৰো ধ্বংস আনিব পাৰে। গতিকে, প্রব্রজনৰ ক্ষেত্রত কঠোৰ নীতি-নিয়মৰ ব্যৱস্থা প্রয়োগ কৰিব লাগে আৰু প্রয়োজন অনুসৰি চৰকাৰে আন্তঃৰাষ্ট্রীয় সংস্থাৰো সাহার্য্য বিচৰা উচিত।

- **চৰকাৰৰ দৃঢ় পদক্ষেপ ঃ** জনবিস্ফোৰণ নিয়ন্ত্রণৰ বাবে এক পৰিকল্পিত নীতি গ্রহণ কৰা আৰু জনসাধাৰণৰ জীৱনৰ গুণগত মান উন্নত কৰা প্রত্যেক নির্বাচিত চৰকাৰৰ সাংবিধানিক কর্ত্তব্য আৰু দায়িত্ব। এই উদ্দেশ্য সমূহত উপনীত হবলৈ হলে চৰকাৰে কিছুমান পদক্ষেপ লোৱা প্রয়োজন যাৰ দ্বাৰা জনসাধাৰণে জনবিস্ফোৰণৰ জ্বলন্ত সমস্যা ইয়াৰ নির্ণায়ৰ কাৰক আৰু ফলাফলৰ বিষয়ে অৱগত হয় । ইয়াৰ উপৰি চৰকাৰে আইনৰ ৰূপত কিছুমান নির্দ্দিষ্ট নীতি-নিয়ম প্রণয়ন কৰি ইয়াৰ কার্য্যকাৰিতাৰ ওপৰত গুৰুত্ব দিব লাগে। তদুপৰি চৰকাৰে জনসাধাৰণক বিভিন্ন জন্ম নিয়ন্ত্রণ পদ্ধতিৰ উপায় অৱলম্বন কৰিবলৈ উৎসাহ

জনাব লাগে আৰু এই পদ্ধতি সমূহৰ প্ৰতি আগ্ৰহী হবলৈ বা আগ্ৰহ বৃদ্ধি কৰিবলৈ সময়ে সময়ে উদ্‌গণিমূলক মাননি বা পুৰস্কাৰ আগবঢ়াব লাগে। এইদৰে, গণতান্ত্ৰিকভাৱে নিৰ্বাচিত এখন চৰকাৰে উপযুক্ত উপায় অৱলম্বনৰ দ্বাৰা দেশৰ নাগৰিকসকলৰ মাজত জনসংখ্যা নিয়ন্ত্ৰণৰ প্ৰতি এক যুক্তিপূৰ্ণ দৃষ্টিভঙ্গী আৰু দায়িত্বপূৰ্ণ আচৰণৰ উৎকৰ্ষ সাধন কৰা উচিত যাৰ দ্বাৰা দেশৰ জনসাংখ্যিক দিশটোৰ উন্নয়ন ঘটে।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ জীৱনৰ মানৰ উন্নয়নৰ ক্ষেত্ৰৰ জনসংখ্যা শিক্ষাৰ উদ্দেশ্যসমূহ কি কি হোৱা উচিত?

প্ৰশ্ন নং ৬ ঃ এখন দেশৰ জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকাৰ আলোচনা কৰক

2 ৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ প্ৰথম খণ্ডত জীৱনৰ গুণগত মানৰ অৰ্থৰ বিষয়ে আলোচনা কৰা হৈছে।
- জীৱনৰ গুণগত মান এক জটিল ধাৰণা। সৰল ভাষাত ইয়াৰ অৰ্থ হ'ল দৈহিক আৰু মানসিক প্ৰয়োজনীয়তাৰ সৰ্ৱোতম সন্তুষ্টি তথা সামাজিক আৰু সাংস্কৃতিক প্ৰয়োজনীয়তাৰ পৰিতৃপ্তি।
- জনসংখ্যা শিক্ষাত জীৱনৰ গুণগত মানৰ বাখ্যা আৰু বিশ্লেষণ এই প্ৰয়োজনীয়তা সমূহ পূৰণৰ সন্তুষ্টিৰ মাত্ৰাৰ আধাৰত আগবঢ়োৱা হয়। ই জীৱনৰ এক প্ৰক্ৰিয়া যিয়ে ব্যক্তিৰ লগতে সমাজৰ বাবেও এক সুন্দৰ, শ্ৰেষ্ঠ আৰু মূল্যবোধৰ মানৰ জীৱন গঢ়াত গুৰুত্ব প্ৰদান কৰে।
- জনসংখ্যা বৃদ্ধিয়ে জীৱনৰ গুণগত মানত প্ৰভাৱ পেলায়। বিভিন্ন কাৰকৰ বাবে গুণগত মান নিম্নগামী হয়, সেই কাৰকসমূহ হ'ল— নিম্ন জনমুৰি আয়, গুণগত খাদ্যৰ অভাৱ, উপযুক্ত বাসস্থানৰ অসুবিধা, চিকিৎসাৰ সা-সুবিধাৰ অভাৱ, প্ৰাথমিক শিক্ষা প্ৰদানৰ বাবে বিদ্যালয়ৰ অভাৱ ইত্যাদি। ইয়াৰ উপৰিও জনসংখ্যা বৃদ্ধিয়ে বিভিন্ন প্ৰকাৰৰ পৰিবেশীয় সমস্যাৰ সৃষ্টি কৰে। সম্প্ৰতি জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণৰ আওঁতালৈ অনা অত্যন্ত প্ৰয়োজন।
- সেয়ে দেখা যায় যে এখন দেশৰ জনসাধাৰণৰ জীৱনৰ গুণগত মান প্ৰধানকৈ নিৰ্ভৰ কৰে সেই দেশৰ জনসংখ্যা পৰিস্থিতিৰ ওপৰত। দেশৰ নাগৰিকৰ মাজত পৰিস্থিতিৰ ওপৰত দেশৰ জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণাধীন কৰা চৰকাৰৰ এক প্ৰধান কৰ্ত্তব্য, যাৰ দ্বাৰা মানৰ সমাজক দুৰ্যোগৰ পৰা ৰক্ষা কৰিব পাৰি। ইয়াৰ বাবে চৰকাৰে কিছুমান ফলদায়ক পদক্ষেপ গ্ৰহণ কৰিব পাৰে। উদাহৰণস্বৰূপে জনসাধাৰণক প্ৰকৃতিৰ লগত কেনেকৈ সমন্বয় ৰক্ষা কৰি জীৱন নিৰ্বাহ কৰিব লাগে তাৰ শিক্ষা প্ৰদান কৰা, জনসংখ্যাৰ বিভিন্ন স্তৰত জাতীয় সম্পদৰ সমবিতৰণৰ ব্যৱস্থা কৰা, অৰ্থনৈতিক বিকাশৰ বাবে উপযুক্ত পৰিকল্পনা আৰু নীতিৰ প্ৰৱৰ্ত্তন কৰা আৰু সকলোৰে উৰ্দ্ধত শৈক্ষিক কাৰ্য্যসূচীত জনসংখ্যা শিক্ষাৰ অৰ্ন্তভুক্তি কৰা। ই পৰিয়াল,

সম্প্রদায়, জাতিৰ লগতে বিশ্বৰ জনসংখ্যা পৰিস্থিতিৰ অধ্যয়নৰ সুযোগ প্রদান কৰে ফলত ছাত্র-ছাত্রী সকলৰ মনত এনে পৰিস্থিতিৰ প্রতি এক যুক্তিসঙ্গত দৃষ্টিভঙ্গী জগাই তুলিব পাৰি।

০ ৪.৭ অধিক জানিবলৈ

1) Barua, Jatin (2009), Parivesh Aru Janasankhya Siksha, Chandra Prakash, Guwahati

2) Gupta, P. K. (2003), Population Education, R. Lall Book Depot, Meerut.

3) Nanda, S. K. (2005), Population Education, Doaba House, Delhi.

K ৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জীৱনৰ গুণগত মানৰ অর্থ হ'ল এখন দেশৰ জনসাধাৰণৰ জীৱন নির্বাহৰ মানদণ্ড । সৰল ভাষাত ইয়াৰ অর্থ হ'ল জনসাধাৰণৰ দৈহিক, মানসিক আৰু সাংস্কৃতিক প্রয়োজনীয়তা পূৰণৰ সন্তুষ্টি বা সন্তোষ।

২ নং প্রশ্নৰ উত্তৰ ঃ মৌলিক দৈহিক প্রয়োজনীয়তা সমূহ হ'ল -অন্ন,বস্ত্র, বাসস্থান, পানী ইত্যাদি।

৩ নং প্রশ্নৰ উত্তৰ ঃ শৈক্ষিক আৰু নিয়োগৰ সুবিধা, স্বাস্থ্য আৰু চিকিৎসা সুবিধা, আমোদ-প্রমোদৰ সুবিধা, বাক্স্বাধীনতা, আৱেগিক সুৰক্ষা আৰু সৃজনশীলতা প্রকাশৰ সুযোগ-সুবিধা।

৪ নং প্রশ্নৰ উত্তৰ ঃ

(i) জনসংখ্যা বৃদ্ধি মানে জনসংখ্যাৰ সংখ্যা বৃদ্ধি হোৱা যিয়ে এখন দেশৰ জনসাধাৰণৰ জীৱনৰ গুণগত মানদণ্ডত প্রভাৱ পেলায়।

(ii) জনমুৰি আয়ৰ অর্থ হ'ল গড় হিচাবে প্রতিজন ব্যক্তিয়ে দেশৰ বার্ষিক জাতীয় আয়ৰ লাভ কৰা অংশ।

৫ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা বৃদ্ধি সন্দর্ভত জনসংখ্যা শিক্ষাৰ উদ্দেশ্য সমূহ হ'ল—

(i) সৰু পৰিয়ালৰ আর্হি গ্রহণ কৰিবলৈ জনসাধাৰণক শিক্ষিত কৰা

(ii) পৰিয়ালৰ আকাৰ যে নিয়ন্ত্রণাধীন তাক জনসাধাৰণক জ্ঞাত কৰা

(iii) সৰু পৰিয়ালৰ আর্হি গ্রহণ কৰিবলৈ জনসাধাৰণক শিক্ষিত কৰা

(iv) জনসংখ্যা শিক্ষাই জনসাধাৰণক পৰিয়াল পৰিকল্পনাৰ সুবিধাৰ লগতে দুটা সন্তানৰ জন্মৰ মধ্যৱর্ত্তী সময়ৰ ব্যৱধান আৰু সীমিত সংখ্যক সন্তানৰ বাবে হোৱা শাৰীৰিক আৰু অর্থনৈতিক লাভালাভৰ বিষয়ে অৱগত হোৱাত সহায় কৰিব।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ এখন ৰাষ্ট্ৰৰ জনসংখ্যা বৃদ্ধিৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা ভূমিকা সমূহ হ'ল—

(i) দেশৰ ছাত্ৰ-ছাত্ৰী বা শিক্ষাৰ্থী সকলৰ বাবে জনসংখ্যা শিক্ষাৰ এক ফলদায়ক কাৰ্য্যসূচী আৰম্ভ কৰা যিয়ে তেওঁলোকৰ অত্যাধিক জনসংখ্যা বৃদ্ধিৰ কু-প্ৰভাৱৰ বিষয়ে শিক্ষা দিয়ে আৰু বিভিন্ন জন্ম নিয়ন্ত্ৰণৰ পদ্ধতি অৱলম্বনৰ বাবে ৰাইজক উদ্‌গণি জনায়।

(ii) সৰু পৰিয়ালৰ আৰ্হি গ্ৰহণ কৰিবৰ বাবে জনসাধাৰণক আগ্ৰহী কৰি তোলা আৰু তাৰ বাবে উদ্‌গনিমূলক পুৰস্কাৰৰ ব্যৱস্থা কৰা।

(iii) জন্ম নিয়ন্ত্ৰণৰ বাবে আইন প্ৰণয়ন কৰা আৰু তাৰ কাৰ্য্যকাৰিতাৰ বাবে সঠিক পদক্ষেপ গ্ৰহণ কৰা।

M ৪.৯ আৰ্হিপ্ৰশ্ন

(ক) বস্তুধৰ্ম্মী প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন 1ঃ জীৱনৰ গুণগত মান বুলিলে কি বুজে?

প্ৰশ্ন 2ঃ জনসংখ্যা বৃদ্ধিৰ ব্যাখ্যা আপুনি কেনেধৰণে আগবঢ়াবলৈ ভাল পাব?

প্ৰশ্ন 3ঃ মানুহৰ দৈহিক প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰক।

প্ৰশ্ন 4ঃ জনমুৰি আয় বুলিলে কি বুজে?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন 1ঃ চমুটোকা লিখক-

(ক) জনসংখ্যা আৰু জীৱনৰ গুণগত মান

(খ) জনসংখ্যা আৰু পৰিবেশীয় সমস্যা

(গ) জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰৰ কৰ্ত্তব্য আৰু দায়িত্ব

(গ) ৰচনাধৰ্ম্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন 1ঃ জীৱনৰ গুণগত মান বুলিলে আপুনি কি বুজে? জনসংখ্যা আৰু জীৱনৰ গুণগত মান এই দুয়োটা কেনেকৈ এটাৰ ওপৰত আনটো আন্তঃনিৰ্ভৰশীল, আলোচনা কৰক।

প্ৰশ্ন 2ঃ জীৱনৰ গুণগত মানক প্ৰভাৱন্বিত কৰা জনসংখ্যা বৃদ্ধিৰ প্ৰধান ক্ষেত্ৰসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন 3ঃ উন্নত মানৰ জীৱন নিৰ্বাহৰ বাবে জনসংখ্যা শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে এক টোকা লিখক।

*** ***** ***

অধ্যায় ৫ ঃ সৰু পৰিয়ালৰ আদর্শ

অধ্যায় গাঁথনি

5.1 উদ্দেশ্য
5.2 পৰিচয়
5.3 সৰু পৰিয়ালৰ আদর্শৰ অর্থ
5.4 সৰু পৰিয়ালৰ আদর্শৰ প্রকৃতি
5.5 জনসংখ্যা নিয়ন্ত্রণত সৰু পৰিয়ালৰ আদর্শৰ সুবিধা
5.6 সৰু পৰিয়ালৰ আদর্শৰ বাধাবোৰ
5.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
5.8 অধিক জানিবলৈ
5.9 অগ্রগতিৰ খতিয়ান
6.10 আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সৰু পৰিয়ালৰ আদর্শৰ অর্থ বুজিব পাৰিব
- সৰু পৰিয়ালৰ আদর্শৰ প্রকৃতি জানিব পাৰিব
- সৰু পৰিয়ালৰ আদর্শৰ সুবিধাবোৰ বুজিব পাৰিব
- সৰু পৰিয়ালৰ আদর্শৰ বাধাবোৰ জানিব পাৰিব।

৫.২ পৰিচয়

সৰু পৰিয়ালৰ আদর্শ বর্তমান সময়ৰ বাবে প্রয়োজন, বিশেষকৈ ভাৰতবর্ষত য'ত জনসংখ্যা বিস্ফোৰণ হ'ল ভাৰতবর্ষৰ এক প্রধান সমস্যা। সকলো মানুহে সৰু পৰিয়ালৰ আদর্শ গ্রহণেৰে এখন দেশৰ জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণ নকৰিলে বিশ্বৰ মানদণ্ডৰ তুলনাত সেই দেশৰ গুণমান তলত থাকিব। বিকশিত দেশবোৰত খাদ্যৰ উপলব্ধতা, স্বাস্থ্য সেৱা আৰু শৈক্ষিক সুবিধা বৃদ্ধি হোৱাৰ বিপৰীতে জনসংখ্যা বৃদ্ধিৰ বাবে এইবোৰ দিশ আমাৰ দেশত পিচপৰি আছে। আমাৰ দেশত বহুত মানুহে কম সেৱা বা উৎপাদনৰ লগত জড়িত হোৱা বাবে ই জীৱন ধাৰণৰ মানক প্রভাৱিত কৰিছে। বিকশিত দেশবোৰত ঔদ্যোগীকৰণে মানুহৰ জীৱন শৈলী ব্যাপকভাৱে সলাই পেলাইছে। আমাৰ দেশৰ কিছু সংখ্যক লোকে পাশ্চাত্য মানদণ্ডৰ লগত জীৱন শৈলী মিলাব পাৰিলেও জনসংখ্যা বিস্ফোৰণৰ

ফলত সৃষ্টি হোৱা নিবনুৱা আৰু নিম্ন বনুৱাৰ দৰে সমস্যাৰ বাবে সৰহ সংখ্যক ব্যক্তিয়ে দৰিদ্ৰ সামীৰেখাৰ তলত বসবাস কৰে। যদি সৰহ সংখ্যক ভাৰতীয় লোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হ'ব লাগে তেন্তে সকলোৱে সৰু পৰিয়ালৰ আদর্শ গ্ৰহণ কৰিব লাগিব। এই অধ্যায়ত আমি সৰু পৰিয়ালৰ আদর্শৰ অর্থ, প্ৰকৃতি আৰু সুবিধাবোৰৰ বিষয়ে আলোচনা কৰিম। আকৌ আমি ইয়াত সৰু পৰিয়ালৰ আদর্শ গ্ৰহণ কৰাত দেখা দিয়া সমস্যাবোৰৰ বিষয়েও আলোচনা কৰিম।

৫.৩ সৰু পৰিয়ালৰ আদর্শৰ অর্থ

সৰু পৰিয়ালৰ আদর্শই শিশুৰ সংখ্যা নিয়ন্ত্ৰণ কৰাকে বুজায়। আদর্শ পৰিয়ালৰ আকাৰত জন্মৰ হাৰ আৰু পৰিয়াল নিয়ন্ত্ৰণৰ পদ্ধতিয়ে বৃহৎ প্ৰভাৱ বিস্তাৰ কৰে। বর্তমান সময়ত সৰু পৰিয়ালৰ আদর্শ গ্ৰহণ কৰাটো অকল আকাংক্ষাই নহয়, ই প্ৰয়োজনীয়ও। বৃহৎ পৰিয়াল এটাত জীৱন নির্বাহ কৰাটো এটা কঠিন কাম কিয়নো বস্তুৰ দাম বৃদ্ধি হৈছে আৰু মানুহৰ প্ৰয়োজন বৃদ্ধি হৈছে। এইটো এটা সত্য কথা সৰু পৰিয়াল হ'লে এটা সুখী পৰিয়াল। শিশুৰ সংখ্যা কম হোৱাটো কেৱল পৰিয়ালৰ বাবেই নহয়, দেশৰ বাবেও আশীর্বাদস্বৰূপ। ইয়ে ব্যক্তিক ভাল খাদ্য, বস্ত্ৰ আৰু শিক্ষা লাভত সহায় কৰিব। অত্যাধিক শিশু সমাজ আৰু পৰিয়ালৰ বাবে বোজা স্বৰূপ। অত্যধিক জনসংখ্যা সেয়েহে নিষিদ্ধ কৰিব লাগে। পৰিয়াল সংকটত থাকিলে বিকাশ আৰু প্ৰগতিৰ সকলো পৰিকল্পনা ব্যর্থ আৰু ই পৰিয়ালৰ সুখ শান্তি নোহোৱা কৰে। এজন ল'ৰা আৰু এজনী ছোৱালীয়ে আদর্শস্বৰূপ। অত্যাধিক ল'ৰা আৰু ছোৱালী দুখ আৰু বেদনাৰ কাৰণ। অপ্ৰয়োজনীয় বিপদ তেওঁলোকে কঢ়িয়াই আনে অন্য অর্থত অত্যধিক শিশু সমস্যাৰ কাৰণ।

1951 চনৰ পৰা আৰম্ভ হোৱা পঞ্চবার্ষিক পৰিকল্পনাত, ভাৰতবর্ষ প্ৰথমখন দেশ 1952 চনত জনসংখ্যাৰ নীতি গ্ৰহণ আৰু কার্যকৰী কৰা হৈছিল। 1951 চনৰ পৰা 1956 চনৰ প্ৰথম পঞ্চবার্ষিক পৰিকল্পনাত পৰিকল্পনা আয়োগে স্বীকৃতি প্ৰদান কৰিছিল যে জনসংখ্যা নীতি প্ৰয়োজনীয় আৰু আইনৰ দৃষ্টিত পৰিয়াল পৰিকল্পনা এক গুৰুত্বপূর্ণ দিশ হিচাপে চিহ্নিত হৈছে সেয়ে কেন্দ্ৰীয় চৰকাৰে পৰিয়াল পৰিকল্পনাৰ বাবে 100í অনুদান আগবঢ়াইছিল। পৰৱর্তী পাঁচবছৰ অর্থাৎ 1956 চনৰ পৰা 1961 চনৰ সময়ছোৱাত বন্ধ্যাকৰণ পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়া হৈছিল আৰু পৰৱর্তী পাঁচবছৰত পৰিয়াল পৰিকল্পনাৰ আচনিবোৰত ৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদান কৰা হৈছিল।

1966 চনত সৰু পৰিয়ালৰ আদর্শ নামৰ নতুন জনসংখ্যা নীতিৰ ব্যৱস্থাপনা কৰিবৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয় গঠন কৰা হৈছিল যিয়ে পৰিয়ালত দুটা সন্তান থক নীতিক উৎসাহিত কৰিছিল। ৰঙা ত্ৰিমূর্তি আছিল পৰিয়াল পৰিকল্পনা, স্বাস্থ্য আৰু গর্ভধাৰণ সেৱাৰ প্ৰতীক চিহ্ন। সৰু পৰিয়াল এটাই কেৱল ৰাষ্ট্ৰীয় পর্যায়ত জনসংখ্যা বৃদ্ধিৰ সমস্যাই সমাধান নকৰে, ৰৰঞ্চ ই ব্যক্তিগত পৰিয়ালৰ স্বাস্থ্য আৰু কল্যাণতো ৰৰঙণি যোগায়। ইয়াৰ বাবেই ভাৰতৰ অর্থনৈতিক বৃদ্ধিৰ হাৰ উন্নত হোৱা সত্বেও বৃহৎ সংখ্যক দৰিদ্ৰ লোকৰ বাবে সম্পদৰ ফলপ্ৰসূ বিকাশ হোৱা নাই তথা অর্থনৈতিক বৃদ্ধিৰ হাৰো বহনক্ষম হোৱা নাই। সেয়েহে গুণগত পৰিৱর্তনৰ বাবে

ভাৰত চৰকাৰে অতি শীঘ্রে জনসংখ্যা বৃদ্ধিৰ সমস্যানিৰাময় কৰিব লাগে আৰু লেহেমীয়া জনসংখ্যা বৃদ্ধিৰ নীতি গ্রহণ কৰিব লাগে। জন্মৰ হাৰ নিয়ন্ত্রণ কৰিব লাগে যদিও ধর্ম, সাংস্কৃতিক আৰু আর্থ-সামাজিক অৱস্থা আদিৰ বাবে গ্রামাঞ্চল আৰু চহৰৰ বস্তি অঞ্চলত এই সমস্যা অধিকভাৱে থকা দেখা যায়।

৫.৪ সৰু পৰিয়ালৰ আদর্শৰ প্রকৃতি

সৰু পৰিয়ালৰ আদর্শৰ প্রধান মন্ত্র হ'ল কোনো এখন বিশেষ দেশৰ জনসংখ্যা নিয়ন্ত্রণ কৰা। প্রত্যেক সমাজেই কেতবোৰ নির্দিষ্ট আচৰণৰ আর্হি বিকশিত কৰিব লাগে যিয়ে পৰিয়ালৰ আকাৰত কেতবোৰ আদর্শ গঢ় দিব পাৰে। এই আচৰণৰ আর্হিবোৰ প্রধানতঃ বিবাহ, বিবাহৰ বয়স, লিংগৰ প্রাধান্যতা, মূল্যবোধ আৰু শিশুৰ ভূমিকা আদিৰ ভিত্তিত প্রতিষ্ঠিত হ'ব লাগে যিয়ে স্বয়ংক্রিয়ভাৱে আকাংক্ষিত পৰিয়ালৰ আকাৰৰ আদর্শ প্রতিষ্ঠা কৰিব পাৰিব। পৰিয়াল আকাৰৰ আদর্শৰ দুটা চূড়ান্ত আদর্শ হ'ল কোনো সন্তান নথকাৰ পৰা ভগৱানৰ ইচ্ছা অনুসৰি অত্যধিক সন্তান থকালৈ। আর্থ সামাজিক আৰু স্বাস্থ্যৰ অৱস্থা। বিশেষকৈ মৃত্যুৰ হাৰৰ ভিত্তিত এই দুই চূড়ান্ত সীমাৰ ভিতৰত সমাজভেদে বিভিন্ন পৰিয়ালৰ আদর্শ গ্রহণ কৰা হয়। ব্যক্তিয়ে এখন নির্দিষ্ট সমাজৰ আর্থ-সামাজিক অৱস্থাৰ ভিত্তিত পৰিয়ালৰ আকাৰৰ আদর্শও সলনি কৰিব লাগে। কিন্তু এই সলনি বা পৰিবর্তন স্বতঃস্ফূর্ত নহয় কিয়নো অর্থনৈতিক প্রগতিৰ তুলনাত মানুহৰ আদর্শগত মানদণ্ড আৰু আচৰণৰ আর্হি অধিক লেহেমীয়াকৈ পৰিবর্তন হয়। এই সাংস্কৃতিক ব্যৱধানে ব্যক্তিগত পৰিয়াল আৰু সমাজত দুখ কঢ়িয়াই আনে। প্রত্যেক দেশৰ পৰিয়াল পৰিকল্পনা আঁচনিৰ মূল লক্ষ্যই হ'ল এই ব্যৱধান নোহোৱা কৰা আৰু ব্যক্তিগত পৰিয়ালবোৰক পৰিৱর্তিত পৰিস্থিতিৰ লগত সমযোজিত কৰাত সহায় কৰা যাতে সামগ্রিক আর্থ-সামাজিক প্রগতিৰ ফল অত্যধিক ৰূপত লাভ কৰিব পাৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সৰু পৰিয়ালৰ আদর্শ কি ?

প্রশ্ন নং ২ ঃ ভাৰতৰ পৰিয়াল পৰিকল্পনাৰ ওপৰত এটা টোকা লিখা

প্রশ্ন নং ৩ ঃ সৰু পৰিয়ালৰ আদর্শৰ প্রধান মূলমন্ত্র কি ?

৫.৫ জনসংখ্যা নিয়ন্ত্রণত সৰু পৰিয়ালৰ আদর্শৰ সুবিধা

এটা সৰু পৰিকল্পিত পৰিয়ালৰ বহুতো ভাল দিশ আৰু সুবিধা আছে। পৰিয়াল এটাৰ পৰিকল্পনা উপযুক্ত বয়সত বিবাহৰ পৰা আৰম্ভ হয়। মাতৃ আৰু শিশুৰ স্বাস্থ্যৰ বাবে উপযুক্ত গর্ভধাৰণৰ সময় হ'ল মাতৃৰ বয়স 20 ৰ পৰা 30 Î ৰ ভিতৰত। দুটা শিশুৰ মাজত থকা উপযুক্ত ব্যৱধানে মাতৃৰ শৰীৰৰ সুস্থতা অনাত সহায় কৰে। এতিয়া

আমি জনসংখ্যা নিয়ন্ত্রণত সৰু পৰিয়ালৰ আদর্শৰ কেতবোৰ সুবিধা আলোচনা কৰিব।

১) **মাতৃৰ বাবে সুবিধা ঃ**

- সৰু পৰিয়ালৰ আদর্শই মাতৃৰ স্বাস্থ্য ৰক্ষাত সহায় কৰে।
- অবাঞ্ছিত গর্ভধাৰণৰ ভয় কমোৱাত সহায় কৰে।
- সৰু পৰিয়ালৰ আদর্শই শিশুৰ সংখ্যা কম কৰাত সহায় কৰে আৰু কম সংখ্যক শিশুৱে মাতৃৰ বোজা হ্রাস কৰে।
- শিশুৰ বাবে মাতৃক অধিক শক্তি আৰু সময় প্রদানত ই সহায় কৰে।
- নিজ সন্তানৰ শিক্ষা আৰু বৃত্তিৰ বাবে অধিক সময়ত অতিবাহিত কৰাত এই ধাৰণাই মাকক সহায় কৰে।
- অধিক সংখ্যক শিশুৰ পৰিয়ালৰ সমস্যাৰ পৰা মুক্ত হোৱা বাবে সৰু পৰিয়ালৰ আদর্শই উপযুক্ত বৃত্তিৰ সুবিধা মাতৃক প্রদান কৰিব পাৰে।
- শিশুৰ স্বাস্থ্য ৰক্ষা কৰাত সৰু পৰিয়ালৰ আদর্শই মাতৃক সহায় কৰে।

২) **শিশুৰ সুবিধা ঃ**

- উপযুক্ত দৈহিক আৰু মনোবৈজ্ঞানিক বৃদ্ধি আৰু বিকাশৰ বাবে শিশুৱে উপযুক্ত পৰিৱেশ লাভ কৰে।
- শিশুৱে উপযুক্ত পুষ্টি, শিক্ষা, গর্ভাৱস্থাৰ যত্ন আৰু মৰম লাভ কৰে।

৩) **পিতৃৰ সুবিধা ঃ**

- পিতৃয়ে শিশুক উপযুক্ত শিক্ষা, আৰাম, বস্ত্র, অন্ন আৰু বিনোদন প্রদান কৰিব পাৰে।
- তেওঁ অধিক সন্তোষ আৰু ভাল স্বাস্থ্য উপভোগ কৰিব পাৰে।
- তেওঁ জীৱন ধাৰণ, উপযুক্ত স্বাস্থ্য, জীৱনৰ গুণমান বিকশাই তুলিব পাৰে।

৪) **সম্প্রদায়ৰ বাবে সুবিধা ঃ**

- সৰু পৰিয়ালে প্রাকৃতিক পৰিৱেশ ৰক্ষণাবেক্ষণ আৰু সুৰক্ষিত কৰিব পাৰে।
- সৰু পৰিয়ালৰ আদর্শই উপযুক্ত পৰিমাণৰ বিদ্যালয়, চিকিৎসালয় আৰু অন্যান্য মৌলিক সুবিধাবোৰ ক্ষেত্রত ৰাষ্ট্রক সহায় আগবঢ়ায়।
- সৰু পৰিয়ালে অধিক নিয়োগৰ সুবিধা প্রদান কৰে।
- দেশ এখনৰ মানুহৰ মাজত সৰু পৰিয়ালৰ আদর্শই আনন্দ, শান্তি, সম্প্রীতি আৰু সম্পত্তি প্রদান কৰে।

৫.৬ সৰু পৰিয়ালৰ আদর্শৰ বাধাবোৰ

সৰু পৰিয়ালৰ আদশৰ বিভিন্ন বাধাবোৰ তলত আলোচনা কৰা হ'ল—

১) **ধর্মীয় বাধাবোৰ**

- **পুত্র সন্তানৰ প্রাধান্য ঃ** ভাৰতীয় সমাজত পুত্র সন্তানৰ আকাংক্ষা বা প্রাধান্য গভীৰভাৱে শিপাই থাকে।

ধৰ্মীয়ভাৱে পুত্ৰ সন্তান প্ৰয়োজনীয় কিয়নো এইটো বিশ্বাস কৰা হয় যে আত্মাৰ মুক্তিৰ বাবে শেষ সৎকাৰ পুত্ৰ সন্তানে কৰিব লাগে। পুত্ৰ সন্তান পিতৃ-মাতৃৰ বৃদ্ধ বয়সৰ বাবে বীমা স্বৰূপ।

- **সন্তান ভগৱানৰ দান ঃ** সমাজৰ কোনো কোনো অঞ্চলত ধৰ্মীয় বিশ্বাস আছে যে সন্তান জন্ম দিয়াটো ভগৱানৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল।

২) **জনগাঁথনিৰ বাধাবোৰ**

- **আগতীয়া বিবাহ ঃ** আগতীয়া বিবাহ আমাৰ সমাজত প্ৰচলিত হৈ আছে। বাল্য বিবাহ আমাৰ সকলো সামাজিক সমস্যাৰ লগত জড়িত হৈ আছে যিয়ে ভাৰতবৰ্ষত মহিলাৰ অধিকাৰ নিম্নগামী কৰিছে।
- **পৰিয়াল পৰিকল্পনা পদ্ধতিৰ উপযুক্ত জ্ঞানৰ অভাৱ ঃ** ভাৰতত বিবাহিত দম্পতীৰ মাজত গৰ্ভনিৰোধকৰ প্ৰয়োগ অতি কম। ইয়াৰ অন্তৰালত প্ৰধান কাৰণ হ'ল পৰিয়াল পৰিকল্পনা পদ্ধতিৰ উপযুক্ত জ্ঞানৰ অভাৱ।
- **বৃহৎ পৰিয়াল ব্যৱস্থা ঃ** বহু আগৰ পৰাই বৃহৎ পৰিয়াল ব্যৱস্থাই শিশুৰ যত্ন আৰু লালন পালনৰ বাবে সুবিধা প্ৰদান কৰি আহিছে। দম্পতীয়ে বৃহৎ পৰিয়ালত নিৰাপত্তা অনুভৱ কৰে। ইয়েও সৰু পৰিয়ালৰ আদৰ্শত বাধা প্ৰদান কৰে।

৩) **অৰ্থনৈতিক বাধাবোৰ**

- **জীৱন ধাৰণৰ নিম্ন মানদণ্ড ঃ** সৰু পৰিয়ালৰ আদৰ্শৰ ই হ'ল আন এক বাধা। জীৱন ধাৰণৰ নিম্ন মানদণ্ডই এচাম মানুহক বিনোদনৰ উৎস স্বৰূপে যৌন সম্ভোগ কৰাত উৎসাহ প্ৰদান কৰে।
- **নিম্নগামী কৃষি অৰ্থনীতি ঃ** ভাৰতবৰ্ষত বহু দশক আগৰ পৰাই পৰম্পৰাগত পদ্ধতিৰে কৃষিকাৰ্য চলি আহিছে য'ত দশক আগৰ পৰাই পৰম্পৰাগত পদ্ধতিৰে কৃষিকাৰ্য চলি আহিছে য'ত বহুতো সন্তান এক আশীৰ্বাদস্বৰূপ। যদিও তাৰে কেইটামান শিশু দহৰ পৰা পোন্ধৰ বছৰৰ ওপৰত জীয়াই নাথাকে, তথাপিও কৃষি কাৰ্যৰ কিছুমান কাম নিজ সন্তানৰ দ্বাৰা কৃষকসকলে সম্পাদন কৰে।

৪) **শৈক্ষিক বাধাবোৰ**

- **জনসাধাৰণৰ নিৰক্ষৰতা ঃ** বৃহৎ পৰিয়ালৰ নিসন্দেহ এক গুৰুত্বপূৰ্ণ কাৰক হ'ল জনসাধাৰনৰ নিৰক্ষৰতা। উপযুক্ত সাক্ষৰতা আৰু শিক্ষা অবিহনে জনসাধাৰণে বৰ্ধিত জ্ঞানৰ সুবিধাৰ পৰা সদায় বঞ্চিত হৈ থাকিব। তেওঁলোকে অন্ধবিশ্বাসত বিশ্বাস কৰিব আৰু বৃহৎ পৰিয়ালক কেতিয়াবা ভগৱানৰ আশীৰ্বাদ স্বৰূপে বিশ্বাস কৰিব। তেওঁলোক অদৃষ্টবাদী লোক হৈ পৰিব।
- **ছোৱালীৰ শিক্ষাক অৱহেলা ঃ** ছোৱালীৰ শিক্ষাক অৱহেলা কৰাৰ ফলত সৰু পৰিয়ালৰ আদৰ্শ গ্ৰহণত বিভিন্ন সমস্যাৰ সৃষ্টি হোৱা দেখা যায়। যিহেতু মহিলাসকলৰ শিক্ষাৰ অভাৱত পৰিয়াল পৰিকল্পনাৰ কোনো জ্ঞান নাথাকে সেয়ে ই সৰু পৰিয়ালৰ আদৰ্শৰ সপোন বাস্তৱায়িত কৰিব নোৱাৰে।

৫) **বিনোদনমূলক বাধাবোৰ**

- **বিনোদনৰ উপায়ৰ অসুবিধা ঃ** এক নিৰ্দিষ্ট পৰিমাণৰ লোক বছৰ বছৰ ধৰি উপযুক্ত বিনোদনৰ সুবিধাৰ

পৰা বঞ্চিত হৈ আহিছে। ইয়াৰ বাবে যৌন সম্ভোগক তেওঁলোকে বিনোদনৰ উপায় স্বৰূপে গণ্য কৰে আৰু সৰু পৰিয়ালৰ আদর্শৰ ধাৰণা বিফল কৰি তোলে।

- **অধিক আজৰি সময় ঃ** প্রায় 70í ভাৰতীয় জনসাধাৰণৰ প্রধান বৃত্তি হ'ল কৃষি। কৃষিয়ে ব্যক্তিক গোটেই বছৰ জুৰি নিয়োগৰ সুবিধা প্রদান কৰিব নোৱাৰে। সেয়েহে ব্যক্তিৰ হাতত অধিক আজৰি সময় থাকে । তেওঁলোকে আজৰি সময় অতিবাহিত কৰাৰ আটাইতকৈ সহজ উপায় হ'ল যৌন সম্ভোগ কৰা যিয়ে বৃহৎ পৰিয়াল গঠনত অৰিহণা যোগায়।

  সৰু পৰিয়ালৰ আদর্শৰ বাধাবোৰ নিৰাময়ৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা গ্রহণ কৰিব লাগেসেইবোৰ হ'ল ঃ

- জনসাধাৰণক বিনোদনৰ উপযুক্ত সুবিধা প্রদান কৰিব লাগে যিবোৰ পৰিয়ালৰ অর্থনৈতিক প্রগতিৰ বাবে ফলপ্রসূ হ'ব আৰু সৰু পৰিয়ালৰ আদর্শৰ ৰক্ষণাবেক্ষণ কৰিব।
- আমাৰ দেশৰ দুখীয়া আৰু নিৰক্ষৰ জনসাধাৰণক সৰু পৰিয়ালৰ আদর্শৰ উপযুক্ত কার্যকৰী শিক্ষা প্রদান কৰিব লাগে।
- ইচ্ছাকৃত গর্ভৱতী মহিলাৰ তথ্যবোৰ স্বাস্থ্য কেন্দ্রৰ উপযুক্ত স্থানত প্রদান কৰিব লাগে।
- পৰিয়াল পৰিকল্পনা আচঁনিক জনসাধাৰণৰ আচঁনি স্বৰূপে গণ্য কৰিব লাগে। ইয়ে দম্পতিসকলক পৰিয়াল আকাৰ নির্ধাৰণ কৰাত আৰু দুটা শিশুৰ মাজৰ ব্যৱধন স্থিৰ কৰাত সহায় কৰিব।
- স্বেচ্ছাসেৱী অনুষ্ঠানবোৰৰ ভূমিকা এই ক্ষেত্রত বিশেষ গুৰুত্বপূর্ণ। বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী স্বেচ্ছাসেৱী প্রতিষ্ঠানবোৰে আমাৰ দেশৰ জনসংখ্যা নিয়ন্ত্রণত ফলপ্রসূ আৰু কার্যকৰী ভূমিকা পালন কৰিব লাগে।
- দেশৰ সকলো অঞ্চলতে উৎপাদন বৃদ্ধিৰ বাবে কৃষি কার্যত আধুনিক ফলপ্রসূ পদ্ধতিৰ প্রয়োগ কৰিব লাগে। ইয়ে মানুহৰ জীৱন ধাৰণৰ মান উন্নত কৰিব আৰু পৰোক্ষভাৱে জন্মৰ হাৰ হ্রাসত সহায় কৰিব।
- পৰিকল্পনা আচঁনিৰ বাবে জনসধৰণক শিক্ষিত কৰাৰ কেইটামান পদ্ধতি হ'ল গণ-মাধ্যম, সংগীত, নাটক আৰু সম্প্রসাৰণমূলক শিক্ষা আদি।
- পৰিয়ালৰ আকাৰ সীমাবদ্ধ কৰিবৰ বাবে সমগ্র দেশতে ফলপ্রসূভাৱে পৰিয়াল পৰিকল্পনা কেন্দ্র মুকলি কৰিব লাগে।
- সৰু পৰিয়ালৰ আদর্শ গ্রহণৰ বাবে চৰকাৰে বিভিন্ন উদগনিমূলক আচনিৰ আৰম্ভণি কৰিব লাগে যেনে টকাৰ উদগনি, নিয়োগৰ সুবিধা, বীমাৰ সুবিধা, পদোন্নতি আদি

সামৰণিত ক'ব পাৰি যে পৰিয়ালৰ আকাৰে পৰিয়ালৰ সামগ্রিক কল্যাণ আৰু দেশৰ সুখ আনন্দত প্রভাৱ বিস্তাৰ কৰে। শিশুৰ সুস্থ দেহ-মনৰ বাবে ইয়াৰ প্রভাৱ বিশেষ মন কৰিবলগীয়া। এটা বা দুটা শিশুক লৈ সৰু পৰিয়ালৰ পৰিকল্পনা কৰাই সুখী পৰিয়ালৰ পৰিকল্পনা কৰাক বুজায়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ পৰিয়ালৰ পিতৃৰ বাবে সৰু পৰিয়ালৰ আদর্শৰ সুবিধাবোৰ লিখা।

প্রশ্ন নং ৫ ঃ সৰু পৰিয়ালৰ আদর্শৰ বিনোদনমূলক বাধাবোৰ লিখা।

2 ৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো

- সকলো মানুহে সৰু পৰিয়ালৰ আদর্শ গ্রহণেৰে আমাৰ দেশৰ জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণ নকৰিলে বিশ্বৰ মানদণ্ডৰ তুলনাত আমাৰ দেশৰ গুণমান তলত থাকিব।
- যদি সৰহ সংখ্যাক ভাৰতীয় লোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হ'ব লাগে তেন্তে সকলোৱে সৰু পৰিয়ালৰ আদর্শ গ্রহণ কৰিব লাগিব।
- বর্তমান সময়ত সৰু পৰিয়ালৰ আদর্শ গ্রহণ কৰাটো কেৱল আকাংক্ষাই নহয়, ই প্রয়োজনীয়ও। বৃহৎ পৰিয়াল এটাত জীৱন নির্বাহ কৰাটো এটা কঠিন কাম কিয়নো বস্তুৰ দাম আৰু মানুহৰ প্রয়োজন দুয়োটাই বৃদ্ধি হৈছে।
- সৰু পৰিয়াল এটাই কেৱল ৰাষ্ট্রীয় পর্যায়ত জনসংখ্যা বৃদ্ধিৰ সমস্যাই সমাধান নকৰে, ৰৱঞ্চ ই ব্যক্তিগত পৰিয়ালৰ স্বাস্থ্য আৰু কল্যাণটো ৰৱঙণি যোগায়।
- প্রত্যেক সমাজেই কেতবোৰ নির্দিষ্ট আচৰণৰ আর্হি বিকশিত কৰিব লাগে যিয়ে পৰিয়ালৰ আকাৰত কেতবোৰ আদর্শ গঢ় দিব পাৰে। এই আচৰণৰ আর্হিবোৰ প্রধানত বিবাহ, বিবাহৰ বয়স, লিংগৰ প্রাধান্যতা, মূল্যবোধ আৰু শিশুৰ ভূমিকা আদিৰ ওপৰত প্রতিষ্ঠিত হ'ব লাগে যিয়ে স্বয়ংক্রিয়ভাৱে আকাংক্ষিত পৰিয়ালৰ আকাৰৰ আদর্শ প্রতিষ্ঠা কৰিব লাগিব।
- পৰিয়ালৰ আকাৰৰ আদর্শৰ দুটা চূড়ান্ত আদর্শ হ'ল 'কোনো সন্তান নথকা'ৰ পৰা 'ভগৱানৰ ইচ্ছা অনুসৰি অত্যাধিক সন্তান থকালৈ। আর্থ-সামাজিক আৰু স্বাস্থ্যৰ অৱজ্ঞা বিশেষকৈ মৃত্যুৰ হাৰৰ ভিত্তিত এই দুই চূড়ান্ত সীমাৰ ভিতৰত সমাজভেদে বিভিন্ন পৰিয়ালৰ আদর্শ গ্রহণ কৰা হয়।'
- এটা সৰু পৰিকল্পিত পৰিয়ালৰ বহুতো ভালদিশ আৰু সুবিধা আছে। পৰিয়াল এটাৰ পৰিকল্পনা। উপযুক্ত বয়সত বিবাহৰ পৰা আৰম্ভ হয়। মাতৃ আৰু শিশুৰ স্বাস্থ্যৰ বাবে উপযুক্ত গর্ভধাৰণৰ সময় হ'ল মাতৃৰ বয়স 20 ৰ পৰা 30 বছৰৰ ভিতৰত। দুটা শিশুৰ মাজত থকা উপযুক্ত ব্যৱধানে মাতৃৰ শৰীৰৰ সুস্থতা অনাত সহায় কৰে।
- সৰু পৰিয়ালৰ আদর্শৰ প্রধান বাধাবোৰ হ'ল— পুত্র সন্তানৰ প্রাধান্য, সন্তান ভগৱানৰ দান, আগতীয়া বিবাহ, পৰিয়াল পৰিকল্পনা পদ্ধতিৰ উপযুক্ত জ্ঞানৰ অভাৱ, বৃহৎ পৰিয়াল ব্যৱস্থা, জীৱন ধাৰণৰ নিম্ন মানদণ্ড, নিম্নগামী কৃষি অর্থনীতি, জনাসাধাৰণৰ নিৰক্ষৰতা, ছোৱালীৰ শিক্ষাক অৱহেলা, বিনোদনৰ উপায়ৰ অসুবিধা, অধিক আজৰি সময় ইত্যাদি।

৫.৮ অধিক জানিবলৈ

1] Aggarwal, J.C. (2013). Population Education, New Delhi : Shipra Publications.

2] Akhtar, Parveen R. (2014). Enviornmental and Population Education, Guwahati : Assam Book Depot.

3] Chandel & Nand (2011). Population Education. Agra : Shri Vinod Pustak Mandir.

4] Goswami, Meena Kumari (2013). Environmental Education and Population Education, New Delhi : Asian Books Private Limited.

5] Gupta, P. K. (2005), Population Education, Meerut : R. Lall Book Depot,

6] Kapoor & Kapoor (2013). Population Education. Guwahati : EBH Publishers.

7] Nanda S. K. (2002). Population Education-An Informative Update. Delhi : Doaba House.

8] Rao, V. K. (2001). Population. Delhi : A. P. H. Publishing Corporation.

৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সৰু পৰিয়ালৰ আদর্শই শিশুৰ সংখ্যা নিয়ন্ত্রণ কৰাকে বুজায়। আদর্শ পৰিয়ালৰ আকাৰত জন্মৰ হাৰ আৰু পৰিয়াল নিয়ন্ত্রণৰ পদ্ধতিয়ে বৃহৎ প্রভাৱ বিস্তাৰ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ 1951 চনৰ পৰা আৰম্ভ হোৱা পঞ্চবার্ষিক পৰিকল্পনাত 1952 চনত পোন প্রথমবাৰৰ বাবে ভাৰতবর্ষত জনসংখ্যাৰ নীতি গ্রহণ কৰা হৈছিল। 1951 চনৰ পৰা 1956 চনৰ প্রথম পঞ্চবার্ষিক পৰিকল্পনাত পৰিকল্পনা আয়োগে স্বীকৃতি প্রদান কৰিছিল যে জনসংখ্যা নীতি প্রয়োজনীয় আৰু আইনৰ দৃষ্টিত পৰিয়াল পৰিকল্পনা এক গুৰুত্বপূর্ণ দিশ হিচাপে চিহ্নিত হৈছে। সেয়ে কেন্দ্রীয় চৰকাৰে পৰিয়াল পৰিকল্পনাৰ বাবে 100 i অনুদান আগবঢ়াইছিল। পৰৱর্তী পাঁচ বছৰ অর্থাৎ 1956 চনৰ পৰা 1961 চনৰ সময়ছোৱাত বন্ধ্যাকৰণ পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়া হৈছিল আৰু পৰৱর্তী পাঁচ বছৰত পৰিয়াল পৰিকল্পনাৰ আচনিবোৰক ৰাষ্ট্রীয় স্বীকৃতি প্রদান কৰা হৈছিল। 1966 চনত সৰু পৰিয়ালৰ আদর্শ নামৰ নতুন জনসংখ্যা নীতিৰ ব্যৱস্থাপনা কৰিবৰ বৰে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রালয় গঠন কৰা হৈছিল যিয়ে পৰিয়ালত দুটা সন্তান থকা নীতিক উৎসাহিত কৰা হৈছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ সৰু পৰিয়াল আদর্শৰ মূল মন্ত্র হ'ল কোনো এখন বিশেষ দেশৰ জনসংখ্যা নিয়ন্ত্রণ কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ পৰিয়ালৰ পিতৃৰ বাবে সৰু পৰিয়ালৰ আদর্শৰ সুবিধাবোৰ হ'ল —

- পিতৃয়ে শিশুক উপযুক্ত শিক্ষা, আৰাম, খাদ্য, বস্ত্র আৰু বিনোদন প্রদান কৰিব পাৰে।
- তেওঁ অধিক সন্তোষ আৰু ভাল স্বাস্থ্য উপভোগ কৰিব পাৰে।
- তেওঁ জীৱন ধাৰণ, উপযুক্ত স্বাস্থ্য আৰু জীৱনৰ গুণমান বিকশাই তুলিব পাৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ সৰু পৰিয়ালৰ আদর্শৰ বিভিন্ন বিনোদনমূলক বাধাবোৰ হ'ল—

- বিনোদনৰ উপায়ৰ সুবিধা ঃ এক নিদিষ্ট পৰিমাণৰ লোক বছৰ বছৰ ধৰি উপযুক্ত বিনোদনৰ সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। ইয়াৰ বাবে যৌন সম্ভোগক তেওঁলোকে বিনোদনৰ উপায় স্বৰূপে গণ্য কৰে আৰু সৰু পৰিয়ালৰ আদর্শৰ ধাৰণা বিফল কৰি তোলে।
- অধিক আজৰি সময় ঃ প্রায় 70í ভাৰতীয় জনসাধাৰণৰ প্রধান বৃত্তি হয় কৃষি। কৃষিয়ে ব্যক্তিক গোটেই বছৰ জুৰি নিয়োগৰ সুবিধা প্রদান কৰিব নোৱাৰে। সেয়েহে ব্যক্তিৰ হাতত অফুৰন্ত আজৰি সময় থাকে। তেওঁলোকে আজৰি সময় অতিবাহিত কৰাৰ আটাইতকৈ সহজ উপায় হ'ল যৌন সম্ভোগ কৰা যিয়ে বৃহৎ পৰিয়াল গঠনত অৰিহণা যোগায়।

৫.১০ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ সৰু পৰিয়ালৰ আদর্শ মানে কি ?

প্রশ্ন ২ ঃ সমাজৰ বাবে সৰু পৰিয়ালৰ আদর্শৰ এটা সুবিধা উল্লেখ কৰা।

প্রশ্ন ৩ ঃ সৰু পৰিয়ালৰ আদর্শৰ এটা জনগাঁথনিক বাধা উল্লেখ কৰা

খ) চমু প্রশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সৰু পৰিয়ালৰ আদর্শৰ প্রকৃতিৰ ওপৰত এটা টোকা লিখা।

প্রশ্ন ২ ঃ সৰু পৰিয়ালৰ আদর্শৰ শৈক্ষিক বাধাবোৰ কি কি ?

প্রশ্ন ৩ ঃ সৰু পৰিয়ালৰ আদর্শৰ বাধাবোৰ আতৰ কৰাৰ বাবে চৰকাৰৰ পদক্ষেপসমূহ কি কি ?

গ) দীঘল প্রশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আপোনাৰ মতে বর্তমানেও ভাৰতবর্ষই কিয় সৰু পৰিয়ালৰ আদর্শৰ সপোন বাস্তৱায়িত কৰিব পৰা নাই?

প্রশ্ন ২ ঃ সৰু পৰিয়ালৰ আদর্শৰ সুবিধাবোৰ আলোচনা কৰা।

প্রশ্ন ৩ ঃ ভাৰতৰ প্রেক্ষাপটত সৰু পৰিয়ালৰ আদর্শৰ ওপৰত এখন ৰছনা লিখা।

*** ***** ***

অধ্যায় ৬ঃ প্রাথমিক আৰু মাধ্যমিক শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম

অধ্যায় গাঁথনি

6.1 শৈক্ষিক উদ্দেশ্য
6.2 পৰিচয়
6.3 জনসংখ্যা শিক্ষা আৰু প্রাথমিক পর্যায়ৰ শিক্ষা
6.4 প্রাথমিক শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰ
6.5 প্রাথমিক শিক্ষাৰ পর্যায়ত জনসংখ্যা শিক্ষা অন্তর্ভুক্তিৰ কাৰণবোৰ
6.6 প্রাথমিক শিক্ষাৰ পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম
6.7 প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষা অন্তর্ভুক্তিৰ সমস্যাবোৰ
6.8 জনসংখ্যা শিক্ষা আৰু মাধ্যমিক শিক্ষা পর্যায়
6.9 মাধ্যমিক শিক্ষাৰ পর্যায়ত জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰ
6.10 মাধ্যমিক শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ প্রয়োজনীয়তা
6.11 মাধ্যমিক শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম
6.12 মাধ্যমিক বিদ্যালয়ৰ বিভিন্ন বিষয়ৰ দ্বাৰা জনসংখ্যাৰ ধাৰণাৰ সংহতকৰণ
6.13 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
6.14 অধিক জানিবলৈ
6.15 অগ্রগতিৰ খতিয়ান
6.16 আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্রাথমিক আৰু মাধ্যমিক পর্যায়ৰ শিক্ষাত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ বিষয়ে জানিব পাৰিব
- প্রাথমিক আৰু মাধ্যমিক শিক্ষা পর্যায়ৰ জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰ চিনাক্তকৰণ কৰিব পাৰিব
- প্রাথমিকৰ পৰা মাধ্যমিক শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ অন্তর্ভুক্তিৰ বিভিন্ন কাৰণবোৰ জানিব পাৰিব
- প্রাথমিক আৰু মাধ্যমিক শিক্ষা পর্যাযত জনসংখ্যা শিক্ষাৰ বিভিন্ন দিশবোৰ জানিব পাৰিব
- প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষা অন্তর্ভুক্তিৰ সমস্যাবোৰ বিশ্লেষণ কৰিব পাৰিব আৰু
- মাধ্যমিক শিক্ষাৰ বিভিন্ন বিষয়বোৰত জনসংখ্যাৰ ধাৰণা সংহতকৰণৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম বুলিলে শিক্ষানুষ্ঠানে প্রদান কৰা সেই সকলোবোৰ কার্যসূচী আৰু অভিজ্ঞতাৰ সমষ্টিকে বুজায় যিবোৰৰ জৰিয়তে নির্দিষ্ট শিক্ষাস্তৰৰ জনসংখ্যা শিক্ষাৰ শৈক্ষিক উদ্দেশ্যত উপনীত হ'ব পৰা যায়। জনসংখ্যা শিক্ষা বাল্যকালত প্রদান কৰা হয় আৰু এই কালছোৱাক শক্তিশালীকৰণ স্তৰ ৰূপত জনা যায়। যিহেতু এই স্তৰৰ ল'ৰা-ছোৱালীবোৰ কণ কণ আৰু বর্ধিত, সেয়েহে পাঠ্যক্রম সিহঁতৰ বয়স, প্রয়োজনীয়তা, আগ্রহ, বৃদ্ধি আৰু বিকাশ অনুযায়ী প্রস্তুত কৰিব লাগে। একেদৰে মাধ্যমিক শিক্ষা হৈছে দ্বিতীয় আনুষ্ঠানিক শিক্ষাৰ স্তৰ আৰু সেই শিক্ষা স্তৰৰ পিছত অধিকাংশ ব্যক্তিয়ে শিক্ষা এৰি দিয়ে আৰু পৰিয়াল জীৱনত প্রৱেশ কৰে। সেয়ে এইলোকসকলৰ বাবে মাধ্যমিক শিক্ষা পর্যায়ত জনসংখ্যা প্রদান কৰাটো অতি গুৰুত্বপূর্ণ। ইয়াত আমি প্রাথমিক আৰু মাধ্যমিক পর্যায়ত জনসংখ্যা শিক্ষা; দুয়োটা শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ উদ্দেশ্য প্রাথমিকৰ পৰা মাধ্যমিক পর্যায়ৰ শিক্ষাত জনসংখ্যা শিক্ষা অন্তর্ভুক্তিকৰণৰ বিভিন্ন কাৰণবোৰ আৰু বিদ্যালয় শিক্ষাৰ দুয়োটা পর্যায়ৰ জনসংখ্যা শিক্ষাৰ বিভিন্ন দিশবোৰৰ বিষয়ে আলোচনা কৰিম। আমি ইয়াত আকৌ মাধ্যমিক শিক্ষাৰ বিভিন্ন বিষয়ৰ দ্বাৰা জনসংখ্যা শিক্ষাৰ ধাৰণা সংহতকৰণৰ বিষয়েও আলোচানা কৰিম।

৬.৩ জনসংখ্যা শিক্ষা আৰু প্রাথমিক পর্যায়ৰ শিক্ষা

সাধাৰণতে প্রাথমিক শিক্ষাই শিশুৰ 6ৰ পৰা 11 বছৰ বয়সক সামৰি লয়। মূল্যবোধ আৰু মনোভাৱৰ বিকাশৰ বাবে এই সময়ছোৱা অতি গুৰুত্বপূর্ণ। যদিও এই স্তৰত বিকশিত হোৱা মূল্যবোধ আৰু মনোভাৱ ভৱিষ্যৎ জীৱনত সলনি হয়, কিন্তু তথাপিও প্রাথমিক সংলক্ষণবোৰ একেই থাকে। এই স্তৰত শিশুসকলে স্থানীয় পৰিৱেষ্টনীৰ মাজত থাকে সেয়েহে জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰ নির্ধাৰণ কৰাৰ বেলিকা এই স্তৰৰ শিশুৰ বৈশিষ্ট্যবোৰ মনত ৰখা উচিত।

প্রাথমিক শিক্ষাৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ ক্ষেত্রত টি বি মেহতা (T. B. Mehta) আৰু বি এচ পৰখে (B S Parakh) মত পোষণ কৰে যে এই স্তৰত অন্তর্ভুক্ত কৰিব লাগে। সৰু পৰিয়াল সুখী পৰিয়ালৰ দৰে ধাৰণাবোৰত গুৰুত্ব প্রদান কৰিব লাগে। আমাৰ দৰে এই ডাঙৰ দেশখনত যদি প্রতিজন ব্যক্তিক অন্ন, বস্ত্র আৰু বাসস্থানৰ মৌলিক প্রয়োজনবোৰ প্রদান কৰিব লাগে তেন্তে আমাৰ সীমিত সম্পদবোৰ শেষ হৈ যাব। শিশুৰ মনত এইবোৰ ৰোপন কৰিব লাগে।

৬.৪ প্রাথমিক শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰ ঃ

প্রাথমিক পর্য্যায়ৰ শিক্ষাৰ শিশুসকলৰ বৈশিষ্টবোৰৰ ভিত্তিত গঠন কৰা প্রাথমিক শিক্ষা পর্যায়ৰ জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰ হ'ল—

- পৰিয়াল আৰু স্থানীয় পৰিৱেশৰ বৰ্ধিত জনসংখ্যাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি কৰা।
- সৰু পৰিয়াল আৰু সুখী পৰিয়ালৰ মাজৰ সমন্বয়ৰ বিষয়ে বোধজ্ঞান বৃদ্ধি কৰা।
- জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা সমস্যাবোৰৰ বিষয়ে সজাগতা বৃদ্ধি কৰা
- পৰিয়ালৰ প্ৰতি শিশুসকলৰ দায়িত্বৰ বিষয়ে সজাগতা বৃদ্ধি কৰা
- তলত দিয়া বিষয়বোৰৰ মাজত সমন্বয়ৰ বোধজ্ঞান বৃদ্ধি কৰা

  (i) জনসংখ্যা বৃদ্ধি আৰু জীৱন-ধাৰণৰ মানদণ্ড

  (ii)জনসংখ্যা বৃদ্ধি আৰু অৰ্থনৈতিক বিকাশ

  (iii) জনসংখ্যা বৃদ্ধি আৰু পৰিৱেশ

  (iv) জনসংখ্যা বৃদ্ধি আৰু পৰিয়াল আৰু স্থানীয় জনসাধাৰণৰ স্বাস্থ্য আৰু পুষ্টি।
- পৰিয়াল ওচৰ-চুবুৰীয়া আৰু গাঁৱৰ জনসংখ্যাৰ লগত সমন্বিত প্ৰাসংগিক তথ্য সংগ্ৰহকৰণৰ দক্ষতা ছাত্ৰ-ছাত্ৰীৰ মাজত বৃদ্ধি কৰা।
- মানুহৰ মৌলিক প্ৰয়োজনবোৰৰ বোধজ্ঞাৱ বৃদ্ধি কৰা।
- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা বৰ্ধিত জনসংখ্যা আৰু সুবিধা নিম্নগামী হোৱাৰ বিষয়ে বোধজ্ঞান বৃদ্ধি কৰা।
- জীৱন্ত প্ৰাণীৰ পুনৰ উৎপাদন প্ৰক্ৰিয়াৰ বিষয়ে মৌলিক জ্ঞান প্ৰদান কৰা।
- স্বাস্থ্য আৰু স্বাস্থ্য বিজ্ঞানৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ মাজত সুস্থ অভ্যাস বিকশাই তোলা
- পুষ্টিকৰ খাদ্যৰ বিষয়ে বোধজ্ঞান বৃদ্ধি কৰা।
- জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱৰ বিষয়ে বোধজ্ঞান বৃদ্ধি কৰা।
- জনসংখ্যা বৃদ্ধিৰ প্ৰতিকাৰৰ বিষয়ে বোধজ্ঞান বৃদ্ধি কৰা
- সুনাগৰিক এজনৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে সজাগতা বৃদ্ধি কৰা।
- শিশুসকলৰ মাজত যৌক্তিক মনোভাৱ বিকশাই তোলা।
- শিশুসকলৰ মৌলিক অধিকাৰৰ বিষয়ে বোধজ্ঞান বিকশাই তোলা।

ৱ অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্ৰমৰ ক্ষেত্ৰত মেহতা আৰু পৰখৰ মতামত উল্লেখ কৰক।

প্ৰশ্ন নং ২ ঃ প্ৰাথমিক পৰ্যায়ৰ শিক্ষাত জনসংখ্যা শিক্ষাৰ দুটা উদ্দেশ্য লিখক।

৬.৫ প্রাথমিক শিক্ষাৰ পর্যায়ত জনসংখ্যা শিক্ষা অন্তর্ভুক্তিৰ কাৰণবোৰ

এটা জনপ্রিয় পংক্তি হ'ল 'ভাল আৰম্ভণিয়ে অর্ধ কাম সমাধা কৰে'। সমগ্র বিশ্বৰ মানুহৰ বাবে প্রথম আনুষ্ঠানিক শিক্ষা হ'ল প্রাথমিক শিক্ষা। যদি প্রাথমিক পর্যায়ৰ শিক্ষাৰ পৰা জনসংখ্যা শিক্ষা প্রদান কৰা হয় তেন্তে জীৱনৰ আৰম্ভণিৰ পৰাই শিশুসকলৰ মাজত জনসংখ্যাৰ বিষয়ে সজাগতা সৃষ্টি হ'ব। প্রাথমিক পর্যায়ৰ শিক্ষাৰ পৰা জনসংখ্যা শিক্ষাৰ আৰম্ভণিৰ সপক্ষে বিভিন্ন যুক্তি আছে। ইয়াৰে কেতবোৰ তলত উল্লেখ কৰা হ'ল—

- **বৃহৎ সংখ্যক ছাত্র-ছাত্রী ঃ** বৃহৎ সংখ্যক ছাত্র-ছাত্রী (প্রায় সকলো)য়ে সিহঁতৰ জীৱনৰ প্রথম মৌলিক শিক্ষা বাধ্যতামূলকভাৱে প্রাথমক বিদ্যালয়ত লাভ কৰে। যদি প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষাৰ মৌলিক ধাৰণাবোৰা অন্তর্ভুক্ত কৰা হয় তেন্তে জনসংখ্যা শিক্ষাৰ বিষয়ে অলপ হ'লেও শিশুসকলে জানিব পাৰিব। এই পর্যায়ত শিশুসকলৰ মনত জীৱন আৰু সামাজিক মূল্যবোধৰ বিভিন্ন গুৰুত্বপূর্ণ মনোভাৱ গঢ়ি উঠে। আকৌ এয়া পর্যবেক্ষণ কৰিব পাৰি যে প্রাথমিক শিক্ষাগ্রহণৰ পিছত বেছিভাগ ছাত্র-ছাত্রীয়ে বিভিন্ন ব্যক্তিগত আৰু সামাজিক সমস্যাৰ বাবে মাধ্যমিক শিক্ষা শেষ নকৰে। সেয়ে প্রাথমিক শিক্ষাৰ পর্যায়ত জনসংখ্যা শিক্ষাৰ অলপ হ'লেও শিক্ষা লাভৰ সুবিধা প্রদান কৰাটো ফলদায়ক চিন্তা।
- **শিক্ষা এৰাসকলৰ বাবে নিম্নতম সুবিধা ঃ** মাধ্যমিক শিক্ষাৰ তুলনাত প্রাথমিক পর্যায়ৰ শিক্ষাত শিক্ষা এৰা লোকৰ হাৰ বেছি। যিসকল ব্যক্তিয়ে প্রাথমিক শিক্ষাৰ পিছত বিদ্যালয় এৰে সেইসকলে প্রাথমিক শিক্ষাত অন্তর্ভুক্ত কৰা জনসংখ্যা শিক্ষাৰ পৰা উপকৃত হ'ব পাৰে। এই শিক্ষাৰ যোগে তেওঁলোকে জীৱনৰ গুণমানৰ ওপৰত জনসংখ্যা বৃদ্ধিৰ প্রভাৱৰ বিষয়ে জানিব পাৰিব।
- **সহজে অন্তর্ভুক্তিকৰণ ঃ** প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষাৰ বিষয়বোৰ অতি সহজে অন্তর্ভুক্ত কৰিব পাৰি। ই সহজ কাৰণ প্রাথমিক শিক্ষাৰ একেটা শ্রেণীত পাঠ্যক্রমৰ ভিন্নমুখিতা নাথাকে। আমি প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত অত্যাধিক বিষয়ৰ হেঁচা নাই বাবেও অন্তর্ভুক্ত কৰাটো সহজ।
- **বৃহৎ উদ্দেশ্য লাভৰ বাবে ভেঁটি ঃ** প্রাথমিক শিক্ষাক জনসংখ্যা শিক্ষৰ বৃহৎ উদ্দেশ্য লাভৰ বাবে ভেঁটি স্বৰূপে বিবেচনা কৰা হয়। এই ক্ষেত্রত ড^{0} এণ্ডাৰচনে মত পোষণ কৰিছিল যে 7 বা 8 বছৰৰ পৰা আৰম্ভ হোৱা প্রাথমিক শিক্ষাৰ ছাত্র-ছাত্রীসকলে জন্মৰ হাৰ মৃত্যুৰ হাৰ আৰু জনসংখ্যা বৃদ্ধিৰ হাৰৰ বিশেষ মনোযোগেৰে নিজ দেশৰ জনসংখ্যাৰ বৃদ্ধিৰ গাথনি বুজি উঠিব লাগে। আকৌ অধ্যাপক জয়সূর্যই মত দিছিল যে প্রাথমিক পর্যায়ত বৃহৎ উদ্দেশ্য লাভৰ গুৰুত্বপূর্ণ ভেটি গঢ়ি তুলিব পাৰি। তেওঁৰ মতে, জনসংখ্যাৰ লগত সমন্বিত কেতবোৰ গুৰুত্বপূর্ণ তথ্যৰ দ্বাৰা প্রাথমিক শিক্ষা পর্যায়ত প্রদান কৰা জনসংখ্যাৰ জ্ঞান সীমাবদ্ধ হ'ব লাগে।
- **শুদ্ধ ধাৰণাৰ বাবে শুদ্ধ সময় ঃ** জনসংখ্যা শিক্ষাৰ শুদ্ধ ধাৰণা লাভৰ বাবে প্রাথমিক শিক্ষা হৈছে শুদ্ধ সময় বা কাল। প্রাথমিক পর্যায়ৰ শিক্ষাত অতি সহজ ধাৰণা যেনে— পৰিয়ালৰ আকাৰ আৰু সুখী পৰিয়াল জীৱনৰ মানদণ্ড আদি শিকাব লাগে। আকৌ প্রাথমিক শিক্ষাৰ ছাত্র-ছাত্রীসকলক শিক্ষকে সৰু পৰিয়াল সুখী পৰিয়ালৰ ধাৰণাও শিকাব লাগে। আকৌ ছাত্র-ছাত্রীসকলে সৰু পৰিয়াল আৰু ডাঙৰ পৰিয়ালৰ উপকাৰিতাবোৰৰ পার্থক্যবোৰ উলিয়াব পাৰিব লাগে।

- **শিশু হ'ল ভৱিষ্যতৰ নাগৰিক ঃ** প্রাথমিক বিদ্যালয়ৰ বর্তমানৰ শিশুসকল হ'ল আমাৰ দেশৰ ভৱিষ্যতৰ দয়িত্বশীল নাগৰিক। ভৱিষ্যতৰ দায়িত্বশীল নাগৰিক কৰি সিহঁতক গঢ়ি তুলিবৰ বাবে আমাৰ দেশৰ বিভিন্ন বিচার্য বিষয়বোৰৰ জ্ঞান প্রদান কৰিব লাগে আমাৰ দেশৰ তেনে এক বিচার্য বিষয় হ'ল জনসংখ্যা সম্বন্ধীয় সমস্যা। সেয়ে শিশুসকলক সিহঁতৰ শিক্ষা জীৱনৰ আৰম্ভণিৰ পৰা জনসংখ্যা শিক্ষাৰ জ্ঞান প্রদান কৰিব লাগে।
- **পৰীক্ষাৰ কম হেঁচা ঃ** শিক্ষাৰ আন পর্যায়ৰ তুলনাত প্রাথমিক শিক্ষা পর্যায়ত পৰীক্ষাৰ হেঁচা কম। সেয়ে বিভিন্ন বিষয় যেনে ভাষা আৰু সমাজ অধ্যয়নৰ যোগেদি জনসংখ্যা শিক্ষাৰ সৰু বিষয়ৰ তথ্য অতি সহজে শিকাব পাৰি। ইয়াৰ বাবে প্রাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ কল্পনা আৰু বোধজ্ঞান প্রয়োজনীয়। বিজ্ঞান, গণিত আদি বিষয় শিকাওঁতেও শিক্ষকসকলে জনসংখ্যাৰ লগত সম্বন্ধিত ধাৰণা স্পর্শ কৰিব লাগে।
- **শৈক্ষিক জখলাৰ ভেঁটি ঃ** প্রাথমিক পর্যায়ৰ শিক্ষাক সমগ্র শৈক্ষিক উন্নতিৰ ভেঁটি স্বৰূপে জনা যায়। সমগ্র বিশ্বৰ শিক্ষাবিদসকলে মত পোষণ কৰে যে বিদ্যালয়, মহবিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষা অন্তর্ভুক্ত কৰিব লাগে। প্রাথমিক শিক্ষাক ভেটি হিচাপে স্বীকৃতি প্রদান কৰা বাবে প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষাৰ আৰম্ভণি কৰিব লাগে।
- **অসন্তুষ্টিৰ বীজ ৰোপণ ঃ** প্রাথমিক পর্যায়ৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ বিষয়বোৰে কণ কণ শিশুৰ মাজত এনে মনোভাৱ সৃষ্টি কৰিব লাগে যিয়ে নিজ পৰিয়ালৰ জনসংখ্যা বৃদ্ধিৰ বাবে দায়বদ্ধ পিতৃ-মাতৃ আৰু আনৰ বাবে অসন্তুষ্টি বিয়পাব পাৰে। এই স্তৰত এই শিক্ষা সৰলভাৱে উপস্থাপন কৰিব লাগে যাতে সিহঁতৰ মাজত অসন্তুষ্টিৰ বীজ ৰোপন হয়।

৬.৬ প্রাথমিক শিক্ষাৰ পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম

ব্যক্তিৰ জীৱনৰ প্রথম আনুষ্ঠানিক শিক্ষা স্বৰূপ জনসংখ্যা শিক্ষাক জনা যায়। এই শিক্ষাৰ শিশুসকলৰ বয়সৰ সীমা হ'ল 6ৰ পৰা 12û13 Âবছৰ। সেয়ে এই দলৰ শিশুসকলৰ বাবে পাঠ্যক্রম প্রস্তুতকৰণৰ বেলিকা বিশেষ মনোযোগ দিব লাগে। এই ক্ষেত্রত শিশুসকলৰ আগ্রহ, মনোভাৱ, প্রয়োজন, আকাংক্ষা, বৃদ্ধি আৰু বিকাশত বিশেষ গুৰুত্ব দিব লাগে। প্রাথমিক পর্যায়ৰ শিক্ষাত তলত দিয়া দিশবোৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ বাবে অন্তর্ভুক্ত কৰিব লাগে।

১) **সামাজিক জীৱন**

- জনসংখ্যা বৃদ্ধিৰ দ্বাৰা সৃষ্ট সামাজিক কাৰণবোৰ।
- জনসংখ্যা বৃদ্ধি আৰু অন্ধবিশ্বাসবোৰ
- জনসংখ্যা বৃদ্ধি আৰু জীৱন ধাৰণৰ মানদণ্ড
- জনসংখ্যা বৃদ্ধি আৰু সামাজিক অনৈক্য
- জনসংখ্যা বৃদ্ধিৰ লগত জড়িত ভাৰতৰ মগনীয়াৰ সমস্যা।

- জনসংখ্যা বৃদ্ধি আৰু অনুশাসনহীনতা।
- সোনকালে হোৱা বিবাহৰ সামাজিক জীৱনত দ্ৰুত জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ।
- ব্যক্তিৰ আৰ্থ-সামাজিক জীৱনত দ্ৰুত জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ।

২) **অৰ্থনৈতিক জীৱন**

- জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা খাদ্য সমস্যা
- জনসংখ্যা বৃদ্ধি আৰু জনমুৰি আয়ৰ হ্ৰাস
- জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা নিবনুৱাৰ সমস্যা।
- জনসংখ্যা বৃদ্ধিৰ বাবে নিত্য ব্যৱহাৰ্য্য বস্তুৰ অভাৱ।
- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা মহিলাৰ কৰ্ম সংস্থাপনৰ সমস্যা।
- উৎপাদনৰ উপায়ৰ অভাৱ আৰু মানুহৰ বৃহৎ দাবী।

৩) **পৰিৱেশ**

- জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা বায়ু প্ৰদূষণ।
- জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা জল প্ৰদূষণ।
- জনসংখ্যা বিস্ফোৰণে সৃষ্টি কৰা ভূমি প্ৰদূষণ।
- জনসংখ্যা বিস্ফোৰণে সৃষ্টি কৰা শব্দ প্ৰদূষণ
- জনসংখ্যা বিস্ফোৰণে সৃষ্টি কৰা প্ৰাকৃতিক দুৰ্যোগ আৰু বিপদ।
- জনসংখ্যা বৃদ্ধি আৰু ভূমি, পানী, বায়ু আৰু শব্দ প্ৰদূষণত ইয়াৰ প্ৰভাৱ, বনানী ধ্বংসকৰণ, মাটি খহনীয়া আৰু বন্য জীৱনৰ ভাবুকি।

৪) **পৰিয়াল জীৱন**

- পৰিয়াল জীৱনত পিতৃ-মাতৃৰ ভূমিকা।
- জনসংখ্যা বৃদ্ধি আৰু বিবাহ।
- জনসংখ্যা বৃদ্ধি আৰু পুনৰ বিবাহ
- জনসংখ্যা বৃদ্ধি আৰু সাৰ্বজনীন বিবাহ
- জনসংখ্যা বৃদ্ধি আৰু ভুল ধাৰণা 'শিশু ভগৱানৰ দান'ৰ সম্বন্ধ।
- জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা পাৰিবাৰিক দুশ্চিন্তা।
- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা প্ৰেম, যত্ন আৰু ভালপোৱাৰ অভাৱ।
- জনসংখ্যা বৃদ্ধি আৰু জীৱন ধাৰণৰ নিম্ন মানদণ্ড।
- পৰিয়ালৰ লিংগ সমতা আৰু 'ছোৱালীও ল'ৰাৰ সমানে গুৰুত্বপূৰ্ণ' ধাৰণাৰ অনুসৰণ।
- উন্নত গুণগত জীৱনৰ বাবে সৰু পৰিয়ালৰ মানদণ্ড।

৫) **স্বাস্থ্য**

- বিভিন্ন ৰোগসমূহ আৰু জনসংখ্যা বৃদ্ধি।

- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা নিম্ন মানদণ্ডৰ চিকিৎসা সেৱা।
- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা ঔষধৰ অভাৱ।
- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা চিকিৎসকৰ অভাৱ।
- পৰিস্কাৰ-পৰিচ্ছন্নতো, বিশুদ্ধ খোৱা পানী, সুষম আহাৰ, স্বাস্থ্য সুবিধা।
- মাতৃৰ স্বাস্থ্য, শিশুৰ স্বাস্থ্য, শিশুৰ কম সংখ্যা।

৬) **পুষ্টি**

- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা নিম্ন মানদণ্ডৰ খাদ্য।
- জনসংখ্যা বৃদ্ধি আৰু ভেজাল খাদ্য।
- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা সুষম খাদ্যৰ অভাৱ।
- জনসংখ্যা বৃদ্ধি আৰু বৰ্ধিত ক্ষুধা।

৭) **শৈক্ষিক জীৱন**

- জনসংখ্যা বৃদ্ধি আৰু নিম্ন মানদণ্ডৰ শিক্ষা।
- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা শ্ৰেণীকোঠাৰ অত্যাধিক ভিৰ।
- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা বিদ্যালয় মহাবিদ্যালয়ৰ অভাৱ।
- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা শিক্ষকৰ অভাৱ।

৮) **জনবিন্যাসমূলক অভাৱ**

- জনসংখ্যা গতিশীলতা।
- স্থানীয় আৰু ৰাষ্ট্ৰীয় স্তৰত জনসংখ্যাৰ আকাৰ, গঠন আৰু উপাদানসমূহ।
- জনসংখ্যা বৃদ্ধিৰ কাৰণবোৰ আৰু পৰিণতিসমূহ।
- গ্ৰাম্য আৰু চহৰাঞ্চলত প্ৰব্ৰজনৰ প্ৰভাৱ।

কণ কণ শিশুসকলক জনসংখ্যা শিক্ষাৰ জ্ঞান প্ৰদানৰ বাবে ওপৰত উল্লেখ কৰা দিশবোৰৰ বিষয়বোৰ অন্তৰ্ভুক্ত কৰিব লাগে। জনসংখ্যা শিক্ষাৰ জ্ঞানৰ প্ৰয়োগ কৰি প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰে ছাত্ৰসকলক উপকৃত কৰিব লাগে।

প্ৰাথমিক বিদ্যালয়ৰ বিভিন্ন বিষয়বোৰৰ যোগেদি জনসংখ্যা শিক্ষা শিকাব পাৰি। যেনে—

(i) ভাষা ঃ মাতৃভাষা, স্থানীয় আৰু জাতীয় ভাষাৰ মাধ্যমেৰে ঘটনা, ৰচনা আৰু কবিতাৰ যোগে জনসংখ্যা শিক্ষা প্ৰদান।

(ii) সমাজ অধ্যয়ন ঃ ইয়াত জনসংখ্যাৰ পৰিসংখ্যা আৰু আৰ্থ-সামাজিক বিকাশত জনসংখ্যাৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা হয়।

(iii) গণিত ঃ শতাংশ আৰু ৰেখাচিত্ৰৰ সহায়ত জনসংখ্যাৰ বৃদ্ধিৰ বিষয়ে ছাত্ৰ ছাত্ৰীক সজাগ কৰা।

(iv) বিজ্ঞান ঃ ইয়াৰ যোগে উৰ্ৰৰতাৰ সমস্যা, পুনৰ উৎপাদন, পৰিয়াল পৰিকল্পনা, স্বাস্থ্য বিজ্ঞানৰ সমস্যাবোৰ শিকোৱা হয়।

৬.৭ প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষা অন্তর্ভুক্তিৰ সমস্যাবোৰ

প্রাথমিক পর্যায়ৰ শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষা অন্তর্ভুক্তিৰ বেলিকা শিক্ষকসকলে বহুতো সমস্যাৰ সন্মুখীন হয়। এই সমস্যাবোৰ তলত উল্লেখ কৰা হ'ল—

- এই স্তৰত জনসংখ্যা শিক্ষাৰ বহুতো ধাৰণাৰ অন্তর্ভুক্তিকৰণত জটিলতাই দেখা দিয়ে।
- এই স্তৰত, ছাত্র-ছাত্রীৰ বয়স আৰু কম বুদ্ধিৰ পর্যায়ৰ বাবে জনসংখ্যা শিক্ষাৰ ধাৰণাবোৰ অধিক সৰলীকৰণৰ দ্বাৰা বাধাপ্রাপ্ত হয়।
- কম বয়সত লাভ কৰা জনসংখ্যা শিক্ষাই ব্যক্তিৰ পৰৱর্তী জীৱনত সিদ্ধান্ত গ্রহণ আৰু পুনৰ উৎপাদনমূলক আচৰণত প্রভাৱ পেলোৱাৰ কোনো প্রমাণ নাই। বৃহৎ সংখ্যক ছাত্র-ছাত্রীয়ে প্রাথমিক শিক্ষা শেষ নহওঁতেই শিক্ষানুষ্ঠান এৰি দিয়ে আৰু তেওঁলোক বিদ্যালয়ত থকাৰ বয়স আৰু পুনৰ উৎপাদনৰ বয়সৰ মাজত এক বৃহৎ ব্যৱধান থাকে যিয়ে তেওঁলোকৰ জ্ঞানক অর্থহীন কৰি তোলে।
- প্রাথমিক পর্যায়ৰ শিক্ষাৰ শিশুসকলে সৰু পৰিয়ালৰ আদর্শৰ তাৎপর্য বুজিব নোৱাৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ প্রাথমিক বিদ্যালয়ৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষা অন্তর্ভুক্ত কৰাটো কিয় সহজ ?

প্রশ্ন নং ৪ ঃ প্রাথমিক শিক্ষাৰ পাঠ্যক্রমৰ পৰিয়াল জীৱনৰ বিষয়বোৰ লিখক।

প্রশ্ন নং ৫ ঃ প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষা অন্তর্ভুক্তিৰ দুটা সমস্যা উল্লেখ কৰক।

৬.৮ জনসংখ্যা শিক্ষা আৰু মাধ্যমিক শিক্ষা পর্যায়

মাধ্যমিক পর্যায়ৰ শিক্ষাৰ ছাত্র-ছাত্রীসকল সাধাৰণতে কিশোৰ-কিশোৰী হয়। মানৱ জীৱনৰ ই আটাইতকৈ জটিল সময়। এই স্তৰৰ ছাত্র-ছাত্রীসকল অধিক পৰিপক্ক আৰু বর্ধিত। শিক্ষার্থীসকলৰ বৃদ্ধি আৰু বিকাশ, বয়স, পৰিপক্কতা আৰু আগ্রহৰ ভিত্তিত মাধ্যমিক স্তৰৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম প্রস্তুত আৰু গঠন কৰিব লাগে। যিহেতু এই স্তৰত কৈশোৰ কালৰ আৰম্ভণি হয় সেয়ে পাঠ্যক্রম প্রস্তুত কৰোতে বহুতো দিশৰ ওপৰত গুৰুত্ব দিব লাগে। এই সময়ত শিশুৱে জীটল আৰু অৱস্থান্তৰ কালৰ মাজেৰে গতি কৰে। সেয়ে জনসংখ্যা শিক্ষা প্রদানৰ ক্ষেত্রত শিক্ষক আৰু পিতৃ-মাতৃৰ পৰা নির্দেশনা আৰু পৰামর্শদানৰ প্রয়োজন হয়। মাধ্যমিক শিক্ষাৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম কেৱল শিক্ষকৰ বাবেই নহয়, পিতৃ-মাতৃৰ বাবেও গুৰুত্বপূর্ণ। ই জনসংখ্যা শিক্ষা আৰু যৌন শিক্ষা, জনসংখ্যা শিক্ষা আৰু পৰিয়াল পৰিকল্পনা শিক্ষাৰ মাজত থকা বিশৃংখলতা নোহোৱা কৰিব।

মাধ্যমিক শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষা অন্তর্ভুক্তিকৰণৰ বেলিকা টি এচ মেহতা আৰু বি এচ পৰখে মত প্রকাশ কৰিছিল যে ভূগোল, পৌৰবিজ্ঞান, সমাজ অধ্যয়ন, সাধাৰণ বিজ্ঞান, জীৱ বিজ্ঞান আদি বিষয়ৰ যোগেদি জনসংখ্যা শিক্ষা প্রদান কৰিব লাগে। জনসংখ্যা শিক্ষাৰ বিধিপুথি প্রস্তুত কৰিব লাগে। জনসংখ্যা

গতিশীলতা আৰু সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক প্ৰতিধ্বনি হোৱাকৈ বিশেষ শিকণীয় গোট বিধিপুথিত ৰাখিব লাগে। গ্ৰাফিক্সৰো ব্যৱহাৰ কৰিব লাগে। দশম, একাদশ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক জনসংখ্যা বিষয়ক চিনেমাও দেখুৱাব লাগে। মাধ্যমিক শিক্ষাৰ ছাত্ৰ-ছাত্ৰীয়ে এইবোৰৰ মূল্য বুজি পায়।

৬.৯ মাধ্যমিক শিক্ষাৰ পৰ্যায়ত জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰ

মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰৰ ভিত্তিত মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্ৰম নিৰ্ধাৰণ কৰা হয়। এই উদ্দেশ্যবোৰ হ'ল—

- দেশ আৰু বিশ্বৰ জনসংখ্যা পৰিস্থিতিৰ বোধজ্ঞান বিকশাই তোলা।
- দ্ৰুত জনসংখ্যা বৃদ্ধিৰ বোধজ্ঞান বিকশাই তোলা আৰু
  - (i) প্ৰাকৃতিক সম্পদবোৰ
  - (ii) মৌলিক প্ৰয়োজনবোৰ
  - (iii) প্ৰয়োজনীয় সমাজসেৱা
  - (iv) পৰিৱেশ
  - (v) স্বাস্থ্য আৰু শিক্ষা
- জনসংখ্যা আৰু আৰ্থ সামাজিক বিকাশৰ মাজৰ সম্বন্ধৰ বোধজ্ঞান বিকশাই তোলা
- সৰু পৰিয়ালৰ আদৰ্শৰ বোধ বিকশাই তোলা
- বিভিন্ন মৌলিক জনবিন্যাসৰ ধাৰণা যেনে— মৃত্যুৰ হাৰ, জন্মৰ হাৰ, প্ৰৰজন, নগৰীকৰণ, ঘনত্ব আদিৰ জ্ঞান প্ৰদান কৰা।
- সামাজিক আৰু প্ৰাকৃতিক বিকাশৰ কাৰ্যসূচী আৰু সমাজত ইয়াৰ প্ৰভাৱৰ বিষয়ে জ্ঞান প্ৰদান কৰা।
- ছাত্ৰ-ছাত্ৰীক পৰিয়াল জীৱনৰ শিক্ষা প্ৰদান কৰা।
- মানৱ পুনৰ উৎপাদন ব্যৱস্থা আৰু যৌন শিক্ষাৰ মৌলিক ধাৰণাৰ বিষয়ে জ্ঞান প্ৰদান কৰা।
- দেশৰ জনসংখ্যাৰ নীতি আৰু আচনিৰ বিষয়ে জ্ঞান প্ৰদান কৰা।
- লিংগ সমতা, মানৱ অধিকাৰ, জীৱনৰ সমতা, সৰু পৰিয়াল আদিৰ ক্ষেত্ৰত যৌক্তিক চিন্তন আৰু মনোভাৱ বিকশাই তোলা।
- নাগৰিক এজনৰ অধিকাৰ আৰু কৰ্তব্যৰ শিক্ষা প্ৰদান কৰা।
- জনসংখ্যা, আয়, প্ৰাকৃতিক সম্পদ ইত্যাদিৰ তথ্য সংগ্ৰহৰ বাবে মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ ছাত্ৰছাত্ৰীৰ মাজত দক্ষতা বিকশাই তোলা।
- জনসংখ্যা বিষয়ৰ তথ্য উপস্থাপন আৰু মত প্ৰকাশৰ বাবে মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বিকশাই তোলা।
- খাদ্যৰ গুণাগুণ, সাধাৰণ স্বাস্থ্য, বৈজ্ঞানিক তথ্য, আৰু জনসংখ্যা বৃদ্ধিৰ কাৰণবোৰৰ তথ্য সংগ্ৰহৰ বাবে

মাধ্যমিক স্তৰৰ ছাত্র-ছাত্রীৰ দক্ষতা বিকশাই তোলা।

- সমাজৰ জনসংখ্যা সম্বন্ধীয় সমস্যাবোৰ নিম্নগামী কৰাৰ বাবে ছাত্র ছাত্রীৰ মাজত কৌশল বিকশাই তোলা।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ মাধ্যমিক স্তৰৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ ক্ষেত্রত মেহতা আৰু পৰখৰ মতামত উল্লেখ কৰক।

প্রশ্ন নং ৭ ঃ মাধ্যমিক পর্যায়ৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ দুটা উদ্দেশ্য লিখক।

৬.১০ মাধ্যমিক শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ প্রয়োজনীয়তা

ছাত্র-ছাত্রীসকল সাধাৰণতে কৈশোৰ কালৰ হয় বাবে মাধ্যমিক শিক্ষাৰ স্তৰ এক গুৰুত্বপূর্ণ শিক্ষা স্তৰ। যৌনতাৰ বিকাশ এই স্তৰৰ এক গুৰুত্বপূর্ণ বিকাশৰ বৈশিষ্ট্য এই স্তৰৰ ছাত্র-ছাত্রীসকলে যৌৱন কালত প্রৱেশ কৰে সেয়ে এই স্তৰত জনসংখ্যা শিক্ষা প্রদান কৰাটো প্রয়োজনীয়। মাধ্যমিক শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষা অন্তর্ভুক্ত কৰণৰ কাৰণবোৰ হ'ল—

- **কৈশোৰৰ জ্ঞানত নতুনত্ব প্রদান ঃ** মাধ্যমিক শিক্ষাৰ সকলো ছাত্র-ছাত্রী সাধাৰণতে 15ৰ পৰা 18 বছৰ বয়সৰ ভিতৰৰ হয়। সিহঁত পুনৰ উৎপাদন কালৰ একেবাৰে ওচৰৰ বয়সৰ হয়। 3 বা 4 বছৰ বয়সৰ পিছত সিহঁতে প্রাপ্তবয়স্ককালত প্রৱেশ কৰিব। এই স্তৰৰ জনসংখ্যা শিক্ষৰ প্রভাৱে পৰৱর্তী জীৱনৰ বাস্তৱ পৰিস্থিতিত জ্ঞানৰ প্রয়োগত সহায় কৰিব।
- **মানৱ জীৱনৰ অৱস্থান্তৰৰ সময় ঃ** কৈশোৰ কালক মানৱ জীৱনৰ অৱস্থানৰ কাল স্বৰূপে জনা যায়। এই স্তৰত কিশোৰ-কিসোৰীয়ে যৌনতা বিকাশৰ অনুভৱ উপলব্ধি কৰে। এই স্তৰৰ যুৱক-যুৱতীৰ মাজত বিভিন্ন ধৰণৰ যৌন অস্বাভাৱিকতা দেখিবলৈ পোৱা যায়। এই সকলো যৌন অস্বাভাৱিকতাৰ কাৰণ জনসংখ্যা শিক্ষাৰ জ্ঞানৰ অভাৱৰ বাহিৰে আন একো নহয়। সেয়েহে জনসংখ্যা শিক্ষাৰ জৰিয়তে এই অৱস্থান্তৰ কালত যৌন শিক্ষাৰ নির্দেশনা আৰু পৰামর্শদান কৰাটো প্রয়োজনীয়।
- **সমাজৰ ভৱিষ্যতৰ নেতা ঃ** মাধ্যমিক শিক্ষাৰ ছাত্র-ছাত্রীসকল সমাজৰ ভৱিষ্যতৰ নেতা। আকৌ মাধ্যমিক শিক্ষা লাভ কৰি থকা চহৰ বা গাঁও অঞ্চলৰ তেওঁলোক মধ্যৱর্তী নেতা হয়। তেওঁলোকে এক নির্দিষ্ট পৰিসৰত জনসাধাৰণক প্রভাৱিত কৰিব পাৰে। জনসংখ্যা সম্বন্ধে থকা তেওঁলোকৰ জ্ঞানে জনসাধাৰণৰ মাজত জনসংখ্যা বৃদ্ধিৰ জ্ঞান সঞ্চাৰিত কৰিব।
- **সহজে প্রস্তুত ঃ** প্রাথমিক পর্যায়ৰ শিক্ষাৰ তুলনাত মাধ্যমিক পর্যায়ৰ পাঠ্যক্রম প্রস্তুত কৰাটো সহজ কিয়নো বয়স আৰু ব্যাপক অভিজ্ঞতাৰ দিশেৰে এই স্তৰৰ ছাত্র-ছাত্রীসকল আগবঢ়া। সিহঁতে অতি সহজে জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ লগত সম্বন্ধিত অন্যান্য চলকৰ মাজৰ মৌলিক সম্বন্ধ সহজে বুজি উঠিব পাৰে। সেয়েহে আমাৰ দেশৰ লগতে সমগ্র বিশ্বৰ মাধ্যমিক স্তৰৰ ছাত্র-ছাত্রীৰ বাবে জনসংখ্যা শিক্ষাৰ ব্যাপক কার্যসূচী

প্ৰস্তুত কৰিব লাগে।

- **দক্ষ শিক্ষক ঃ** শৈক্ষিক আৰু বৃত্তিগত দিশেৰে প্ৰাথমিক শিক্ষাৰ তুলনাত মাধ্যমিক শিক্ষাৰ শিক্ষকসকল অধিক দক্ষ। মাধ্যমিক শিক্ষাৰ বাবে প্ৰয়োজনীয় ভিন্নমুখী জ্ঞান তেওঁলোকৰ আছে। দক্ষতাপূৰ্ণ শিক্ষকসকলৰ বাবে মধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমত জনসংখ্যা শিক্ষাৰ বিষয় অন্তৰ্ভুক্ত কৰাটো সহজ।
- **সহজে শিক্ষাদান আৰু বৰ্ণনাকৰণ ঃ** যিহেতু মাধ্যমিক শিক্ষাৰ ছাত্ৰ-ছাত্ৰীসকল অধিক পৰিপক্ক আৰু বোধজ্ঞানেৰে পৰিপূৰ্ণ, সেয়েহে জনসংখ্যাৰ লগত সম্বন্ধিত বিভিন্ন সমস্যা সিহঁতৰ লগত সহজে আলোচনা কৰিব পাৰি। মানৱ পুনৰ উৎপাদনৰ শৰীৰত্ব, যৌন গ্ৰন্থিৰ গাঠনি আৰু কাৰ্যাৱলী আদিৰ দৰে বিষয়ে প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাটো সম্ভৱ নহয়। জনসংখ্যা শিক্ষাৰ বিতৰ্কমূলক বিষয়বোৰ মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাটো সম্ভৱ নহয়। জনসংখ্যা শিক্ষাৰ বিতৰ্কমূলক বিষয়বোৰ মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে কিয়নো ছাত্ৰ-ছাত্ৰীয়ে এই স্তৰত বেছি ভালদৰে শিকিব পাৰে। সূক্ষ্ম পৰ্যায়ত আৰু বহল পৰ্যায়ত জনসংখ্যা শিক্ষাৰ তাৎপৰ্য অতি সহজে এই স্তৰত বৰ্ণনা কৰিব পাৰি।
- **তাৎক্ষণিক আৰু সঠিক শিক্ষা প্ৰদান সম্ভৱ ঃ** মাধ্যমিক পৰ্যায়ত অধিক তাৎক্ষণিক আৰু সঠিকভাৱে জনসংখ্যা শিক্ষাৰ কাৰ্যসূচী প্ৰদান কৰিব পাৰি কিয়নো মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আৰু দক্ষ আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক থাকে। যিহেতু এই স্তৰৰ ছাত্ৰ-ছাত্ৰীয়ে সমালোচনাত্মক চিন্তন বিকশাই তুলিব নোৱাৰে সেয়েহে তেওঁলোকে যি শিকিলে সেয়া দৈনন্দিন জীৱনত প্ৰয়োগ কৰিব লাগে।
- **সহজে মূল্যায়ন ঃ** মাধ্যমিক পৰ্যায়ৰ শিক্ষাত জনসংখ্যা শিক্ষাৰ কাৰ্যসূচী মূল্যায়ন কৰাটো সহজ। যিহেতু ছাত্ৰ-ছাত্ৰীসকল পৰিপক্ক আৰু শিক্ষকসকল বৃত্তিগতভাৱে প্ৰশিক্ষণপ্ৰাপ্ত হয়, যেনে জনসংখ্যা শিক্ষাৰ কাৰ্যসূচী মূল্যায়ন কৰাটো সমস্যা নহয়।

৬.১১ মাধ্যমিক শিক্ষা পৰ্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্ৰম

মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠ্যক্ৰম প্ৰস্তুত কৰোতে ছাত্ৰ-ছাত্ৰীৰ বয়স, পৰিপক্কতা, মনোবৈজ্ঞানিক আৰু আৱেগিক বিকাশৰ ওপৰত প্ৰধান গুৰুত্ব প্ৰদান কৰিব লাগে। এই স্তৰত জনসংখ্যা শিক্ষাৰ বিষয় অন্তৰ্ভুক্তিৰ বেলিকা বিশেষ যত্ন ৰাখিব লাগে। জনসংখ্যা শিক্ষাৰ জ্ঞান আয়ত্বকৰণৰ বেলিকা ছাত্ৰ-ছাত্ৰীৰ বৰ্ধনৰ ভাৰসাম্যতাৰ বাবে শিক্ষক আৰু পিতৃ-মাতৃৰ উপযুক্ত নিৰ্দেশনাৰ প্ৰয়োজন। মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ পাঠ্যক্ৰমত তলত দিয়া দিশবোৰ অন্তৰ্ভুক্ত কৰিব লাগে।

১) **সামাজিক জীৱন**

- বিভিন্ন প্ৰকাৰৰ বিবাহ আৰু ইয়াৰ প্ৰয়োজনীয়তা।
- বিবাহ বিচ্ছেদৰ প্ৰভাৱ।
- অন্ধবিশ্বাস আৰু সামাজিক ৰীতি নীতিৰ অসুস্থ প্ৰভাৱ।
- জনসংখ্যা বৃদ্ধি আৰু সামাজিক অনৈক্যৰ ভূমিকা।
- গুণগত জীৱনত জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ।

- বিবাহৰ বিভিন্ন দিশৰ লগত জীৱনৰ গুণমানৰ সম্বন্ধ।

২) **অৰ্থনৈতিক জীৱন**

- জনসংখ্যা বৃদ্ধি আৰু অনুসৰি আয়ৰ মাজৰ সম্বন্ধ।
- জনসংখ্যা বৃদ্ধি আৰু অৰ্থনৈতিক জীৱনৰ মাজৰ সম্বন্ধ।
- চাহিদা আৰু যোগানৰ ওপৰত জসংখ্যা বৃদ্ধিৰ প্ৰভাৱ।
- মূল্যবৃদ্ধিৰ ওপৰৰ জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ।
- জনসংখ্যা বৃদ্ধি আৰু জাতীয় আয়ৰ মাজৰ আন্তঃসম্বন্ধ।
- নিবনুৱা আৰু অৰ্ধ নিবনুৱাৰ সমস্যাৰ ওপৰত জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ।

৩) **পৰিৱেশ**

- পৰিৱেশ প্ৰদূষণ যেনে— পানী, বায়ু, শব্দ, মাটি ইত্যাদিৰ ওপৰত জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ।
- খাদ্য সামগ্ৰীৰ ভেজালকৰণ
- পৰিৱেশ প্ৰদূষণৰ নিয়ন্ত্ৰণ।
- মানৱ জীৱনত পৰিৱেশ প্ৰদূষণৰ প্ৰভাৱ।
- উন্নত জীৱন ধাৰণৰ বাবে উন্নত পৰিৱেশ।
- মহিলা আৰু পৰিৱেশৰ বিষয়ৰ মাজৰ আন্তঃসম্বন্ধ।

৪) **যৌন জীৱন**

- যৌন শিক্ষাৰ পৰিচয়।
- যৌন বিচলনৰ ধাৰণা।
- এইচ আই ভিঁএইডচৰ মৌলিক তথ্য আৰু ইয়াৰ কাৰণ, লক্ষণ আৰু উন্নত জীৱনৰ বাবে প্ৰতিৰোধকৰণ।
- যৌন কাৰ্যপ্ৰণালী।
- মানৱ পুনৰ উৎপাদনৰ ধাৰণাৰ লগত শৰীৰতত্ব আৰু স্বাস্থ্যবিজ্ঞানৰ সম্বন্ধ।
- বিভিন্ন মানৱ গ্ৰন্থিৰ গঠন, প্ৰকাৰ আৰু কাৰ্যাৱলী।
- বিভিন্ন যৌন ৰোগ যেনে — এইচ আই ভিঁএইডচ আদিৰ মৌলিক জ্ঞান।

৫) **জনবিন্যাসমূলক প্ৰভাৱ**

- মৃত্যুৰ হাৰ, জন্ম হাৰ আৰু বয়নৰ গাঁথনিৰ ওপৰত জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ।
- জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে জনসংখ্যাৰ নীতি।
- জনসংখ্যা বৃদ্ধিৰ লগত জন্মৰ হাৰ আৰু মৃত্যুৰ হাৰৰ সম্বন্ধ।
- জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে পৰিয়াল পৰিকল্পনাৰ পদ্ধতি।
- ভাৰতৰ বিশেষ প্ৰসংগত আৰু বিশ্বৰ সাধাৰণ প্ৰসংগত জনসংখ্যাৰ আনুমানিক হিচাপ।
- বিশ্বৰ উন্নত আৰু উন্নয়নশীল দেশত জনসংখ্যাৰ বৃদ্ধি।
- ভাৰতবৰ্ষৰ নিয়োগৰ গাথনি।

- ব্যৱহৃত প্ৰাকৃতিক সম্পদৰ আৰ্হি আৰু পৰ্যায়।
- ভাৰতবৰ্ষৰ নিবনুৱা যুৱক যুৱতীৰ আনুমানিক হিচাপ।

৬) **পৰিয়াল জীৱন**

- পৰিয়াল ঃ ইয়াৰ মৌলিক ধাৰণা আৰু বিভিন্ন প্ৰকাৰ।
- যৌথ পৰিয়াল আৰু একক পৰিয়ালৰ সুবিধা আৰু অসুবিধাসমূহ।
- পৰিয়াল ব্যৱস্থাৰ উৎপত্তি।
- সৰু পৰিয়াল আৰু ডাঙৰ পৰিয়ালৰ প্ৰভাৱৰ তুলনাত্মক বিশ্লেষণ।
- সেউজীয়া কার্ডৰ গৰাকীৰ বাবে চৰকাৰী সুবিধা।

৭) **স্বাস্থ্য**

- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা বিভিন্ন ৰোগৰ বিকাশ।
- জনসংখ্যা বৃদ্ধি আৰু নিম্ন মানদণ্ডৰ চিকিৎসাৰ সুবিধা।
- মাতৃৰ স্বাস্থ্য আৰু অবৈজ্ঞানিক পৰিয়াল পৰিকল্পনা।
- অবাঞ্ছিত গৰ্ভাৱস্থাৰ বাবে শিশুৰ ৰুগীয়া স্বাস্থ্য।
- যুৱক যুৱতীসকলক জনসংখ্যা শিক্ষাৰ জ্ঞান প্ৰদানৰ বাবে ওপৰত উল্লেখ কৰা দিশবোৰৰ বিষয়বোৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে। জনসংখ্যা শিক্ষাৰ জ্ঞানৰ প্ৰয়োগে মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব পাৰে।

৬.১২ মাধ্যমিক বিদ্যালয়ৰ বিভিন্ন বিষয়ৰ দ্বাৰা জনসংখ্যাৰ ধাৰণাৰ সংহতকৰণ

মাধ্যমিক স্তৰৰ শিক্ষাত জনসংখ্যা শিক্ষাক এক পৃথক বিষয় স্বৰূপে গণ্য কৰা নহয়। বিদ্যালয়ৰ বিভিন্ন বিষয়ৰ লগত ইয়াৰ সংহতকৰণ কৰা হয়। মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ত বুৰঞ্জী, পৌৰ বিজ্ঞান, অৰ্থবিজ্ঞান, ভূগোল আদি হ'ল বাধ্যতামূলক আৰু ব্যাপকভাৱে প্ৰচলিত সমাজবিজ্ঞানৰ বিভিন্ন বিষয়। সেয়েহে, এই বিষয়বোৰৰ যোগেদি জনসংখ্যা শিক্ষা অতি সহজে সংহতকৰণ কৰিব পাৰি।

উদাহৰণস্বৰূপে—

১) বুৰঞ্জী

- জনসংখ্যা বৃদ্ধি আৰু ঔদ্যোগিক বিপ্লৱৰ ওপৰত ইয়াৰ প্ৰভাৱ।
- প্ৰাক স্বাধীনতা কালৰ ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধি আৰু নগৰীকৰণ।
- বৃটিছ কাল আৰু স্বাধীনোত্তৰ কালত বৃত্তিৰ ওপৰত জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ।
- প্ৰাচীন ভাৰতবৰ্ষত কৃষিৰ সম্প্ৰসাৰণ।
- আধুনিক ভাৰতবৰ্ষৰ আৰ্থ সামাজিক অৱস্থা।

২) পৌৰ বিজ্ঞান

- জনসংখ্যা বৃদ্ধি আৰু চাহিদা আৰু উদ্বিগ্নতাৰ ওপৰত ইয়াৰ প্রভাৱ।
- দ্রুত জনসংখ্যা বৃদ্ধি আৰু আর্থ সামাজিক আৰু ৰাজনৈতিক সমস্যাবোৰ।
- কৌশলী আৰু কৌশলহীন বনুৱাৰ আন্তঃপ্রবাহ।
- জনসংখ্যা বৃদ্ধি আৰু সা সুবিধাৰ অভাৱ।
- জনসংখ্যা নিয়ন্ত্রণৰ বাধাবোৰ যেনে—সামাজিক পৰম্পৰা, প্রথা, অন্ধবিশ্বাস ইত্যাদি।

৩) অর্থবিজ্ঞান

- জনসংখ্যা বৃদ্ধি, অর্থনৈতিক বৃদ্ধি, জীৱন ধাৰণৰ মানদণ্ড আৰু অর্থনৈতিক উৎপাদনশীলতা।
- মানৱ সম্পদৰ সর্বতোকৃষ্ট উপযোগকৰণ।
- জনসংখ্যা নিয়ন্ত্রণ আৰু উন্নত জীৱনৰ গুণমান।
- জনসংখ্যা শিক্ষাই বিকশাই তোলা ভাৱসাম্য জমা বা সঞ্চয়ৰ অভ্যাস।
- জনসংখ্যা বৃদ্ধি আৰু জাতীয় আয়।
- জনসংখ্যা বৃদ্ধি, দৰিদ্রতা আৰু প্ররজন।

৪) ভূগোল

- জনসংখ্যা বৃদ্ধিত জলবায়ুৰ প্রভাৱ।
- জনসংখ্যাৰ উচ্চ ঘনত্ব আৰু নিম্ন ঘনত্বৰ কাৰণবোৰ।
- জনসংখ্যা বৃদ্ধি আৰু এখন দেশৰ প্রাকৃতিক সম্পদৰ ওপৰত ইয়াৰ বাধা।
- ভূমি অধিকাৰৰ ওপৰত জনসংখ্যা বৃদ্ধিৰ প্রভাৱ।
- বিভিন্ন দেশ আৰু ভূমি অঞ্চলৰ জনসংখ্যা বৃদ্ধিৰ তুলনা।
- প্রাকৃতিক দুর্যোগৰ কাৰণ, জনসংখ্যা বৃদ্ধিৰ লগত ইয়াৰ সম্বন্ধ।

সমাজ জীৱনৰ বাহিৰেও মাধ্যমিক শিক্ষাৰ বিভিন্ন বিষয়ৰ জৰিয়তে জনসংখ্যা শিক্ষা প্রদান কৰিব পাৰি। গণিত, ভাষা, বিজ্ঞান, জীৱ বিজ্ঞান আৰু গার্হস্থ্য বিজ্ঞান হ'ল মাধ্যমিক শিক্ষাৰ পাঠ্যক্রমৰ বিভিন্ন বিষয় যিবোৰৰ জৰিয়তে জনসংখ্যা শিক্ষা প্রদান কৰিব পাৰি। উদাহৰণস্বৰূপে—

৫) গণিত

- জনসংখ্যা তথ্যৰ সাধাৰণ যোগ, বিয়োগ, পূৰণ আৰু হৰণ।
- জনসংখ্যাৰ পৰিৱর্তনৰ শতাংশ হাৰ।
- বৃদ্ধি হাৰ, জন্মৰ আৰু মৃত্যুৰ হাৰৰ গণনা।
- বার্ষিক বা দহবছৰীয়া বৃদ্ধিৰ হাৰৰ ভিত্তিত জনসংখ্যা অনুমান কৰা।
- জনসংখ্যাৰ ঘনত্বৰ অনুমান কৰা।
- অনুপাত যেনে— মাটি-মানুহৰ অনুপাত, গ্রাম্য-চহৰৰ জনসংখ্যা শিক্ষিত-অশিক্ষিত জনসংখ্যা, পুৰুষ-মহিলা জনসংখ্যা আদিৰ গণনা।
- মুঠ জনসংখ্যা, জন্মৰ হাৰ, মৃত্যুৰ হাৰ আদিৰ ৰৈখিক উপস্থাপন।

- জনসংখ্যাৰ গাঁথনিৰ চিত্ৰ অংকন।

৬) **ভাষা**

- সৰু পৰিয়াল, জনসংখ্যা বৃদ্ধি শিক্ষাৰ গুৰুত্ব, মহিলা শিক্ষা, স্বাস্থ্য আৰু স্বাস্থ্যবিজ্ঞানৰ অভ্যাস আদিৰ ওপৰত কবিতা।
- জনসংখ্যা বৃদ্ধি পৰিয়াল পৰিকল্পনা কার্যসূচী, সাক্ষৰতা, মানৰ অধিকাৰ, সৰু পৰিয়াল, গৃহৰ সমস্যা, পৰিৱেশ প্ৰদূষণ আদিৰ ওপৰত ৰচনা।
- সৰু পৰিয়াল আৰু ডাঙৰ পৰিয়ালৰ তুলনা কৰা পৰিয়াল-কেন্দ্ৰিক নাটক।
- জাতীয় নেতাৰ আত্মজীৱনী আৰু জীৱনী আৰু জনসংখ্যা বিষয়ত তেওঁলোকৰ মতামত।
- ডাঙৰ পৰিয়ালৰ সমস্যা, নিবনুৱা, নিৰক্ষৰতা, সমাজত মহিলাৰ মর্যাদা, অন্ধবিশ্বাসৰ প্ৰভাৱ, প্ৰথা, পৰম্পৰা আৰু ৰীতি, জনসংখ্যাৰ ঘনত্ব আদিক প্ৰাধান্য দিয়া গল্প।

৭) **বিজ্ঞান**

- শক্তি, নৱীকৃত আৰু অনবীকৃত সম্পদ, পৰম্পৰাগত আৰু অপৰম্পৰাগত ব্যৱহৃত আৰু অব্যৱহৃত ৰাসায়নিক শক্তি।
- পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণৰ উপায়।
- ভাল খোৱা পানীৰ গুণ আৰু ইয়াৰ বিশুদ্ধকৰণ।
- স্বাস্থ্যসন্মত আৰু বৈজ্ঞানিক জীৱন ধাৰণৰ বাবে প্ৰয়োগ কৰা বিভিন্ন ৰসায়ন।
- সাৰ আৰু কীটনাশক ঔষধৰ অধিক প্ৰয়োগ সৃষ্টি কৰা সমস্যা।

৮) **জীৱ বিজ্ঞান**

- গছ-গছনি, জীৱ-জন্তু আৰু মানৱ জীৱনৰ পর্যবেক্ষণ।
- জনসংখ্যা বৃদ্ধিক প্ৰভাৱিত কৰা কাৰক যেনে— জলবায়ু, খাদ্য যোগান আৰু পৰিৱেশ।
- গছ-গছনি, জীৱ-জন্তু আৰু মানুহৰ পুনৰ উৎপাদন।
- মানুহৰ খাদ্যাভাস।
- মানৱ বিৱর্তনৰ বিভিন্ন স্তৰবোৰ।
- সেউজীয়া গছ-গছনি আৰু মানৱ জীৱনত ইয়াৰ গুৰুত্ব।

৯) **গার্হস্থ্য বিজ্ঞান**

- ব্যক্তিগত স্বাস্থ্য আৰু স্বাস্থ্য বিজ্ঞান।
- সোচৰা ৰোগ— ইয়াৰ কাৰণ, প্ৰতিকাৰ আৰু নিৰাময়।
- মানৱ শৰীৰৰত্ব।
- শিশু যতন আৰু শিশু কল্যাণ।
- প্ৰাথমিক চিকিৎসা।
- পুষ্টি আৰু সুষম আহাৰ।
- সৰু পৰিয়াল বনাম ডাঙৰ পৰিয়াল।

- পৰিয়ালৰ বাজেট।
- সামাজিক দায়িত্ব।
- জীৱনৰ মানদণ্ড ইত্যাদি।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে মাধ্যমিক বিদ্যালয়ৰ বর্তমানৰ পাঠ্যক্রমৰ বিভিন্ন বিষয়ত জনসংখ্যা শিক্ষাৰ বিষয়বোৰ সংহতকৰণ কৰিব পাৰি।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ মাধ্যমিক স্তৰত জনসংখ্যা শিক্ষা কিয় গুৰুত্বপূর্ণ? দুটা দিশ লিখক।

প্রশ্ন নং ৯ ঃ মাধ্যমিক শিক্ষাৰ পাঠ্যক্রমৰ যৌন জীৱনৰ বিষয়বোৰ লিখক।

প্রশ্ন নং ১০ ঃ মাধ্যমিক পর্যায়ৰ শিক্ষাৰ ভাষা বিষয়ৰ দ্বাৰা জনসংখ্যা শিক্ষা সংহতকৰণৰ বিষয়বোৰ লিখক।

2 ৬.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম বুলিলে শিক্ষানুষ্ঠানে প্রদান কৰা সেই সকলোবোৰ কার্যসূচী আৰু অভিজ্ঞতাৰ সমষ্টিক বুজায় যিবোৰৰ জৰিয়তে নির্দিষ্ট শিক্ষাস্তৰৰ জনসংখ্যা শিক্ষাৰ শৈক্ষিক উদ্দেশ্যত উপনীত হ'ব পৰা যায়।
- প্রাথমিক শিক্ষাৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ ক্ষেত্রত টি বি মেহতা আৰু বি এচ পৰখে মতপোষণ কৰে যে এই স্তৰত পৰিয়ালৰ আকাৰ আৰু সুখী পৰিয়াল জীৱনৰ বাবে সৰু ধাৰণাবোৰ অন্তর্ভুক্ত কৰিব লাগে।
- প্রাথমিক শিক্ষাৰ জনসংখ্যা শিক্ষাৰ প্রধান উদ্দেশ্যবোৰ হ'ল পৰিয়াল আৰু স্থানীয় পৰিৱেশৰ বর্ধিত জনসংখ্যা ক্ষেত্রত কণ কণ শিশুসকলৰ সজাগতা বৃদ্ধি কৰা সৰু পৰিয়াল আৰু ডাঙৰ পৰিয়ালৰ মাজৰ সম্বন্ধ, জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা সমস্যাবোৰ আৰু পৰিয়ালৰ প্রতি শিশুসকলৰ দায়িত্ববোধ।
- এটা জনপ্রিয় উক্তি হ'ল 'ভাল আৰম্ভণিয়ে অর্ধ কাম সমাধা কৰে'। সমগ্র বিশ্বৰ মানুহৰ বাবে প্রথম আনুষ্ঠানিক শিক্ষা হ'ল প্রাথমিক শিক্ষা। যদি প্রাথমিক পর্যায়ৰ শিক্ষাৰ পৰা জনসংখ্যা শিক্ষা প্রদান কৰা হয় তেন্তে জীৱনৰ আৰম্ভণিৰে পৰাই শিশুসকলৰ মাজত জনসংখ্যাৰ বিষয়ে সজাগতা সৃষ্টি হ'ব।
- যদি প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষাৰ মৌলিক ধাৰণাবোৰ অন্তর্ভুক্ত কৰা হয় তেন্তে জনসংখ্যা শিক্ষাৰ বিষয়ে শিশুসকলে অলপ হ'লেও জানিব পাৰিব।
- জনসংখ্যা শিক্ষাৰ শুদ্ধ ধাৰণা লাভৰ বাবে প্রাথমিক শিক্ষা হৈছে শুদ্ধ সময়। প্রাথমিক পর্যায়ৰ শিক্ষাত অতি সহজ ধাৰণা যেনে— পৰিয়ালৰ আকাৰ আৰু সুখী পৰিয়াল জীৱনৰ মানদণ্ড আদি শিকাব লাগে।
- প্রাথমিক শিক্ষাৰ শিশুসকলৰ বাবে পাঠ্যক্রম প্রস্তুতকৰণৰ বেলিকা বিশেষ মনোযোগ দিব লাগে। এই ক্ষেত্রত শিশুসকলৰ আগ্রহ, মনোভাৱ, প্রয়োজন, আকাংক্ষা, বৃদ্ধি আৰু বিকাশত বিশেষ গুৰুত্ব দিব লাগে।

- প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত জনসংখ্যা শিক্ষাৰ বিভিন্ন দিশবোৰ হ'ল— সামাজিক জীৱন, অৰ্থনৈতিক জীৱন, পৰিবেশ, পৰিয়াল জীৱন, স্বাস্থ্য, পুষ্টি, শৈক্ষিক জীৱন আৰু জনবিন্যাসমূলক তাৎপৰ্য।
- প্ৰাথমিক স্তৰত শিক্ষাত ছাত্ৰ-ছাত্ৰীৰ বয়স আৰু কম বুদ্ধিৰ বাবে জনসংখ্যা শিক্ষাৰ ধাৰণাবোৰ অধিক সৰলীকৰণৰ দ্বাৰা বাধাপ্ৰাপ্ত হয়।
- আমাৰ যুৱ প্ৰজন্মক জনসংখ্যা বিস্ফোৰণৰ বেয়া প্ৰভাৱৰ বিষয়ে সজাগ কৰিবৰ বাবে তেওঁলোকে শিক্ষাত বিশেষকৈ মাধ্যমিক শিক্ষাত জনসংখ্যা শিক্ষা প্ৰদান কৰিব লাগে।
- শিক্ষাৰ্থীসকলৰ বৃদ্ধি আৰু বিকাশ, বয়স, পৰিপক্কতা আৰু আগ্ৰহৰ ভিত্তিত মাধ্যমিক স্তৰৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্ৰম প্ৰস্তুত আৰু গঠন কৰিব লাগে।
- মাধ্যমিক শিক্ষাৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্ৰম কেৱল শিক্ষকৰ বাবেই নহয়, পিতৃ-মাতৃৰ বাবেও গুৰুত্বপূৰ্ণ। ই জনসংখ্যা শিক্ষা আৰু যৌন শিক্ষা, জনসংখ্যা শিক্ষা আৰু পৰিয়াল পৰিকল্পনা শিক্ষাৰ মাজত থকা বিশৃংখলতা নোহোৱা কৰিব।
- মাধ্যমিক পৰ্যায়ৰ জনসংখ্যা শিক্ষাৰ প্ৰধান উদ্দেশ্য হ'ল জনসংখ্যা আৰু আৰ্থ সামাজিক বিকাশৰ মাজৰ সম্বন্ধ আৰু সৰু পৰিয়ালৰ আদৰ্শৰ বোধজ্ঞান বিকশাই তোলা।
- এই স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন ধৰণৰ অস্বাভাৱিকতা দেখিবলৈ পোৱা যায়। এই সকলো যৌন অস্বাভাৱিকতাৰ কাৰণ জনসংখ্যা শিক্ষাৰ জ্ঞানৰ অভাৱৰ বাহিৰে আন একো নহয়। সেয়েহে জনসংখ্যা শিক্ষাৰ জৰিয়তে এই অৱস্থান্তৰকালত যৌন শিক্ষাৰ নিৰ্দেশনা আৰু পৰামৰ্শদান কৰাটো প্ৰয়োজনীয়।
- জনসংখ্যা শিক্ষাৰ বিতৰ্কমূলক বিষয়বোৰ মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে কিয়নো ছাত্ৰ-ছাত্ৰীয়ে এই স্তৰত বেছি ভালদৰে শিকিব পাৰেষ সূক্ষ্ম পৰ্যায়ত আৰু বহল পৰ্যায়ত জনসংখ্যা শিক্ষাৰ তাৎপৰ্য অতি সহজে এই স্তৰত বৰ্ণনা কৰিব পাৰি।
- মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ত বুৰঞ্জী, পৌৰ বিজ্ঞান, অৰ্থ বিজ্ঞান, ভূগোল আদি হ'ল বাধ্যতামূলক আৰু ব্যাপকভাৱে প্ৰচলিত সমাজ বিজ্ঞানৰ বিষয়। সেয়েহে এই বিষয়বোৰৰ যোগেদি জনসংখ্যা শিক্ষা অতি সহজে সংহতকৰণ কৰিব পাৰি।

৬.১৪ অধিক জানিবলৈ

1] Aggarwal, J.C. (2013). *Populaion Education*, New delhi : Shipra Publications.

2] Akhtar, Parveen R. (2014), *Environmental and Population Education*. Guwahati: Assam Book Depot.

3] Chandel & Nand (2011). *Population Education*. Agra : Shri Vinod Pustak Mandir.

4] Gupta, P. K. (2005). *Population Education*, Meerut : R. Lali Book Depot.

5] Kapoor & Kapoor (2013) *Population Education*. Guwahati : EBH Publishers.

6] Nanda, S. K. (2002), *Population Education- An informative Update*. Delhi : Doaba House.

7] Rao, V. K. (2001). *Population Education*. Delhi : A. P. H. Publishing Corporation.

K ৬.১৫ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক শিক্ষাৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ ক্ষেত্রত টি বি মেহতা আৰু বি এচ পৰখে মত পোষণ কৰে যে এই স্তৰত পৰিয়ালৰ আকাৰ আৰু সুখী পৰিয়াল জীৱনৰ সৰু ধৰাণাবোৰ অন্তর্ভুক্ত কৰিব লাগে। 'সৰু পৰিয়াল সুখী পৰিয়াল'ৰ দৰে ধাৰণাবোৰত গুৰুত্ব প্রদান কৰিব লাগে।

২ নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক পর্যায়ৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ দুটা উদ্দেশ্য হ'ল—

1) তলত দিয়া বিষয়বোৰৰ মাজত সম্বন্ধৰ বোধজ্ঞান বৃদ্ধি কৰা—

(i) জনসংখ্যা বৃদ্ধি আৰু জীৱন ধাৰণৰ মানদণ্ড।

(ii) জনসংখ্যা বৃদ্ধি আৰু অর্থনৈতিক বিকাশ।

(iii) জনসংখ্যা বৃদ্ধি আৰু পৰিৱেশ।

(iv) জনসংখ্যা বৃদ্ধি আৰু পৰিয়াল আৰু স্থানীয় সম্প্রদায়ৰ স্বাস্থ্য আৰু পুষ্টি।

2] পৰিয়াল, ওচৰ-চুবুৰীয়া আৰু গাঁৱৰ জনসংখ্যাৰ লগত সম্বন্ধিত প্রাসংগিক তথ্য সংগ্রহৰ দক্ষতা ছাত্র-ছাত্রীৰ মাজত সৃষ্টি কৰা।

৩ নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষাৰ বিষয়বোৰ অতি সহজে অন্তর্ভুক্ত কৰিব পাৰি। ই সহজ কাৰণ প্রাথমিক শিক্ষাৰ একেটা শ্রেণীত পাঠ্যক্রমৰ ভিন্নমুখিতা নাথাকে। আকৌ প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত অত্যাধিক বিষয়ৰ হেঁচা নাই বাবেও অন্তর্ভুক্ত কৰাটো সহজ।

৪ নং প্রশ্নৰ উত্তৰ ঃ পৰিয়াল জীৱনৰ কেতবোৰ বিষয় হ'ল—

- পৰিয়াল জীৱনত পিতৃ-মাতৃৰ ভূমিকা।
- জনসংখ্যা বৃদ্ধি আৰু বিবাহ।
- জনসংখ্যা বৃদ্ধি আৰু পুনৰ বিবাহ।
- জনসংখ্যা বৃদ্ধি আৰু সার্বজনীন বিবাহ।
- জনসংখ্যা বৃদ্ধি আৰু ভুল ধাৰণা 'শিশু ভগৱানৰ দান' ৰ সম্বন্ধ।
- জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা পৰিয়ালৰ দুশ্চিন্তা।
- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা প্রেম, যত্ন আৰু ভালপোৱাৰ অভাৱ।
- জনসংখ্যা বৃদ্ধি আৰু জীৱন ধাৰণৰ নিম্ন মানদণ্ড।
- পৰিয়ালৰ লিংগ সমতা আৰু 'ছোৱালীও ল'ৰাৰ সমানে গুৰুত্বপূর্ণ' ধাৰণাৰ অনুসৰণ।
- উন্নত গুণগত জীৱনৰ বাবে সৰু পৰিয়ালৰ আদর্শ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাথমিক পৰ্যায়ৰ পাঠ্যক্ৰমত জনসংখ্যা শিক্ষা অন্তৰ্ভুক্তিৰ দুটা সমস্যা হ'ল—

(i) এই স্তৰত জনসংখ্যা শিক্ষাৰ বহুতো ধাৰণাৰ অন্তৰ্ভুক্তিকৰণত জটিলতাই দেখা দিয়ে।

(ii) এই স্তৰত ছাত্ৰ-ছাত্ৰীৰ বয়স আৰু কম বুদ্ধিৰ বাবে জনসংখ্যা শিক্ষাৰ ধাৰণাবোৰ অধিক সৰলীকৰণৰ দ্বাৰা বাধাপ্ৰাপ্ত হয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমত জনসংখ্যা শিক্ষা অন্তৰ্ভুক্তিকৰণৰ বেলিকা টি এচ মেহতা আৰু বি এচ পৰখে মত প্ৰকাশ কৰিছিল যে ভূগোল, পৌৰবিজ্ঞান, সমাজ অধ্যয়ন, সাধাৰণ বিজ্ঞান, জীৱ বিজ্ঞান আদি বিষয়ৰ যোগেদি জনসংখ্যা শিক্ষা প্ৰদান কৰিব লাগে। জনসংখ্যা শিক্ষাৰ বিধিপুথি প্ৰস্তুত কৰিব লাগে। জনসংখ্যা গতিশীলতা আৰু সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক প্ৰতিধ্বনি হোৱাকৈ বিশেষ শিকণীয় গোট বিধিপুথিত ৰাখিব লাগে। গ্ৰাফিক্সৰো ব্যৱহাৰ কৰিব লাগে। দশম, একাদশ, দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক জনসংখ্যা বিষয়ক চিনেমাও দেখুৱাব লাগে। মাধ্যমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ বুজি পায়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মাধ্যমিক স্তৰৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ দুটা উদ্দেশ্য হ'ল—

(1) দেশ আৰু বিশ্বৰ জনসংখ্যা পৰিস্থিতিৰ বোধজ্ঞান বিকশাই তোলা।

(2) দ্ৰুত জনসংখ্যা বৃদ্ধি আৰু তলত দিয়াবোৰৰ বোধজ্ঞান বিকশাই তোলা—

(i) প্ৰাকৃতিক সম্পদবোৰ

(ii) মৌলিক প্ৰয়োজনবোৰ

(iii) প্ৰয়োজনীয় সমাজসেৱা

(iv) পৰিৱেশ

(v) স্বাস্থ্য আৰু শিক্ষা

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মাধ্যমিক স্তৰত জনসংখ্যা শিক্ষা গুৰুত্বপূৰ্ণ কিয়নো—

- **কৈশোৰ জ্ঞানত নতুনত্ব প্ৰদান ঃ** মাধ্যমিক শিক্ষাৰ সকলো ছাত্ৰ-ছাত্ৰী সাধাৰণতে 15ৰ পৰা 18 বছৰ বয়সৰ ভিতৰৰ হয়। সিহঁত পুনৰ উৎপাদন কালৰ একেবাৰে ওচৰৰ বয়সৰ হয়। 3 বা 4 বছৰ বয়সৰ পিছত সিহঁতে প্ৰাপ্তবয়স্ক কালত প্ৰৱেশ কৰিব। এই স্তৰৰ জনসংখ্যা শিক্ষাৰ প্ৰভাৱে পৰৱৰ্তী জীৱনৰ বাস্তৱ পৰিস্থিতিত জ্ঞানৰ প্ৰয়োগত সহায় কৰিব।
- **সহজে প্ৰস্তুত ঃ** প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ তুলনাত মাধ্যমিক পৰ্যায়ৰ পাঠ্যক্ৰম প্ৰস্তুত কৰাটো সহজ কিয়নো বয়স আৰু ব্যাপক অভিজ্ঞতাৰ দিশেৰে এই স্তৰৰ ছাত্ৰ-ছাত্ৰীসকল আগবঢ়া। সিহঁতে অতি সহজে জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ লগত সম্বন্ধিত অন্যান্য চলকৰ লগতে সমগ্ৰ বিশ্বৰ মাধ্যমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে জনসংখ্যা শিক্ষাৰ ব্যাপক কাৰ্যসূচী প্ৰস্তুত কৰিব লাগে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ যৌন জীৱনৰ কেতবোৰ বিষয় হ'ল—

(i) যৌন শিক্ষাৰ পৰিচয়

- যৌন বিচলনৰ ধাৰণা।
- এইচ আই ভিÛএইডচৰ মৌলিক তথ্য আৰু ইয়াৰ কাৰণ, লক্ষণ আৰু উন্নত জীৱনৰ বাবে প্রতিৰোধকৰণ।
- যৌন কার্য প্রণালী।
- মানৰ পুনৰ উৎপাদনৰ ধাৰণাৰ লগত শৰীৰতত্ব আৰু স্বাস্থ্য বিজ্ঞানৰ সম্বন্ধ।
- বিভিন্ন মানৰ গ্রন্থিৰ গঠন, প্রকাৰ আৰু কার্যাৱলী।
- বিভিন্ন যৌন ৰোগ যেনে— এইচ আই ভি, এইডচ আদিৰ মৌলিক জ্ঞান।

১০ নং প্রশ্নৰ উত্তৰ ঃ মাধ্যমিক পর্যায়ৰ জনসংখ্যা শিক্ষাৰ বিষয়বোৰ সংহতকৰণৰ ক্ষেত্রত ভাষাৰ বিষয়বোৰ হ'ল

- সৰু পৰিয়াল, জনসংখ্যা বৃদ্ধি, শিক্ষাৰ গুৰুত্ব, মহিলা শিক্ষা, স্বাস্থ্য আৰু স্বাস্থ্যবিজ্ঞানৰ অভ্যাস আদিৰ ওপৰত কবিতা।
- জনসংখ্যা বৃদ্ধি, পৰিয়াল পৰিকল্পনা কার্যসূচী, সাক্ষৰতা, মানৰ অধিকাৰ, সৰু পৰিয়াল, গৃহৰ সমস্যা, পৰিৱেশ প্রদূষণ আদিৰ ওপৰত ৰচনা।
- সৰু পৰিয়াল আৰু ডাঙৰ পৰিয়ালৰ তুলনা কৰা পৰিয়ালকেন্দ্রিক নাটক।
- জাতীয় নেতাৰ আত্মজীৱনী আৰু জীৱনী আৰু জনসংখ্যা বিষয়ত তেওঁলোকৰ মতামত।
- ডাঙৰ পৰিয়ালৰ সমস্যা, নিৰনুৱা, নিৰক্ষৰতা, সমাজত মহিলাৰ মর্যাদা, অন্ধবিশ্বাসৰ প্রভাৱ, প্রথা, পৰম্পৰা আৰু ৰীতি, জনসংখ্যাৰ ঘনত্ব আদিৰ প্রধান্য দিয়া গল্প।

৬.১৬ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন (100 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ জনসংখ্যা শিক্ষা পাঠ্যক্রম মানে কি?

প্রশ্ন ২ ঃ সামাজিক জীৱনৰ লগত সম্বন্ধিত প্রাথমিক পর্যায়ৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ এটা বিষয় উল্লেখ কৰক।

প্রশ্ন ৩ ঃ অর্থনৈতিক জীৱনৰ লগত সম্বন্ধিত প্রাথমিক পর্যায়ৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ এটা বিষয় উল্লেখ কৰক।

প্রশ্ন ৪ ঃ যৌন শিক্ষাৰ লগত সম্বন্ধিত প্রাথমিক পর্যায়ৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ এটা বিষয় উল্লেখ কৰক।

প্রশ্ন ৫ ঃ পৰিৱেশৰ লগত সম্বন্ধিত প্রাথমিক পর্যায়ৰ শিক্ষাৰ এটা বিষয় উল্লেখ কৰক।

(খ) চমু প্ৰশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰাথমিক পৰ্যায়ৰ জনসংখ্যা শিক্ষাৰ পাঁচটা উদ্দেশ্য লিখক।

প্ৰশ্ন ২ ঃ প্ৰাথমিক পৰ্যায়ৰ শিক্ষাত জনসংখ্যা শিক্ষা অন্তৰ্ভুক্তিৰ দুটা কাৰণ লিখক।

প্ৰশ্ন ৩ ঃ পৰিৱেশৰ লগত সম্বন্ধিত জনসংখ্যা শিক্ষাৰ বিষয়বস্তুবোৰৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ ঃ মাধ্যমিক পৰ্যায়ৰ জনসংখ্যা শিক্ষাৰ পাঁচটা উদ্দেশ্য লিখক।

প্ৰশ্ন ৫ ঃ মাধ্যমিক পৰ্যায়ৰ শিক্ষাত জনসংখ্যা শিক্ষাৰ প্ৰয়োজনীয়তাৰ দুটা কাৰণ লিখক।

প্ৰশ্ন ৬ ঃ মাধ্যমিক পৰ্যায়ৰ জনসংখ্যা শিক্ষাৰ সংহত বিষয় হিচাপে গণিতৰ বিষয় বস্তুবোৰৰ বিষয়ে লিখক।

গ) দীঘল প্ৰশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰাথমিক পৰ্যায়ৰ শিক্ষাত জনসংখ্যা শিক্ষা অন্তৰ্ভুক্তিৰ কাৰণবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ প্ৰাথমিক পৰ্যায়ৰ বাবে জনসংখ্যা শিক্ষাৰ বিভিন্ন দিশবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ প্ৰাথমিক পৰ্যায়ৰ পাঠ্যক্ৰমত জনসংখ্যা শিক্ষা অন্তৰ্ভুক্তিৰ সমস্যাবোৰ লিখক।

প্ৰশ্ন ৪ ঃ মাধ্যমিক পৰ্যায়ৰ শিক্ষাত জনসংখ্যা শিক্ষা অন্তৰ্ভুক্তিৰ গুৰুত্ব বৰ্ণনা কৰক।

প্ৰশ্ন ৫ ঃ মাধ্যমিক পৰ্যায়ৰ বাবে জনসংখ্যা শিক্ষাৰ পাঠ্যক্ৰমৰ বিভিন্ন দিশবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন ৬ ঃ জনসংখ্যা ধাৰণাৰ লগত সম্বন্ধিত মাধ্যমিক বিদ্যালয়ৰ বিভিন্ন বিষয়ৰ বিষয়বস্তুবোৰ লিখক।

*** ***** ***

অধ্যায় ৭ ঃ উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম

অধ্যায় গাঁথনি

7.1 উদ্দেশ্য
7.2 পৰিচয়
7.3 উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষা
7.4 উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰ
7.5 উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ প্রয়োজনীয়তা
7.6 উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ বিষয়বস্তু
7.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
7.8 অধিক জানিবলৈ
7.9 অগ্রগতিৰ খতিয়ান
7.10 আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ স্থান সম্বন্ধে জানিব পাৰিব।
- উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰ চিনাক্তকৰণ কৰিব পাৰিব।
- উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম অন্তর্ভুক্তিৰ বিভিন্ন প্রয়োজনীয়তাবোৰ বিশ্লেষণ কৰিব পাৰিব আৰু
- উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষা পাঠ্যক্রমৰ বিভিন্ন উপাদানবোৰ বর্ণনা কৰিব পাৰিব।

৭.২ পৰিচয়

আকাৰ আৰু বৃদ্ধি হ'ল জনসংখ্যাৰ দুটা গুৰুত্বপূর্ণ কাৰক যিয়ে এখন দেশৰ অর্থনৈতিক বিকাশৰ ফলপ্রসূতা নির্ধাৰণ কৰে। কম জনসংখ্যা থকা বিকশিত দেশবোৰৰ ক্ষেত্রত জনসংখ্যা বৃদ্ধি হোৱাটো ভাল দিশ হ'লেও অধিক জনসংখ্যা থকা বিকশিত দেশবোৰৰ ক্ষেত্রত জনসংখ্যা বৃদ্ধি অর্থনৈতিক বিকাশৰ দিশেৰে এক ভয়াবহ সমস্যা। জনসংখ্যাবহুল দেশবোৰত বর্তমানেও অর্থনৈতিক বৃদ্ধিৰ হাৰ কম হোৱা সত্ত্বেও জনসংখ্যা বৃদ্ধিৰ হাৰ

বাঢ়ি আছে। এই কথাত কোনো সন্দেহ নাই যে ভাৰতবর্ষৰ জনসংখ্যা বিস্ফোৰণে প্রাকৃতিক সম্পদ কমাই পেলাইছে। আৰু সকলো অর্থনৈতিক আৰু সামাজিক লাভালাভ নোহোৱা কৰিছে। সেয়ে প্রাথমিক আৰু মাধ্যমিক শিক্ষাৰ বাহিৰেও উচ্চ শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষাক অন্তর্ভুক্ত কৰিব লাগে। এই অধ্যায়ত আমি উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষা, উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ উদ্দেশ্যবোৰ আৰু উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিম। আকৌ উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ উপাদানবোৰৰ বিষয়েও এই অধ্যায়তে আলোচনা কৰিম।

৭.৩ জনসংখ্যা শিক্ষা আৰু উচ্চ শিক্ষা পর্যায়

ভাৰতবর্ষৰ উচ্চ শিক্ষা পর্যায়ত জাতীয় জনসংখ্যা শিক্ষা প্রকল্পৰ সম্প্রসাৰণে বিশ্ববিদ্যালয়ঁমহাবিদ্যালয়ৰ যুৱক-যুৱতীসকলক জনসংখ্যা শিক্ষাৰ সুযোগ প্রদান কৰিছে আৰু তেওঁলোকৰ মাধ্যমেৰে সম্প্রদায়কো সুযোগ প্রদান কৰিছে। 1986–90 চনৰ সময়ছোৱাৰ ভিতৰত জনসংখ্যা শিক্ষাৰ কার্যসূচীক শক্তিশালী কৰিবৰ বৰে UNFPA ই বিশ্ববিদ্যালয় অনুদান আয়োগ বা UGC ক সহায় কৰাৰ বাবে সন্মতিপ্রদান কৰিছিল। 1986 চনৰ এপ্রিল মাহৰ পৰা 1990 চনৰ মার্চ মাহৰ সময়ছোৱাৰ ভিতৰত জনসংখ্যা শিক্ষাৰ কার্যসূচী পর্যায়ক্রমে সকলো বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ক অন্তর্ভুক্ত কৰাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে সিদ্ধান্ত গ্রহণ কৰিছিল। বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বোৰৰ যোগেদি জনসংখ্যা শিক্ষাৰ কাৰণবোৰ উন্নীতকৰণ কৰিবৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে তলত দিয়া পদক্ষেপবোৰ গ্রহণ কৰিছিল। (UGC, 1986, পৃষ্ঠা 184–186)

- বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বোৰে প্রয়োগ কৰিবৰ বাবে জনসংখ্যাৰ বিভিন্ন বিষয়ৰ 15টা বক্তৃতাৰ শিতানৰ প্রচাৰ কৰা।
- ভিত্তিমূলক আৰু প্রায়োগিক বিষয়বোৰৰ ক্ষেত্রত স্নাতক পর্যায়ত পাঠ্যক্রমৰ সংস্কাৰ সাধন কৰি জনসংখ্যা শিক্ষাৰ আচনিৰ অন্তর্ভুক্তিকৰণ।
- স্নাতকোত্তৰ পর্যায়ত জনসংখ্যা শিক্ষা শক্তিশালীকৰণ আৰু ইয়াৰ সাধাৰণ বিকাশৰ কার্যসূচীত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহায়ৰ ব্যৱস্থা কৰণ।
- সৰু পৰিয়ালৰ আদর্শ, গর্ভকালীন মৃত্যু, পুষ্টিহীনতা, বিবাহৰ বয়স, লিংগ অনুপাত, জনসংখ্যা নিয়ন্ত্রণৰ স্থানীয় অভ্যাস, জ্ঞান, মনোভাৰ আৰু অভ্যাসৰ বিশেষ প্রসংগত জনসংখ্যা শিক্ষাৰ ক্ষেত্রভিত্তিক অধ্যয়নঁগৱেষণা প্রকল্পৰ ক্ষেত্রত বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বোৰক সহায় আগবঢ়োৱা।
- বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বোৰৰ যোগে প্রাপ্তবয়স্ক, অবিৰত আৰু সম্প্রসাৰণ শিক্ষাৰ কার্যসূচীৰ ভিতৰত জনসংখ্যা শিক্ষাক এক প্রধান কার্য হিচাপে গ্রহণ কৰা।
- জনসংখ্যা শিক্ষাৰ দূৰদর্শনৰ কার্যসূচীৰ সম্প্রসাৰণ কৰা
- ছাত্র-ছাত্রী আৰু সাধাৰণ সম্প্রদায়ৰ বাবে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ যোগে জনসংখ্যা শিক্ষাৰ ক্লাব

বা সংঘ গঠন কৰা।

বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰবোৰৰ গৱেষণামূলক সহায় প্ৰদানৰ বাবে সমগ্ৰ দেশতে বাৰটা (12) জনসংখ্যা শিক্ষাৰ গৱেষণা কেন্দ্ৰ স্থাপন কৰা হৈছে। জনসংখ্যা শিক্ষাৰ গৱেষণা কেন্দ্ৰৰ এই প্ৰকল্প তিনিটা পৰ্যায়ত সম্পন্ন কৰা হৈছিল— ছয়টা 1986 চনত, তিনিটা 1987 আৰু বাকী তিনিটা 1988 চনত স্থাপন কৰা হৈছিল। এইবোৰ স্থাপনৰ লক্ষ্য আছিল সমগ্ৰ দেশতে জনসংখ্যা শিক্ষা ক্লাবৰ দ্ৰুত সম্প্ৰসাৰণ কৰা। জনসংখ্যা শিক্ষাত উচ্চ শিক্ষাৰ প্ৰকল্প আচনিৰ এক উপ সংগঠন হ'ল জনসংখ্যা শিক্ষাৰ গৱেষণা কেন্দ্ৰ। এই বাৰটা কেন্দ্ৰৰ ভিতৰত এই জনসংখ্যাৰ শিক্ষাৰ গৱেষণা কেন্দ্ৰ মহিলাৰ বাবে আৰু এটা গ্ৰাম্য জনসাধাৰণৰ বাবে আছিল। প্ৰতিটো কেন্দ্ৰৰে এক নিৰ্দিষ্ট সেৱা ক্ষেত্ৰ আছিল য'ৰ ভিতৰত অৱস্থিত বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বোৰক জনসংখ্যা শিক্ষা শক্তিশালীকৰণ আৰু সমপ্ৰসাৰণৰ বাবে গৱেষণামূলক সহায় প্ৰদানৰ আশা কৰা হৈছিল। ইয়াৰ বাবে বিশ্ববিদ্যালয় অনুদন আয়োগে প্ৰতিটো কেন্দ্ৰতে কৰ্মচাৰী আৰু প্ৰয়োজনীয় সমলৰ যোগান ধৰিব যিয়ে সমগ্ৰ কাৰ্যসূচীৰ বাস্তৱায়তকৰণ আৰু কাৰ্যকৰীকৰণত সহায় আগবঢ়াব। প্ৰতিটো কেন্দ্ৰই কাৰ্যসম্পাদনৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশনা অনুসৰণ কৰে। প্ৰকল্পৰ অন্তৰ্গত ছয়টা কাৰ্যশক্তিৰ পৰা এই কেন্দ্ৰই সমৰ্থন লাভ কৰে" সেয়া হ'ল প্ৰশিক্ষণ, পাঠ্যক্ৰমৰ বিকাশ, শিক্ষণ সামগ্ৰী (ছপা), শিক্ষণ সামগ্ৰী (দৃশ্য শ্ৰাব্য), গৱেষণা, তথ্যকৰণ, পৰিদৰ্শন আৰু মূল্যায়ন। প্ৰতিটো কাৰ্য শক্তিতে একোজনকৈ সমন্বয়ক থাকে।

প্ৰকল্পৰ কাৰ্যকৰীকৰণৰ সমন্বয়ক ৰূপে ভাৰত চৰকাৰৰ শিক্ষা আৰু সাংস্কৃতিক মন্ত্ৰণালয়ে 'জনসংখ্যা শিক্ষাৰ জাতীয় কৰ্ণধাৰ সমিতি' গঠন কৰিছিল। জনসংখ্যা শিক্ষাৰ কাৰ্যসূচীৰ লক্ষ্য আৰু সময়ভিত্তিক কাৰ্যকৰীকৰণৰ বাবে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বোৰত মন্ত্ৰণা সমিতি আছিল। এই কমিটিবোৰে কাৰ্যসূচীৰ ফলপ্ৰসূ কাৰ্যকৰীকৰণ, সমন্বয়, পৰিদৰ্শন আৰু মূল্যায়ণৰ বাবে বিশ্ববিদ্যালয়ঃমহাবিদ্যাল, চৰকাৰী বিভাগ, জাতীয়, ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ স্বেচ্ছাসেৱী সংগঠনবোৰৰ প্ৰতিনিধিস্বৰূপে কাম কৰিছিল।

৭.৪ উচ্চ শিক্ষা পৰ্যায়ত জনসংখ্যা শিক্ষা উদ্দেশ্যবোৰ

বিশ্ববিদ্যালয়ৰ ভিতৰৰ আৰু সম্প্ৰদায়ৰ বাবে জনসংখ্যা শিক্ষাৰ প্ৰধান উদ্দেশ্য আছিল শৈক্ষিক আৰু সামাজিক। এই উদ্দেশ্যবোৰে বিশ্ববিদ্যালয়ঃমহাবিদ্যালয়ৰ যুৱক-যুৱতীসকলক তথ্য আৰু জ্ঞানৰ সম্প্ৰসাৰণৰ যোগে জনসংখ্যা আৰু জীৱনৰ গুণমান সম্বন্ধৰ সজাগতা সৃষ্টিৰ বাবে সুযোগ প্ৰদান কৰে আৰু তেওঁলোকৰ যোগে ই সম্প্ৰদায়লৈ ব্যাপ্ত হয়। বিশ্ববিদ্যালয়ৰ যোগে প্ৰদান কৰা জনসংখ্যা শিক্ষাৰ কাৰ্যসূচীৰ উদ্দেশ্যবোৰ হ'ল—

- সকলো প্ৰকাৰৰ বিশ্ববিদ্যালয় বা সম্প্ৰদায়ৰ লগতে অন্যৰ উপযোগী হোৱাকৈ স্নাতক বা স্নাতকোত্তৰ বা ডিপ্লোমা বা চাৰ্টিফিকেট বা হ্ৰস্ব ম্যাদী পাঠ্যক্ৰম প্ৰস্তুত কৰা আৰু জনসংখ্যা শিক্ষাৰ লগত সম্বন্ধিত ক্ষেত্ৰৰ

ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় বিকাশৰ বাবে বিশ্ববিদ্যালয়ৰ পাঠ্যক্রমৰ সংশোধন কৰা।

- স্নাতকঊস্নাতকোত্তৰঊবি এডঊএম এড পর্যায়ৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষাঊঅধ্যয়নক সংহত কৰা আৰু লগতে দূৰত্ব শিক্ষাতো জনসংখ্যা শিক্ষা অন্তর্ভুক্ত কৰা।
- জনসংখ্যা শিক্ষাৰ পৰিসৰ বহল কৰাৰ উদ্দেশ্যেৰে শিক্ষকসকলক একাডেমিক ষ্টাফ কলেজত জনসংখ্যা শিক্ষাৰ সৰু সৰু অংশবোৰৰ প্রশিক্ষণ দিকঊবিন্যাস প্রদান কৰা আৰু এইবোৰ শিক্ষকৰ যোগে ছাত্র-ছাত্রীক প্রদান কৰা।
- সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক প্রক্রিয়াত অংশগ্রহণৰ বাবে সমান সুযোগ আৰু জাতীয় আৰু আন্তঃৰাষ্ট্রীয় বিকাশৰ লগতে লিংগ সম্বন্ধীয় বিষয়বোৰৰ ক্ষেত্রত সমাজৰ মানুহৰ মনোভাৱ, অনুশীলন আৰু মূল্যবোধৰ উপযুক্ত পৰিৱর্তন সাধন কৰা।
- শিক্ষাদান, গৱেষণা আৰু সম্প্রদায়ৰ কার্যৰ গুৰুত্বপূর্ণ ক্ষেত্রবোৰৰ চিনাক্তকৰণ কৰা আৰু বিভাগ বা কেন্দ্রবোৰৰ আচনিবোৰৰ কার্যকৰীতাৰ সবলতা আৰু দুর্বলতাবোৰ নির্ণয় কৰা।
- দৃশ্য-শ্রাব্য কেছেট বা ডিভিডিৰ ব্যৱহাৰৰ যোগে শিক্ষণৰ সামগ্রীৰ সৃষ্টি আৰু বিকাশ কৰা।
- জনসংখ্যা শিক্ষা ক্লাব, জনসংখ্যা শিক্ষা কোষ আৰু জনসংখ্যা শিক্ষা গৱেষণা কেন্দ্র স্থাপনৰ যোগে জনসংখ্যা বিষয়ক বিশ্ববিদ্যালয়ৰ ওচৰ চপাই অনা আৰু জনসংখ্যা সম্বন্ধীয় বিষয়বোৰৰ উপযুক্ত সমাধান প্রদান কৰা।
- শিক্ষাদান, গৱেষণা, পাঠ্যক্রম আৰু প্রশিক্ষণৰ বিভিন্ন দিশৰ লগত জড়িত অর্থপূর্ণ ভূমিকা আৰু বিশেষ দায়িত্ব পালন কৰিবপৰা সংবেদনশীল আৰু গুণগত মানৱ সম্পদ উৎপাদন কৰা আৰু লিংগ সমতা, নিৰপেক্ষতা, সমাজবাদ আৰু গণতন্ত্রৰ মূল্যবোধবোৰৰ প্রত্যাহ্বান গ্রহণ কৰা।
- জনসংখ্যা অধ্যয়নৰ আন্তঃবিষয়ক প্রকৃতিৰ পৰিপ্রেক্ষিতত বিভিন্ন বিশ্ববিদ্যালয় বা প্রতিষ্ঠানৰ শিক্ষাদান, পাঠ্যক্রমৰ গঠন আৰু সংস্কাৰ সাধন, গৱেষণা আৰু সম্প্রসাৰণমূলক কার্যৰ সমন্বয় সাধন আৰু সহযোগ কৰা।
- বিশ্ববিদ্যালয় অনুদান আয়োগৰ অগতানুগতিক শিক্ষাৰ ক্ষেত্র অনুসন্ধানকাৰী (UNFEF)ৰ সৃষ্টি কৰা আৰু শিশু, পুৰুষ আৰু মহিলা (পৰিয়ালৰ ভিতৰত, সম্প্রদায় আৰু কর্মক্ষেত্রত) সমন্বিতে সকলো মানুহৰ লগত জড়িত জনসংখ্যাৰ বিষয় আৰু সমস্যাবোৰৰ বোধ কৰা আৰু নিৰপেক্ষভাৱে শুদ্ধ দৃষ্টিভংগীৰে সমস্যাবোৰ সমাধানৰ বাবে ওচৰ চপাৰ প্রয়াস কৰা।
- বিশ্ববিদ্যালয় অনুদান আয়োগৰ অগতানুগতিক শিক্ষাৰ ক্ষেত্র অনুসন্ধানকাৰীৰ সহযোগত ভাৰত চৰকাৰ বা ৰাজ্য চৰকাৰৰ ঘোষণা অনুসৰি জিলা ভিত্তিকভাৱে কিছুমান দল (দৰিদ্র সীমাৰেখাৰ তলৰ বা শৈক্ষিকভাৱে পিচপৰা দল) মাজত জনসংখ্যা শিক্ষা, সম্প্রসাৰণ শিক্ষাৰ অৱস্থা জানিবৰ বাবে জৰীপ কৰা।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ যোগে জনসংখ্যা শিক্ষাৰ কাৰণবোৰ জনাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগ বা UGC য়ে গ্রহণ কৰা তিনিটা পদক্ষেপ উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ বিশ্ববিদ্যালয় পর্যায়ত জনসংখ্যা শিক্ষাৰ দুটা উদ্দেশ্য উল্লেখ কৰক।

৭.৫ উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ প্রয়োজনীয়তা

জনসংখ্যা শিক্ষা কার্যসূচীৰ শিক্ষকসকলে পূর্বনির্ধাৰিত লক্ষ্য আৰু উদ্দেশ্যত উপনীত হোৱাটো প্রয়োজনীয়। ইয়াৰ বাবে তেওঁলোকে উপযুক্ত নির্দেশাত্মক পদ্ধতি আৰু কার্যপ্রণালীৰ প্রয়োগ কৰিব লাগে। কিন্তু ইয়াৰ বাবে তেওঁ জনা উচিত যে তেওঁ কিমান প্রভাৱ বিস্তাৰ কৰিব পাৰিব। অন্য অর্থত ক'বলৈ হ'লে তেওঁ জনসংখ্যা শিক্ষাৰ বিষয়বস্তুবোৰ জনা উচিত। উপযুক্ত স্তৰীকৃত কৰা বিষয়, কার্য আৰু অভিজ্ঞতাৰ সংমিশ্রণ হ'ল পাঠ্যক্রম। উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ প্রয়োজনীয়তাক তলত দিয়া ধৰণেৰে সাৰাংশকৃত কৰিব পাৰি।

- **লক্ষ্যত উপনীত হোৱা ঃ** উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ লক্ষ্যবোৰ কেৱল বিশ্লেষণ কৰিলেই যথেষ্ট নহয়। জনসংখ্যা শিক্ষাৰ লক্ষ্যত উপনীত হ'বৰ পৰিকল্পিত প্রচেষ্টা আৰু সংগঠনৰ প্রয়োজন। জনসংখ্যা শিক্ষাৰ লক্ষ্যত উপনীত হ'বৰ বাবে সহায়কাৰী জ্ঞান, কর্ম, অভিজ্ঞতা আৰু অন্যান্য কাৰকবোৰৰ বিষয়ে পাঠ্যক্রমৰ যাগেদি জনাটো দৰকাৰ।
- **ভাল শিক্ষকৰ বাবে নির্ণায়ক ঃ** পাঠ্যক্রমৰ যোগেদি জানিব পৰা যায় উচ্চ শিক্ষাৰ পর্যায়ত এইবোৰ নতুন বিষয়ৰ শিক্ষাদানৰ বাবে কেনে ধৰণৰ শিক্ষকৰ প্রয়োজন হয়। পাঠ্যক্রমৰ প্রয়োজনীয়তা অনুসৰি শিক্ষকে কেনে ধৰণৰ কার্য সম্পাদন কৰিব লাগে এই বিষয়ে জানিব পৰা যায়।
- **উপযুক্ত পদ্ধতিৰ নির্বাচন ঃ** উচ্চ শিক্ষাৰ পর্যায়ৰ জনসংখ্যা শিক্ষাক পাঠ্যক্রমে শিক্ষকক উপযুক্ত শিক্ষাদান পদ্ধতি নির্বাচনৰ বাবে সহায় কৰে। 'কি শিকাব লাগে' সেয়া 'কেনেকৈ শিকাব লাগে'ৰ যোগেদি নির্ধাৰণ কৰা হয়।
- **শিক্ষাৰ ধাৰাৰ প্রতিফলন ঃ** উচ্চ শিক্ষাৰ পর্যায়ৰ পাঠ্যক্রম হ'ল জনসংখ্যা শিক্ষাৰ লক্ষ্যবোৰত উপনীত হোৱাৰ উপায় স্বৰূপ যিবোৰ লক্ষ্য গতিশীল আৰু পৰিৱর্তিত সামাজিক প্রয়োজন অনুসৰি পৰিৱর্তনশীল প্রকৃততে, জনসংখ্যা শিক্ষাৰ ধাৰা আৰু বৃদ্ধি পাঠ্যক্রমৰ সামগ্রী সহজে প্রস্তুত কৰিব পাৰি কিয়নো এই স্তৰৰ ছাত্র ছাত্রীসকল বয়সৰ ক্ষেত্রত আগবঢ়া আৰু ব্যাপক অভিজ্ঞতাসম্পন্ন। সিহঁতে অতি সহজে জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ লগত জড়িত অন্যান্য চলকবোৰৰ মৌলিক সম্বন্ধবোৰ বুজি উঠিব পাৰে। সেয়েহে আমাৰ দেশৰ লগতে সমগ্র বিশ্বতে উচ্চ শিক্ষাৰ ছাত্র-ছাত্রীৰ বাবে জনসংখ্যা শিক্ষাৰ ভিন্নমুখী কার্যসূচী প্রস্তুত কৰিব লাগে।

- **সহজে শিক্ষাদান আৰু বর্ণনাকৰণ ঃ** উচ্চ শিক্ষাৰ ছাত্র-ছাত্রীবোৰ অধিক পৰিপক্ক আৰু বোধ সম্পন্ন বাবে সিহঁতৰ লগত জনসংখ্যা শিক্ষা সম্বন্ধীয় বিভিন্ন সমস্যা আলোচনা কৰাটো সহজ কথা। বিদ্যালয় শিক্ষাৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষাৰ কিছুমান বিষয় যেনে মানুহৰ দেহতন্ত্র, যৌন গ্রন্থিৰ পঠন আৰু কার্যাৱলী আদি অন্তর্ভুক্ত কৰিব নোৱাৰি।
- **সমাজৰ নেতা ঃ** উচ্চ শিক্ষাৰ ছাত্র-ছাত্রীসকল সমাজৰ নেতা স্বৰূপ। সিহঁতে জনসাধাৰণক বহু পৰিমাণে প্রভাৱিত কৰিব পাৰে। জনসংখ্যা সম্বন্ধে থকা সিহঁতৰ জ্ঞান জনসংখ্যা বৃদ্ধিৰ জ্ঞান জনসাধাৰণৰ মাজত সম্প্রসাৰণ কৰাত সহায় কৰে।
- **গৱেষণা ঃ** উচ্চ শিক্ষাৰ মূল উদ্দেশ্য হ'ল শিক্ষাদান, সম্প্রসাৰণ আৰু গৱেষণা। উচ্চ শিক্ষা পর্যায়ত, গৱেষণা কার্যত প্রধান গুৰুত্ব আৰোপ কৰা হয়। জনসংখ্যা শিক্ষাৰ ক্ষেত্রত নতুন তত্ত্বৰ বিকাশ সাধন, ফলপ্রসূ পৰিকল্পনা আৰু নতুনত্ব সৃষ্টিৰ বাবে জনসংখ্যা শিক্ষাৰ ক্ষেত্রত গৱেষণা অতি গুৰুত্বপূর্ণ।

৭.৬ উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ বিষয়বস্তু

বোম্বে (বর্তমানৰ মুম্বাই) অনুষ্ঠিত হোৱা জনসংখ্যা শিক্ষাৰ প্রথমখন আলোচনাচক্র (1969)ত তলত দিয়া পদক্ষেপবোৰ গ্রহণৰ পৰামর্শ আগবঢ়াইছিল।

- মহাবিদ্যালয় পর্যায়ত, স্নাতক পর্যায়ৰ বাবে বিশ্ববিদ্যালয়ে জনসংখ্যা সম্বন্ধীয় তথ্যৰ বিষয় প্রস্তুত কৰিব লাগে। যাতে ইয়াৰ দ্বাৰা জনসংখ্যা সম্বন্ধীয় সমস্যাবোৰৰ বিষয়ে আকর্ষিত হৈ ছাত্র-ছাত্রীসকলে স্নাতকোত্তৰ পর্যায়ত সেই নির্দিষ্ট বিষয়ত বিশেষীকৃত শিক্ষা লাভ কৰিব পাৰিব।
- গুণসম্পন্ন কর্মচাৰীৰ দ্বাৰা মহাবিদ্যালয়ত নির্দেশনা কোষবোৰ শক্তিশালী কৰিব লাগে যাৰদ্বাৰা পৰিয়াল জীৱন আৰু বিবাহ সম্বন্ধীয় পৰামর্শদানৰ ব্যক্তিগত সমস্যাবোৰ ছাত্র-ছাত্রীয়ে সমাধান কৰিব পাৰে।
- যুৱক-যুৱতী আৰু শিক্ষকসকলক সমস্যাবোৰৰ সজাগতা বৃদ্ধিৰ বাবে জনসংখ্যা শিক্ষা সম্বন্ধীয় বিষয়বোৰৰ ক্ষেত্রত বিশ্ববিদ্যালয়বোৰে প্রতিবছৰে প্রতিখন মহাবিদ্যালয়তে সম্প্রসাৰণমূলক বক্তৃতাৰ সংগঠন কৰিব লাগে।

শিক্ষাৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্তৰত জনসংখ্যা শিক্ষা এক পৃথক বিষয়স্বৰূপে গঢ়ি তুলিব লাগে। আন বিষয়বোৰৰ লগত ইয়াক সংলগ্ন কৰিব নালাগে। সাম্প্রতিক জনসংখ্যা সম্বন্ধীয় বিষয় আৰু সমস্যাবোৰৰ ক্ষেত্রত জনসাধাৰণক সজাগ কৰাৰ বাবে বিশ্ববিদ্যালয়বোৰত জনসংখ্যা শিক্ষাৰ কোনো পৃথক বিভাগ নাই। বহুতো ভাৰতীয় বিশ্ববিদ্যালয়ত শিক্ষা বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষা হিচাপে এখন কাকত অন্তর্ভুক্ত কৰা হয়। বিশ্ববিদ্যালয়বোৰত জনসংখ্যা অধ্যয়ন কেন্দ্র আছে যদিও এই কেন্দ্রই জনসংখ্যা শিক্ষাৰ উদ্দেশ্য সফল কৰিব নোৱাৰে।

বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগত স্নাতকোত্তৰ পর্যায়ত জনসংখ্যা শিক্ষাৰ কাকতৰ অন্তর্ভুক্ত বিষয়বোৰ তলত

উল্লেখ কৰা ধৰণৰ—

১) **মৌলিক ধাৰণা ঃ**

- জনসংখ্যা শিক্ষা ধাৰণা
- জনসংখ্যা শিক্ষাৰ প্ৰকৃতি, উদ্দেশ্য আৰু পৰিসৰ
- জনসংখ্যা শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব
- জনসংখ্যা শিক্ষাৰ তত্বসমূহ

২) **জনসংখ্যা বৃদ্ধি আৰু জনসংখ্যা গতিশীলতা ঃ**

- জনসংখ্যাৰ বিতৰণ - বয়স, লিংগ, গ্ৰাম্য-চহৰ
- জনসংখ্যা বৃদ্ধিৰ কাৰণবোৰ
- জনসংখ্যা বৃদ্ধিৰ পৰিণাম
- জনসংখ্যা নিয়ন্ত্ৰণৰ লগত সম্বন্ধিত ভাৰত চৰকাৰৰ নীতি আৰু কাৰ্যসূচীবোৰ

৩) **জনসংখ্যা আৰু জীৱনৰ গুণমান ঃ**

- আৰ্থ সামাজিক বিকাশৰ লগত জনসংখ্যাৰ সম্বন্ধ
- স্বাস্থ্য অৱস্থা, স্বাস্থ্য সেৱা আৰু পুষ্টি
- প্ৰাকৃতিক সম্পদ আৰু পৰিৱেশৰ ওপৰত জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ
- জনসংখ্যা আৰু ভাৰতৰ সাক্ষৰতা অভিযান

৪) **পৰিয়াল পৰিকল্পনা ঃ**

- ভাৰতবৰ্ষৰ পৰিয়াল পৰিকল্পনাৰ কাৰ্যসূচীবোৰ
- প্ৰাক স্বাধীনোত্তৰ আৰু স্বাধীনোত্তৰ কালত পৰিয়াল পৰিকল্পনাৰ প্ৰচেষ্টাবোৰ
- পৰিয়াল পৰিকল্পনা কাৰ্যসূচীৰ কাৰ্যকৰী লক্ষ্যবোৰ
- পৰিয়াল পৰিকল্পনা কাৰ্যসূচীৰ দিশবোৰ আৰু সংগাঠনিক গঠন
- পৰিয়াল পৰিকল্পনা কাৰ্যসূচীৰ কাৰ্যকীৰকৰণৰ অভিগমনবোৰ

৫) **যৌন শিক্ষা ঃ**

- যৌন শিক্ষাৰ ধাৰণা আৰু প্ৰকৃতি
- যৌন শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব
- যৌন শিক্ষাৰ উদ্দেশ্য আৰু পদ্ধতি
- যৌন শিক্ষাৰ পৰিসৰ বা বিষয়বস্তু

৬) **জনসংখ্যা শিক্ষা আৰু শৈক্ষিক অনুষ্ঠান ঃ**

- শিক্ষানুষ্ঠানত জনসংখ্যা শিক্ষাৰ পৰিসৰ
- বিভিন্ন পৰ্যায়ত জনসংখ্যা শিক্ষা-প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ
- জনসংখ্যা সমস্যাৰ সজাগতা সৃষ্টিত শিক্ষকৰ ভূমিকা

- পদ্ধতি আৰু অভিগমন ঃ অনুসন্ধান অভিগমন, পর্যবেক্ষণ, আত্ম অধ্যয়ন আলোচনা, কর্ম
- গণ মাধ্যমৰ ব্যৱহাৰ-বাতৰিকাকত, ৰেডিঅ', দূৰদর্শন আৰু দৃশ্য-শ্রাব্য সজুলিবোৰ।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ প্রয়োজনীয়তাৰ দুটা দিশ লিখক।

প্রশ্ন নং ৪ ঃ উচ্চ শিক্ষা পর্যায়ত যৌন শিক্ষাৰ বিষয়বস্তুবোৰ উল্লেখ কৰক।

2 ৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- প্রাথমিক আৰু মাধ্যমিক শিক্ষাৰ উপৰিও উচ্চ শিক্ষাতো জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম অন্তর্ভুক্ত কৰিব লাগে।
- ভাৰতবর্ষৰ উচ্চ শিক্ষা পর্যায়ত জাতীয় জনসংখ্যা শিক্ষা প্রকল্পৰ সম্প্রসাৰণ বিশ্ববিদ্যালয়ঃমহাবিদ্যালয়ৰ যুৱক যুৱতীসকলক জনসংখ্যা শিক্ষাৰ সুযোগ প্রদান কৰিছে আৰু তেওঁলোকৰ মাধ্যমেৰে সম্প্রদায়কো সুযোগ প্রদান কৰিছে।
- 1986 চনৰ এপ্রিল মাহৰ পৰা 1990 চনৰ মার্চ মাহৰ সময়ছোৱাৰ ভিতৰত জনসংখ্যা শিক্ষাৰ কার্যসূচীত পর্যায়ক্রমে সকলো বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বোৰৰ যোগেদি প্রাপ্তবয়স্ক, অবিৰত আৰু সম্প্রসাৰণ শিক্ষাৰ কার্যসূচীৰ ভিতৰত জনসংখ্যা শিক্ষাক এক প্রধান কার্য হিচাপে গ্রহণ কৰিব লাগে।
- বিশ্ববিদ্যালয়ৰ ভিতৰত আৰু সম্প্রদায়ৰ বাবে জনসংখ্যা শিক্ষাৰ প্রধান উদ্দেশ্য আছিল শৈক্ষিক আৰু সামাজিক। এই উদ্দেশ্যবোৰ বিশ্ববিদ্যালয় বা মহাবিদ্যালয়বোৰৰ যুৱক যুৱতীসকলক তথ্য আৰু জ্ঞানৰ সম্প্রসাৰণৰ যোগে জনসংখ্যা আৰু জীৱনৰ গুণমান সম্বন্ধৰ সজাগতা সৃষ্টিৰ বাবে সুযোগ প্রদান কৰে আৰু তেওঁলোকৰ যোগে ই সম্প্রদায়লৈ ব্যাপ্ত হয়।
- উচ্চ শিক্ষাৰ প্রধান উদ্দেশ্য হ'ল শিক্ষাদান, সম্প্রসাৰণ আৰু গৱেষণা। উচ্চ শিক্ষা পর্যায়ত গৱেষণা কার্যত প্রধান গুৰুত্ব আৰোপ কৰা হয়। জনসংখ্যা শিক্ষাৰ ক্ষেত্রত তত্বৰ বিকাশ সাধন, ফলপ্রসূ পৰিকল্পনা আৰু নতুনত্ব সৃষ্টিৰ বাবে জনসংখ্যা শিক্ষাৰ ক্ষেত্রত গৱেষণা অতি গুৰুত্বপূর্ণ।
- যুৱক-যুৱতী আৰু শিক্ষকসকলৰ মাজত সমস্যাৰ ক্ষেত্রত সজাগতা সৃষ্টিৰ বাবে জনসংখ্যা শিক্ষা সম্বন্ধীয় বিষয়বোৰৰ ওপৰত প্রতিবছৰে বিশ্ববিদ্যালয়বোৰে সম্প্রসাৰণমূলক বক্তৃতাৰ আয়োজন কৰিব লাগে।
- মহাবিদ্যালয় পর্যায়ত, স্নাতক পর্যায়ৰ বাবে বিশ্ববিদ্যালয়ে জনসংখ্যা সম্বন্ধীয় সমস্যাবোৰৰ বিষয়ে আকর্ষিত হৈ ছাত্র-ছাত্রীসকলে স্নাতকোত্তৰ পর্যায়ত সেই নির্দিষ্ট বিষয়ত বিশেষীকৃত শিক্ষা লাভ কৰিব পাৰিব।

- সাম্প্রতিক জনসংখ্যা সম্বন্ধীয় বিষয় আৰু সমস্যাবোৰৰ ক্ষেত্রত জনসাধাৰণক সজাগ কৰাৰ বাবে বিশ্ববিদ্যালয়বোৰত জনসংখ্যা শিক্ষাৰ কোনো পৃথক বিভাগ নাই। বহুতো ভাৰতীয় বিশ্ববিদ্যালয়ত শিক্ষা বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষা হিচাপে এখন কাকত অন্তর্ভুক্ত কৰা হয়।

০ ৭.৮ অধিক জানিবলৈ

1] Aggarwal, J.C. (2013). Population Education, New Delhi : Shipra Publications.

2] Akhtar, Parveen R. (2014). Enviornmental and Population Education, Guwahati : Assam Book Depot.

3] Chandel & Nand (2011). Population Education. Agra : Shri Vinod Pustak Mandir.

4] Goswami, Meena Kumari (2013). Environmental Education and Population Education, New Delhi : Asian Books Private Limited.

5] Gupta, P. K. (2005), Population Education, Meerut : R. Lall Book Depot,

6] Kapoor & Kapoor (2013). Population Education. Guwahati : EBH Publishers.

7] Nanda S. K. (2002). Population Education-An Informative Update. Delhi : Doaba House.

8] Rao, V. K. (2001). Population. Delhi : A. P. H. Publishing Corporation.

K ৭.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বোৰৰ যোগেদি জনসংখ্যা শিক্ষাৰ কাৰণবোৰ উন্নীতকৰণ কৰিবৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে গ্রহণ কৰা পদক্ষেপ তিনিটা হ'ল—

- বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বেৰে প্রয়োগ কৰিবৰ বাবে জনসংখ্যাৰ বিভিন্ন বিষয়ৰ 15টা বক্তৃতাৰ শিতানৰ প্রচাৰ কৰা।
- ভিত্তিমূলক আৰু প্রায়োগিক বিষয়বোৰৰ ক্ষেত্রত স্নাতক পর্যায়ত পাঠ্যক্রমৰ সংস্কাৰ সাধন কৰি জনসংখ্যা শিক্ষাৰ আচনিৰ অন্তর্ভুক্তিকৰণ।
- স্নাতকোত্তৰ পর্যায়ত জনসংখ্যা শিক্ষা শক্তিশালীকৰণ আৰু ইয়াৰ সাধাৰণ বিকাশৰ কার্যসূচীত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহায়ৰ ব্যৱস্থাকৰণ।

২ নং প্রশ্নৰ উত্তৰ ঃ বিশ্ববিদ্যালয় পর্যায়ত জনসংখ্যা শিক্ষাৰ দুটা উদ্দেশ্য হ'ল—

- জনসংখ্যা শিক্ষা ক্লাব, জনসংখ্যা শিক্ষাৰ কোষ আৰু জনসংখ্যা শিক্ষা গৱেষণা কেন্দ্ৰ স্থাপনৰ যোগে জনসংখ্যা বিষয়ক বিশ্ববিদ্যালয়ৰ ওচৰ চপাই অনা আৰু জনসংখ্যা শিক্ষা সম্বন্ধীয় বিষয়বোৰৰ উপযুক্ত সমাধান প্রদান কৰা।
- শিক্ষাদান, গৱেষণা পাঠ্যক্রম আৰু প্রশিক্ষণৰ বিভিন্ন দিশৰ লগত জড়িত অর্থপূর্ণ ভূমিকা আৰু বিশেষ দায়িত্ব পালন কৰিব পৰা সংবেদনশীল আৰু গুণগত মানৰ সম্পদ উদযাপন কৰা আৰু লিংগ সমতা, নিৰপেক্ষতা, সমাজবাদ আৰু গণতন্ত্ৰৰ মূল্যবোধবোৰৰ প্রত্যাহ্বান গ্রহণ কৰা।

৩ নং প্রশ্নৰ উত্তৰ ঃ উচ্চ শিক্ষাৰ পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ গুৰুত্ব দুটা দিশ হ'ল—

- ভাল শিক্ষকৰ বাবে নির্ণায়ক ঃ পাঠ্যক্রমৰ যোগেদি জানিব পৰা যায় যে উচ্চ শিক্ষাৰ পর্যায়ত এইবোৰ নতুন বিষয়ৰ শিক্ষাদানৰ বাবে কেনে ধৰণৰ শিক্ষকৰ প্রয়োজন হয়। পাঠ্যক্রমৰ প্রয়োজনীয়তা অনুসৰি শিক্ষকে কেনে ধৰণৰ কার্য সম্পাদন কৰিব লাগে সেই বিষয়ে জানিব পৰা যায়।
- উপযুক্ত পদ্ধতিৰ নির্বাচন ঃ উচ্চ শিক্ষাৰ পর্যায়ৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম শিক্ষকক উপযুক্ত শিক্ষাদান পদ্ধতি নির্বাচনৰ বাবে সহায় কৰে। 'কি শিকাব লাগে' সেয়া 'কেনেকৈ শিকাব লাগে'ৰ যোগেদি নির্ধাৰণ কৰা হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ উচ্চ শিক্ষা পর্যায়ত যৌন শিক্ষাৰ বিষয়বস্তুবোৰ হ'ল—

- যৌন শিক্ষাৰ ধাৰণা আৰু প্রকৃতি।
- যৌন শিক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব।
- যৌন শিক্ষাৰ উদ্দেশ্য আৰু পদ্ধতি।
- যৌন শিক্ষাৰ পৰিসৰ বা বিষয়বস্তু।

৭.১০ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ পৰিয়াল পৰিকল্পনাৰ লগত জড়িত উচ্চ শিক্ষা পর্যায়ৰ জনসংখ্যা শিক্ষাৰ এটা বিষয়বস্তু উল্লেখ কৰক।

প্রশ্ন ২ ঃ জীৱনৰ গুণমানৰ লগত জড়িত উচ্চ শিক্ষা পর্যায়ৰ জনসংখ্যা শিক্ষাৰ এটা বিষয়বস্তু উল্লেখ কৰক।

প্রশ্ন ৩ ঃ জনসংখ্যা গতিশীলতাৰ লগত জড়িত উচ্চ শিক্ষা পর্যায়ৰ জনসংখ্যা শিক্ষাৰ এটা বিষয়বস্তু উল্লেখ কৰক।

খ) **চমু প্রশ্ন** (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঁচটা উদ্দেশ্য লিখক।

প্রশ্ন ২ ঃ উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষাৰ গুৰুত্বৰ তিনিটা দিশ লিখক।

প্রশ্ন ৩ ঃ মৌলিক ধাৰণাৰ লগত সম্বন্ধিত জনসংখ্যা শিক্ষাৰ বিষয়বোৰ লিখক।

প্রশ্ন ৪ ঃ উচ্চ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ পৰিপ্রেক্ষিতত জনসংখ্যা শিক্ষাৰ ৰাষ্ট্রীয় আলোচনা চক্র (1969)ৰ পৰামর্শবোৰ লিখক।

গ) **দীঘল প্রশ্ন ঃ** (300–500টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ উচ্চ শিক্ষা জনসংখ্যা শিক্ষাৰ গুৰুত্ব বর্ণনা কৰক।

প্রশ্ন ২ ঃ উচ্চ শিক্ষা পর্যায়ত জনসংখ্যা শিক্ষা পাঠ্যক্রমৰ বিভিন্ন বিষয়বোৰ বহলাই লিখক।

*** ***** ***

অধ্যায় ৮ ঃ জনসংখ্যা নিয়ন্ত্রণত প্রয়োজনীয় নির্দেশন সামগ্রী আৰু শিক্ষণ আহিলা

অধ্যায় গাঁথনি

8.1 উদ্দেশ্য
8.2 পৰিচয়
8.3 নির্দেশন সামগ্রীৰ ধাৰণা
8.4 জনসংখ্যা শিক্ষাত বিভিন্ন শিক্ষণ আহিলাৰ ব্যৱহাৰ
8.5 জনসংখ্যা নিয়ন্ত্রণত গণ-মাধ্যমৰ ভূমিকা
8.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
8.7 অধিক জানিবলৈ
8.8 অগ্রগতিৰ খতিয়ান
8.9 আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- নির্দেশন সামগ্রীৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- জনসংখ্যা শিক্ষাত ব্যৱহৃত শিক্ষণ আহিলাবোৰ চিনাক্ত কৰিব পাৰিব
- জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমৰ ভূমিকাৰ সম্পর্কে বর্ণনা কৰিব পাৰিব

৮.২ পৰিচয়

এই অধ্যায়টিত নির্দেশন সামগ্রীৰ ধাৰণা, জনসংখ্যা শিক্ষাত শিক্ষণ আহিলাবোৰ কেনেদৰে ব্যৱহাৰ কৰা হয় আৰু জনসংখ্যা নিয়ন্ত্রণত গণ-মাধ্যমে কেনে ভূমিকা লয় সেয়া বহলাই আলোচনা কৰা হৈছে।

আমাৰ দেশত পৰিকল্পনাকাৰীসকলে সন্মুখীন হোৱা তীব্র প্রত্যাহ্বান এটা হ'ল অনবৰতে বৃদ্ধি হৈ থকা জনসংখ্যা। সেয়েহে জনসংখ্যা শিক্ষাৰ ওপৰত বর্তমান যথেষ্ট জোৰ দিয়া হৈছে। জনসংখ্যা সমস্যাৰ বিষয়ে মানুহক শিকোৱাৰ সফলতা এটা উপযুক্ত শিক্ষণ পদ্ধতি বিকশাই তোলাৰ ওপৰত নির্ভৰশীল। এই খিনিতে এটা কথা মনত ৰাখি থোৱা ভাল যে যিসকলক জনসংখ্যা শিক্ষাৰে শিক্ষিত কৰি তোলা প্রয়োজন তেওঁলোক সাধাৰণতে নিৰক্ষৰ

আৰু দুখীয়া লোক। এই মানুহখিনিৰ অধিকাংশই ৰক্ষণশীল মনোভাৱৰ গৰাকী। এওঁলোকৰ বাবে পৰম্পৰাগত আনুষ্ঠানিক শিক্ষা পদ্ধতিৰে দিয়া মৌখিক, তাত্বিক আৰু ধাৰণাগত প্রকৃতিৰ শিক্ষা উপযুক্ত নহয়। আনুষ্ঠানিক শিক্ষাই মানুহৰ মনোভাৱ, দৃষ্টিভংগী, পুৰণি প্রমূল্য আৰু জীৱন যাপনৰ পন্থা সলনি কৰাৰ ঈপ্সিত লক্ষ্যত উপনীত হোৱাত সহায় কৰে। একে সময়তে এনে শিক্ষাই জনসংখ্যা পৰিস্থিতিৰ বাস্তৱ জটিলতা সম্পর্কেও মানুহৰ মনোভাৱ সলনি কৰিব পাৰিব লাগে। এইবোৰ কাৰণতে জনসংখ্য শিক্ষাৰ বিষয়টোৱে এক নতুন অধ্যয়ন ক্ষেত্রৰূপে গা কৰি উঠিছে। জনসংখ্যা শিক্ষাৰ প্রয়োজনীয়তা পূৰাবলৈ নির্দেশন সামগ্রী আৰু শিক্ষণ আহিলাৰ আৰ্হি প্রস্তুত আৰু সংগঠিত কৰা হৈছে। জনসংখ্যা শিক্ষাৰ নির্দেশনা দিয়া কামত ব্রতী সকলোৱে এই নির্দেশন পন্থা আৰু সামগ্রীবোৰৰ বিষয়ে ভালদৰে জানি লোৱা উচিত।

৮.৩ নির্দেশন সামগ্রীৰ ধাৰণা

নির্দেশন আহিলাবোৰ শিক্ষণ অথবা প্রশিক্ষণ আহিলা বুলিও কোৱা হয়। ইয়াক দৃশ্য- শ্রাব্য আহিলা বুলিও জনা যায়। শিক্ষণ- শিকন প্রক্রিয়াটো অধিক ফলপ্রসূ আৰু আনন্দদায়ক কৰি তুলিবলৈ শিক্ষকে এনে আহিলা ব্যৱহাৰ কৰে।

দৃশ্য-শ্রাব্য আহিলা অথবা ছপা সামগ্রীয়ে শিক্ষণ অথবা শিকন প্রক্রিয়াত সহায় কৰে।

নির্দেশন সামগ্রী মানে হ'ল এনে কিছুমান সামগ্রী যিবোৰৰ সহায়ত শিক্ষকে সবলভাৱে আৰু ফলপ্রসূভাৱে কোনো বিষয় উপস্থাপন কৰিব পাৰে। অর্থাৎ, আহিলা হ'ল শিক্ষকৰ সহায়কাৰী সামগ্রী। ই শিক্ষকৰ পদ পূৰাব নোৱাৰে।

নির্দ্দেশাত্মক পদ্ধতিৰ উপাদান সমূহ ঃ-

- নির্দ্দেশাত্মক উদ্দেশ্যাৱলীসমূহ নির্ধাৰণ কৰা হয় যাতে শিক্ষকসকলে কি শিকাব সেইটো আগতীয়াকৈ জানিব পাৰে।
- ছাত্র-ছাত্রীসকল।
- শিক্ষকসকল।
- বিষয়বস্তু।
- নির্দ্দেশাত্মক উদ্দেশ্যাৱলীসমুহৰ লক্ষ্যত উপনীত হ'বৰ বাবে শিক্ষণ কৌশলসমূহ নির্ধাৰণ কৰি লব লাগে। যেনে ঃ শিকাৰু সকলৰ আচৰণসমূহ লক্ষ্য আৰু বিশ্লেষণ কৰা ইত্যাদি।
- নির্দ্দেশাত্মক কৌশলসমূহ আৰু মাধ্যমসমূহৰ ওপৰত সিদ্ধান্ত লোৱা।
- মূল্যায়ণ কৰা।

এতিয়া, এই উপাদান সমূহৰ বিষয়ে বিস্তৃতভাবে আলোচনা কৰি চোৱা যাওঁক।

এটা নির্দ্দেশাত্মক পদ্ধতিত, শিক্ষক বা নির্দ্দেশকজন আৰু তেওঁলোকে ব্যৱহাৰ কৰা উপায় সমূহক উপাদান

বুলি ধৰা হয়। অৱশ্যে ইয়াত উদ্দেশ্য সমূহৰ নিজস্ব শুদ্ধীকৰণৰ বাবে অবিৰত মূল্যায়ণৰ সুবিধা আছে। এই প্রণালীগত ব্যৱস্থাত, শিক্ষকজনে নির্বাচিত উপায় সমূহৰ আহিলা আৰু শ্রেণীকোঠাৰ কার্য্যসমূহ (যেনে প্রত্যেক ছাত্রই অকলে কামত নিয়োজিত নে? চাৰি বা পাঁচজন ছাত্র দলবদ্ধ হৈ কাম কৰিছে নে? শিক্ষকৰ পৰিচালনাত কাম কৰিছে নে? বৃহৎ ছাত্র দলবদ্ধ হৈ কাম কৰিছে নেকি? গণমাধ্যমৰ সহায়ত ছাত্রসকল দলবদ্ধ হৈ কামত আগবাঢ়িছে নেকি? আদি) সম্পূর্ণভাবে পৰিকল্পনা কৰিব পাৰে। শিক্ষকজনৰ গোটেই বিষয়বস্তুৰ ওপৰত দখল থাকিব লাগিব, তেওঁ ছাত্র-ছাত্রীসকলৰ সীমাবদ্ধতাৰ বিষয়ে বুজিব লাগিব। যদি তেওঁ ছাত্র-ছাত্রীসকলৰ মাজত ব্যক্তিগত পার্থক্য পৰিলক্ষিত হয় তেনে ক্ষেত্রত তেওঁ সেইধৰণে পৰিকল্পনা কৰিব লাগিব। প্রণালীগত ব্যৱস্থাই শিক্ষণৰ ফলাফল পাবলৈ অবিৰত শিক্ষা প্রদানত জড়িত হৈ থাকে আৰু মূল্যায়ণৰ ফলাফলৰ বিশ্লেষণৰ দ্বাৰা উপলব্ধ জ্ঞানৰ ব্যৱহাৰত গুৰুত্ব দিয়ে। সঠিক উদ্দেশ্য সফল কৰাত মাজে সময়ে এই ব্যৱস্থাত প্রযোজ্য পৰিকল্পনাৰো সাল সলনি কৰি যথাযথ পদক্ষেপ লবলগীয়াত পৰে।

আমি মনত ৰখা উচিত যে, প্রয়োগ পদ্ধতিৰ যোগেদি সুদূৰ প্রসাৰী ফলাফল লাভ কৰিবলৈ হ'লে আমি মনত ৰাখিব লাগিব যে ব্যৱহৃত উপাদান সমূহ মিলন বা একত্রীকৰণ কৰি লব লাগিব, সিহঁতৰ মাজত আভ্যন্তৰীণ সম্বন্ধ আৰু আভ্যন্তৰীণ যোগসূত্র স্থাপন কৰি সামগ্রিক ৰূপত গঢ়ি তুলিব লাগিব। অনুষ্ঠান পৰিকল্পনা (Institutional Planning) আৰু অণুশিক্ষণ (Micro Teaching) ক্ষেত্রত এই প্রণালীগত ব্যৱস্থা প্রয়োগ কৰিব পৰা যায়। ছাত্র-ছাত্রীৰ আচৰণ সংশোধনৰ ওপৰত ভিত্তি কৰি পাঠ্যক্রমৰ উদ্দেশ্যাৱলী সমূহ নির্দ্ধাৰণ কৰা উচিত। এটা নির্দ্দেশাত্মক গোটৰ পৰিসমাপ্তিৰ পিছত কি ফলাফল পাব পৰা যায় সেয়া শিক্ষক আৰু ছাত্র-ছাত্রীসকলে জনা উচিত। শিক্ষকৰ প্রচেষ্টা আৰু বৌদ্ধিক আহিলা সমূহৰ প্রয়োগ ছাত্র-ছাত্রীসকলৰ শিক্ষণীয় কৌশল আয়ত্বকৰণ, জ্ঞান অর্জন তথা উন্নত ধাৰণা লাভত কিমান দূৰ সফল কৰিছে তাক মূল্যায়ণৰ দ্বাৰা গম পাব পৰা যায়। প্রয়োগ কৰা সামগ্রী (Input) সমূহৰ আঁচৰণ বা চৰিত্রসমূহ মূল্যায়ণত প্রতিফলিত হয়। যদি আৱশ্যক অনুযায়ী ফলাফল পোৱা নাযায় তেন্তে পাঠ্যক্রমৰ সাল সলনি ঘটোৱা হয়।

৮.৪ জনসংখ্যা শিক্ষাত বিভিন্ন শিক্ষণ আহিলাৰ ব্যৱহাৰ

শিকন প্রক্রিয়াটো সহজ, সম্পূর্ণ, যথার্থ আৰু গতিশীল কৰি তোলাত শিক্ষণ আহিলাবোৰে যথেষ্ট সহায় কৰে। জনসংখ্যা শিক্ষাৰ বিষয়টোত যথেষ্ট পৰিমাণৰ তথ্য আৰু সংখ্যা অর্ন্তভূক্ত কৰিব লাগে। জনসংখ্যা বৃদ্ধি, মানুহৰ স্বাস্থ্য আৰু পৰিচ্ছন্নতাৰ পর্য্যায়, খাদ্য আৰু পৰিপুষ্টি, অর্থনৈতিক অৱস্থা তথা জনসংখ্যা বৃদ্ধি পৰীক্ষা কৰিবলৈ লোৱা পদ্ধতি আদি বিষয়ৰ বিভিন্ন তথ্য জনসংখ্যা শিক্ষাৰ অর্ন্তগত।

আহিলা অবিহনে শিক্ষা হ'ল এক নিৰস আৰু একঘেয়ামী প্রক্রিয়া। এগৰাকী শিক্ষকে শিকোৱাৰ সময়ত শিক্ষণ আহিলাবোৰ ফলপ্রসূ ব্যৱহাৰ জনা উচিত। জনসংখ্য শিক্ষা দিবলৈ ব্যৱহাৰ কৰা দুটামান জনপ্রিয় আহিলা হ'ল-

- চিত্র-সাৰণী (Charts)
- চিত্র (Pictures)

- মানচিত্র (Maps)
- বুলেটিন বোর্ড (Bulletin board)
- ফ্লানেল বোর্ড (Flannel board)
- অ'ভাৰ-হেড প্র'জেক্টৰ (OHP)
- চুটি কথাছবি (Film strip) পূর্ণদৈঘ্যৰ কথাছবি (Motion pictures),ৰেডিঅ', টেলিভিছ্ন, বাতৰি-কাকত, আলোচনী ৰেখাচিত্র (Graph), আন কিছুমান অত্যাধুনিক বৈদ্যুতিন সামগ্রী, ক্ষেত্রভিত্তিক ভ্রমণ (Field trip), প্রদর্শন (Demonstration)

5 জানি থোৱা ভাল

- নির্দেশন সামগ্রী মানে হ'ল শিক্ষণ অথবা শিকন প্রক্রিয়াত সহায় কৰা দৃশ্য-শ্রব্য আহিলা অথবা ছপা সামগ্রী।
- নির্দেশন সামগ্রীবোৰৰ সহায়ত শিক্ষার্থীক পোনপটীয়া আৰু উদ্দেশ্যধর্মী শিকন অভিজ্ঞতাৰে পুষ্ট কৰি তুলিব পৰা যায়। এনে শিক্ষা শিক্ষার্থীয়ে সদায় লাভ নকৰে।
- আহিলা অবিহনে শিক্ষণ হ'ল এটা নিৰস আৰু একঘেয়ামী প্রক্রিয়া।

চিত্র (pictures)

চিত্র হ'ল এবিধ প্রয়োজনীয় দর্শনসাধ্য (Visual) সামগ্রী। ইয়াক জনসংখ্যা শিক্ষাত সুফলদায়কভাৱে ব্যৱহাৰ কৰিব পাৰি। চিত্র মাধ্যমৰ জৰিয়তে অত্যধিক মানুহেৰে ভৰি থকা ঠাই, বস্তি অঞ্চল, চাফা আৰু লেতেৰা স্থান, সৰু আৰু বৃহৎ পৰিয়াল, বাল্য বিবাহ আদিৰ দৰে বিষয়বোৰ ভালদৰে বুজাব পাৰি। কিতাপ, আলোচনী আৰু বাতৰি- কাকতত চিত্র ছপা কৰা হয়। জনসংখ্যা শিক্ষাৰ সময়ত সৰু পৰিয়াল, পৰিয়াল পৰিকল্পনাৰ পদ্ধতি আদিৰ আৰ্হিও ব্যৱহাৰ কৰিব পাৰি।

ৰেখাচিত্র (Graphs)

ৰেখাচিৰ হ'ল স্পষ্ট চিত্রেৰে প্রকাশ কৰা তথ্য উপস্থাপন পদ্ধতি। সাংখ্যিক অথবা পৰিসাংখ্যিক তথ্য ৰেখাৰ জৰিয়তে প্রকাশ কৰাই হ'ল ৰেখাচিত্র। ৰেখাচিত্র কেই বা প্রকাৰৰো। যেনে- ৰৈখিক চিত্র, দণ্ড চিত্র, বৃত্ত চিত্র ইত্যাদি। ইয়াৰ জৰিয়তে জনসংখ্য বৃদ্ধিৰ হাৰ, মৃত্যুৰ হাৰ আৰু গর্ভধাৰণ ক্ষমতা আদি ফলপ্রসূভাৱে উপস্থাপন কৰিব পাৰি। বৃত্তচিত্রৰ জৰিয়তে জনসংখ্যাৰ সংৰচনা, বয়সৰ সংৰচনা, ধর্মীয় সংৰচনা আদিও সহজবোধ্যভাৱে উপস্থাপন কৰিব পাৰি।

মানচিত্র (Maps)

মানচিত্র হ'ল মহাদেশ, দেশ আদিৰ চাৰিসীমাৰ বর্ণনা থকা, স্কেলৰ জোখত উকা পৃষ্ঠাত আঁকি উলিওৱা

যথার্থ ছবি। মানচিত্রৰ সহায়ত কোনো স্থানৰ ভৌগলিক তথ্য, জনসংখ্যাৰ আধাৰত কৰা গুৰুত্বপূর্ণ বসতিস্থান বিতৰণ আদি বিষয় সহজে বুজাব পাৰি।

চিত্রসাৰণী (Charts)

জনসংখ্যা শিক্ষাৰ সময়ত চিত্র সাৰণীয়ে যথেষ্ট সহায় কৰে। সাৰণীবোৰ ৰৈখিক অথবা চিত্র সম্বলিত অথবা দুয়োটাই হ'ব পাৰে। ইয়াৰ জৰিয়তে মুখ্য কাৰক আৰু ধাৰণাৰ মাজৰ সম্পর্ক শৃংখলাৰদ্ধ তথা যুক্তিযুক্তভাৱে দেখুৱাব পৰা যায়। সাৰণীৰ প্রধান কাম হ'ল সম্পর্ক উপস্থাপন কৰা। তুলনা, বিকাশ, প্রক্রিয়া, শ্রেণীবিভাজন আৰু সংগঠনৰ সম্পর্কবোৰক সাৰণীৰ জৰিয়তে দেখুওৱা হয়। জনসংখ্যা শিক্ষাৰ ক্ষেত্রত তলত দিয়া ধৰণৰ সাৰণী ব্যৱহাৰ কৰিব পাৰি-

- **কাৰণ আৰু প্রভাৰ চিত্রসাৰণী** (Cause and effect charts)ঃ
  এনে সাৰণীয়ে জনসংখ্যা আৰু আর্থ-সামাজিক উন্নয়ন, খাদ্য আৰু পৰিপুষ্টি, জীৱন-যাপনৰ মান আদি বিষয়ৰ মাজৰ সম্পর্ক দেখুৱাব পাৰে।
- **সাংখ্যিক চিত্রসাৰণী** (Tabulation Charts)ঃ তুলনা কৰাৰ বাবে জনসংখ্যাৰ সাংখ্যিক তথ্য এনে সাৰণীৰে উপস্থাপন কৰা হয়।
- **বর্ণনাত্মক চিত্রসাৰণী** (The Narrative Charts)ঃ এনে সাৰণীৰে চলি থকা ঘটনা এটাৰ তথ্য উপস্থাপন কৰা হয়। যেনে- ভাৰততে চলি থকা জনসংখ্যা নীতি আৰু কার্যসূচীবোৰৰ ক্রমবিৱৰণ, নগৰীকৰণ প্রক্রিয়া, জনসংখ্য বৃদ্ধি প্রক্রিয়া আদি।

বুলেটিন বোর্ড (Bulletin Board)

শ্রেণীকোঠাৰ ভিতৰত নাইবা বাহিৰত বুলেটিন বোর্ড স্থিৰভাৱে লগোৱা থাকে। এনে বোর্ডত বিভিন্ন ধৰণৰ প্ররন্ধ, ছবি, কার্টুন, পোষ্টাৰ, মানচিত্র, ৰেখাচিত্র, বাতৰি, চিত্রসাৰণী আদি আঁৰি থোৱা থাকে। জনসংখ্যাৰ লগত জড়িত বিভিন্ন বিষয়ৰ তথ্য-ছবি আদি শিক্ষকে এনে বোর্ডত আঁৰিব পাৰে। শিক্ষার্থীকো এনে তথ্য-সামগ্রী বুলেটিন বোর্ডত আঁৰিবলৈ উৎসাহিত কৰিব পৰা যায়।

কথাছবি (Motion Pictures)

কথাছবিয়ে তথ্যৰ বাস্তৱিক উপস্থাপন সম্ভৱপৰ কৰি তোলে। কথাছবিৰ জৰিয়তে মানুহক বিভিন্ন ধাৰণা, মনোভাৱ, মানৰীয় সম্পর্ক আদিৰ কথা বুজাবলৈ পাৰি। এনে কথাছবিবোৰ জনসংখ্যা শিক্ষাৰ বাবে অতি সুফলদায়ক। চৰকাৰে পৰিয়াল পৰিকল্পনা আৰু পৰিয়াল কল্যাণৰ কথা বুজাবলৈ সাধাৰণতে কথাছবি ব্যৱহাৰ কৰে। এনে কথাছবিয়ে শিক্ষার্থী মনোভাৱ সলনি কৰে।

ৰেডিঅ' আৰু টেলিভিছন (Radio and Television)

ৰেডিঅ' হ'ল অনানুষ্ঠানিক শিক্ষাৰ এটা ফলপ্রসূ মাধ্যম। বর্তমানো শিক্ষার্থীক জ্ঞানৰ যোগান ধৰাৰ এটা ফলপ্রসূ আহিলা হ'ল ৰেডিঅ'। ৰেডিঅ' অনুষ্ঠানবোৰে শিক্ষার্থীক বিশ্বৰ জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ সৈতে জড়িত

সমস্যাবোৰৰ বিষয়ে দৃষ্টিভংগী বহল কৰাত সহায় কৰে। জনসংখ্যা নিয়ন্ত্রণ কার্যসূচী, যেনে- জন্মনিয়ন্ত্রক সাধনৰ ব্যৱহাৰ, সৰু পৰিয়াল আদিৰ বিজ্ঞাপন হ'ল ৰেডিঅ'ৰ যোগেদি প্রচাৰ কৰা সবাতোকৈ জৰুৰী অনুষ্ঠান।

টেলিভিছন হ'ল সাধাৰণ জনতাক শিক্ষিত কৰি তোলাৰ আন এক অতি সম্ভাৱনাময় আহিলা। অধিকাংশ পৰিয়ালে আজিকালি নিয়মীয়াকৈ টেলিভিছন চায়। ভাৰতত পালচ্- প'লিঅ' নিমূলকৰণ কার্যসূচী সফল কৰি তুলিবলৈ টেলিভিছনক ফলপ্রসূভাৱে ব্যৱহাৰ কৰা হৈছে।

অ'ভাৰ হেড প্র'জেক্টৰ (OHP)

এই যন্ত্রবিধৰ সহায়ত বিভিন্ন চিত্রসাৰণী, ৰেখাচিত্র, মানচিত্র আদি উপস্থাপন কৰিব পৰা যায়। এবিধ বিশেষ স্বচ্ছ পাতত এই চিত্রবোৰ আঁকা হয় আৰু এখন পর্দাত এনে চিত্রবোৰৰ প্রতিৰূপ পৰিবলৈ দিয়া হয়। ই শিক্ষকৰ বোর্ডত চক পেঞ্চিলেৰে ছবি আঁকা, লিখা সময়খিনি ৰাহি কৰে। জনসংখ্যা শিক্ষাৰ বাবে অ'এইচ পি এবিধ অতি উপযোগী শিক্ষণ আহিলা।

ক্ষেত্রভিত্তিক ভ্রমণ (Field Trips)

শিক্ষার্থীক কোনো বিষয়ৰ প্রত্যক্ষ অভিজ্ঞতাৰে পুষ্ট কৰাই হ'ল এক ফলপ্রসূ মাধ্যম। এনে ভ্রমণে শিক্ষার্থীক তত্ত্ব আৰু অনুশীলনৰ মাজত থকা সাদৃশ্য তথা বৈসাদ্যশ্যবোৰ বুজাত সহায় কৰে। উদাহৰণ স্বৰূপে- প্রাথমিক বিদ্যালয়ৰ শিক্ষার্থীক বিভিন্ন পৰিয়াল পৰিকল্পনা কেন্দ্রলৈ লৈ গৈ পৰিয়াল পৰিকল্পনা বিভাগে জনসংখ্যা নিয়ন্ত্রণৰ বাবে কেনে ব্যৱস্থা গ্রহণ কৰিছে সেই সম্পর্কে সজাগ কৰি তুলিব পৰা যায়। অৱশ্যে ক্ষেত্রভিত্তিক ভ্রমণবোৰ হ'ল বিমূর্ত শিক্ষাৰ এটা ৰূপ। কাৰণ ই হ'ল হাতে-কামে কৰাতকৈ নিৰীক্ষণৰ সুবিধা থকা শিক্ষা।

5 জানি থোৱা ভাল

জনসংখ্যা শিক্ষা দিবলৈ ব্যৱহৃত দুটামান জনপ্রিয় শিক্ষণ আহিলা হ'ল-

- চিত্র
- মানচিত্র
- চিত্র সাৰণী
- অ'ভাৰ হেড প্র'জেক্টৰ
- ক্ষেত্রভিত্তিক ভ্রমণ ইত্যাদি।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ নির্দেশন সামগ্রীৰ ধাৰণাটো ব্যাখ্যা কৰক (40 টা শব্দৰ ভিতৰত)।

প্রশ্ন নং ২ঃ শিক্ষণ আহিলা মানে কি? (2 নাইবা 3 শাৰীত উত্তৰ দিয়ক)।

প্রশ্ন নং ৩ঃ বিকল্প পচন্দৰ প্রশ্ন-

(i) জনসংখ্যা বৃদ্ধি আৰু অর্থনৈতিক উন্নয়নৰ সম্পর্কে দেখুওৱা চিত্রসাৰণীখন হ'ল-

(ক) কাৰণ আৰু প্রভাৱ সাৰণী

(খ) টেলিভিছন সাৰণী ☐

(গ) বর্ণনাত্মক সাৰণী

(ii) অ' এইচ পি (**OHP**) হ'ল এটা-

(ক) ৰৈখিক আহিলা

(খ) বুলেটিন বোর্ড ☐

(গ) গণ মাধ্যম

(ঘ) উপস্থাপন আহিলা

(iii) তলৰ কোনটো পন্থাৰে তথ্য সর্বাধিক যথার্থৰূপত উপস্থাপন কৰিব পাৰি?

(ক) চিত্র

(খ) অ' এইচ পি ☐

(গ) কথাছবি

(ঘ) চুটি কথাছবি

t চিন্তা চর্চা কৰক

জনসংখ্যা শিক্ষা প্রচাৰ কৰাত বিভিন্ন শিক্ষণ আহিলাৰ শৈক্ষিক মূল্য সমালোচনাত্মকভাৱে পৰীক্ষা কৰি চাওক।

৮.৫ জনসংখ্যা নিয়ন্ত্রণত গণ-মাধ্যমৰ ভূমিকা

গণ মাধ্যম মানে হ'ল এনে কোনো পন্থা, কর্তৃত্বপ্রাপ্ত বিভাগ অথবা মাধ্যম যিবোৰৰ জৰিয়তে বৃহৎ সংখ্যক লোকৰ মাজত ধাৰণা, মনোভাৱ, প্রভাৱ অথবা প্রতিচ্ছবি একে সময়তে সম্প্রচাৰিত কৰিব পৰা যায়। গণ-মাধ্যম বুলিলে কেৱল ছপা আৰু বৈদ্যুতিক মাধ্যম যেনে ৰেডিঅ', টিলিভিছন, কথাছবি, বাতৰি-কাকত, কমিকচ্, নাটক আদি কৰাই নহয়, ই জনসংখ্যা নিয়ন্ত্রণত্তে গণ-মাধ্যমে চাৰিটা প্রধান কাম কৰে। কামকেইটা হ'ল-

- মানুহক প্রভাৱিত কৰা
- তথ্য অৱগত কৰোৱা
- মনোৰঞ্জন দিয়া
- বিজ্ঞাপন প্রচাৰ কৰা

গণ-মাধ্যমৰ সবাতোকৈ গুৰুত্বপূর্ণ ভূমিকাটো হ'ল সাধাৰণ লোকক প্রভাৱিত কৰা আৰু জনমত সৃষ্টি কৰা। ৰেডিঅ', টেলিভিছন, বাতৰি-কাকত আদিয়ে মানুহৰ মন আৰু অন্তৰত গভীৰ সাঁচ পেলাব পাৰে। এই গুণৰ ফলতেই এই মাধ্যমবোৰে জনসংখ্যা বৃদ্ধি, ইয়াৰ সৈতে জড়িত আন সমস্যা, ৰাষ্ট্রৰ আর্থ-সামাজিক জীৱন আদি বিভিন্ন দিশত মানুহৰ মনোভাৱ সলনি কৰিব পাৰে। জনসংখ্যা সমস্যাটোৰ সৈতে জড়িত বিভিন্ন অনুষ্ঠান সম্প্রচাৰ কৰি প্রচাৰ মাধ্যমবোৰে মানুহৰ মনত থকা সন্দেহবোৰ ফল প্রসূভাৱে নাইকিয়া কৰিব পাৰে। গণ মাধ্যমবোৰ বিজ্ঞাপন প্রচাৰৰো এক গুৰুত্বপূর্ণ মাধ্যম। সকলোকে বিজ্ঞাপনে আকর্ষণ কৰে। ই সকলো প্রকাৰৰ প্রাপ্তবয়স্ক শিক্ষাৰ এক ডাঙৰ উৎস হ'ব পাৰে। জনসংখ্যা, পৰিয়াল পৰিকল্পনা পদ্ধতি, প্রদূষণ মুক্ত পৰিৱেশ, সাক্ষৰতা, খাদ্য , স্বাস্থ্য আদি বিভিন্ন বিষয়ৰ প্রতি বিজ্ঞাপনৰ জৰিয়তে মানুহৰ দৃষ্টি আকর্ষণ কৰিব পাৰি। বিজ্ঞাপন হ'ল মনো�ৰঞ্জনৰ এটা অংশ আৰু ই মানুহৰ মনত সহজে প্রভাৱ বিস্তাৰ কৰিব পাৰে।

আমি আমাৰ গতানুগতিক জীৱনত আৰু বিশেষ কা�ৰণৰ বাবে গণ মাধ্যমৰ প্রয়োজনীয়তা কাহানিও নুই কৰিব নোৱাৰো। ৰেডিঅ' , টেলিভিছন, বাতৰি-কাকত, কথাছবি আদিৰ উপৰি গণ মাধ্যমৰ শেহতীয়া ৰূপ হ'ল ই-মেইল, ই-কমার্চ, ইণ্টাৰনেট আদি।

ওপৰৰ আলোচনাবোৰৰ পৰা আপোনালোকে গম পালে প্রাথমিক আৰু মাধ্যমিক বিদ্যালয় পর্য্যায়ত জনসংখ্যা শিক্ষা কিয় আৰু কেনেদৰে অর্ন্তভুক্ত কৰিব লাগে। একে সময়তে সাধাৰণ জনগণক জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণ কৰিব পৰাকৈ শিক্ষিত কৰি তোলাটোও প্রয়োজনীয়। ইয়াৰ বাবে আমি গণ মাধ্যমৰ সহায় ল'ব পাৰো। এই মাধ্যমবোৰে একে সময়তে যথেষ্ট সংখ্যক লোকক তথ্য জনাব পাৰিব তথা জনসংখ্যা শিক্ষাৰ বিষয়ত প্রস্তুত কৰা শৈক্ষিক অনুষ্ঠানবোৰ অধিক ফলপ্রসূ আৰু অর্থবহ কৰি তুলিব পাৰিব।

বর্তমান মানুহৰ জীৱনত ছপা মাধ্যম (কিতাপ, আলোচনী, জার্ণেল, বাতৰি-কাকত ইত্যাদি), ৰেডিঅ', চিনেমা, টেলিভিছল আদিয়ে গুৰুত্বপূর্ণ স্থান দখল কৰি লৈছে। পৃথিৱীৰ প্রায় সকলো দেশৰে শিশুই আজিকালি টেলিভিছনৰ সন্মুখতে বহুসময় পাৰ কৰে। সহজ অর্থত গণ মাধ্যমবোৰ বার্তা ভাণ্ডাৰত পৰিণত হৈছে আৰু ই আমাৰ দৈনন্দিন জীৱনত অত্যাৱশ্যকীয় উপাদানৰ ৰূপ লৈছে। ইয়াক শিক্ষা প্রসাৰৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিব পাৰি আৰু ব্যৱহাৰ কৰা হৈ আহিছে। বিদ্যালয় আৰু মহাবিদ্যালয়বোৰতো গণ মাধ্যম বোৰৰ গুৰুত্ব প্রতিদিনে বাঢ়িবলৈ ধৰিছে।

জনসংখ্যা নিয়ন্ত্রণত মাধ্যমবোৰৰ ভূমিকা আলোচনা কৰোঁ আহক-

(i) বিভিন্ন ধৰণৰ জনসংখ্যা শিক্ষা বিষয়ক কার্য-কলাপ আৰু কার্যসূচী আৰম্ভ কৰাৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিবলৈ গণ মাধ্যমৰ সকলোবোৰ উপায়কে সংগঠিত আৰু সঠিকভাৱে ব্যৱহাৰ কৰিব লাগে।

(ii) জনগণক জনসংখ্যা শিক্ষাৰ বিভিন্ন কার্যসূচী, বার্তা, শ্লোগান আদি দেখুৱাবলৈ টিভিত প্রতিদিনে কমেও পোন্ধৰ মিনিট সময় আছুতীয়াকৈ ৰাখিব লাগে।

(iii) জনগণক জনসংখ্যা শিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ বাতৰি- কাকতাবোৰে প্রতিদিনে কমেও এটা স্তম্ভ নাইবা প্রতি সপ্তাহত অতি কমেও এটা পৃষ্ঠা আছুতীয়াকৈ ৰাখিব লাগে। পযেকীয়া আৰু মাহেকীয়া আলোচনীবোৰেও জনসংখ্যা শিক্ষাৰ বাবে নির্দিষ্ট শিতান ৰখা উচিত।

(iv) দৃশ্য- শ্রাব্য আহিলা (কেছেট, ভিডিও') প্রস্তুত কৰি, বিভিন্ন ভাষাত ডাবিং কৰি দেশৰ চুকে-কোণে বিয়পাই দিয়া উচিত।

(v) চিনেমা হলত উপস্থিত থকা দর্শকক জনসংখ্যা শিক্ষাৰ সৈতে জড়িত বিভিন্ন বিষয় সম্পর্কে সজাগ কৰি তুলিবলৈ সঘনাই স্লাইড প্রদর্শন কৰা উচিত।

(vi) বিশেষ বিষয় হিচাপে জনসংখ্যা শিক্ষাৰ ওপৰত কথাছবি নাইবা ফিল্মষ্ট্রীপ (চমু দৈর্ঘ্যৰ কথাছবি) নির্মাণ কৰা উচিত। ধাৰাবাহিক / কাহিনীৰ বিষয়টো জনগণৰ কাষলৈ নিব পাৰি। জনসংখ্যা, ঘটনা, মৰণশীলতা, গর্ভধাৰণৰ ক্ষমতা, প্র বজন, নিবনুৱা সমস্যা, মানুহৰ অত্যধিক ভিৰ সৃষ্টি হোৱা পৰিৱেশ আদি বিষয়ক লৈ নির্মিত চলচ্চিত্র অতি উপযোগী হ'ব পাৰে।

(vii) মুক্ত বিশ্ববিদ্যালয়ৰ টিভি অনুষ্ঠানবোৰৰ দৰে শিক্ষা আধৰুৱা কৰাসকলৰ বাবে জনসংখ্যা শিক্ষাৰ ওপৰত মুক্ত বিদ্যালয় অনুষ্ঠান প্রস্তুত তথা পৰিৱেশন কৰিব পৰা যায়।

(viii) উৎসৱ, মেলা আদিত লোক কলাৰ যিকোনো মাধ্যমৰ যোগেদি জনসংখ্যা নিয়ন্ত্রণৰ বিভিন্ন তথ্য আৰু জ্ঞান প্রচাৰ কৰিব পৰা যায়।

(i x) জনগণক জনসংখ্যা শিক্ষা দিবলৈ ভ্রাম্যমান প্রদর্শণীৰ আয়োজন কৰিব পৰা যায়। এনে প্রদর্শনীবোৰৰ জৰিয়তে ৰাইজক সৰু পৰিয়ালৰ সুবিধা, ডাঙৰ পৰিয়ালৰ অসুবিধা, জনসংখ্যা বৃদ্ধিৰ ফলত পৰিৱেশৰ ওপৰত পৰা প্রভাৱ আদি বিষয়ৰ তথ্য জনাব পৰা যায়।

অর্থাৎ, আধুনিক প্রযুক্তিৰ বিকাশৰ মানুহৰ মনোভাৱ আৰু আচৰণ বিষয়ক শিক্ষা দিব পৰা সকলো ক্ষেত্রতে ব্যৱহাৰ কৰিব পাৰি। গণ মাধ্যমৰ সবাতোকৈ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ই সহজে জনসংখ্যাৰ সমস্যা, পৰিয়াল পৰিকল্পনাৰ উপায়, প্রদূষণ মুক্ত পৰিৱেশ, সাক্ষৰতা, স্বাস্থ্য আৰু পৰিপুষ্টি ইত্যাদি বিষয়ত দর্শকৰ দৃষ্টি আকর্ষণ কৰিব পাৰে। কিন্তু ফলপ্রসূতা উন্নত কৰিবলৈ জনসংখ্যা শিক্ষাৰ প্রচাৰত গণ মাধ্যমবোৰৰ ভূমিকা সময়ে সময়ে পৰীক্ষা আৰু সংশোধন কৰি থকা উচিত।

5 জানি থোৱা ভাল

- গণ মাধ্যম মানে হ'ল এনে কোনো পন্থা, কর্তৃত্ব প্রাপ্ত বিভাগ অথবা মাধ্যম যিবোৰৰ জৰিয়তে বৃহৎ সংখ্যক লোকৰ মাজত ধাৰণা, মনোভাৱ, প্রভাৱ অথবা প্রতিচ্ছবি একে সময়তে সম্প্রচাৰিত কৰিব পৰা যায়।
- জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণ কৰাত গণ মাধ্যমে চাৰিটা প্রধান কাম কৰে। কামকেইটা হ'ল- মানুহক প্রভাৱিত কৰা, তথ্য অৱগত কৰোৱা, মনোৰঞ্জন দিয়া আৰু বিজ্ঞাপন প্রচাৰ কৰা।

t চিন্তা চর্চা কৰক

জনসংখ্যা বিস্ফোৰণ, জনসংখ্যা নিয়ন্ত্রণ আৰু সৰু পৰিয়ালৰ সুবিধা সম্পর্কে মানুহৰ মাজত সজাগতাৰ সৃষ্টি কৰিবলৈ কেইটামান শ্লোগান সৃষ্টি কৰক।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণ কৰাত গণ মাধ্যমৰ প্রধান কামবোৰ কেনেধৰণৰ সেয়া উল্লেখ কৰক।

2 ৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নির্দেশন সামগ্রীক শিক্ষণ অথবা প্রশিক্ষণ আহিলাও বোলা হয়।
- আহিলা নোহোৱাকৈ কৰা শিক্ষাদান এক নিৰস আৰু একঘেয়ামী প্রক্রিয়া।
- শ্রেণীকোঠাত বিভিন্ন ধৰণৰ শিক্ষণ আহিলা ব্যৱহাৰ কৰা হয়। এনে আহিলা দুটামান হ'ল- সাৰণী, চিত্র, মানচিত্র, অ'ভাৰ হেড প্র'জেক্টৰ, চুটি কথাছবি, পূর্ণদৈর্ঘ্যৰ কথাছবি, ৰেডিঅ', টেলিভিছন আদি।
- চিত্র হ'ল এবিধ উল্লেখযোগ্য দর্শনসাধ্য আহিলা। ইয়াক ফলপ্রসূভাৱে জনসংখ্যা শিক্ষা দিবলৈ ব্যৱহাৰ কৰিব পৰা যায়।
- জনসংখ্যা শিক্ষাৰ বাবে সাৰণীবোৰ অতি উপযোগী আহিলা।
- জনসংখ্যা শিক্ষা দিয়া শিক্ষকসকলে বুলেটিন বোর্ডত জনসংখ্যা সমস্যাৰ সৈতে জড়িত ছবি, মানচিত্র আদি আঁৰিব পাৰে।
- বিশ্বৰ জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ সৈতে জড়িত সমস্যাবোৰ সন্দর্ভত শিক্ষার্থীৰ মনোভাৱ বহল কৰাত ৰেডিঅ'ই সহায় কৰিব পাৰে।
- ভাৰতত পালচ্ প'লিঅ' নির্মূলকৰণ কার্যসূচী সফল কৰি তুলিবলৈ টেলিভিছন ফলপ্রসূভাৱে ব্যৱহাৰ কৰা হৈছে।
- শিক্ষার্থীক পোনপটীয়া শিকন অভিজ্ঞতা দিবলৈ ক্ষেত্রভিত্তিক ভ্রমণ এটা ফলপ্রসূ মাধ্যম বা পন্থা।
- গণ মাধ্যম মানে কেৱল ৰেডিঅ', টেলিভিছন, বাতৰি-কাকত ইত্যাদিৰ দৰে ছপা আৰু বৈদ্যুতিক মাধ্যমকে বুজোৱা নহয়।

০ ৮.৭ অধিক জানিবলৈ

1) Nanda. S.K.: Population Education ; Doaba House, Book Sellers and Publishers, Delhi.

2) Pandey. V.C.: Population Education ; Isha Books, Delhi.

K ৮.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ নির্দেশন সামগ্রী বুলিলে শিক্ষণ অথবা শিকন প্রক্রিয়াত সহায় কৰা দৃশ্য-শ্রাব্য অথবা ছপা আহিলাৰ কথা বুজোৱা হয়। নির্দেশন আহিলা মানে হ'ল সেইবোৰ সামগ্রী যিবোৰৰ জৰিয়তে শিক্ষকে শ্রেণীকোঠাত কোনো বিষয় সবলভাৱে আৰু ফলপ্রসূভাৱে উপস্থাপন কৰিব পাৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ শিকন প্রক্রিয়াটো সহজ, সম্পূর্ণ, যথার্থ আৰু গতিশীল কৰি তুলিবলৈ শিক্ষণ আহিলাবোৰ অতি উপযোগী। আহিলা অবিহনে শিক্ষণ প্রক্রিয়াটো নিৰস আৰু একঘেয়ামী হৈ পৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ **(i)** ক **(ii)** খ **(iii)** গ

৪ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণ কৰাত গণ মাধ্যমে চাৰিটা প্রধান কাম কৰে। কামকেইটা হ'ল- মানুহক প্রভাৱিত কৰা, তথ্য অৱগত কৰোৱা, মনোৰঞ্জন দিয়া আৰু বিজ্ঞাপন প্রচাৰ কৰা।

M ৮.৯ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ নির্দেশন সামগ্রী মানে কি বুজে?

প্রশ্ন ২ঃ শিক্ষণ আহিলা মানে কি?

প্রশ্ন ৩ঃ জনসংখ্যা শিক্ষাৰ বাবে শিক্ষণ আহিলাবোৰ কিয় জৰুৰী?

প্রশ্ন ৪ঃ গণ মাধ্যম বুলিলে কি বুজে?

প্রশ্ন ৫ঃ চমু টোকা লিখক-

(ক) চিত্র (Pictures)

(খ) সাৰণী (Charts)

(গ) অ'ভাৰ হেড প্র'জেক্টৰ (OHP)

(খ) ৰচনাধর্ম্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ 'শিক্ষণ আহিলা' বুলিলে কি বুজে? জনসংখ্যা শিক্ষাৰ বাবে শিক্ষণ আহিলাবোৰৰ গুৰুত্ব কিমান সেয়া ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ জনসংখ্যা শিক্ষা প্রচাৰ কৰাত বিভিন্ন শিক্ষণ আহিলাৰ শৈক্ষিক মূল্য সমালোচনামূলকভাৱে পৰীক্ষা কৰক।

প্রশ্ন ৩ঃ জনসংখ্যা শিক্ষা দিবলৈ ব্যৱহৃত বিভিন্ন প্রকাৰৰ জনপ্রিয় শিক্ষণ আহিলাবোৰৰ বিষয়ে ব্যাখ্যা কৰক।

প্রশ্ন ৪ঃ জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণ কৰাত গণ মাধ্যমৰ ভূমিকা চমুকৈ বর্ণনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ জনসংখ্যা নিয়ন্ত্রণত গণ-মাধ্যমৰ ভূমিকা

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য
9.2 পৰিচয়
9.3 গণ মাধ্যমৰ ধাৰণা
9.4 জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমৰ গুৰুত্ব
9.5 গণ মাধ্যমৰ প্ৰকাৰ
9.6 জনসংখ্যা নিয়ন্ত্রণত বিভিন্ন গণ-মাধ্যমৰ ভূমিকা
9.6.1 বাতৰি কাকতৰ ভূমিকা
9.6.2 ৰেডিঅ'ৰ ভূমিকা
9.6.3 দূৰদৰ্শনৰ ভূমিকা
9.6.4 দৃশ্য-শ্ৰাব্য সজুঁলিৰ ভূমিকা
9.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
9.8 অধিক জানিবলৈ
9.9 অগ্ৰগতিৰ খতিয়ান
9.10 আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- গণ-মাধ্যমৰ ধাৰণা আৰু গুৰুত্বৰ বিষয়ে জানিব পাৰিব
- গণ-মাধ্যমৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে জানিব পাৰিব
- জনসংখ্যা নিয়ন্ত্রণত বিভিন্ন গণ-মাধ্যমৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

বৰ্তমান সময়ৰ বিশ্বই দুটা সাধাৰণ সমস্যাৰ সন্মুখীন হৈছে; সেয়া হ'ল 'তথ্যৰ বিস্ফোৰণ' আৰু 'জনসংখ্যা বিস্ফোৰণ'। তথ্য বিস্ফোৰণ মানে হ'ল জ্ঞানৰ বিস্ফোৰণ। বৰ্তমান, সমগ্ৰ বিশ্বতে সামাজিক আৰু প্ৰযুক্তিক পৰিৱৰ্তনে দ্ৰুতগতিত স্থান দখল কৰিছে আৰু ইয়াৰ কাৰণ হ'ল তথ্য বিস্ফোৰণ। ইয়াক জ্ঞানৰ বিস্ফোৰণ নামেৰেও জনা

যায়। আকৌ জ্ঞানৰ বিস্ফোৰণৰ লগতে জনসংখ্যাৰ বিস্ফোৰণো এক বিচার্য বিষয়। জনসংখ্যা বৃদ্ধিৰ বাবে বছৰে বছৰে ছাত্র-ছাত্রীক সংখ্যা বৃদ্ধি পাইছে। শিক্ষা ক্ষেত্রত 'তথ্য বিস্ফোৰণ' আৰু 'জনসংখ্যা বিস্ফোৰণে' জটিলতা সৃষ্টি কৰিছে কাৰণ শিকিবলৈ বহুত বিষয় আছে আৰু শিকিবৰ বাবেও বহুত মানুহ আছে। বর্তমানৰ এক জটিল সমস্যা হ'ল 'কম সময়ত অধিক ব্যক্তিক অধিক শিক্ষা'। এই সমস্যা সফলতাৰে সমাধানৰ বাবে জনসংযোগৰ বিভিন্ন মাধ্যম সংলগ্ন শিক্ষা প্রযুক্তিবিদ্যা অতি প্রয়োজনীয়। শিক্ষাৰ গুণগত বিকাশ আৰু সংখ্যাগত সম্প্রসাৰণত গণ মাধ্যমে সহায় কৰে। সাধাৰণ আৰু বিশেষ দলৰ মানুহৰ বাবে গণ মাধ্যম হ'ল তথ্য, ধাৰণা আৰু আদর্শৰ স্থানান্তৰকৰণৰ আহিলা। এই অধ্যায়ত আমি গণ মাধ্যমৰ ধাৰণা আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰিম আৰু গণ মাধ্যমৰ ভিন্ন প্রকাৰবোৰ বর্ণনা কৰিম। ইয়াত, আমি জনসংখ্যা নিয়ন্ত্রণত বিভিন্ন গণ মাধ্যমৰ ভূমিকাৰ বিষয়েও আলোচনা কৰিম।

৯.৩ গণ মাধ্যমৰ ধাৰণা

সাধাৰণ জনসাধাৰণৰ যোগাযোগৰ এক আহিলা হ'ল গণ মাধ্যম। সাধাৰণ মানুহৰ অধিকাংশ বাতৰি আৰু তথ্য আহৰণৰ উৎস হ'ল গণ মাধ্যম। গণ মাধ্যম হ'ল প্রযুক্তিবিদ্যা যিয়ে জনগণক লক্ষ্যত উপনীত কৰায়। ই হ'ল বহুতো জনগণক লগ পোৱাৰ এক প্রাথমিক আহিলা। গণ মাধ্যমৰ বহুলভাৱে ব্যৱহৃত আহিলাবোৰ হ'ল— বাতৰি কাকত, আলোচনী, ৰেডিঅ', দুৰদর্শন আৰু ইণ্টাৰনেট ব্যৱস্থা। ৰাজনৈতিক বিষয় সামাজিক বিষয় বিনোদন আৰু খবৰৰ বাবে সাধাৰণ জনগণে গণ মাধ্যমে প্রদান তথ্যৰ ওপৰত নির্ভৰ কৰে। কেতবোৰ জনপ্রিয় গণ মাধ্যমৰ আহিলা হ'ল বাতৰি কাকত, আলোচনী, ইণ্টাৰনেট, চিনেমা আদি। অধিকাংশ জনসাধাৰণ কম সময়ৰ ভিতৰত আকর্ষণ কৰাৰ বাবে ব্যৱহাৰ কৰা যোগাযোগ প্রযুক্তিবিদ্যাৰ সজুলি হ'ল গণ মাধ্যম।

গণ মাধ্যমৰ সংজ্ঞা প্রদান কৰি ক'ব পাৰি যে বৃহৎ সংখ্যক মানুহক যিবোৰ উপায়, মাধ্যম বা সজুলিৰ যোগে মনোভাৱ, ধাৰণা, প্রতিচ্ছবি, স্বতঃস্ফূর্তভাৱ প্রদান কৰে সেয়াই হ'ল গণ মাধ্যম। ধাৰণাৰ শ্রেণীকৰণ, দলীয় আৰু ব্যক্তিগত কার্যৰ উদ্দীপিতকৰণ, দলীয় সচেতনতাৰ বিকাশ, মনোভাৱৰ পৰিৱর্তন, কেতবোৰ বিষয়ৰ ক্ষেত্রত নতুন গাঁথনিৰ সৃষ্টি আৰু নতুনত্ব উৎসাহ প্রদান আৰু সৃজনশীলতাৰ সহায়ক হিচাপে গণ মাধ্যমৰ প্রয়োগ কৰা হয়। ইয়াক 'বহুগুণী বার্তা' স্বৰূপেও জনা যায়। মার্শ্বল মেকলুহানে (Marshall Macluhan) গণ মাধ্যমক 'মানুহৰ প্রসাৰণ' বুলি মত পোষণ কৰিছে। আকৌ জি এইচ ক্রেপচ (G. H. Kreps) আৰু বি চি থর্টন (B. C. Thorton)ৰ মতে মাধ্যম হ'ল যোগাযোগৰ বাবে মানুহৰ দক্ষতা, দূৰত্ব থকা অন্যৰ লগত কথা বতৰা, বার্তা শুনা কার্য আৰু মাধ্যম অবিহনে সম্ভৱ নোহোৱা ছবিবোৰ চোৱা।'

লে'কটিচ (Locatis) আৰু এটকিনচন (Atkinson)ৰ ভাষাত, 'বার্তা সম্প্রসাৰণ বা প্রদানৰ বাবে গণমাধ্যম (সাধাৰণতে দৃশ্য শ্রাব্য বা বৈদ্যুতিক) হ'ল উপায়স্বৰূপ। গণ মাধ্যমৰ অন্তর্গত বস্তুবোৰ হ'ল ছপা, গ্রাফিক্স, ছবি,

শ্রব্য যোগাযোগ, দূৰদর্শন, উদ্দীপিত খেল আৰু কম্পিউটাৰ।'

গণ মাধ্যমৰ প্রধান কার্যবোৰ তলত উল্লেখ কৰা হ'ল—

- গণ মাধ্যমৰ এক গুৰুত্বপূর্ণ কার্য হ'ল জনসাধাৰণৰ মতামতক প্রভাৱিত কৰা আৰু সাধাৰণীকৰণ কৰা। বিভিন্ন গণ মাধ্যমবোৰে মানুহৰ মন সলনি কৰিব পাৰে আৰু জীৱনৰ বিভিন্ন দিশৰ মতামত পৰিৱর্তন কৰিব পাৰে।
- বৃহৎ সংখ্যক মানুহক বিভিন্ন দিশৰ বিষয়ে ব্যাপক তথ্য প্রদান কৰাটো হ'ল গণ মাধ্যমৰ আন এক গুৰুত্বপূর্ণ কার্য। গণ মাধ্যম বিনোদনৰ এক গুৰুত্বপূর্ণ উৎস।
- বেছিভাগ গণ মাধ্যমেই বিনোদনৰ ভাল উৎস হয়।
- বিজ্ঞাপনৰ ভাল মাধ্যম হ'ল গণ মাধ্যমবোৰ। সকলো মানুহৰ বাবে বিজ্ঞাপনবোৰ অতি আগ্রহৰ বিষয়।

৯.৪ জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমৰ গুৰুত্ব

জনসংখ্যা সম্বন্ধীয় বিষয়ৰ ক্ষেত্রত জ্ঞানৰ প্রসাৰ আৰু মনোভাৱৰ বিকাশত গণ মাধ্যমবোৰে ফলপ্রসূ ভূমিকা পালন কৰে। জনসংখ্যা শিক্ষাৰ বিষয়বস্তুৱে জনসংখ্যা, স্বাস্থ্য, পৰিৱেশ, শিক্ষা, খাদ্য আৰু পুষ্টি, অর্থনৈতিক বিকাশ ইত্যাদিৰ বহুতো তথ্য আৰু দিশক সামৰি লয়। এই সকলোবোৰ তথ্য বিদ্যালয়ত পঢ়ি থকা ছাত্র-ছাত্রী আৰু বিদ্যালয়ৰ বাহিৰৰ যুৱক যুৱতীসকলৰ লগত যোগাযোগ কৰাটো প্রয়োজনীয়। জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমৰ গুৰুত্বক তলত দিয়া দিশবোৰৰ যোগেদি সাৰাংশকৰণ কৰিব পাৰি ঃ

- শিকাবলগীয়া বিষয় বা বস্তুৰ আকাৰৰ সমস্যা গণ মাধ্যমে কম কৰে। বিষয়বস্তু বহুত বেছি বা কম হ'লে ছাত্র-ছাত্রীৰ আগত সেয়া উপস্থাপন কৰিব নোৱাৰি। এইধৰণৰ বিষয়বস্তুবোৰ বিভিন্ন প্রকাৰৰ গণ মাধ্যমৰ যোগে উপস্থাপন কৰিব পাৰি।
- শিকণ-শিক্ষণ প্রক্রিয়াত দূৰত্বৰ সমস্যা গণ মাধ্যমে নিৰাময় কৰিব পাৰে। এই দূৰত্ব শিক্ষক আৰু ছাত্রৰ মাজত, শ্রেণীকোঠা আৰু শিকাবলগীয়া বস্তুৰ স্থান আদিৰ মাজত হ'ব পাৰে। এই সকলোবোৰ দূৰত্বৰ সমস্যা গণ মাধ্যমৰ ব্যৱহাৰে নিৰাময় কৰিব পাৰে।
- গণ মাধ্যমে সময়ৰ সমস্যাও কমাব পাৰে। কিছুমান ঘটনা অতীতত হৈ যাব পাৰে আৰু কিছুমান ভৱিষ্যতেও হ'ব পাৰে। এই সকলোবোৰ গণ মাধ্যমৰ প্রয়োগৰ যোগে ফলপ্রসূভাৱে উপস্থাপন কৰিব পাৰে। সকলোবোৰ বুৰঞ্জীমূলক নাটক আৰু চিনেমাই অতীতক উপস্থাপন কৰায় আৰু ভৱিষ্যত নির্ধাৰক চিনেমাবোৰে ভৱিষ্যতক উপস্থাপন কৰায়।
- এক জনপ্রিয় আপ্তবাক্য হ'ল—
  'মই শুনো মই পাহঁৰো।

মই দেখো, মই মনত ৰাখো।

মই কৰো, মই বুজো।'

গণ মাধ্যমে শিকণীয় বিষয় মনত ৰখাত সহায় কৰে। ক'বনে (Cobun) কৰা গৱেষণা (1968) ৰ পৰা পোৱা অনুসৰি—

পঢ়াৰ পৰা 10% শিকিব পাৰি

শুনাৰ পৰা 20% শিকিব পাৰি

দেখাৰ পৰা 30% শিকিব পাৰি

শুনা আৰু দেখাৰ পৰা 50% শিকিব পাৰি

কোৱাৰ পৰা 70% শিকিব পাৰি

কোৱা আৰু কৰাৰ পৰা 90% শিকিব পাৰি।

- ছাত্ৰ-ছাত্ৰীৰ মনত স্পষ্ট প্ৰতিচ্ছবি গঠনত গণ মাধ্যমে সহায় কৰে। যেতিয়া আমি দেখো, শুনো, স্পৰ্শ কৰো, সোৱাদ লওঁ আৰু গোন্ধ লওঁ তেতিয়া আমাৰ অভিজ্ঞতাবোৰ প্ৰত্যক্ষ হয়, শিক্ষণ অধিক প্ৰাকৃতিক আৰু বাস্তৱ হয়।
- বিভিন্ন ইন্দ্ৰিয়ৰ শিক্ষণৰ যোগে গণ মাধ্যমে শিকাৰ দ্ৰুততা বৃদ্ধি কৰে। গৱেষক কবানে (1968) পোৱা তথ্য অনুসৰি—

  ব্যক্তি এজনে—

  1% জ্ঞান লাভ কৰে স্বাদ সংবেদনৰ পৰা

  1.5% জ্ঞান লাভ কৰে স্পৰ্শ সংবেদনৰ পৰা


  3.5% জ্ঞান লাভ কৰে ঘ্ৰাণ সংবেদনৰ পৰা

  11% জ্ঞান লাভ কৰে শব্দ সংবেদনৰ পৰা

  83% জ্ঞান লাভ কৰে দৃষ্টি সংবেদনৰ পৰা
- গণ মাধ্যমে বিভিন্ন অভিজ্ঞতা প্ৰদান কৰে। বিভিন্ন প্ৰকাৰৰ অভিজ্ঞতা আহৰণৰ বিভিন্ন উৎস আছে। বিভিন্ন অভিজ্ঞতাই ধাৰণাৰ বোধ লাভত সহায় কৰে।
- গণ মাধ্যমবোৰে শ্ৰেষ্ঠ অভিৰোচকৰ ভূমিকাও পালন কৰে। গণ মাধ্যমৰ প্ৰয়োগে ছাত্ৰ-ছাত্ৰীক আগ্ৰহী কৰি তোলে আৰু শিক্ষা লাভৰ বাবে আকৰ্ষণ বৃদ্ধি পায়।
- গণ মাধ্যমে আমাৰ বৰ্তমান শিক্ষা ব্যৱস্থাৰ এক প্ৰধান দুৰ্বলতা ভাষা বহুলতা নিৰাময় কৰাত সহায় কৰে। এই ক্ষেত্ৰত এক আপ্তবাক্য হ'ল— 'এখন ছবিয়ে হাজাৰতকৈও অধিক শব্দ ক'ব পাৰে।'
- গণ মাধ্যমে শিক্ষণত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ বৃদ্ধি কৰে আৰু ছাত্ৰক আত্মনিৰ্ভৰশীল কৰে।

৯.৫ গণ মাধ্যমৰ প্ৰকাৰ

গণ মাধ্যমৰ বিভিন্ন শ্ৰেণী বিভাজন আছে। গণ মাধ্যমৰ এক গুৰুত্বপূৰ্ণ শ্ৰেণী বিভাজন তলত উল্লেখ কৰা হ'ল—



W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ গণ মাধ্যমৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ২ ঃ গণ-মাধ্যমৰ এটা গুৰুত্বপূৰ্ণ কাৰ্য উল্লেখ কৰক।

প্ৰশ্ন নং ৩ ঃ জনসংখ্যা নিয়ন্ত্ৰণত গণ মাধ্যমৰ গুৰুত্বৰ দুটা দিশ লিখক।

প্ৰশ্ন নং ৪ ঃ বিভিন্ন প্ৰকাৰৰ প্ৰক্ষেপণ সজুঁলিবোৰ উল্লেখ কৰক।

৯.৬ জনসংখ্যা নিয়ন্ত্ৰণত বিভিন্ন গণ-মাধ্যমৰ ভূমিকা

গণ-মাধ্যমৰ যোগেদি জনসংখ্যা আৰু স্বাস্থ্যসম্বন্ধীয় বাতৰি প্ৰদান কৰিব পাৰি আৰু ইয়ে বিশ্বৰ জনসংখ্যা কম

কৰাত ভূমিকা গ্ৰহণ কৰে। গণ-মাধ্যমবোৰে চমু ম্যাদী, মধ্যৱৰ্তী আৰু দীৰ্ঘম্যাদী জনসংখ্যাৰ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰে। চমুম্যাদী উদ্দেশ্যৰ অন্তৰ্গত দিশবোৰ হ'ল জনসংখ্যা আৰু স্বাস্থ্যৰ ধাৰণা, সজাগতা সৃষ্টি আৰু জ্ঞান, পুৰণি আৰু অশুদ্ধ তথ্যৰ সলনি আৰু জনসেৱাৰ ঘোষণাবোৰ প্ৰচাৰ কৰা। মধ্যৱৰ্তী উদ্দেশ্যবোৰে ওপৰত উল্লেখ কৰা দিশবোৰৰ লগতে মনোভাৱ, আচৰণ আৰু সামাজিক মানদণ্ডৰ জ্ঞানৰ পৰিৱৰ্তনক সামৰি লয়। দীৰ্ঘম্যাদী উদ্দেশ্যবোৰে ওপৰত উল্লেখ কৰা আটাইবোৰৰ লগতে সামাজিক মনদণ্ডৰ পুনৰ গঠনকো সামৰি লয়।

শ্ৰেণীকোঠাত, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক জনসংখ্যা শিক্ষাৰ বিভিন্ন ধৰণৰ পাঠদানৰ শিক্ষাদানৰ বাবে বহুতো গণ মাধ্যমৰ ব্যৱহাৰ কৰে। এই মাধ্যমবোৰ হ'ল— ক্ষেত্ৰ অধ্যয়ন, আৰ্হি, ছবি চাৰ্ট, মেপ বা মানচিত্ৰ, ৰেখাচিত্ৰ, চিত্ৰ, চিনেমা, ফিল্ম ষ্ট্ৰীপ, ৰেডিঅ' ব্লেকবোৰ্ড বুলেটিন বোৰ্ড, গ্লোব, বিদ্যালয়ৰ সংগ্ৰাহালয়, গ্ৰামোফোন, টেপ ৰেকৰ্ডাৰ, শ্লাইড প্ৰজেক্টৰ, এপিডিয়াস্ক'প আদি। এই মাধ্যমবোৰে কেৱল শ্ৰেণীকোঠাৰ শিক্ষাদানতে সহায় নকৰে, জনসাধাৰণক জনসংখ্যা সম্বন্ধীয় বিষয়বোৰৰ ক্ষেত্ৰত সজাগতা সৃষ্টিটো সহায় কৰে। এই অধ্যায়ত আমি বাতৰিকাকত, ৰেডিঅ', দূৰদৰ্শন, অন্যান্য দৃশ্য শ্ৰাব্য সজুলিবোৰৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিম।

৯.৬.১ বাতৰি কাকতৰ ভূমিকা

শ্ৰেণীকোঠাৰ ভিতৰত আৰু বিদ্যালয়ৰ বাহিৰৰ জনসাধাৰণক জনসংখ্যা সম্বন্ধীয় সজাগতা প্ৰচাৰ কৰাৰ ক্ষেত্ৰত বাতৰি কাকতে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বাতৰি কাকতখন এখন কেৱল সাধাৰণ বাতৰি কাকতেই নহয়, ই জনসাধাৰণৰ মতামতৰো কাকত কিয়নো বিশ্বৰ বিভিন্ন মতামত পঠন উদ্দেশ্যৰ বাবে বাতৰি কাকত অন্তৰ্ভুক্ত কৰা হয়।

জনসংখ্যা নিয়ন্ত্রনত বাতৰিকাকতৰ ভূমিকাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

- জনসংখ্যা বৃদ্ধি, পৰিয়াল পৰিকল্পনা আৰু যৌন শিক্ষাৰ লগত সম্বন্ধিত বিষয়বোৰৰ ক্ষেত্ৰত বাতৰি কাকতে জনমত গঠন কৰিব পাৰে।
- ছবি, গ্ৰাফ, কার্টুন, ৰেখাচিত্ৰ তালিকা আদিৰ দৃশ্য সামগ্ৰীৰ সহায়ত জনসংখ্যাৰ লগত সম্বন্ধিত বিষয়বোৰৰ নতুন তথ্য বাতৰি কাকতে প্ৰদান কৰিব পাৰে।
- জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে ছবিৰ সৈতে বিভিন্ন ধৰণৰ জনসংখ্যা সম্বন্ধীয় শ্লোগান বাতৰি কাকতত প্ৰকাশ কৰা হয়।
- বিশ্বৰ জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা ভয়াৱহ পৰিস্থিতিৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে 'বিশ্ব জনসংখ্যা দিৱস'ৰ' পৰিপ্ৰেক্ষিতত বিভিন্ন ধৰণৰ বিশেষ লিখনি প্ৰকাশ কৰিব লাগে।
- কোনো এখন দেশৰ জনসংখ্যাৰ পৰিস্থিতি, ইয়াৰ কাৰণ আৰু পৰিণতি জনসংখ্যা নিয়ন্ত্রণৰ বাবে ইয়াৰ বিতৰণ আদিৰ সকলো জ্ঞান বাতৰি কাকতে প্ৰদান কৰিব পাৰে।

৯.৬.২ ৰেডিঅ'ৰ ভূমিকা

আধুনিক যুগৰ এক মহান আৱিষ্কাৰ হ'ল ৰেডিঅ' যিয়ে অনানুষ্ঠানিক শিক্ষাৰ মাধ্যম স্বৰূপে প্ৰচুৰ জনপ্ৰিয়তা লাভ কৰে। সামাজিক আৰু নৈতিক মূল্যবোধ থকা ই হ'ল জনসংযোগৰ এক বিশ্বাসযোগ্য মাধ্যম। আৰ জি ৰেনল্ডৰ '(R,G. Reynods)' মতে "বহু বছৰৰ আগৰ সম্প্ৰচাৰৰ দিশেৰে ৰেডিঅ' হৈছে শিক্ষাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মাধ্যম। শ্ৰেণীকোঠাৰ পৰিৱেশৰ বিকল্প স্বৰূপে ইয়াৰ গুৰুত্ব অপৰিসীম। বিদ্যালয়ৰ প্ৰতিদিনৰ পাঁচ বা ছয় ঘণ্টাৰ শিক্ষাদানৰ মাজত ইয়াৰ পৰিসৰ সীমাবদ্ধ নহয়। ই ৰাতিপুৱাৰ পৰা মাজনিশালৈ উপলব্ধ হৈ থাকে। ৰেডিঅ'ই সম্প্ৰচাৰ কৰা শৈক্ষিক আৰু সাংস্কৃতিক কাৰ্যসূচীবোৰৰ উপযোগকৰণৰ সহায়ত শিশু আৰু প্ৰাপ্তবয়স্ক সকলো মানুহে বিশ্বৰ সকলো জ্ঞান আৰু কলাৰ খবৰ লাভ কৰিব পাৰে। এনে দিনো আহিব যেতিয়া পাঠ্যপুথি আৰু ব্লেকবোৰ্ডৰ পৰিৱৰ্তে সাধাৰণভাৱে শিক্ষাৰ সজুলি স্বৰূপে ইয়াৰ ব্যৱহাৰ কৰা হ'ব।"

জনসংখ্যা নিয়ন্ত্রণত ৰেডিঅ'ৰ বিভিন্ন ভূমিকাবোৰ উল্লেখ কৰা হ'ল—

- বিদ্যালয়ৰ জনসংখ্যাৰ কাৰ্যসূচী ৰেডিঅ'ই অন্তৰ্ভুক্ত কৰিব লাগে।
- পৰিৱেশৰ লগত সম্বন্ধিত তথ্য, জনসংখ্যা বৃদ্ধি, খাদ্য, স্বাস্থ্য, পুষ্টি, সংস্কৃতি, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, চৰকাৰী নীতি আৰু আঁচনি আদিৰ লগতে সকলো ধৰণৰ তথ্য ৰেডিঅ'ৰ নতুন প্ৰযুক্তিৰ যোগে প্ৰদান কৰিব পাৰি।
- ৰেডিঅ'ৰ সহায়ত বিশ্ব আৰু বিশ্বৰ জনসংখ্যাৰ সমস্যাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ দৃষ্টিভংগী ব্যাপক কৰি তুলিব পাৰি। ভাৰতবৰ্ষত, ভাৰত চৰকাৰৰ পৰিয়াল পৰিকল্পনাৰ কিছুমান কাৰ্যসূচী ৰেডিঅ' যোগে প্ৰচাৰ কৰা হয়।
- নিজ অঞ্চলৰ বিভিন্ন জনসংখ্যাৰ সমস্যা আৰু যৌনতাৰ লগত জড়িত বিভিন্ন বেমাৰবোৰৰ বিষয়ে জনসাধাৰণৰ ধাৰণা স্পষ্ট কৰাৰ বাবে ৰেডিঅ'ৰ টেলিফোনিক অনুষ্ঠানবোৰে সহায় কৰে।
- ৰেডিঅ'ৰ যোগে প্ৰচাৰিত হোৱা জনসংখ্যা সম্বন্ধীয় বিভিন্ন নাটক আৰু কথিকাবোৰে জনসাধাৰণৰ মাজত বোধগম্যতা সৃষ্টিত সহায় কৰে।

৯.৬.৩ দূৰদৰ্শনৰ ভূমিকা

মানুহৰ শিক্ষাৰ ক্ষেত্ৰত দূৰদৰ্শন হৈছে এক অদ্বিতীয় মাধ্যম কিয়নো পঢ়া বা শুনাতকৈ দেখাটো সদায় অধিক ফলপ্ৰসূ। প্ৰায় সকলোবোৰে পৰিয়ালে প্ৰতিদিনে দূৰদৰ্শনৰ অনুষ্ঠানবোৰ উপভোগ কৰে। দিনটোৰ 24 ঘণ্টাই শতাধিক চেনেলৰ যোগে দূৰদৰ্শনত অনুষ্ঠান সম্প্ৰচাৰ কৰা হয়। জনসাধাৰণক কাৰ্যকৰী, আনুষ্ঠানিক, অগতানুগতিক আৰু অনানুষ্ঠানিক শিক্ষা প্ৰদানৰ এক কেন্দ্ৰীয় মাধ্যম হ'ল দূৰদৰ্শন। দূৰদৰ্শনে সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তন অনাত সহায় কৰে। বৰ্তমান সময়ত শ্ৰেণী কোঠাৰ প্ৰত্যক্ষ নিৰ্দেশনাতো দূৰদৰ্শনৰ ব্যৱহাৰ কৰা হয়। জনসংখ্যা নিয়ন্ত্রণত দূৰদৰ্শনৰ বিভিন্ন ভূমিকাবোৰ হ'ল—

- সাধাৰণ পৰিস্থিতিত শ্ৰেণীকোঠাত সম্ভৱ নোহোৱা জনসংখ্যা শিক্ষাৰ বিভিন্ন গুৰুত্বপূৰ্ণ বস্তু আৰু সম্পদ দূৰদৰ্শনৰ যোগেদি শ্ৰেণীকোঠাত অনাটো সম্ভৱপৰ।
- দূৰদৰ্শন এক সময় ৰাহি আহিলা। জনসংখ্যা শিক্ষাৰ বিভিন্ন শিকণীয় সামগ্ৰী টিভিৰ যোগেদি অতি সহজে আয়ত্ব কৰিব পৰা যায়।
- জনসংখ্যা শিক্ষাৰ নিৰ্দিষ্ট বিষয় এটাত দূৰদৰ্শনে ছাত্ৰ-ছাত্ৰীৰ মনযোগ ধৰি ৰাখিব পাৰে। যিহেতু ই এক দৃশ্য-শ্ৰাব্য সজুঁলি ইয়াৰ যোগেদি জনসংখ্যা সম্বন্ধীয় বিষয়বোৰ শুনিবও পাৰে আৰু চাবও পাৰে। ইয়ে সিহঁতৰ মনোযোগ আকৰ্ষণ কৰে।
- জনসংখ্যাৰ বিভিন্ন বিমূৰ্ত ধাৰণা যেনে জন্মৰ হাৰ, মৃত্যুৰ হাৰ, যৌন সম্বন্ধীয় বেমাৰ আদি দূৰদৰ্শনৰ সহায়ত মূৰ্ত আৰু জীৱন্ত কৰিব পাৰে।
- মানুহৰ দৃষ্টিভংগী আৰু মনোভাৱ আধুনিক কৰাৰ এক অতি ফলপ্ৰসূ আহিলা হ'ল দূৰদৰ্শন।
- অশিক্ষিত জনগণকো দূৰদৰ্শনে প্ৰয়োজন ভিত্তিক জনসংখ্যা শিক্ষা প্ৰদান কৰিব পাৰে।

৯.৬.৪ দৃশ্য-শ্ৰাব্য সজুঁলিৰ ভূমিকা

শিক্ষণীয় অভিজ্ঞতা অধিক মূৰ্ত, অধিক বাস্তৱ আৰু অধিক গতিশীল কৰাৰ বাবে ব্যৱহাৰ কৰা আহিলা হ'ল দৃশ্য-শ্ৰাব্য সজুঁলিবোৰ। চি ডি গুড (C.V. .Good)ৰ ভাষাত, দৃশ্য শ্ৰাব্য সজুঁলি হ'ল সেইবোৰ আহিলা যিবোৰে শিক্ষণ প্ৰক্ৰিয়াক উৎসাহিত কৰে বা সম্ভৱ কৰি তোলে আৰু এই ক্ষেত্ৰত শ্ৰাব্য সংবেদন আৰু দৃশ্য সংবেদনৰ প্ৰয়োগ কৰা হয়। তেনে কেতবোৰ সজুঁলিৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

- **চাৰ্ট ঃ** জনসংখ্যা শিক্ষাৰ শিক্ষাদানত চাৰ্ট বা তালিকা অধিক ফলপ্ৰসূ। জনসংখ্যা শিক্ষাৰ শিক্ষাদানৰ বেলিকা কাৰণ আৰু ফল তালিকাৰ প্ৰয়োগ কৰি জনসংখ্যা বৃদ্ধি আৰু আৰ্থ সামাজিক বিকাশ, খাদ্য আৰু পুষ্টি, জীৱনৰ গুণমান আৰু জীৱন ধাৰণৰ মনদণ্ড আদিৰ মাজৰ সম্বন্ধ দেখুৱাব পাৰি। ক্ৰমাগত প্ৰক্ৰিয়াৰে বিভিন্ন ঘটনা দেখুওৱাবৰ বাবে বৰ্ণনামূলক তালিকাৰ ব্যৱহাৰ কৰি ভাৰতত জনসংখ্যাৰ নীতি আৰু কাৰ্যসূচী, নগৰীকৰণ প্ৰক্ৰিয়া, জনসংখ্যা শিক্ষাৰ প্ৰতিষ্ঠানীকৰণ প্ৰক্ৰিয়া, জনসাংখ্যিক তথ্যৰ বিভিন্ন স্তৰ ইত্যাদি দেখুৱাব পাৰি। আকৌ তালিকাকৰণৰ যোগে দি জনসংখ্যাৰ বিভিন্ন সাংখ্যিক তথ্যৰ তুলনা কৰিব পাৰি।
- **ৰেখাচিত্ৰ ঃ** সাংখ্যিক তথ্যৰ চিত্ৰীয় উপস্থাপন হ'ল ৰেখাচিত্ৰ। স্তম্ভ চিত্ৰৰ সহায়ত জনসংখ্যা বৃদ্ধিৰ হাৰ, মৃত্যুৰ হাৰ, জন্মৰ হাৰ আদি উপস্থাপন কৰিব পাৰি। আকৌ বৃত্ত চিত্ৰৰ সহায়ত জনসংখ্যাৰ গাঁথনি যেনে পুৰুষ-মহিলাৰ অনুপাত, শিক্ষিত অশিক্ষিতৰ অনুপাত, বৃত্তীয় গাঁথনি, ধৰ্মীয় গাঁথনি, বয়সৰ গাঁথনি আদি উপস্থাপন কৰিব পাৰি।
- **মানচিত্ৰ ঃ** ভৌগলিক তথ্য যেনে মহাদেশ আৰু দেশৰ সীমা, গুৰুত্বপূৰ্ণ স্থান, জনসংখ্যাৰ বিতৰণ আদি মানচিত্ৰৰ সহায়ত সঠিক ভাৱে উপস্থাপন কৰিব পাৰে।

- **ছবি ঃ** জনসংখ্যা প্রদানত ব্যৱহাৰ কৰা আন এবিধ গুৰুত্বপূর্ণ দৃশ্য সজুলি হ'ল ছবি। মাত্রাধিক জনবহুল স্থান, বস্তি, পৰিস্কাৰ আৰু লেতেৰা অঞ্চল, জনবসতি প্রধান আৰু কম জনবসতিৰ অঞ্চল, সৰু আৰু ডাঙৰ পৰিয়াল, বাল্য বিবাহ, পৰিৱেশীয় প্রদূষণ আদিৰ ছবিয়ে ফলপ্রসূভাৱে জনসংখ্যা নিয়ন্ত্রণৰ কার্য সম্পাদন কৰা দেখা যায়।
- **চিনেমা বা চলচ্চিত্র ঃ** তথ্যৰ বাস্তৱসন্মত উপস্থাপন চলচ্চিত্র বা চিনেমাৰ যোগেদি সম্ভৱ। ধাৰণাৰ যোগাযোগ, মনোভাৱ, অভিজ্ঞতা, মানৱীয় সম্বন্ধ আদি বজাই ৰাখিবৰ বাবে চলচ্চিত্রৰ প্রয়োগ কৰা হয়। জনসংখ্যা শিক্ষাত ই আহিলা ফলপ্রসূ স্বৰূপে প্রমাণিত হৈছে। ই হৈছে আটাইতকৈ জনপ্রিয় দৃশ্য-শ্রাব্য সজুলি। চলচ্চিত্রত জনসাধাৰণক কোনো এটা ভাষাৰে কাহিনীৰ মাধ্যমেৰে বাস্তৱক উপস্থাপন কৰা হয়। চৰকাৰে পৰিয়াল পৰিকল্পনা আৰু পৰিয়াল কল্যাণ কার্যসূচীৰ বাবে চলচ্চিত্রৰ প্রয়োগ কৰে। শ্রেণীকোঠাৰ শিক্ষাদানৰ অতিৰিক্ত আহিলা স্বৰূপে চলচ্চিত্রৰ প্রয়োগ কৰি জনসংখ্যাৰ ঘটনা, মৃত্যুৰ হাৰ, জন্মৰ হাৰ, প্রব্রজন, নিবনুৱা, বাল্য বিবাহ, জনবহুলতা আদি উপস্থাপন কৰিব পাৰি।
- **বুলেটিন বোর্ড ঃ** শ্রেণীকোঠাৰ ভিতৰে বাহিৰে ওলোমাই ৰখা এখন স্থিৰ বোর্ড। সাধাৰণতে বিভিন্ন প্রকাৰৰ ঘটনা, ছবি, কার্টুন, পোষ্টাৰ, মানচিত্র, শ্লোগান, বাতৰি, তালিকা ইত্যাদিৰ বাবে ইয়াৰ ব্যৱহাৰ কৰা হয়। জনসংখ্যাৰ লগত সম্বন্ধিত বিভিন্ন বিষয় ঘটনা, ছবি, কার্টুন, পোষ্টাৰ ,মানচিত্র, শ্লোগান, বাতৰি, তলিকা, আদিৰ সহায়ত শিক্ষকে উপস্থাপন কৰে। শিক্ষকে জনসংখ্যাৰ লগত সম্বন্ধিত বিষয়ৰ বিভিন্ন তথ্য বুলেটিন বোর্ডত উপস্থাপন কৰিবৰ বাবে শিক্ষকে ছাত্র-ছাত্রীক সেইবোৰ সংগ্রহ কৰিবলৈ উৎসাহিত কৰিব লাগে।
- **ইস্তাহাৰ পুস্তিকা ঃ** জনসংখ্যা সম্বন্ধীয় আৰু স্বাস্থ্যৰ বার্তা প্রচাৰৰ বাবে ইস্তাহাৰ পুস্তিকাৰ প্রয়োগ কৰা হয়। বেছি ভাগ স্বাস্থ্য কেন্দ্র, ব্যক্তিগত খণ্ডৰ কার্যালয়, স্বেচ্ছাসেৱী অনুষ্ঠান আদিত এইবোৰ সহজেই উপলব্ধ।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ৰেডিঅ'ৰ শিক্ষাগত মূল্যৰ ক্ষেত্রত আৰ জি ৰেনল্ডৰ মতামততো লিখক।

প্রশ্ন নং ৬ ঃ জনসংখ্যা নিয়ন্ত্রণত বুলেটিন বোর্ডৰ ভূমিকাৰ বিষয়ে লিখক।

2 ৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বর্তমানৰ এক জটিল সমস্যা হ'ল কম বয়সত অধিক ব্যক্তিক অধিক শিক্ষা। এই সমস্যা সফলতাৰে সমাধানৰ বাবে জনসংযোগৰ বিভিন্ন মাধ্যম সংলগ্ন শিক্ষা প্রযুক্তিবিদ্যা অতি প্রয়োজনীয়।
- গণমাধ্যম হ'ল প্রযুক্তিবিদ্যা যিয়ে জনগণক লক্ষ্যত উপনীত কৰায়। ই হ'ল বহুতো জনগণক লগ পোৱাৰ

এক প্রাথমিক আহিলা।

- কেতবোৰ জনপ্রিয় গণ মাধ্যম আহিলা হ'ল বাতৰি কাকত, আলোচনী, ৰেডিঅ' বিজ্ঞাপন, সামাজিক মাধ্যম বা চ'ছিয়েল মিডিয়া, দূৰদর্শন, ইণ্টাৰনেট, চিনেমা আদি।
- গণ মাধ্যমবোৰ বিনোদনৰ এক গুৰুত্বপূর্ণ উৎস। বেছিভাগ গণ মাধ্যমেই বিনোদনৰ ভাল উৎস হয়।
- জনসংখ্যা সম্বন্ধীয় বিষয়ৰ ক্ষেত্রত জ্ঞানৰ প্রসাৰ আৰু মনোভাৱৰ বিকাশত গণ মাধ্যমবোৰে ফলপ্রসূ ভূমিকা পালন কৰে। জনসংখ্যা শিক্ষাৰ বিষয়বস্তুৱে জনসংখ্যা, স্বাস্থ্য, পৰিৱেশ, শিক্ষা, খাদ্য আৰু পুষ্টি, অর্থনৈতিক বিকাশ ইত্যাদিৰ বহুতো তথ্য আৰু দিশক সামৰি লয়।
- ছাত্র-ছাত্রীৰ মনত স্পষ্ট প্রতিচ্ছবি গঠনত গণ মাধ্যমবোৰে সহায় কৰে। যেতিয়া আমি দেখো, শুনো, স্পর্শ কৰো, সোৱাদ লওঁ আৰু গোন্ধ লওঁ তেতিয়া আমাৰ অভিজ্ঞতাবোৰ প্রত্যক্ষ হয়, শিক্ষণ অধিক প্রাকৃতিক আৰু বাস্তৱ হয়।
- শ্রেণীকোঠাৰ ভিতৰত আৰু বিদ্যালয়ৰ বাহিৰত জনসাধাৰণক জনসংখ্যা সম্বন্ধীয় সজাগতা প্রচাৰ কৰাৰ ক্ষেত্রত বাতৰি কাকতে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- পৰিৱেশৰ লগত সম্বন্ধিত তথ্য, জনসংখ্যা বৃদ্ধি, খাদ্য, স্বাস্থ্য, পুষ্টি, সংস্কৃতি, বিজ্ঞান আৰু প্রযুক্তিবিদ্যা,চৰকাৰী নীতি আৰু আচনি আদিৰ লগতে সকলো ধৰণৰ তথ্য ৰেডিঅ'ৰ নতুন প্রযুক্তিৰ যোগে প্রদান কৰিব পাৰি।
- জনসংখ্যা শিক্ষাৰ নির্দিষ্ট বিষয়? এটাত দূৰদর্শনে ছাত্র-ছাত্রীৰ মনোযোগ ধৰি ৰাখিব পাৰে। যিহেতু ই দৃশ্য-শ্রাব্য সজুলি, সেয়েহে ছাত্র-ছাত্রীয়ে ইয়াৰ যোগেদি জনসংখ্যা সম্বন্ধীয় বিষয়বোৰ শুনিবও পাৰে আৰু চাবও পাৰে। ইয়ে সিহঁতৰ মনোযোগ আকর্ষণ কৰে।
- শিক্ষণীয় অভিজ্ঞতা অধিক মূর্ত, অধিক বাস্তৱ আৰু অধিক গতিশীল কৰাৰ বাবে ব্যৱহাৰ কৰা আহিলা হ'ল দৃশ্য-শ্রাব্য সজুলিবোৰ। জনসংখ্যা নিয়ন্ত্রণত বিভিন্ন দৃশ্য-শ্রাব্য সজুলিবোৰে ফলপ্রসূ ভূমিকা পালন কৰে।

৯.৮ অধিক জানিবলৈ

1] Aggarwal, J.C. (2013). Population Education, New Delhi : Shipra Publications.

2] Akhtar, Parveen R. (2014). Enviornmental and Population Education, Guwahati : Assam Book Depot.

3] Chandel & Nand (2011). Population Education. Agra : Shri Vinod Pustak Mandir.

4] Goswami, Meena Kumari (2013). Environmental Education and Population Education, New Delhi : Asian Books Private Limited.

5] Gupta, P. K. (2005), Population Education, Meerut : R. Lall Book Depot,

6] Kapoor & Kapoor (2013). Population Education. Guwahati : EBH Publishers.

7] Nanda S. K. (2002). Population Education-An Informative Update. Delhi : Doaba House.

8] Rao, V. K. (2001). Population. Delhi : A. P. H. Publishing Corporation.

৯.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ল'কেটিকচ আৰু এলকিনচনৰ ভাষাত, "বার্তা সম্প্রসাৰণ বা প্রদানৰ বাবে গণমাধ্যম (সাধাৰণতে দৃশ্য-শ্রাব্য বা বৈদ্যুতিক) হ'ল উদাহৰণস্বৰূপ। গণ মাধ্যমৰ অন্তর্গত বস্তুবোৰ হ'ল ছপা,গ্রাফিক্স, ছবি, শ্রাব্য, যোগাযোগ, দূৰদর্শন, উদ্দীপিত খেল আৰু কম্পিউটাৰ।"

২ নং প্রশ্নৰ উত্তৰ ঃ গণ-মাধ্যমৰ এক গুৰুত্বপূর্ণ কার্য হ'ল জনসধাৰণৰ মতামতক প্রভাৱিত কৰা আৰু সাধাৰণীকৰণ কৰা। বিভিন্ন গণ মাধ্যমবোৰে মন সলনি কৰিব পাৰে আৰু জীৱনৰ বিভিন্ন দিশৰ মতামত পৰিৱর্তন কৰিব পাৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমৰ গুৰুত্বৰ দুটা দিশ হ'ল—

- শিকাবলগীয়া বিষয়বস্তুৰ আকাৰৰ সমস্যা গণ মাধ্যমে কম কৰে। বিষয়বস্তু বহুত বেছি বা কম হ'লে ছাত্র-ছাত্রীৰ আগত সেৰা উপস্থাপন কৰিব নোৱাৰি। এইধৰণৰ বিষয়বস্তুবোৰ বিভিন্ন প্রকাৰৰ গণ মাধ্যমৰ যোগে উপস্থাপন কৰিব পাৰি।
- শিকন শিক্ষণ প্রক্রিয়াত দূৰত্বৰ সমস্যা গণ-মাধ্যমে নিৰাময় কৰিব পাৰে। এই দূৰত্ব শিক্ষক আৰু ছাত্রৰ মাজত, শ্রেণীকোঠা আৰু শিকাবলগীয়া বস্তুৰ স্থান আদিৰ মাজত হ'ব পাৰে। এই সকলোবোৰ দূৰত্বৰ সমস্যা গণ মাধ্যমৰ ব্যৱহাৰে নিৰাময় কৰিব পাৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ বিভিন্ন প্রকাৰৰ প্রক্ষেপণ সজুলিবোৰ হ'ল— ফিল্মষ্ট্রীপ, অভাৰহেড প্রজেক্টৰ, শ্লাইড প্রজেক্টৰ, CCTV আৰু এপিডিয়াস্ক'প।

৫ নং প্রশ্নৰ উত্তৰ ঃ আৰ জি ৰেনল্ডৰ ভাষাত, "বহু বছৰৰ আগৰ সম্প্রচাৰৰ দিশেৰে ৰেডিঅ' হৈছে শিক্ষাৰ আটাইতকৈ গুৰুত্বপূর্ণ মাধ্যম। শ্রেণীকোঠাৰ পৰিৱেশৰ বিকল্প স্বৰূপে ইয়াৰ গুৰুত্ব অপৰিসীম। বিদ্যালয়ৰ প্রতিদিনৰ পাঁচ বা ছয় ঘণ্টাৰ শিক্ষাদানৰ মাজত ইয়াৰ পৰিসৰ সীমাবদ্ধ নহয়। ই ৰাতিপুৱাৰ পৰা মাজনিশালৈ উপলব্ধ হৈ থাকে। ৰেডিঅ'ই সম্প্রচাৰ কৰা শৈক্ষিক আৰু সাংস্কৃতিক কার্যসূচীবোৰৰ উপযোগকৰণৰ সহায়ত শিশু আৰু প্রাপ্তবয়স্ক সকলো মানুহে বিশ্বৰ সকলো জ্ঞান আৰু কলাৰ খবৰ লাভ কৰিব পাৰে। এনে দিনো আহিব যেতিয়া পাঠ্যপুথি আৰু ব্লেকবোর্ডৰ পৰিৱর্তে সাধাৰণভাৱে শিক্ষাৰ সজুঁলি স্বৰূপে ইয়াৰ ব্যৱহাৰ কৰা হ'ব।"

৬ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যাৰ লগত সম্বন্ধিত বিভিন্ন বিষয়ৰ ঘটনা, ছবি, কার্টুন, পোষ্টাৰ, মনচিত্র, শ্লোগান, বাতৰি, তালিকা আদিৰ সহায়ত শিক্ষকে উপস্থাপন কৰিব পাৰে। শিক্ষকে জনসংখ্যাৰ লগত

সম্বন্ধিত বিষয়ৰ বিভিন্ন তথ্য বুলেটিন বোর্ডত উপস্থাপন কৰিবৰ বাবে ছাত্র-ছাত্রীক সেইবোৰ সংগ্রহ কৰিবলৈ উৎসাহিত কৰিব লাগে।

৯.১০ আৰ্হি প্রশ্ন

ক) **অতি চমু প্রশ্ন ঃ**

প্রশ্ন ১ ঃ মাধ্যম মানে কি?

প্রশ্ন ২ ঃ গণ মাধ্যমৰ দুটা বৈশিষ্ট্য লিখক।

প্রশ্ন ৩ ঃ গ্রাফিক সজুলিৰ প্রকাৰবোৰ উল্লেখ কৰক

প্রশ্ন ৪ ঃ গণ মাধ্যমৰ প্রকাৰবোৰ উল্লেখ কৰক।

খ) **চমু প্রশ্ন** (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ গণ মাধ্যমৰ কার্যাৱলীৰ বিষয়ে লিখক।

প্রশ্ন ২ ঃ অপ্রক্ষেপণ সজুঁলিৰ প্রকাৰবোৰ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ জনসংখ্যা নিয়ন্ত্রণত মানচিত্র আৰু ৰেখাচিত্রৰ ভূমিকাৰ বিষয়ে লিখক।

গ) **দীঘল প্রশ্ন** (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমৰ গুৰুত্ব আলোচনা কৰক।

প্রশ্ন ২ ঃ জনসংখ্যা নিয়ন্ত্রণত ৰেডিঅ' আৰু দূৰদর্শনৰ ভূমিকা বহলাই লিখক।

প্রশ্ন ৩ ঃ জনসংখ্যা নিয়ন্ত্রণত দৃশ্য-শ্রাৱ্য সজুলিৰ ভূমিকা বর্ণনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ জনসংখ্যা শিক্ষা প্রদানৰ পদ্ধতিসমূহ

অধ্যায় গাঁথনি

10.1 উদ্দেশ্য
10.2 পৰিচয়
10.3 জনসংখ্যা শিক্ষা প্রদানৰ পদ্ধতিসমূহ
- 10.3.1 পর্যবেক্ষণ পদ্ধতি
- 10.3.2 আত্ম অধ্যয়ন পদ্ধতি
- 10.3.3 আলোচনা পদ্ধতি
- 10.3.4 বক্তৃতা পদ্ধতি
- 10.3.5 প্রকল্প পদ্ধতি
- 10.3.6 গৃহ কার্য
- 10.3.7 ক্ষেত্র অধ্যয়ন

10.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
10.5 অধিক জানিবলৈ
10.6 অগ্রগতিৰ খতিয়ান
10.7 আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জনসংখ্যা শিক্ষা প্রদানৰ পদ্ধতিসমূহ বর্ণনা কৰিব পাৰিব
- জনসংখ্যা শিক্ষা প্রদানৰ পদ্ধতিসমূহৰ গুৰুত্ব আলোচনা কৰিব পাৰিব
- জনসংখ্যা শিক্ষা প্রদানৰ বিভিন্ন পদ্ধতিসমূহৰ সবলতা আৰু দুর্বলতাসমূহ চিনাক্ত কৰিব পাৰিব।

১০.২ পৰিচয়

পৃথিৱীত দ্রুতগতিত জনসংখ্যা বৃদ্ধিৰ ফলত জনসংখ্যা শিক্ষাৰ ধাৰণাটো গঢ়ি উঠিছে। আমি সকলোৱে জানো যে পৃথিৱীৰ সকলো ঠাইতে বর্তমান জনসংখ্যাৰ বিস্ফোৰণ ঘটিছে। বর্তমান পৃথিৱীৰ সকলো ঠাইতে বর্ধিত জনসংখ্যাই দাৰিদ্রতা আৰু প্রদূষণ সৃষ্টি কৰিছে। 'দ্রুতগতিত জনসংখ্যা বৃদ্ধিয়ে মানুহৰ মৌলিক প্রয়োজন

পূৰণ কৰাত অসুবিধাৰ সৃষ্টি কৰাৰ লগতে জনসাধাৰণৰ জীৱন ধাৰণৰ গুণগত মানদণ্ড নিম্নগামী কৰি তোলে। সেইবাবে সকলো নাগৰিকে বৰ্দ্ধিত জনসংখ্যাৰ প্ৰভাৱৰ বিষয়ে সচেতন হোৱা দৰকাৰ। অধিক জনসংখ্যা বৃদ্ধিয়ে জীৱনৰ গুণগত মানদণ্ডত পেলোৱা বেয়া প্ৰভাৱৰ প্ৰতি সচেতন হোৱাৰ এইটোৱে হ'ল উপযুক্ত সময়। এই ক্ষেত্ৰত বিখ্যাত অৰ্থনীতিবিদ **মালথাছে** কৈছিল যে 'জনসংখ্যা জ্যামিতিক হাৰত বৃদ্ধি পায়।' তেতিয়া খাদ্য গণিতিক হাৰত বৃদ্ধি পায় মালথাচ হৈছে আধুনিক জনসংখ্যা অধ্যয়নৰ পিতৃ স্বৰূপ আৰু তেওঁৰ তত্ত্ববোৰ পৃথিৱীৰ বিকাশশীল দেশৰ বাবে প্ৰকৃততে উপযোগী।

১০.৩ জনসংখ্যা শিক্ষা প্ৰদানৰ বিভিন্ন পদ্ধতিসমূহ

জনসংখ্যা শিক্ষা হৈছে নতুন অধ্যয়নৰ বিষয়। এই নতুন দিশটোৱে ব্যক্তিৰ আচৰণ আৰু মনোভাৱৰ ক্ষেত্ৰত পৰিৱৰ্তন আনিছে। ই আমাক জনসংখ্যা শিক্ষাৰ ক্ষেত্ৰত উপযুক্ত সিদ্ধান্ত লোৱাত সহায় কৰিছে। জনসংখ্যা শিক্ষাৰ সমস্যাবোৰ সমাধানৰ বাবে ইয়াৰ পদ্ধতিবোৰ জনা দৰকাৰ। বৰ্তমান জনসংখ্যাৰ দ্ৰুতবৃদ্ধিয়ে সমাজত বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে। সেইবাবে এইটো দিশত আমি সকলোৱে সচেতন হোৱাটো প্ৰয়োজনীয়। ইয়াত আমি জনসংখ্যা শিক্ষাৰ বিভিন্ন পদ্ধতিবোৰৰ বিষয়ে আলোচনা কৰিম।

১০.৩.১ পৰ্যবেক্ষণ পদ্ধতি

জনসংখ্যা শিক্ষা অধ্যয়নৰ ক্ষেত্ৰত পৰ্যবেক্ষণ পদ্ধতি হৈছে অতি জনপ্ৰিয় আৰু সৰল পদ্ধতি। ই হৈছে সমাজ বিজ্ঞানৰ গৱেষণা পদ্ধতি যিয়ে প্ৰাকৃতিক পৰিৱেশত প্ৰত্যক্ষ পৰ্যবেক্ষণ কৰে। ই হৈছে অধ্যয়নৰ এক পুৰণি পদ্ধতি যি বিভিন্ন সামাজিক সমস্যাৰ সৈতে জড়িত। এই পদ্ধতিত নিৰীক্ষকে নিজে সমস্যাৰ পৰিৱেশ পৰ্যবেক্ষণ কৰি তথ্য সংগ্ৰহ কৰে। জনসংখ্যা শিক্ষাৰ সৈতে বহুতো দিশ জড়িত হৈ আছে, যেনে- সৰু পৰিয়ালৰ ধাৰণা, শিশু আৰু মাতৃৰ স্বাস্থ্য, নিৰক্ষৰতা, পৰিয়াল পৰিকল্পনা আদি, যাৰ বাবে আমি পৰ্যবেক্ষণ পদ্ধতি ব্যৱহাৰ কৰিব পাৰো। এই পদ্ধতিৰ জৰিয়তে সংগৃহীত তথ্যসমূহ সঠিক আৰু নিৰ্ভৰযোগ্য হয়।

পৰ্যবেক্ষণৰ বিভিন্ন প্ৰকাৰ আছে নিয়ন্ত্ৰিত পৰ্যবেক্ষণ, অ-নিয়ন্ত্ৰিত পৰ্যবেক্ষণ, অংশগ্ৰহণমূলক আৰু অনা-অংশগ্ৰহণমূলক পৰ্যবেক্ষণ। যেতিয়া পূৰ্বনিৰ্ধাৰিত পৰিকল্পিত অনুসৰি পৰীক্ষণমূলক প্ৰক্ৰিয়াৰ ভিত্তিত পৰ্যবেক্ষন কৰা হয় ,তেনে পৰ্যবেক্ষনক নিয়ন্ত্ৰিত পৰ্যবেক্ষন বোলা হয়। আনহাতে নিয়ন্ত্ৰিত পৰ্যবেক্ষণত সামাজিক সমস্যাবোৰ নিয়ন্ত্ৰিত পৰিৱেশত ৰাখি অধ্যয়ন কৰা হয়। অ-নিয়ন্ত্ৰিত পৰ্যবেক্ষণ প্ৰাকৃতিক পৰিৱেশত কৰা হয়, যিবোৰ বাহ্যিক উপাদানৰ পৰা মুক্ত। অংশগ্ৰহণমূলক পৰ্যবেক্ষণত নিজকে দলৰ মাজত চিনাক্ত কৰিব লাগে। অনা-অংশগ্ৰহণত পৰ্যবেক্ষকে দূৰৰ পৰাই নিজ কৰ্তব্য পালন কৰে।

পর্যবেক্ষণ পদ্ধতিৰ সুফলসমূহ ঃ

- পর্যবেক্ষণ পদ্ধতিয়ে শিক্ষণ-শিকন প্রক্রিয়া সহজ আৰু উদ্দেশ্য প্রণোদিত কৰি তোলে।
- ই কিছুমান সামাজিক গুণ যেনে- সহযোগিতা, দলীয় তৎপৰতা, সহানুভূতি ইত্যাদি ছাত্র-ছাত্রীৰ মাজত বিকশাই তোলে।
- এই পদ্ধতিয়ে শ্রেণী কক্ষৰ পৰা নিৰসভাৱ, এক ঘেয়ামী ভাব আঁতৰ কৰে।
- এই পদ্ধতিয়ে বস্তুৰ স্থায়ী চাপ ছাত্র-ছাত্রীৰ মনত গঢ় দিয়ে।
- এই পদ্ধতিৰ জৰিয়তে ছাত্র-ছাত্রীয়ে নিজৰ কৌশল দূৰ কৰি বাস্তৱতা নিৰীক্ষণ কৰিব পাৰে।

পর্যবেক্ষণ পদ্ধতিৰ দুর্বলতাসমূহ

- এই পদ্ধতিটো খৰচী আৰু অধিক সময়ৰ প্রয়োজন।
- নিম্ন শ্রেণীৰ বাবে এই পদ্ধতি উপযোগী নহয়।
- পর্যবেক্ষণ পদ্ধতি উপযুক্ত প্রয়োগৰ বাবে প্রশিক্ষণ প্রাপ্ত শিক্ষকৰ প্রয়োজন।
- কেতিয়াবা অভিভাৱকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীক পর্যবেক্ষণৰ বাবে পঠিয়াব নিবিচাৰে।

১০.৩.২ আত্ম অধ্যয়ন পদ্ধতি

জনসংখ্যা শিক্ষাৰ আত্ম অধ্যয়ন পদ্ধতিটোত শিক্ষক বা প্রশিক্ষকৰ সহায় নোলোৱাকৈ অভীক্ষার্থীয়ে নিজে সম্পাদন কৰে। এই পদ্ধতিটোত শিক্ষার্থীসকল নিজৰ কামৰ বাবে নিজে দায়ী। এই ক্ষেত্রত তেওঁক কোনেও পৰামর্শ নিদিয়ে সেইবাবে এই পদ্ধতিটো 'নিজৰ শিক্ষণ' স্বৰূপে অভিহিত কৰা হয়। ই হৈছে ফলপ্রসূ পদ্ধতি যিয়ে আত্মবিশ্বাস আৰু দায়িত্বশীলতা বঢ়াই তোলে। এই পদ্ধতিটো হৈছে প্রধানকৈ তথ্য সংগ্রহকৰণ, ইয়াৰ প্রক্রিয়াকৰণ আৰু তাৰ সংৰক্ষণ। আত্ম অধ্যয়ন পদ্ধতিৰ প্রকৃত উপযোগকৰণ হ'বলৈ নির্দেশকে অধ্যয়নৰ কৌশল ছাত্র-ছাত্রীৰ আগত দাঙি ধৰিব লাগে। তথ্য সংগ্রহ কৰি উপযুক্তভাৱে অধ্যয়ন কৰিবলৈ নির্দেশকে উপযুক্ত নির্দেশনা প্রদান কৰিব লাগে।

আত্ম অধ্যয়ন পদ্ধতিৰ সুফলসমূহ

- আত্ম অধ্যয়ন পদ্ধতিয়ে শিক্ষার্থীৰ কিছুমান সংলক্ষণ বিকশাই তোলে যেনে— আত্ম-সংযম, আত্ম নির্ভৰশীলতা, আত্মবিশ্বাস ইত্যাদি।
- ই শিক্ষার্থীৰ সৃজনশীলতাৰ বিকাশ সাধন কৰে।
- ই শিক্ষার্থীক সংবদ্ধ আৰু সংগঠিত কৰি তোলে।
- ই শিক্ষার্থীৰ মানসিক পৰিসৰ আৰু বৌদ্ধিক সামর্থ বৃদ্ধি কৰি তোলে।
- এই পদ্ধতিয়ে অৱসৰ সময়ৰ সদ ব্যৱহাৰ আৰু শিক্ষার্থীৰ জ্ঞান বৃদ্ধিত সহায় কৰে।

- এই পদ্ধতিয়ে শিক্ষার্থীক যিকোনো বিষয়ৰ অধ্যয়ণত সহায় কৰে।

আত্ম অধ্যয়ন পদ্ধতিৰ দুর্বলতাসমূহ ঃ

- শিক্ষার্থীৰ ত্রুটিসমূহ আঙুলিয়াই দিবলৈ এই পদ্ধতিত কোনো শিক্ষক নেথাকে।
- শিক্ষাৰ নিম্ন পর্যায়ৰ বাবে এই পদ্ধতি উপযোগী নহয়।
- এই পদ্ধতিৰ বাবে উপযুক্ত পৰিকল্পনাৰ প্রয়োজন।
- উপযুক্ত পৰিৱেশ আৰু সুবিধাৰ অবিহনে এই পদ্ধতি প্রয়োগ কৰা সম্ভৱ নহয়।
- যদি আত্ম অধ্যয়নৰ প্রতি শিক্ষার্থীৰ মনোভাৱ আৰু আগ্রহ নেথাকে, তেতিয়া ই শিক্ষার্থীৰ সময় আৰু শক্তিৰ অপচয়হে ঘটায়।

t চিন্তা চর্চা কৰক

আপোনাৰ নিজৰ ঠাইৰ কিছুমান পৰিয়াললৈ গৈ কিছুমান তথ্য সংগ্রহ কৰক যেনে— স্বাক্ষৰতাৰ হাৰ, শিশু আৰু মাতৃৰ স্বাস্থ্য আৰু সেই অঞ্চলৰলোকৰ জীৱন নির্বাহৰ মানদণ্ড ইত্যাদি। ইয়াৰ ওপৰত এটা টোকা প্রস্তুত কৰক।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জনসংখ্যা শিক্ষাৰ শিক্ষাদানত পর্যবেক্ষণ পদ্ধতিৰ বিষয়ে লিখক।

প্রশ্ন নং ২ ঃ আত্ম অধ্যয়ন পদ্ধতি বুলিলে কি বুজে?

১০.৩.৩ আলোচনা পদ্ধতি

শিক্ষণ-শিকন প্রক্রিয়া হৈছে শিক্ষক আৰু শিক্ষার্থীৰ এক সহযোগিতামূলক প্রক্রিয়া। এই পদ্ধতিত শিক্ষার্থীসকলে শিক্ষণ পৰিৱেশত সক্রিয়ভাৱে অংশগ্রহণ কৰে। আলোচনা পদ্ধতিয়ে জনসংখ্যাৰ বিভিন্ন সমস্যাবোৰ উদ্‌ঘাটন কৰে। এই পদ্ধতিয়ে অধ্যয়ন আৰু প্রস্তুতি, বিষয়বস্তুৰ নির্বাচন আৰু সংগঠন, শিক্ষণ প্রক্রিয়াৰ ভাবধাৰাৰ বিকাশক অন্তর্ভুক্ত কৰে। ই হৈছে সিদ্ধান্ত গ্রহণৰ এক ব্যৱস্থাগত প্রক্রিয়া। আলোচনাসমূহ তর্ক, সন্মিলন, সূচী ইত্যাদি বিধৰ হ'ব পাৰে।

আলোচনাৰ কাৰকসমূহ ঃ

জনচনৰ মতে আলোচনা পদ্ধতিয়ে তলৰ কাৰকসমূহ অন্তর্ভুক্ত কৰে—

(1) নেতা, [2] দল, (3) সমস্যা, (4) বিষয়বস্তু

(১) **নেতা ঃ** আলোচনা পদ্ধতিত, শিক্ষকে নেতা হিচাবে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। তেওঁ আলোচনাৰ বিষয়বস্তুৰ নির্বাচন আৰু সংগঠন কৰে। এগৰাকী নেতা হিচাবে শিক্ষকে আলোচনাৰ নির্দেশনা প্রদান কৰিব লাগে আৰু দলৰ সকলো সদস্যই অংশগ্রহণ কৰিছে নে চাব লাগে।

(২) **দল ঃ** আলোচনাত সক্রিয়ভাৱে অংশগ্রহণ কৰিবলৈ দলৰ সকলো সদস্যক শিক্ষকে উৎসাহ প্রদান কৰিব লাগে।

(৩) **সমস্যা ঃ** আলোচনাৰ বিষয়বস্তু শিক্ষক আৰু শিক্ষার্থীয়ে মিলি নির্বাচন কৰিব লাগে। বিষয়বস্তু বাস্তৱ পৰিৱেশৰ ওপৰত ভিত্তি কৰি নির্বাচন কৰিব লাগে।

(৪) **বিষয়বস্তু ঃ** এই পদ্ধতিত আমি তথ্য আৰু সাধাৰণীকৰণত গুৰুত্ব দিব লাগে। ইয়াত বিভিন্ন দিশৰ পৰা আলোচনা কৰা হয়, যাতে এটা সিদ্ধান্তত উপনীত হ'ব পাৰি।

আলোচনাৰ নীতিসমূহ

[1] সক্রিয় অংশগ্রহণৰ নীতি।

[2] কর্মৰ স্বাধীনতাৰ নীতি।

[3] দলীয় আৰু সক্রিয় অংশগ্রহণৰ নীতি।

আলোচনা পদ্ধতিৰ সবলতাসমূহ

[1] আলোচনা পদ্ধতিত দলৰ সকলো সদস্য মত প্রকাশ কৰাৰ বাবে সমান সুবিধা প্রদান কৰা হয়। ই মৌখিক প্রকাশৰ সুবিধা দিয়ে।

[2] আলোচনা হৈছে সিদ্ধান্ত গ্রহণৰ সমূহীয়া পদ্ধতি।

[3] দলৰ সদস্যসকলে যুক্তি দিয়ে আৰু তেওঁলোকৰ মতামত যুক্তি সংগতভাৱে দাঙি ধৰে, যিয়ে তেওঁলোকৰ কঠিন চিন্তা আৰু যুক্তিৰ বিকাশ কৰে।

[4] আলোচনা পদ্ধতিয়ে অন্যলোকৰ মতামত, চিন্তা আদিবোৰ সহ্য কৰি দলৰ অন্য সদস্যলৈ প্রেৰণ কৰে।

[5] আলোচনা পদ্ধতিয়ে আলোচনাৰ বিভিন্ন বিষয়সমূহৰ ওপৰত উপযুক্ত বুজা শক্তিৰ বিকাশ কৰে।

আলোচনা পদ্ধতিৰ দুর্বলতাসমূহ

[1] এই পদ্ধতিয়ে দলৰ সদস্যসমূহক প্রত্যক্ষ অভিজ্ঞতা দিব নোৱাৰে।

[2] এনে পৰিৱেশত শিক্ষার্থীয়ে পঢ়া আৰু লিখাৰ বাবে কম সুবিধা পায়, যিটো তেওঁলোকৰ বাবে

অতি প্রয়োজনীয়।

[3] আলোচনা পদ্ধতিত অধিক সময়ৰ প্রয়োজন হয়।

[4] আলোচনাত দলৰ প্রত্যেকজন সদস্যই সমানে অংশগ্রহণ নকৰে। কিছুমান শিক্ষার্থীৰ আত্মবিশ্বাস নেথাকে আৰু তেওঁলোকে নিজৰ অনুভৱ প্রকাশ কৰিবলৈ অসুবিধা পায়। সেইবাবে ভাল ছাত্র-ছাত্রীয়ে দলত আগভাগ লৈ আনক বেছি সুবিধা নিদিয়ে।

১০.৩.৪ বক্তৃতা পদ্ধতি

জনসংখ্যা শিক্ষা প্রদানৰ অন্য এক পদ্ধতি হৈছে বক্তৃতা পদ্ধতি। এই পদ্ধতিত মৌখিকভাৱে শিক্ষা প্রদান কৰা হয়। শিক্ষাৰ উচ্চ পর্যায়ত শিক্ষকসকলে প্রধানকৈ এই পদ্ধতি ব্যৱহাৰ কৰে। ছাত্র-ছাত্রীসকলক তেওঁলোকৰ সন্দেহবোৰ দূৰ কৰিবৰ বাবে প্রশ্ন সোধাত উৎসাহিত কৰা হয়। শিক্ষকে ছাত্র-ছাত্রীক অভিৰোচিত কৰিবলৈ মেপ, চার্ট, ছবি ইত্যাদিবোৰ ব্যৱহাৰ কৰে। উপযুক্তভাৱে প্রস্তুত আৰু উপস্থাপন কৰা বক্তৃতা ছাত্র-ছাত্রীৰ বাবে ফলপ্রসূ হয়।

শিক্ষাৰ নিম্নস্তৰৰ শ্রেণীত সাধুকোৱা, কথোপকথন ইত্যাদিৰ জৰিয়তে বক্তৃতা পদ্ধতি উপস্থাপন কৰা হয়। শ্রেণী পৰিৱেশত উদাৰ আৰু ভাল পৰিৱেশ সৃষ্টি কৰা হয়, য'ত ছাত্র-ছাত্রীয়ে মুক্তভাৱে শিক্ষকক প্রশ্ন সুধি তেওঁলোকৰ জ্ঞান বৃদ্ধি কৰিব পাৰে।

শিক্ষাৰ উচ্চ স্তৰত, এই পদ্ধতিটো আনুষ্ঠানিক ধৰণৰ হয়। শিক্ষকে ছাত্র-ছাত্রীৰ আগত বক্তৃতা উপস্থাপন কৰিবলৈ নির্বাচিত বিষয়বস্তু ভালদৰে পৰিকল্পনা কৰি লয়। শিক্ষকে অধিক আত্মবিশ্বাসৰ সৈতে তেওঁৰ বক্তৃতা প্রদান কৰিব লাগে আৰু ছাত্র-ছাত্রীক প্রশ্ন সোধাৰ সুবিধা প্রদান কৰিব লাগে। তেওঁৰ শ্রেণীকোঠাৰ ছাত্র-ছাত্রীসকলক নিৰীক্ষণ কৰিব লাগে।

বক্তৃতা পদ্ধতিৰ সবলতাসমূহ

[1] বক্তৃতা পদ্ধতি হৈছে জনসংখ্যা শিক্ষা প্রদানৰ এক ফলপ্রসূ পদ্ধতি, যাৰ দ্বাৰা শিক্ষকে ছাত্র-ছাত্রীক অভিৰোচিত কৰিব পাৰে।

[2] উপযুক্তভাৱে বক্তৃতা প্রদান পদ্ধতিয়ে ছাত্র-ছাত্রীৰ সন্দেহবোৰ আঁতৰাব পাৰে।

[3] এই পদ্ধতিয়ে ছাত্র আৰু শিক্ষকৰ সময় আৰু শক্তি বচাব পাৰে। এই পদ্ধতিৰ জৰিয়তে শিক্ষকে বিষয়বস্তু উপযুক্তভাৱে উপস্থাপন কৰিব পাৰে।

বক্তৃতা পদ্ধতিৰ দুর্বলতাসমূহ

[1] এই পদ্ধতিত ছাত্র-ছাত্রীসকলে কেৱল শুনিহে থাকে আৰু সেইবাবে উপযুক্তভাৱে অংশগ্রহণ কৰিব নোৱাৰে।

[2] প্রত্যেকগৰাকী শিক্ষকে ভালদৰে বক্তৃতা দিব নোৱাৰে।

[3] বক্তৃতা পদ্ধতিয়ে শিক্ষণ-শিকন প্রক্রিয়াটোক একঘেয়ামী কৰি তোলে।

[4] এই পদ্ধতিয়ে কেৱল তাত্ত্বিক জ্ঞানহে প্রদান কৰে।

t চিন্তা চৰ্চা কৰক

জনসংখ্যা বৃদ্ধিৰ সমস্যাৰ ওপৰত এটা বিষয়বস্তু নিৰ্বাচন কৰক আৰু আপোনাৰ অঞ্চলৰ স্কুলীয়া ল'ৰা-ছোৱালীৰ মাজত তৰ্ক অনুষ্ঠিত কৰক। এই কাৰ্যৰ ওপৰত এটা টোকা প্রস্তুত কৰক।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ আলোচনা পদ্ধতিৰ সংজ্ঞা দিয়া।

প্রশ্ন নং ৪ ঃ বক্তৃতা পদ্ধতিৰ বিষয়ে আলোচনা কৰা।

১০.৩.৫ প্রকল্প পদ্ধতি

শিক্ষকে জনসংখ্যা শিক্ষা ধাৰণা ছাত্র-ছাত্রীক দিবলৈ অতি ফলপ্রসূভাৱে প্রকল্প পদ্ধতি ব্যৱহাৰ কৰিব পাৰে। এই পদ্ধতিয়ে তাত্ত্বিক আৰু পুথিগত শিক্ষাৰ বিপক্ষে গৈছে আৰু জীৱন শিক্ষাৰ পৰা দূৰত থাকে। এই পদ্ধতিয়ে শিক্ষার্থীৰ কার্যাৱলী আৰু দায়িত্বৰ ওপৰত গুৰুত্ব দিয়ে। ই কোনো সমস্যা বিভিন্ন উপাদানসমূহ আৰু সেইবোৰৰ সম্ভাৱনীয় সমাধানৰ বিষয়ে অধ্যয়ন কৰে। প্রকল্প পদ্ধতিৰ বিষয়বস্তুৰ বাস্তৱ জীৱনৰ সৈতে সম্পর্ক থকা উচিত। বিখ্যাত শিক্ষাবিদ **কিলপেট্রিকৰ** মতে 'প্রকল্প পদ্ধতি হৈছে উদ্দেশ্যপূর্ণ কার্য, যিটো সামাজিক পৰিৱেশত সংঘটিত হয়।" প্রকল্প পদ্ধতিৰ কিছুমান নীতি আছে, সেইবোৰ হৈছে—

[1] উদ্দেশ্যপূর্ণ নীতি

[2] কার্যৰ নীতি

[3] বাস্তৱতাৰ নীতি

[4] অভিজ্ঞতাৰ নীতি

[5] স্বাধীনতাৰ নীতি

[6] উপযোগিতাৰ নীতি।

যেতিয়া কর্ম বা শিক্ষণৰ কোনো উদ্দেশ্য থাকে তেতিয়া ছাত্র-ছাত্রী তাৰ প্রতি আগ্রহী হয়, যিটোৱে কার্য অভিজ্ঞতা প্রদান কৰে, বাস্তৱ জীৱনৰ সৈতে সম্পর্কিত আৰু য'ত কার্যকৰাৰ বাবে স্বাধীনতা থাকে সেইবোৰহে ছাত্র-ছাত্রীৰ বাবে উপযোগী।

প্রকল্প পদ্ধতিৰ স্তৰসমূহ

প্রকল্প পদ্ধতিৰ কিছুমান স্তৰ আছে, সেইবোৰ হৈছে—

(১) **পৰিৱেশ প্রদান ঃ** শিক্ষকে এনে এটা পৰিৱেশ সৃষ্টি কৰিব লাগে যাতে ছাত্র-ছাত্রীয়ে প্রকল্প কৰাৰ বিষয়ে চিন্তা কৰিব পাৰে।

(২) **প্রকল্প নির্বাচন ঃ** ছাত্র-ছাত্রীয়ে শিক্ষকৰ সহায়ত এটা প্রকল্প নির্বাচন কৰিব লাগে। প্রকল্পটো সদায় বাস্তৱ জীৱনৰ সৈতে সম্পর্ক থকা হ'ব লাগে।

(৩) **পৰিকল্পনা ঃ** পৰৱর্তী স্তৰত ছাত্র-ছাত্রীয়ে প্রকল্পটো কেনেদৰে কৰিব তাৰ বাবে এটা পৰিকল্পনা কৰি ল'ব লাগে। প্রকল্পটো কৰাৰ দায়িত্ব ছাত্র-ছাত্রীৰ আগ্রহ অনুযায়ী ভগাই দিব লাগে। ভালদৰে প্রকল্পটো কৰিবলৈ সকলোৰে সহযোগিতাৰ প্রয়োজন।

(৪) **প্রকল্পৰ বাস্তৱ ৰূপদান ঃ** নির্দেশক বা শিক্ষকৰ অধীনত ছাত্র-ছাত্রীয়ে প্রকল্পটো সমাপ্ত কৰিব লাগে। প্রকল্পটো কৰাৰ ক্ষেত্রত ছাত্র-ছাত্রীয়ে বিভিন্ন ধৰণৰ কার্য সম্পাদন কৰিব লাগে। এনেধৰণৰ কার্য কৰাৰ দ্বাৰা তেওঁলোকে শিকিব পাৰে। এইটো ব্যৱহাৰিক আৰু তেওঁলোকৰ বাবে উপযোগী।

(৫) **বিচাৰকৰণ আৰু মূল্যায়ণ ঃ** প্রকল্পটো শেষ কৰাৰ পিছত ছাত্র-ছাত্রীয়ে একেলগে বহি তাৰ মূল্যায়ন কৰিব লাগে।

(৬) **তথ্য সংৰক্ষণ ঃ** ছাত্র-ছাত্রীসকলে প্রকল্পটো বাস্তৱ ৰূপ দিয়াৰ স্তৰসমূহ সংৰক্ষণ কৰি থ'ব লাগে। তেওঁলোকে একেবাৰে আৰম্ভণি পর্যায়ৰ পৰা শেষলৈ ইয়াক সংৰক্ষণ কৰি যাব লাগে। এইটো ভৱিষ্যতৰ বাবে যথেষ্ট উপযোগী।

প্রকল্প পদ্ধতিৰ সুফলসমূহ

[1] প্রকল্প পদ্ধতিটো শিক্ষণৰ তিনিটা নীতিৰ ওপৰত প্রতিষ্ঠিত। অনুশীলনী নীতি, প্রস্তুতিৰ নীতি আৰু ফলাফলৰ নীতি। যি নীতিসমূহ মনোবিদ থর্নডাইকে উলিয়াইছিল।

[2] প্রকল্পৰ স্তৰসমূহ ছাত্র-ছাত্রীয়ে নিজে কৰে বাবে ই তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি কৰে।

[3] এই প্রকল্প পদ্ধতিয়ে ছাত্র-ছাত্রীৰ মাজত সহযোগিতা ভাব বৃদ্ধি কৰে।

[4] তেওঁলোকে কর্মৰ মর্যদা বুজি পায়।

[5] প্রকল্পৰ পৰা ছাত্র-ছাত্রীয়ে বাস্তৱ জ্ঞান পায়।

[6] এই পদ্ধতিটোৱে তেওঁলোকৰ ভৱিষ্যত পৰিকল্পনাত সহায় কৰে। তাৰোপৰি, ছাত্র-ছাত্রীৰ মাজত কিছুমান মনোভাব যেনে সহযোগিতা, সংগঠন, শুদ্ধ উচ্চাৰণ, কথা কোৱাৰ ভংগী, আত্ম-সচেতনতা আদি জগাই তোলে।

প্রকল্প পদ্ধতিৰ অসুবিধাসমূহ

[1] এই পদ্ধতিটো অতি খৰচী, ইয়াৰ বাবে যথেষ্ট সামগ্রীৰ প্রয়োজন।

[2] দমনমূলক মনোভাৱৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত আনক বেছি সুবিধা নিদিয়ে। সেইবাবে সকলোৱে উপযুক্তভাৱে অংশগ্ৰহণ কৰিব নোৱাৰে।

[3] সফলতাৰে প্ৰকল্প শেষ কৰাৰ বাবে বিশেষভাৱে প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ প্ৰয়োজন। প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অবিহনে প্ৰকল্পৰ লক্ষ্যত উপনীত হ'ব নোৱাৰি।

[4] এই পদ্ধতিত শিক্ষকৰ কৰ্মবোজা অধিক, কাৰণ তেওঁ ছাত্ৰ-ছাত্ৰীক ব্যক্তিগতভাৱে নিৰ্দেশনা দিব লাগে। প্ৰকল্পৰ প্ৰকৃত দায়িত্ব তেওঁ বহন কৰিব লাগে।

[5] প্ৰকল্প পদ্ধতিত কোনো ব্যৱস্থাগত জ্ঞান প্ৰদান কৰা নহয়। কোনো বিষয়ৰ সমগ্ৰ পাঠ্যসূচী ইয়াৰ দ্বাৰা প্ৰদান কৰিব নোৱাৰি।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ প্ৰকল্প পদ্ধতিৰ স্তৱবোৰ আলোচনা কৰক।

প্ৰশ্ন নং ৬ ঃ প্ৰকল্প পদ্ধতিৰ অসুবিধাসমূহ কি কি ?

১০.৩.৬ গৃহকার্য্য

সাধাৰণতে, গৃহ কার্য অর্থ হ'ল কার্যসমূহ ছাত্ৰ-ছাত্ৰীক নির্দিষ্ট সময়ৰ ভিতৰত কৰিব দিয়া হয়। কাৰণ স্কুলৰ সময়ছোৱাৰ ভিতৰত সমগ্ৰ পাঠ্যক্ৰম শেষ কৰা সম্ভৱ নহয়। সেইবাবে গৃহকার্য্য প্ৰয়োজনীয়। ই ছাত্ৰ-ছাত্ৰীক নিজ সম্পদ ব্যৱহাৰত সহায় কৰে।

গৃহকার্য্যৰ প্ৰকাৰসমূহ

(১) **ৰচনাত্মক** ঃ ৰচনাত্মক কার্যৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ বোধশক্তি সামর্থ চোৱা হয় আৰু কোনো বিশেষ বিষয় বিষয়বস্তু কি ধৰণে বর্ণনা কৰিব পাৰে তাক বিচাৰ কৰা হয়।

(২) **লিখন** ঃ এনে প্ৰকাৰৰ কার্যৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ উদ্ভাৱনমূলক দিশ চোৱা হয়।

(৩) **মৌখিক উপস্থাপন** ঃ মৌখিক উপস্থাপনৰ দ্বাৰা, কৌশল, বোধ আৰু বিষয়বস্তুৰ সংগঠন চোৱা হয়।

(৪) **প্ৰকল্প** ঃ প্ৰকল্পই ছাত্ৰ-ছাত্ৰীৰ সৃজনশীলতা আৰু নতুনত্ব উদ্ভাৱন ক্ষমতা পৰিমাপ কৰে।

(৫) **দলীয় আলোচনা** ঃ দলীয় আলোচনাৰ মাধ্যমত শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ যোগাযোগ আৰু সহযোগিতাৰ কৌশল, নেতৃত্বৰ গুণ ইত্যাদি পৰিমাপ কৰে।

গৃহকার্যৰ সুফলসমূহ ঃ

[1] গৃহকার্যই ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আৰু আগ্ৰহ বৃদ্ধি কৰে আৰু অধ্যয়নৰ প্ৰতি তেওঁলোকক অভিৰোচিত

কৰি তোলে।

[2] ই ছাত্ৰ-ছাত্ৰীৰ মাজত আত্ম অধ্যয়ন বিকাশ কৰে।

[3] ই শিক্ষক আৰু অভিভাৱকৰ মাজত যোগাযোগ সৃষ্টি কৰে।

[4] ই ছাত্ৰ-ছাত্ৰীৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে।

[5] ই ছাত্ৰ-ছাত্ৰীৰ আত্মবিশ্বাস আৰু আত্মনিৰ্ভৰশীলতাৰ বিকাশ কৰে।

[6] গৃহকাৰ্য্যই ছাত্ৰ-ছাত্ৰীৰ পঠন অভ্যাস গঢ়ি তোলে।

গৃহকাৰ্যৰ অসুবিধাসমূহ ঃ

[1] গৃহকাৰ্য পদ্ধতি হৈছে শিক্ষণৰ একঘেয়ামী প্ৰক্ৰিয়া।

[2] অতিমাত্ৰ গৃহকাৰ্যই ছাত্ৰ-ছাত্ৰীক বিৰক্তি দিয়ে।

[3] কিছুমান শিক্ষকে গৃহকাৰ্যৰ পৰীক্ষা নকৰে।

[4] এই পদ্ধতিত কোনো প্ৰত্যক্ষ অভিজ্ঞতা নেথাকে।

১০.৩.৭ ক্ষেত্ৰ অধ্যয়ন

ক্ষেত্ৰ অধ্যয়ন হৈছে এক ফলপ্ৰসূ প্ৰক্ৰিয়া। যাৰ দ্বাৰা প্ৰত্যক্ষ অভিজ্ঞতা পাব পাৰি। এই পদ্ধতিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে তাত্ত্বিক আৰু ব্যৱহাৰিক জ্ঞানৰ মাজত সমন্বয় গঢ়ি তুলিব পাৰে। তেওঁলোকে পুথিগত জ্ঞান আৰু বাস্তৱ জীৱনৰ পাৰ্থক্য উলিয়াব পাৰে। তেওঁলোকে কোনো এটা বিষয়ৰ প্ৰত্যক্ষ তথ্য সংগ্ৰহ কৰিব পাৰে। ক্ষেত্ৰ অধ্যয়নৰ বাবে উপযুক্ত পৰিকল্পনাৰ প্ৰয়োজন। দলৰ নেতাই প্ৰত্যেককে নিৰ্দেশনা দিব লাগে। ক্ষেত্ৰ অধ্যয়ন কৰাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ জনসংখ্যা বৃদ্ধিৰ বিভিন্ন কাৰণসমূহ জানিব পাৰে। চাক্ষুস অভিজ্ঞতাই তেওঁলোকক জনসংখ্যা বৃদ্ধি প্ৰকৃত স্বৰূপ দাঙি ধৰে। ক্ষেত্ৰ অধ্যয়নৰ পিছত ছাত্ৰ-ছাত্ৰীয়ে ইয়াক পুনৰীক্ষণ কৰিব লাগে, অভিজ্ঞতাসমূহ ভালদৰে বৰ্ণনা কৰাটোও যথেষ্ট সহায়কাৰী।

t চিন্তা চৰ্চা কৰক

আপোনালোকে নিজৰ ঠাইৰ অধিক জনসংখ্যাৰ বসতি থকা অঞ্চলৰ ওপৰত ক্ষেত্ৰ অধ্যয়ন কৰিব, সেই অঞ্চলৰ দ্ৰুতগতিত জনসংখ্যা বৃদ্ধিৰ ফলাফলৰ ওপৰত এটা টোকা প্ৰস্তুত কৰক।

২ ১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জনসংখ্যা বৃদ্ধিয়ে পৃথিৱীৰ সকলো ঠাইতে দাৰিদ্রতা আৰু প্রদূষণৰ সৃষ্টি কৰিছে। জনসংখ্যাৰ দ্রুত বৃদ্ধিয়ে মানুহৰ মৌলিক প্রয়োজনসমূহ পূৰণ কৰাটো কঠিন কৰি তুলিছে আৰু জনসাধাৰণৰ জীৱনৰ মানদণ্ড নিম্নগামী কৰি তুলিছে।
- জনসংখ্যা শিক্ষা অধ্যয়নৰ বিভিন্ন পদ্ধতি আছে সেইবোৰ হৈছে পর্যবেক্ষণ, আত্ম-অধ্যয়ন, আলোচনা, বক্তৃতা, প্রকল্প পদ্ধতি, গৃহকার্য্য, ক্ষেত্র অধ্যয়ন আদি।
- জনসংখ্যা শিক্ষা অধ্যয়নৰ ক্ষেত্রত পর্যবেক্ষণ পদ্ধতি হৈছে অতি জনপ্রিয় আৰু সৰল পদ্ধতি। ই হৈছে সমাজবিজ্ঞানৰ গৱেষণা পদ্ধতি যিয়ে প্রাকৃতিক পৰিবেশত প্রত্যক্ষ পর্যবেক্ষণ কৰে।
- জনসংখ্যা শিক্ষাৰ আত্ম অধ্যয়ন পদ্ধতিটোত শিক্ষক বা প্রশিক্ষকৰ সহায় নোলোৱাকৈ ছাত্র-ছাত্রীয়ে কার্য্য সম্পাদন কৰে। এই পদ্ধতিটোত ছাত্র-ছাত্রীসকল নিজ কার্যৰ বাবে নিজে দায়ী।
- আলোচনা পদ্ধতিটো হৈছে জনসংখ্যা শিক্ষাৰ এক গুৰুত্বপূর্ণ পদ্ধতি। যিয়ে জনসংখ্যাৰ বিভিন্ন সমস্যাবোৰ উদ্‌ঘাটন কৰে। এই পদ্ধতিয়ে অধ্যয়ন আৰু প্রস্তুতি, বিষয়বস্তুৰ নির্বাচন আৰু সংগঠন শিক্ষণ প্রক্রিয়াৰ ভাবধাৰাৰ বিকাশক অন্তর্ভুক্ত কৰে।
- বক্তৃতা পদ্ধতিত মৌখিক ভাৱে শিক্ষাদান কৰা হয়। শিক্ষাৰ উচ্চ পর্যায়ত শিক্ষকসকলে এই পদ্ধতি ব্যৱহাৰ কৰে। এই পদ্ধতিত ছাত্র-ছাত্রীসকলক প্রশ্নসোধাৰ বাবে উৎসাহ প্রদান কৰা হয়।
- প্রকল্প পদ্ধতিয়ে তাত্ত্বিক, পুথিগত আৰু জীৱন শিক্ষাৰ বিপক্ষে কার্য কৰে। এই পদ্ধতিয়ে ছাত্র-ছাত্রীৰ কার্য আৰু দায়িত্বৰ ওপৰত গুৰুত্ব দিয়ে।
- গৃহকার্য হৈছে এটা নির্দিষ্ট সময়ত ছাত্র-ছাত্রীক কৰিবলৈ দিয়া কার্য। কাৰণ ধার্যকৰা পাঠ্যসূচী স্কুলৰ নির্দিষ্ট সময়ৰ ভিতৰত সমাপ্ত কৰিব নোৱাৰি। সেইবাবে গৃহকার্য দৰকাৰী। এই পদ্ধতিয়ে ছাত্র-ছাত্রীক নিজ সম্পদ ব্যৱহাৰ কৰাত সহায় কৰে।
- ক্ষেত্র অধ্যয়নৰ জৰিয়তে ছাত্র-ছাত্রীয়ে তাত্ত্বিক আৰু ব্যৱহাৰিক জ্ঞানৰ মাজত সমন্বয় সৃষ্টি কৰিব পাৰে। তেওঁলোকে প্রত্যক্ষভাৱে তথ্য সংগ্রহ কৰিব পাৰে।

০ ১০.৫ অধিক জানিবলৈ

1] Aggarwal, J.C. (2013). Population Education, New Delhi : Shipra Publications.

2] Akhtar, Parveen R. (2014). Enviornmental and Population Education, Guwahati : Assam Book Depot.

3] Chandel & Nand (2011). Population Education. Agra : Shri Vinod Pustak Mandir.

4] Goswami, Meena Kumari (2013). Environmental Education and Population Education, New Delhi : Asian Books Private Limited.

5] Gupta, P. K. (2005), Population Education, Meerut : R. Lall Book Depot,

6] Kapoor & Kapoor (2013). Population Education. Guwahati : EBH Publishers.

7] Nanda S. K. (2002). Population Education-An Informative Update. Delhi : Doaba House.

8] Rao, V. K. (2001). Population. Delhi : A. P. H. Publishing Corporation.

K ১০.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষা অধ্যয়নৰ ক্ষেত্রত পর্যবেক্ষণ পদ্ধতি হৈছে আটাইতকৈ জনপ্রিয় আৰু সৰল পদ্ধতি। ই হৈছে সমাজ বিজ্ঞানৰ গৱেষণা পদ্ধতি, যিয়ে প্রাকৃতিক পৰিৱেশত প্রত্যক্ষভাৱে নিৰীক্ষণ কৰে। ই হৈছে অধ্যয়নৰ এক পুৰণি পদ্ধতি যি বিভিন্ন সামাজিক সমস্যাৰ সৈতে জড়িত। এই পদ্ধতিত নিৰীক্ষকে নিজে সমস্যাৰ পৰিবেশ পর্যবেক্ষণ কৰি তথ্য সংগ্রহ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষা অধ্যয়নৰ আত্ম অধ্যয়ন পদ্ধতিয়ে প্রশিক্ষক বা শিক্ষকৰ সহায় নোলোৱাকৈ অধ্যয়ন কৰে। এই পদ্ধতিত নিজ কার্যৰ বাবে ছাত্র-ছাত্রীসকল নিজে দায়ী। এই ক্ষেত্রত তেওঁলোকক কোনেও সহায় নকৰে। সেইবাবে এই পদ্ধতিটোক 'আত্ম শিক্ষণ' বুলি কোৱা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ আলোচনা পদ্ধতি হৈছে জনসংখ্যা শিক্ষাৰ এক গুৰুত্বপূর্ণ পদ্ধতি যিয়ে জনসংখ্যাৰ বিভিন্ন সমস্যাবোৰ উদ্‌ঘাটন কৰে। এই পদ্ধতিয়ে অধ্যয়ন আৰু প্রস্তুতি, বিষয়বস্তুৰ নির্বাচন আৰু সংগঠন, শিক্ষণ প্রক্রিয়াৰ ভাবধাৰাৰ বিকাশক অন্তর্ভুক্ত কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ বক্তৃতা পদ্ধতিটো হৈছে জনসংখ্যা শিক্ষাৰ অন্য এক পদ্ধতি। ইয়াত মৌখিকভাৱে শিকোৱা হয়। শিক্ষাৰ উচ্চ পর্যায়ত শিক্ষকে প্রধানকৈ এই পদ্ধতিটো ব্যৱহাৰ কৰে। ছাত্র-ছাত্রীসকলক এই পদ্ধতিত প্রশ্ন সোধাৰ বাবে উৎসাহিত কৰা হয়। শিক্ষকে মেপ, চার্ট, আৰ্হি, ছবি ইত্যাদিবোৰ ব্যৱহাৰ কৰি বক্তৃতা পদ্ধতিৰে ছাত্র-ছাত্রীসকলক অভিৰোচিত কৰি তুলিব লাগে। ভালদৰে প্রস্তুত কৰা আৰু উপস্থাপন কৰা বক্তৃতা পদ্ধতি ছাত্র-ছাত্রীৰ বাবে অতি উপযোগী।

৫ নং প্রশ্নৰ উত্তৰ ঃ প্রকল্প পদ্ধতিৰ কিছুমান স্তৰ আছে, তলত সেইবোৰ দাঙি ধৰা হ'ল—

(১) পৰিৱেশ প্রদান ঃ শিক্ষকে এনে এটা পৰিৱেশ সৃষ্টি কৰিব লাগে যাতে ছাত্র-ছাত্রীয়ে প্রকল্প সম্পাদন কৰাৰ বাবে চিন্তা কৰিব পাৰে।

(২) প্রকল্প নির্বাচন ঃ ছাত্র-ছাত্রীয়ে শিক্ষকৰ সহায়ত এটা প্রকল্প নির্বাচন কৰিব লাগে।

প্রকল্পটো সদায় বাস্তৱ জীৱনৰ সৈতে সম্পর্ক থকা হ'ব লাগে।

(৩) **পৰিকল্পনা ঃ** পৰৱর্তী স্তৰত ছাত্র-ছাত্রীয়ে প্রকল্পটো কেনেদৰে কৰিব তাৰ বাবে এটা পৰিকল্পনা কৰি ল'ব লাগে। প্রকল্পটো কৰাৰ দায়িত্ব ছাত্র-ছাত্রীৰ আগ্রহ অনুযায়ী ভগাই দিব লাগে। ভালদৰে প্রকল্পটো কৰিবলৈ সকলোৰে সহযোগিতাৰ প্রয়োজন।

(৪) **প্রকল্পৰ বাস্তৱ ৰূপদান ঃ** নির্দেশক বা শিক্ষকৰ অধীনত ছাত্র-ছাত্রীয়ে প্রকল্পটো সমাপ্ত কৰিব লাগে। প্রকল্পটো কৰাৰ ক্ষেত্রত ছাত্র-ছাত্রীয়ে বিভিন্ন ধৰণৰ কার্য সম্পাদন কৰিব লাগে। এনেধৰণৰ কার্য কৰাৰ দ্বাৰা তেওঁলোকে শিকিব পাৰে। এইটো ব্যৱহাৰিক আৰু তেওঁলোকৰ বাবে উপযোগী।

(৫) **বিচাৰকৰণ আৰু মূল্যায়ন ঃ** প্রকল্পটো শেষ কৰাৰ পিছত ছাত্র-ছাত্রীয়ে একেলগে বহি তাৰ মূল্যায়ন কৰিব লাগে।

(৬) **তথ্য সংৰক্ষণ ঃ** ছাত্র-ছাত্রীয়ে প্রকল্পটো বাস্তৱ ৰূপ দিয়াৰ স্তৰসমূহ সংৰক্ষণ কৰি ৰাখিব লাগে। তেওঁলোকে একেবাৰে আৰম্ভণি পর্যায়ৰ পৰা শেষলৈ ইয়াক সংৰক্ষণ কৰি থ'ব লাগে। এইটো ভৱিষ্যতৰ বাবে যথেষ্ট উপযোগী।

৬ নং প্রশ্নৰ উত্তৰ ঃ প্রকল্প পদ্ধতিৰ কিছুমান দুর্বলতা আছে। সেইবোৰ হৈছে—

[1] প্রকল্প পদ্ধতি খৰচী, ইয়াৰ বাবে বহুতো বস্তুৰ দৰকাৰ।

[2] দমনমূলক মনোভাবৰ ছাত্র-ছাত্রীয়ে ইয়াত আনক সুবিধা ল'ব নিদিয়ে। সেই প্রত্যেকে উপযুক্তভাৱে অংশগ্রহণ কৰিব নোৱাৰে।

[3] সফলতাৰে প্রকল্প শেষ কৰাৰ বাবে বিশেষভাৱে প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ প্রয়োজন। প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ অবিহনে প্রকল্পৰ লক্ষ্যত উপনীত হ'ব নোৱাৰি।

[4] এই পদ্ধতিত শিক্ষকৰ কর্মবোজা অধিক, কাৰণ তেওঁ শিক্ষার্থীৰ ব্যক্তিগতভাৱে নির্দেশনা দিব লাগে। প্রকল্পৰ প্রকৃত দায়িত্ব তেওঁ বহন কৰিব লাগে।

[5] প্রকল্প পদ্ধতিত কোনো ব্যৱস্থাগত জ্ঞান প্রদান কৰা নহয়। কোনো বিষয়ৰ সমগ্র পাঠ্যসূচী এই পদ্ধতিৰ দ্বাৰা প্রদান কৰিব নোৱাৰি।

১০.৭ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 150 টা শব্দৰ ভিতৰত লিখিব)

প্রশ্ন ১ ঃ আলোচনা পদ্ধতিৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ ঃ গৃহকর্ম পদ্ধতিৰ ভাগসমূহ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ পর্যবেক্ষণ পদ্ধতি কাক বোলে?

প্রশ্ন ৪ ঃ আত্ম অধ্যয়ন পদ্ধতিৰ সংজ্ঞা দিয়ক।

(খ) দীঘল প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 300–500 টা শব্দৰ ভিতৰত লিখিব)

প্রশ্ন ১ ঃ প্রকল্প পদ্ধতি কাক বোলে? এই পদ্ধতিৰ সবলতা আৰু দুর্বলতাসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ বক্তৃতা পদ্ধতিৰ সবলতা আৰু দুর্বলতাসমূহ বর্ণনা কৰক।

প্রশ্ন ৩ ঃ আলোচনা পদ্ধতিৰ কাৰকসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ ক্ষেত্র অধ্যয়ন পদ্ধতিৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৫ ঃ পর্যবেক্ষণৰ সুবিধা আৰু অসুবিধাসমূহ বর্ণনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ ভাৰতৰ জনসংখ্যাৰ নীতি

অধ্যায় গাঁথনি

11.1 উদ্দেশ্য
11.2 পৰিচয়
11.3 ভাৰতৰ জনসংখ্যা নীতিৰ বিকাশ
11.3.1 প্ৰাক স্বাধীন কালৰ জনসংখ্যাৰ নীতি
11.3.2 স্বাধীনোত্তৰ কালৰ জনসংখ্যাৰ নীতি
11.4 ভাৰতত জনসংখ্যা নীতিৰ প্ৰভাৱ
11.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
11.6 অধিক জানিবলৈ
11.7 অগ্ৰগতিৰ খতিয়ান
11.8 আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতৰ বিভিন্ন জনসংখ্যা নীতিসমূহৰ লক্ষ্যসমূহ উল্লেখ কৰিব পাৰিব
- ভাৰতবৰ্ষৰ প্ৰাক্ স্বাধীন আৰু স্বাধীনোত্তৰ কালৰ জনসংখ্যা নীতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ভাৰতবৰ্ষৰ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পঞ্চম-বাৰ্ষিক পৰিকল্পনা আৰু জনসংখ্যাৰ গুণগত মানদণ্ডৰ বিষয়ে জানিব পাৰিব
- ভাৰতবৰ্ষত জনসংখ্যা নীতিৰ প্ৰভাৱ সম্পৰ্কে উলিয়াব পাৰিব।

১১.২ পৰিচয়

বৰ্তমান পৃথিৱীত জনসংখ্যা শিক্ষাৰ বিষয়টো হৈছে এক গুৰুত্বপূৰ্ণ বিষয়। উন্নত আৰু উন্নয়নশীল দেশসমূহৰ জনসংখ্যা নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই এক প্ৰভাৱশালী ভূমিকা গ্ৰহণ কৰি আহিছে। 1946 চনত জনসংখ্যা আয়োগ গঠিত হোৱাৰ পিছত, বিভিন্ন দেশত বিভিন্ন সংগঠনসমূহে জনসংখ্যা নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা চলাইছিল। 1974 চনত ৰাষ্ট্ৰসংঘই বিশ্ব জনসংখ্যা বছৰ (WPY) পালন কৰিছিল।

সাধাৰণ অৰ্থত জনসংখ্যা নীতি হৈছে জনসংখ্যা নিয়ন্ত্ৰণৰ কল্যানকামী অৰ্থনীতিৰ নীতি। জনসংখ্যা

নীতিৰ প্ৰধান দিশ হৈছে উৰ্বৰতা আৰু মৃত্যুৰ হাৰ কমোৱা আৰু দ্বিতীয়তে জনসংখ্যাৰ পুনঃ বিতৰণ হ্ৰাস কৰা। এই নীতিয়ে জনসংখ্যা হ্ৰাস কৰাৰ জ্ঞান, মনোভাৱ আৰু সন্তান জন্মৰ অন্তৰ ৰখা, তথা পৰিয়াল পৰিকল্পনা বিষয়ে অৱগত কৰায়। জনসংখ্যা নীতিয়ে জনসংখ্যা বৃদ্ধিৰ গুণগত আৰু পৰিমাণগত দুয়োটা দিশতে গুৰুত্ব দিয়ে। ই জন্ম আৰু মৃত্যুৰ হাৰ ৰোধ কৰাৰ ওপৰত গুৰুত্ব দিব লাগে।

দেশৰ সামাজিক, সাংস্কৃতিক জনগাঁথনিমূলক আৰু ৰাজনীতিৰ পৰিৱেশৰ সৈতে জনসংখ্যাৰ নীতি জড়িত।

১১.৩ ভাৰতত জনসংখ্যা নীতিৰ বিকাশ

আমি ভাৰতৰ জনসংখ্যাক চাৰিটা স্তৰত অধ্যয়ন কৰিব পাৰো, যিয়ে দেশৰ জনসংখ্যাৰ সমস্যাৰ বিভিন্ন অভিগমন অন্তৰ্ভুক্ত কৰে। ভাৰতৰ জনসংখ্যা নীতিৰ লক্ষ্য হৈছে—

- জন্মৰ হাৰৰ প্ৰকৃতিৰ বৰ্ণনা,
- পৰিয়ালত ল'ৰা-ছোৱালীৰ সংখ্যা সীমিতকৰণ,
- মৃত্যুৰ হাৰ হ্ৰাস কৰা,
- অত্যাধিক জনসংখ্যা বৃদ্ধিৰ ফলাফল সম্পৰ্কে জনসাধাৰণক সচেতন কৰা,
- দেশত জনসংখ্যা বৃদ্ধিৰ সৈতে জড়িত নীতি প্ৰয়োগ কৰা।

১১.৩.১ প্ৰাক্ স্বাধীনকালৰ জনসংখ্যাৰ নীতি

অত্যাধিক জনসংখ্যা আমাৰ দেশৰ বাবে নতুন বিষয় নহয়। বৃটিছ শাসকসকলে ভাৰতীয় লোকসকলৰ বাবে জনসংখ্যা নীতিৰ প্ৰয়োগ কৰা নাছিল। স্বাধীনতাৰ পূৰ্বে 1936 চনত ড^0 বি ডি কার্ভে আৰু মি. পি. কে. (ৰট্টালে) পৰিয়াল পৰিকল্পনাৰ বিষয়ে পৰামৰ্শ আগবঢ়াইছিল। 1935 চনত জৱাহৰলাল নেহৰুৰ নেতৃত্বৰ ভাৰতীয় জাতীয় কংগ্ৰেছে ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ বিষয়ে কৈছিল। 1931 চনৰ লোকপিয়লৰ অধ্যক্ষ জে. এইচ হটনে ভাৰতৰ দ্ৰুত জনসংখ্যা বৃদ্ধিৰ নিয়ন্ত্ৰণৰ বিষয়ে মত প্ৰকাশ কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ সময়ত, ভাৰতৰ জনসাধাৰণে জনসংখ্যা বৃদ্ধিৰ ঘনত্বৰ প্ৰতি সচেতন হৈছিল। ৰবীন্দ্ৰ নাথ ঠাকুৰে পৰিয়াল পৰিকল্পনা আন্দোলনক সমৰ্থন কৰিছিল। প্ৰাক্ স্বাধীনতাৰ কালছোৱাৰ কিছুমান বিশেষ অগ্ৰগতি এনেধৰণৰ—

- 1930 চনত মাইচ'ৰ চৰকাৰে পৃথিৱীৰ ভিতৰতে প্ৰথম চৰকাৰী জন্ম নিয়ন্ত্ৰণ নিদান স্থাপন কৰিছিল।
- 1931 চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ে জন্ম নিয়ন্ত্ৰণ পদ্ধতিৰ ওপৰত নিৰ্দেশনা প্ৰদান আৰম্ভ কৰিছিল। 1932 চনত লক্ষ্ণৌত বহা সৰ্বভাৰতীয় মহিলা সম্মিলনত মহিলা আৰু পুৰুষৰ বাবে কিছুমান ভাল নিদানত জন্ম নিয়ন্ত্ৰণৰ পদ্ধতি অৱলম্বনৰ বাবে পৰামৰ্শ আগবঢ়োৱা হৈছিল।
- 1935 চনত পৰিয়াল স্বাস্থ্য বিজ্ঞানৰ অধ্যয়ন আৰু উন্নতিৰ বাবে এখন সমাজ স্থাপন কৰা হৈছিল।

- 1940 চনত পি. এন চাপৰুৱে জন্ম নিয়ন্ত্রণৰ নিদান স্থাপনৰ বাবে ৰাজ্যিক পৰিষদত এক সিদ্ধান্ত গ্রহণ কৰিছিল।
- 1943 চনত মহিলা সন্ধান আয়োগে জন্ম নিয়ন্ত্রণ নিদানসমূহৰ ওপৰত এক বিশেষ টোকা প্রস্তুত কৰিছিল। ওপৰত উল্লেখ কৰা সফলতাসমূহৰ উপৰিও, গান্ধীজীও এইটো দিশৰ সৈতে জড়িত আছিল। কিন্তু গান্ধীজীকে ধৰি অন্য স্বাধীনতা আন্দোলনৰ নেতাসকলে ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ সমস্যাটোক এক জ্বলন্ত সমস্যা বুলি গণ্য কৰা নাছিল।

১১.৩.২ স্বাধীনোত্তৰ কালৰ জনসংখ্যাৰ নীতিসমূহ

স্বাধীনতাৰ পৰৱর্তী সময়ছোৱাত, 1946 চনত স্বাস্থ্য জৰীপকৰণ আৰু বিকাশ কমিটীয়ে মত প্রকাশ কৰিছিল যে ৰোগ নিয়ন্ত্রণ আৰু স্বাস্থ্যৰ বিকাশে জনসংখ্যা বৃদ্ধি ক্ষেত্রত গুৰুতৰ সমস্যাৰ সৃষ্টি কৰিছে। পৃথিৰীৰ বিকাশশীল ৰাষ্ট্রৰ ভিতৰত ভাৰতবর্ষই প্রথম দেশ য'ত চৰকাৰে 1952 চনত শিশুৰ সংখ্যা বঢ়োৱাৰ ক্ষেত্রত নীতি গ্রহণ কৰিছিল। এই ক্ষেত্রত বহুকেইখন উল্লেখযোগ্য নীতি আছিল। তলত জন্ম নিয়ন্ত্রণৰ এনেবোৰ নীতি দাঙি ধৰা হ'ল।

- **পৰিয়াল পৰিকল্পনাৰ নীতি (১৯৫২) ঃ** 1952 চনত ভাৰত চৰকাৰে পৰিয়াল পৰিকল্পনাৰ ৰাষ্ট্রীয় কার্যসূচী গ্রহণ কৰিছিল, যাৰ দ্বাৰা জন্মৰ হাৰ নিয়ন্ত্রণৰ ব্যৱস্থা গ্রহণ কৰিছিল, কিন্তু এই নীতিয়ে লক্ষ্যত উপনীত হ'ব পৰা নাছিল।
- **ৰাষ্ট্রীয় জনসংখ্যা নীতি (১৯৭৬) ঃ** এই নীতিৰ প্রধান গুৰুত্বসমূহ আছিল - জন্মৰ হাৰ নিয়ন্ত্রণ, বিবাহৰ বয়স বৃদ্ধি, সৰু পৰিয়ালৰ ধাৰণা গ্রহণ কৰিবলৈ জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি, গণ-সংযোগ মাধ্যমৰ দ্বাৰা সৰু পৰিয়ালৰ ধাৰণাৰ বিষয়ে প্রচাৰ, জনসংখ্যাৰ সৈতে জড়িত গৱেষণাৰ ওপৰত গুৰুত্ব, স্কুলৰ পাঠ্যক্রমত জনসংখ্যা শিক্ষাৰ অন্তর্ভুক্তি আৰু জন্ম নিৰোধৰ প্রক্রিয়াত সহায় কৰা কর্মচাৰীক সুবিধা প্রদান ইত্যাদি।
- **পুনঃৰীক্ষণ জনসংখ্যা নীতি (১৯৭৭) ঃ** এই নীতি পৰিয়াল পৰিকল্পনাৰ ওপৰত গুৰুত্ব প্রদান কৰা হৈছিল। পৰিয়ালৰ আকাৰৰ ওপৰত কোনো হেঁচা প্রয়োগ কৰা হোৱা নাছিল, সকলো ব্যক্তিগত আৰু জনসাধাৰণৰ সংগঠনসমূহ জনসংখ্যা শিক্ষাৰ কার্যকর্মত অন্তর্ভুক্ত হৈছিল।
- **ৰাষ্ট্রীয় স্বাস্থ্য নীতি (১৯৮৩) ঃ** এই নীতিয়ে জনসাধাৰণতে স্বেচ্ছাই সৰু পৰিয়ালৰ ধাৰণা গ্রহণ কৰাৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰিছিল।
- **জনসংখ্যা শিক্ষাৰ কমিটী (১৯৯১) ঃ** ৰাষ্ট্রীয় বিকাশ পৰিষদে কৰুণাকৰণৰ নেতৃত্বত এই কমিটীখন গঠন কৰিছিল। এই কমিটীখনে মত প্রকাশ কৰিছিল যে জনসংখ্যাৰ ৰাষ্ট্রীয় নীতি গ্রহণ ৰৰিব লাগে।
- **ৰাষ্ট্রীয় জনসংখ্যা নীতিৰ খচৰা (১৯৯৩) ঃ** ড^0 এম, এচ স্বামীনাথনৰ নেতৃত্বত এদল বিশেষজ্ঞ লোকক ৰাষ্ট্রীয় জনসংখ্যা নীতিৰ খচৰা প্রস্তুত কৰিবলৈ দিয়া হৈছিল। এই খচৰাখন মন্ত্রীসভাত গৃহীত হৈছিল

যদিও লোক সভা ভংগ হোৱা বাবে তাত উত্থাপন কৰিব পৰা নগ'ল।

- **ৰাষ্ট্ৰীয় জনসংখ্যা নীতি (২০০০) ঃ** 2000 চনত গম পোৱা গৈছিল যে ভাৰতৰ জনসংখ্যা 1000 মিলিয়ন অতিক্ৰম কৰিছে। এই নীতিৰ প্ৰধান উদ্দেশ্যবোৰ আছিল জন্ম নিৰোধৰ প্ৰয়োজন, স্বাস্থ্যৰ সন্তান জন্মৰ একত্ৰীকৰণ সেৱা, শিশু স্বাস্থ্য সেৱা, 2010 চনৰ ভিতৰত জন্ম হাৰ নিয়ন্ত্ৰণ কৰা আৰু 2045 চনৰ ভিতৰত জনসংখ্যাক এক স্থিৰ অৱস্থালৈ অনা। এই নীতিৰ ভিতৰত 14 টা ৰাষ্ট্ৰীয় সামাজিক জনগাঁথনিমূলক লক্ষ্য আছিল। এই লক্ষ্যসমূহ তলত দাঙি ধৰা হ'ল—
  - জন্ম নিয়ন্ত্ৰণৰ মৌলিক প্ৰয়োজন পূৰণ আৰু শিশু স্বাস্থ্য সেৱা।
  - 14 বছৰ বয়সলৈ স্কুলীয়া শিক্ষা বাধ্যতামূলক আৰু বিনামূলীয়া কৰা আৰু বিদ্যালয় অৰ্ধ-সমাপ্ত কৰাৰ হাৰ কমোৱা।
  - শিশুৰ মৃত্যুৰ হাৰ ৰোধ কৰা।
  - মাতৃৰ মৃত্যুৰ হাৰ ৰোধ কৰা।
  - প্ৰতিকাৰমূলক বেমাৰৰ বাবে প্ৰতিষেধকমূলক বেজী সাৰ্বজনীনভাৱে সকলোকে দিয়া।
  - ছোৱালীৰ বিয়াৰ বয়স বৃদ্ধি কৰা।
  - 80í অনুষ্ঠানীয় প্ৰসৱ সম্পন্ন আৰু প্ৰশিক্ষনপ্ৰাপ্ত ব্যক্তিৰ দ্বাৰা 1005 গৰাকী প্ৰসৱ কৰোৱা।
  - উৰ্বৰতাৰ নীতি আৰু সেৱাৰ ক্ষেত্ৰত সাৰ্বজনীনতাপ্ৰাপ্ত হোৱা।
  - এইডচ্ ৰোগৰ বৃদ্ধিৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন আৰু পৰিচালনা তথা ইয়াৰ সংক্ৰমণ ৰোধ কৰা।
  - সংক্ৰমিত হ'ব পৰা ৰোগৰ প্ৰতিকাৰ আৰু নিয়ন্ত্ৰণ কৰা।
  - জন্ম আৰু শিশুৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত ভাৰতীয় ঔষধৰ ব্যৱস্থাৰ সুবিধা দিয়া।
  - পিতৃ-মাতৃসকলক সৰু পৰিয়ালৰ ধাৰণা দিয়া।
  - কিছুমান সামাজিক ব্যৱস্থা গ্ৰহণেৰে পৰিয়াল কল্যাণ আঁচনিক জনসাধাৰণৰ মাজত জনপ্ৰিয় কৰি তোলা।
  - জন্ম, মৃত্যু, বিবাহ আৰু গৰ্ভধাৰণৰ পঞ্জীয়ন 100í কৰি তোলা।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ প্ৰাক্-স্বাধীনকালৰ ভাৰতবৰ্ষৰ জনসংখ্যা নীতি উল্লেখ কৰক।

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰীয় জনসংখ্যা নীতিৰ লক্ষ্যবোৰ উল্লেখ কৰক।

জনসংখ্যাৰ গুণগত মান বিকাশৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা পঞ্চ বাৰ্ষিক পৰিকল্পনাসমূহ

প্ৰথম পঞ্চ বাৰ্ষিক পৰিকল্পনা (১৯৫১-১৯৫৬) ঃ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত অৰ্থনৈতিক আৰু শৈক্ষিক বিকাশৰ

ওপৰত গুৰুত্ব দিয়া হৈছিল। এই পৰিকল্পনাত তিনিটা দিশত প্ৰাধান্য দিয়া হৈছিল—

- স্বাস্থ্য সম্মত জীৱন নিৰ্বাহৰ বাবে পৰিয়াল পৰিকল্পনাৰ প্ৰয়োজনক চিনাক্ত কৰা।
- প্ৰশিক্ষণপ্ৰাপ্ত চিকিৎসকৰ দ্বাৰা পৰিয়ালৰ আকাৰ সৰু কৰা।
- অতিৰিক্ত জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা সমস্যাবোৰৰ উন্নতি সাধন কৰা।

দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৫৬-১৯৬১) ঃ এই পৰিকল্পনাৰ সময়ছোৱাত, এইটো গম পোৱা গৈছিল যে দ্ৰুত জনসংখ্যাৰ বৃদ্ধিয়ে দেশৰ অৰ্থনৈতিক বিকাশত প্ৰভাৱ পেলাইছে। সেইবাবে জনসংখ্যা ৰোধ কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল।

তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৬১-১৯৬৬) ঃ এই পৰিকল্পনাই তলৰ দিশসমূহৰ ওপৰত গুৰুত্ব দিছিল—

- জন্ম নিয়ন্ত্ৰণ আৰু সন্তান জন্মৰ ক্ষেত্ৰত অন্তৰ ৰখা,
- মহিলা শিক্ষাৰ ব্যৱস্থা,
- নিযুক্তিৰ নতুন সুবিধা কৰা,
- বিবাহৰ বয়স বৃদ্ধি,
- পৰিয়ালৰ জীৱন আৰু যৌনতাৰ শিক্ষা।

চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৬৯-১৯৭৪) ঃ এই পৰিকল্পনাৰ সময়ছোৱাত সামাজিক পৰিৱৰ্তনৰ দিশৰ পৰা জনসংখ্যা নীতিক চোৱা হৈছিল। সমাজৰ উন্নতিৰ বাবে পৰিয়াল পৰিকল্পনা আৰু জন্মৰ হাৰ নিয়ন্ত্ৰণ অতি প্ৰয়োজনীয় হিচাবে বিবেচিত হৈছিল।

পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৭৪-১৯৭৯) ঃ এই পৰিকল্পনাৰ সময়ছোৱাত, 1976 চনৰ এপ্ৰিল মাহত ৰাষ্ট্ৰীয় জনসংখ্যাৰ নীতি ঘোষণা কৰা হৈছিল। প্ৰতি হাজাৰত জন্মৰ হাৰ 25 লৈ আৰু জনসংখ্যা বৃদ্ধি 1.4i কৰাৰ বাবে ধাৰ্য্য কৰা হৈছিল। পৰিয়াল পৰিকল্পনাৰ ক্ষেত্ৰত কিছুমান নতুন দিশ যেনে— সম্প্ৰদায়ৰ স্বাস্থ্য, শিশু আৰু মাতৃ কল্যাণ আৰু পুষ্টি আঁচনি আদি সন্নিবিষ্ট কৰা হৈছিল।

ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৮০-১৯৮৫) ঃ এই পৰিকল্পনাখনৰ প্ৰধান গুৰুত্বসমূহ আছিল এনেধৰণৰ— দৰিদ্ৰ সীমাৰেখাৰ ওপৰত জীৱন নিৰ্বাহ, অৰ্থনৈতিক সমতা বজাই ৰখা, নিয়োগৰ সুবিধা বৃদ্ধি কৰা আদি।

সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৮৫-১৯৯০) ঃ এই পৰিকল্পনাৰ সময়ছোৱাত ৰাষ্ট্ৰীয় জনসংখ্যা নীতিক বিস্তৃত কৰি তোলা হৈছিল। ইয়াৰ কিছুমান গুৰুত্বপূৰ্ণ দিশ হৈছে এনেধৰণৰ—

- শিশুৰ বাবে শিক্ষা
- কৈশোৰ আৰু প্ৰাপ্ত বয়স্কসকলৰ বাবে পৰিয়াল কল্যাণ,
- বিবাহিত পুৰুষ মহিলাসকলক গৰ্ভ নিৰোধ, গৰ্ভধাৰণ, শিশু কল্যাণ আৰু স্বাস্থ্য আদি সম্পৰ্কে জনোৱা।
- জনসংখ্যাৰ সমস্যা সম্পৰ্কে গণ মাধ্যমৰ যোগেদি সজাগতা সৃষ্টি কৰা আদি।

অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৯২-১৯৯৭) ঃ এই পৰিকল্পনাত প্ৰধানকৈ উদ্যোগসমূহৰ আধুনীকিকৰণত গুৰুত্ব দিয়া হৈছিল। এই পৰিকল্পনাৰ প্ৰধান উদ্দেশ্যসমূহ হৈছে দেশৰ জনসংখ্যা বৃদ্ধি, দাৰিদ্ৰতা, নিয়োগৰ সুবিধা

আৰু মানৰ সম্পদ বিকাশ। এই পৰিকল্পনাখন যথেষ্ট গুৰুত্বপূৰ্ণ কাৰণ এই সময়ছোৱাত পৰিয়াল পৰিকল্পনাৰ আঁচনিখনৰ এক উল্লেখযোগ্য পৰিৱৰ্তন ঘটিছিল। এই পৰিকল্পনাৰ সময়ছোৱাত 1994 চনত কাইৰোত জনসংখ্যা আৰু বিকাশৰ আন্তৰ্জাতিক সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনখনৰ প্ৰধান উদ্দেশ্যসমূহ হৈছে জন্ম ব্যৱস্থা আৰু শিশু স্বাস্থ্য, মহিলাৰ নিয়োগ ব্যৱস্থা, কৈশোৰৰ শিক্ষা, স্বাস্থ্য আৰু পুষ্টি ইত্যাদিৰ সৈতে সম্পৰ্কিত আছিল।

নৱম পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৯৭-২০০২) ঃ এই আঁচনিখনৰ প্ৰধান উদ্দেশ্য আছিল জনসংখ্যা বৃদ্ধিৰ হাৰ ৰোধ কৰা। জন্ম আৰু শিশুৰ স্বাস্থ্যৰ ওপৰত প্ৰধান গুৰুত্ব আৰোপ কৰা হৈছিল।

দশম পঞ্চবাৰ্ষিক পৰিকল্পনা (২০০২-২০০৭) ঃ এই পৰিকল্পনাৰ জনসংখ্যাত সৈতে জড়িত থকা উদ্দেশ্যসমূহ হৈছে— লিংগ বৈষম্য দূৰ কৰা, স্বাক্ষৰতাৰ হাৰ বৃদ্ধি কৰা, বননি আৰু গছ-গছনি বৃদ্ধি কৰা, উপযুক্তভাৱে জন্ম নিৰোধকৰ ব্যৱস্থা কৰা আদি। এই সময়ছোৱাত ভাৰত চৰকাৰে জনসংখ্যাৰ গুণগত মান উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

একাদশ দশম বাৰ্ষিক পৰিকল্পনা (২০০৭-২০১২) ঃ এই পৰিকল্পনাও জনসংখ্যা শিক্ষাৰ সৈতে জড়িত দিশবোৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। বিদ্যালয় অসমাপ্ত কৰা শিশু, স্বাক্ষৰতাৰ হাৰ বৃদ্ধি, শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰা, বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা, শিশুৰ অপুষ্টিহীনতা আঁতৰোৱা, মহিলা আৰু ছোৱালীৰ ৰক্তহীনতা আঁতৰোৱা, শিশুসকলক উপযুক্ত পৰিৱেশ দিয়া আৰু বনানিকৰণত গুৰুত্ব দিয়া হৈছিল।

ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশৰ দ্ৰুত জনসংখ্যা বৃদ্ধি এক গুৰুত্বৰ সমস্যা। যদি বৰ্তমানৰ জনসংখ্যা বৃদ্ধি ক্ষেত্ৰত যদি সতৰ্ক হোৱা নেযায়, তেন্তে পৰৱৰ্তী সময়ত ই দেশৰ সামগ্ৰিক বিকাশ, জনসাধাৰণৰ জীৱন ধাৰণৰ গুণগত দিশ তথা পৰিৱেশৰ ওপৰত সমস্যাৰ সৃষ্টি কৰিব। সেইবাবে দেশৰ উপযুক্ত বিকাশৰ বাবে জনসংখ্যা নিয়ন্ত্ৰণত গুৰুত্ব প্ৰদান কৰিব লাগিব।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ জনসংখ্যাৰ নীতিৰ সৈতে জড়িত সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনা প্ৰধান উদ্দেশ্যসমূহ কি কি আছিল?

প্ৰশ্ন নং ৪ ঃ একাদশ পঞ্চম বাৰ্ষিক পৰিকল্পনাত কিহৰ ওপৰত গুৰুত্ব দিয়া হৈছিল?

১১.৪ ভাৰতত জনসংখ্যা নীতিৰ প্ৰভাৱ

ভাৰতবৰ্ষ হৈছে পৃথিৱীৰ ভিতৰতে প্ৰথম দেশ য'ত 1951 চনত ৰাষ্ট্ৰীয় পৰিয়াল পৰিকল্পনা কাৰ্যসূচী ঘোষণা কৰা হৈছিল। ভাৰতবৰ্ষৰ চৰকাৰ জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত সচেতন হৈছিল আৰু পৰিস্থিতি নিয়ন্ত্ৰণত আনিবলৈ চেষ্টা কৰিছিল। এই পৰিস্থিতিৰ সমাধান কৰিবলৈ সময়ে সময়ে চৰকাৰে বিভিন্ন ধৰণৰ জনসংখ্যা নীতি ঘোষণা কৰিছিল। কিন্তু এনে নীতিবোৰৰ পৰামৰ্শ তৃণমূল পৰ্যায়ত উপযুক্তভাৱে প্ৰয়োগ হোৱা নাছিল। জনসংখ্যা বৃদ্ধিৰ সৈতে আন কিছুমান দিশো জড়িত, যেনে- বাল্য বিবাহ, স্বাক্ষৰতা, অন্ধবিশ্বাস, শিশু শ্ৰমিক প্ৰথা আদি।

এইবোৰৰ বাবে শিক্ষা বিকাশৰ প্ৰয়োজন। চৰকাৰেও এই ক্ষেত্ৰত ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা উচিত। জনসংখ্যা নীতি আৰু কাৰ্যক্ৰম জনসাধাৰণৰ মাজত জনপ্ৰিয় কৰি তুলিব লাগে। স্বাস্থ্যকৰ্মী আৰু প্ৰাথমিক চিকিৎসা কেন্দ্ৰসমূহে জনসংখ্যা নীতিবোৰ অনুকৰণ কৰি চলিব লাগে। এই দিশত মহিলাসকলৰ সৈতে জড়িত আৰু কেইটামান দিশ আছে, যেনে— যৌন নিৰ্যাতন, মহিলাৰ দিয়া জন্ম ক্ষমতাৰ অধিকাৰ, যৌন স্বাস্থ্যৰ অধিকাৰ, লিংগ বৈষম্য আদিৰ প্ৰতিও জনসাধাৰণ সজাগ হ'ব লাগে। ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত কিছুমান ব্যৱস্থা গ্ৰহণ কৰা উচিত।

- পুৰুষ আৰু মহিলাৰ বিবাহৰ বয়স বৃদ্ধি।
- দুটা শিশুৰ ব্যৱস্থা গ্ৰহণ।
- 15 বছৰ বয়সৰ পৰা জনসংখ্যা কাৰ্যসূচী প্ৰদান।
- ব্যক্তিয়ে উপযুক্ত বয়সৰ আগত বিয়া কৰালে শাস্তি পাৱ।
- মানুহৰ মাজত পৰিয়াল পৰিকল্পনা জনপ্ৰিয় কৰি তোলা।
- বিবাহিত যুটিসমূহক জন্ম নিৰোধক ব্যৱস্থা গ্ৰহণ কৰিব দিয়া।
- প্ৰাপ্ত বয়স্ক আৰু অগতানুগতিক শিক্ষাৰ ব্যৱস্থা কৰা।

2 ১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাধাৰণভাৱে, জনসংখ্যা নীতি হৈছে জনসংখ্যা নিয়ন্ত্ৰণৰ কল্যানকামী অৰ্থনীতিৰ নীতি। জনসংখ্যা নীতিৰ প্ৰধান দিশ হৈছে জনসংখ্যা বৃদ্ধিৰ পৰিমাণগত আৰু গুণগত দিশত গুৰুত্ব আৰোপ কৰা।
- জনসংখ্যা নীতিয়ে জন্ম আৰু মৃত্যুৰ হাৰ কমোৱা আৰু প্ৰধানকৈ উৰ্বৰতা কমোৱা আৰু দ্বিতীয়তে, জনসংখ্যা পুনঃ বিতৰণ পৰিচালনা কৰিব লাগে।
- ভাৰতবৰ্ষ হৈছে পৃথিৱীৰ উন্নয়নশীল দেশৰ ভিতৰত প্ৰথম দেশ। 1952 চনত শিশুৰ জন্মৰ হাৰ কমাবলৈ চৰকাৰীভাৱে নীতি গ্ৰহণ কৰা হৈছিল।
- দ্ৰুত জনসংখ্যাৰ হাৰ কমাবলৈ আমাৰ দেশত বিভিন্ন ধৰণৰ নীতি আৰু পঞ্চবাৰ্ষিক পৰিকল্পনা গ্ৰহণ কৰা হয়।
- জনসংখ্যা বৃদ্ধিৰ সৈতে বিভিন্ন দিশ জড়িত হৈ আছে, যেনে- বাল্যবিবাহ, অন্ধবিশ্বাস, শিক্ষাৰ অভাৱ, শিশু শ্ৰমিক ইত্যাদি। সেইবাবে জনসংখ্যাৰ হাৰ কমাবলৈ চৰকাৰে ব্যৱস্থা হাতত ল'ব লাগে।

০ ১১.৬ অধিক জানিবলৈ

1] Aggarwal, J.C. (2013). Population Education, New Delhi : Shipra Publications.

2] Akhtar, Parveen R. (2014). Enviornmental and Population Education, Guwahati :

Assam Book Depot.

3] Chandel & Nand (2011). Population Education. Agra : Shri Vinod Pustak Mandir.

4] Goswami, Meena Kumari (2013). Environmental Education and Population Education, New Delhi : Asian Books Private Limited.

5] Gupta, P. K. (2005), Population Education, Meerut : R. Lall Book Depot,

6] Kapoor & Kapoor (2013). Population Education. Guwahati : EBH Publishers.

7] Nanda S. K. (2002). Population Education-An Informative Update. Delhi : Doaba House.

8] Rao, V. K. (2001). Population. Delhi : A. P. H. Publishing Corporation.

K ১১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাক্-স্বাধীনকালৰ ভাৰতৰ জনসংখ্যা নীতিৰ উল্লেখযোগ্য দিশবোৰ হৈছে—

1930 চনত পৃথিৱীৰ ভিতৰত প্ৰথমবাৰৰ বাবে মাইতৰ চৰকাৰে চৰকাৰী জন্ম নিয়ন্ত্ৰণৰ নিদান খুলিছিল।

- 1931 চনত, মাদ্ৰাজ চৰকাৰে জন্ম নিয়ন্ত্ৰণৰ পদ্ধতিৰ নিৰ্দেশনা দিছিল।
- 1932 চনত লক্ষ্ণৌত বহা সদৌ মহিলা সম্মিলনত পুৰুষ আৰু মহিলাৰ বাবে জন্ম নিয়ন্ত্ৰণৰ নিদান চিনাক্ত কৰা হৈছিল।
- 1935 চনত পৰিয়াল স্বাস্থ্য বিজ্ঞানৰ অধ্যয়ন উন্নীতকৰণৰ ব্যৱস্থা লোৱা হৈছিল।
- 1940 চনত পি. এন. চাপ্ৰো ৰাজ্যৰ পৰিষদত জন্ম নিয়ন্ত্ৰণৰ বাবে নীতি গ্ৰহণ কৰিছিল।
- 1943 চনত মহিলা অনুসন্ধান আয়োগে জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত টোকা প্ৰস্তুত কৰিছিল।

ওপৰত উল্লেখ কৰা দিশসমূহৰ উপৰিও ইয়াৰ সৈতে গান্ধীজীও জড়িত আছিল। কিন্তু গান্ধীজী আৰু তেখেতৰ অনুকৰণকাৰীসকলে জনসংখ্যাৰ সমস্যাটো ভাৰতবৰ্ষৰ ডাঙৰ সমস্যা হিচাবে গ্ৰহণ কৰা নাছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় জনসংখ্যা নীতিৰ 14টা লক্ষ্য আছিল—

- জন্ম নিয়ন্ত্ৰণ আৰু শিশু স্বাস্থ্যৰ প্ৰয়োজনীয় আৱশ্যকতা পূৰোৱা।
- 14 বছৰ বয়সলৈ স্কুলীয়া শিক্ষা বিনামূলীয়া কৰা আৰু শিক্ষা অৰ্ধ সমাপ্ত হ্ৰাস কৰা।
- শিশুৰ মৃত্যুৰ হাৰ কমোৱা।
- মাতৃৰ মৃত্যুৰ পাৰ ৰোধ কৰা।
- সাৰ্বজনীন টীকাকৰণ ব্যৱস্থাৰে শিশুসকলক সকলো ৰোগৰে প্ৰতিষেধক দিয়া।
- ছোৱালীৰ বিবাহৰ কাল বৃদ্ধি কৰা।

- 80í অনুষ্ঠানীয় প্ৰসৱ আৰু প্ৰশিক্ষণ ব্যাক্তিৰ লোকৰ দ্বাৰা 1005 গৰাকীক প্ৰসৱ কৰোৱা।
- জন্ম ক্ষমতা সম্পৰ্কে সকলো নীতি নিয়ম আৰু সেৱা আগবঢ়োৱা।
- AIDS বৃদ্ধিৰ ক্ষেত্ৰত সাৱাধানতা অৱলম্বন আৰুপৰিচালনা তথা ইয়াৰ সংক্ৰমন ৰোধ কৰা।
- সংক্ৰমিত ৰোগৰ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ কৰা।
- জন্ম আৰু শিশুৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত ভাৰতীয় ঔষধ ব্যৱস্থাৰ সুবিধা দিয়া
- পৰিয়াল পৰিকল্পনাৰ দ্বাৰা TPR ৰ সলনি কৰা।
- সামাজিক দিশৰ সকলো কাৰ্যসূচী একত্ৰিত কৰি প্ৰয়োগ কৰিব লাগে যাতে পৰিয়াল কল্যাণ আঁচনি জনসাধাৰণ কেন্দ্ৰিক হৈ পৰে।
- জন্ম, মৃত্যু, বিবাহ আৰু গৰ্ভধাৰণৰ 100í পঞ্জীয়ন কৰা। শিশু, কৈশোৰ আৰু প্ৰাপ্তবয়স্ক সকলক শিক্ষাদান কৰা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰধান উদ্দেশ্যবোৰ হৈছে—

- পৰিয়াল কল্যাণৰ বাবে শিশু, যুৱক-যুৱতী আৰু প্ৰাপ্ত বয়স্কসকলক শিক্ষা প্ৰদান।
- বিবাহিত পুৰুষ-মহিলাসকলক গৰ্ভধাৰণ, শিশু আৰু স্বাস্থ্য সম্পৰ্কে অবগত কৰোৱা।
- জনসংখ্যাৰ সমস্যাৰ প্ৰতি জনসাধাৰণক সচেতন কৰিবলৈ গণ মাধ্যমসমূহৰ ব্যৱহাৰ কৰা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত জনসংখ্যা শিক্ষাৰ সৈতে জড়িত দিশবোৰত প্ৰধানকৈ গুৰুত্ব দিয়া হৈছিল— বিদ্যালয় অসমাপ্তি কৰা শিশুৰ হাৰ কমোৱা, স্বাক্ষৰতাৰ হাৰ বৃদ্ধি, শিশুৰ মৃত্যুৰ হাৰ কমোৱা, বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰা, শিশুৰ অপুষ্টিহীনতা দূৰ কৰা, ছোৱালী আৰু মহিলাসকলৰ ৰক্তহীনতা আঁতৰোৱা, শিশুৰ বাবে উপযুক্ত পৰিৱেশ প্ৰদান কৰা, গছ-গছনি বৃদ্ধি কৰা আদি।

M ১১.৮ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 150 টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ জনসংখ্যা নিয়ন্ত্ৰণ সম্পৰ্কে তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত কি উল্লেখ কৰা হৈছিল?

প্ৰশ্ন ২ ঃ 1976 চনৰ ৰাষ্ট্ৰীয় জনসংখ্যা নীতিৰ বিষয়ে লিখক।

(খ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 300–500 টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ ভাৰতৰ স্বাধীনোত্তৰ কালৰ বিভিন্ন জনসংখ্যা নীতিসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ জনসংখ্যাৰ উন্নতিৰ বাবে থকা ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ ভাৰতবৰ্ষৰ পৰিয়াল কল্যাণ কাৰ্যসূচী

অধ্যায় গাঁথনি

12.1 উদ্দেশ্য
12.2 পৰিচয়
12.3 পৰিয়াল কল্যাণ কাৰ্যসূচীৰ ধাৰণা
12.3.1 পৰিয়াল কল্যাণ কাৰ্যসূচীৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ
12.3.2 ভাৰতবৰ্ষত পৰিয়াল কল্যাণ কাৰ্যসূচীৰ বিকাশ
12.4 পৰিয়াল কল্যাণৰ বিভিন্ন আঁচনিসমূহ
12.5 পৰিয়াল কল্যাণ কাৰ্যসূচী প্ৰয়োগৰ প্ৰধান কৌশলসমূহ
12.5.1 ভাৰতবৰ্ষত পৰিয়াল কল্যাণ কাৰ্যসূচী প্ৰয়োগৰ কিছুমান সফলতা
12.5.2 পৰিয়াল কল্যাণ কাৰ্যসূচীত অৰ্থ নিয়োজন
12.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
12.7 অধিক জানিবলৈ
12.8 অগ্ৰগতিৰ খতিয়ান
12.9 আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পৰিয়াল কল্যাণ কাৰ্যসূচীৰ সংজ্ঞা দিব পাৰিব
- পৰিয়াল কল্যাণ কাৰ্যসূচীৰ উদ্দেশ্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- পৰিয়াল কল্যাণ কাৰ্যসূচীৰ বিভিন্ন আঁচনিসমূহ ব্যাখ্যা কৰিব পাৰিব আৰু
- ভাৰতবষৰ পৰিয়াল কল্যাণ আঁচনিৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

পৰিয়াল হৈছে সমাজৰ প্ৰধান চাবি কাঠি। পৰিয়ালৰ সকলো সদস্যৰ মাজত নিবিড় সম্পৰ্ক থাকে। কিন্তু পৰিয়ালত কিছুমান দিশে প্ৰভাব পেলায়। সময়ৰ লগে লগে পৰিয়ালৰ প্ৰচলিত ভূমিকাৰো পৰিৱৰ্তন ঘটিছে।

শিক্ষা, স্বাস্থ্য, পুষ্টি, নিয়োগ, দাৰিদ্রতা, উদ্বিগ্নতা, অসুৰক্ষিত, বিশুদ্ধ খোৱা পানী ইত্যাদিবোৰ কাৰকে পৰিয়ালৰ ওপৰত প্রভাৱ পেলায়। পৰিয়াল কল্যাণ আঁচনি পৰিয়ালৰ গুণগত জীৱন ধাৰণৰ সৈতে জড়িত আৰু ই সৰু পৰিয়ালৰ ধাৰণা দিয়ে। পৰিয়াল কল্যাণ পৰিকল্পনাৰ প্রধান গুৰুত্ব হৈছে সৰু পৰিয়ালৰ ধাৰণা বিকাশৰ জৰিয়তে জনসংখ্যাৰ হাৰ হ্রাস কৰা। গুণগত জীৱন ধাৰণৰ ক্ষেত্রত সৰু পৰিয়ালৰ ধাৰণা গুৰুত্বপূর্ণ।

১২.৩ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ ধাৰণা

পৰিয়াল কল্যাণ কাৰ্যসূচী হৈছে জন্ম নিয়ন্ত্রণৰ পৰিকল্পনা আৰু সমগ্র পৰিয়ালৰে স্বাস্থ্যৰ কল্যাণ কৰা। এই কাৰ্যসূচীৰ উপযুক্ত প্রয়োগৰ বাবে ৰাজ্যসমূহে কেন্দ্রীয় চৰকাৰৰ পৰা 100% সাহায্য লাভ কৰে। পৰিয়াল কল্যাণ কাৰ্যসূচীসমূহক ভাৰত চৰকাৰৰ নীতি আৰু কাৰ্যৰ দ্বাৰা পৰিচালিত কৰা হয় আৰু ইয়াৰ অর্থ চৰকাৰে বহন কৰে। ভাৰতবৰ্ষ হৈছে পৃথিৱীৰ ভিতৰতে প্রথম দেশ যিয়ে 1951 চনতে পৰিয়াল কল্যাণ আঁচনিৰ ঘোষণা কৰি জনসংখ্যা বৃদ্ধিৰ হাৰ হ্রাস কৰিব বিচাৰিছিল। পৰিয়াল কল্যাণ বিভাগে পৰিয়াল কল্যাণ কাৰ্যসূচী প্রয়োগৰ বাবে বিভিন্ন কাৰ্য হাতত লৈছিল যাৰ দ্বাৰা সন্তান জন্ম দিব নিবিচৰা মহিলাসকলৰ দায়িত্ব লৈ তেওঁলোকৰ প্রয়োজন পূৰণ কৰিব বিচাৰিছিল। 1997 চনত, ভাৰতবৰ্ষই পৰিয়াল কল্যাণ কাৰ্যসূচীৰ কৌশলসমূহক জন্ম আৰু শিশু স্বাস্থ্যলৈ (নৱম পঞ্চম বার্ষিক পৰিকল্পনা) পৰিৱর্তন কৰিছিল। পৰিয়াল কল্যাণ কাৰ্যসূচীৰ প্রধান দিশবোৰ হৈছে—

- পৰিয়াল পৰিকল্পনাৰ তথ্য, পৰামর্শ আৰু সেৱাৰে মহিলাসকলক স্বাস্থ্য সম্মতভাৱে শিশু জন্মত সহায় কৰা।
- মহিলাসকলক স্বাস্থ্যসম্মত প্রসৱ, প্রসৱৰ পিছত শিশু আৰু মাতৃৰ স্বাস্থ্যৰ যত্ন আৰু প্রসৱৰ সময়ত ল'বলগীয়া চিকিৎসাৰ বাবে শিক্ষা প্রদান কৰা।
- নৱজাতকৰ স্বাস্থ্যৰ যত্ন আৰু বেমাৰৰ প্রতিষেধক প্রদান।
- যৌনৰোগ সংক্রমণৰ চিকিৎসা আৰু প্রতিকাৰ।

সাধাৰণতে আমি ক'ব পাৰো যে পৰিয়াল কল্যাণ কাৰ্যসূচী কেৱল জন্ম নিয়ন্ত্রণৰ সৈতে জড়িত নহয়। ই পৰিয়ালৰ সমগ্র বিকাশ যেনে অর্থনৈতিক দিশ, মাতৃ আৰু শিশুৰ উপযুক্ত স্বাস্থ্য ইত্যাদিৰ সৈতে জড়িত। আমাৰ দেশৰ মহিলাৰ স্থান যোৱা পঞ্চাচ বছৰৰ পৰাহে পৰিৱর্তন ঘটিছে। মহিলাসকলৰ এই পৰিৱর্তনশীল ভূমিকাই পৰিয়ালসমূহতো পৰিৱর্তন ঘটাইছে। বর্দ্ধিত শিশুৰ সংখ্যাই মহিলাৰ নিয়োগৰ ক্ষেত্রতো প্রভাৱ পেলায়। মহিলাসকলৰ শিক্ষণ পৰিয়ালৰ পৰিৱেশৰ দ্বাৰা প্রভাৱিত হয়।

১২.৩.১ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ

পৰিয়াল কল্যাণ কাৰ্যসূচীৰ প্রধান উদ্দেশ্য হৈছে জনসংখ্যা বৃদ্ধি স্থবিৰ কৰা আৰু গুণগত স্বাস্থ্য সেৱা যেনে

প্ৰতিষেধক টীকা শিশু আৰু গৰ্ভৱতী মাতৃ উভয়কে প্ৰদান কৰা।

- স্বেচ্ছামূলকভাৱে সৰু পৰিয়ালৰ ধাৰণা গ্ৰহণত সুবিধা দিয়া।
- ব্যৱধান ৰক্ষা পদ্ধতিৰ ব্যৱহাৰ কৰা।
- বিবাহিত পুৰুষ মহিলাসকলক জন্ম নিৰোধক লাভৰ ব্যৱস্থা কৰা।
- গুণগত প্ৰসৱ সম্ভৱ কৰি তোলা আৰু জনসংখ্যা নিয়ন্ত্ৰণ কৰা, জন্ম আৰু শিশু স্বাস্থ্য কাৰ্যসূচী প্ৰত্যেক ৰাজ্যতে সাম্প্ৰদায়িক প্ৰয়োজন ভিত্তিকভাৱে প্ৰয়োগ কৰা।

১২.৩.২ ভাৰতবৰ্ষত পৰিয়াল কল্যাণ কাৰ্যসূচীৰ বিকাশ

1960 চনত আমাৰ দেশত তিনিটা শিশুৰ পৰিয়ালক গ্ৰহণ কৰা হৈছিল। কিন্তু 70 দশকত এটা জনপ্ৰিয় শ্লগান আছিল 'দো য়া তিন বচ্'। এই শ্লগানে ভাৰতীয় জনসংখ্যাৰ বৃদ্ধিত বিশেষ প্ৰভাৱ দেখুৱাব পৰা নাছিল। সেইবাবে 80 দশকত দুটা শিশুৰ ধাৰণাক প্ৰবৰ্তন কৰা হৈছিল, ল'ৰা হওঁক বা ছোৱালীয়ে হওঁক। তাৰোপৰি এইটো কোৱা হৈছিল যে দ্বিতীয় শিশুটো তিনি বছৰৰ ব্যৱধানত হ'ব লাগিব।

ভাৰতৰ স্বাধীনতাৰ সময়ছোৱাত ঃ

ভাৰতৰ স্বাধীনতাৰ সময়ত, ইয়াৰ স্বাস্থ্য সেৱাৰ ব্যৱস্থা প্ৰধানকৈ চহৰকেন্দ্ৰিক আৰু নিৰ্মূলকৰণ বিধৰ আছিল। স্বাস্থ্যৰ চিনাক্ত কৰা আৰু পৰিচালনাৰ সেৱা সীমিত আছিল আৰু দুখীয়া লোকসকলে তেনে সেৱা লাভ কৰিব পৰা নাছিল। জনসংখ্যাৰ বেছি ভাগ লোক প্ৰধানকৈ দুখীয়া লোকসকলে চিকিৎসা আৰু স্বাস্থ্য যত্নৰ সেৱা লাভ কৰিব পৰা নাছিল। তেওঁলোকৰ মাজত অকাল মৃত্যু আৰু মৃত্যুৰ হাৰ অধিক আছিল। বেছি মহিলাই অবৈধভাৱে গৰ্ভপাত কৰি মৃত্যু মুখত পৰিছিল, কাৰণ তেওঁলোকৰ বাবে গৰ্ভনিৰোধ ব্যৱস্থা সহজলভ্য নাছিল। যিসকল সচেতন ব্যক্তিয়ে ডাক্তৰক পইচা দিব পাৰিছিল, তেওঁলোকে কিছু পৰিমাণে চিকিৎসা লাভ কৰিছিল। সেই সময়ত স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি প্ৰধানকৈ চহৰকেন্দ্ৰিক আছিল।

ষাঠিৰ দশকত ঃ

এই সময়ছোৱাত সংক্ৰমক ৰোগৰ বাবে প্ৰতিষেধক টীকাকৰণ আৰু ফলপ্ৰসূ জন্ম নিৰোধকৰ ব্যৱস্থা আছিল। এই সময়তে ৰাষ্ট্ৰীয় জনসংখ্যা কাৰ্যসূচীয়ে বন্ধ্যাকৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। প্ৰসাৰণ শিক্ষাৰ অভিগমনে পৰিয়াল পৰিকল্পনাৰ পদ্ধতিৰ প্ৰতি সচেতনতা আৰু গ্ৰহণক অন্তৰ্ভুক্ত কৰিছিল।

সত্তৰ দশকত ঃ

এই সময়ছোৱাত মহিলা আৰু শিশু স্বাস্থ্য উন্নতি আৰু পুষ্টিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। পুষ্টিজনীয় অন্ধতা, ৰক্তহীনতা দূৰ কৰি স্বাস্থ্য সজাগতা আৰু আন্তঃগাঁথনিৰ উন্নতিৰ ক্ষেত্ৰত প্ৰাধান্য দিয়া হৈছিল। চৰকাৰে পৰিয়াল কল্যাণ কাৰ্যসূচীক অধিক গুৰুত্ব দিছিল।

আশীৰ দশকত ঃ

ভাৰতবৰ্ষই 1983 চনত ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি গ্ৰহণ কৰিছিল, যিয়ে স্বাস্থ্য সেৱাৰ পৰিকল্পনা, প্ৰয়োগ আৰু

পৰিদৰ্শন সুবিধা দিছিল।

- প্রসূতিৰ স্বাস্থ্য সেৱাৰ অগ্রগতি পুনৰীক্ষণ কৰা।
- স্বাস্থ্য, পৰিয়াল পৰিকল্পনা আৰু পুষ্টিৰ কাৰ্যসূচীৰ পৰিৱেশ বিশ্লেষণ কৰা।
- পৰৱর্তী দুটা দশকত কি ক্ষেত্রত অগ্রাধিকাৰ দিয়া হ'ব তাক চিনাক্ত কৰা।
- অগ্রাধিকাৰ দিয়া দিশত নীতি, কৌশল আৰু কাৰ্যসূচী প্রস্তুত কৰিব লাগে।

সপ্তম পৰিকল্পনাৰ সময়ছোৱাত জনসংখ্যাৰ ক্ষেত্রত এক পদক্ষেপ লোৱা হৈছিল। প্রতিষেধক টীকাকৰণৰ ওপৰত গুৰুত্ব প্রদানেৰে ইয়াক সার্বজনীন কৰি তুলিবলৈ চেষ্টা কৰা হৈছিল। জনসংখ্যাৰ বৃদ্ধি হৈছে অষ্টম পৰিকল্পনাৰ এক গুৰুত্বপূর্ণ উদ্দেশ্য। মহিলা আৰু শিশুৰ সেৱাৰ গুণগত মান উন্নত কৰিবলৈ হেঁচা প্রদান কৰা হৈছিল। নৱম পৰিকল্পনাৰ জনসংখ্যাৰ ক্ষেত্রত থকা প্রধান উদ্দেশ্যবোৰ হৈছে— জন্ম নিৰোধক ব্যৱস্থা প্রয়োজনীয়তা পূৰ কৰা, মাতৃৰ প্রসূতিজনীত আৰু নৱজাতকৰ অকাল মৃত্যু হ্রাস কৰা যাতে জন্ম ক্ষমতা হ্রাস কৰিব পৰা যায়। 1986 চনৰ ৰাষ্ট্রীয় শিক্ষা নীতিয়ে সৰু পৰিয়ালৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰিছিল।

১২.৪ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ বিভিন্ন আঁচনিসমূহ

পৰিয়াল কল্যাণ কাৰ্যসূচীৰ ক্ষেত্রত বহুতো আঁচনি আছে। তাৰ ভিতৰত কিছুমান তলত দাঙি ধৰা হ'ল—

- **ৰাষ্ট্রীয় পৰিয়াল কল্যাণ কাৰ্যসূচী ঃ** 1951 চনত ভাৰতবর্ষই ৰাষ্ট্রীয় পৰিয়াল কল্যাণ কাৰ্যসূচীৰ ঘোষণা কৰিছিল। এই আঁচনিৰ উদ্দেশ্য আছিল জন্মৰ হাৰ হ্রাস কৰি জনসংখ্যা বৃদ্ধিৰ হাৰ স্থৰিৰ কৰাৰ দ্বাৰা ৰাষ্ট্রীয় অর্থনীতি সঠিক কৰি তোলা। ভাৰতৰ পৰিয়াল কল্যাণ কাৰ্যসূচীক অগ্রাধিকাৰ দিয়া হিচাবে চিনাক্ত কৰা হৈছিল আৰু ই 100í কেন্দ্রীয় চৰকাৰে সাহায্য লাভ কৰিছিল।
- **ৰাষ্ট্রীয় জনসংখ্যা নীতি ঃ** 2000 চনৰ ৰাষ্ট্রীয় জনসংখ্যা নীতিৰ জৰিয়তে চৰকাৰে যিসকল নাগৰিকৰ জন্মৰ হাৰ সম্পর্কত মত আছে তেওঁলোকক বিনামূলীয়াভাৰে পৰিয়াল পৰিকল্পনা সেৱা আগবঢ়াই স্বাস্থ্য সেৱাৰ সুবিধা প্রদান কৰে।
- **ৰাষ্ট্রীয় গ্রামীন স্বাস্থ্য অভিযান** (National rural health mission) ঃ ৰাষ্ট্রীয় গ্রামীন স্বাস্থ্য অভিযানৰ (2005–12) দ্বাৰা সমগ্র দেশৰ গ্রাম্য অঞ্চলৰ জনসাধাৰণক বিশেষভাৰে 18খন ৰাজ্যক বিশেষ গুৰুত্ব দি উপযুক্ত স্বাস্থ্য সেৱাৰ সুবিধা আগবঢ়োৱা হয়। সাধাৰণতে এনে ৰাজ্যসমূহৰ জনসাধাৰণৰ স্বাস্থ্য সেৱা আৰু আন্তঃগাঁথনি দুর্বল।
- **চহৰ পৰিয়াল পৰিকল্পনা আঁচনি** (Urban family welfare scheme) ঃ 1983 চনৰ কৃষ্ণণ আয়োগৰ পৰামর্শৰলীৰ অনুকৰণত এই আঁচনিখন আৰম্ভ কৰা হৈছিল। এই আঁচনিত প্রধান গুৰুত্ব দিয়া হৈছিল পিছপৰা অঞ্চলত স্বাস্থ্যৰ পদ সৃষ্টি কৰা। গ্রামীন স্বাস্থ্য সেৱা আঁচনিয়ে ঢুকি নোপোৱা অঞ্চলসমূহত এই আঁচনিৰ জৰিয়তে প্রতিকাৰ সেৱা, প্রাথমিক স্বাস্থ্য তথা তৎকালীন সেৱা আৰু জন্ম নিৰোধকসমূহৰ বিতৰণ কৰা।

- **জীৱাণুমুক্ত শয্যা আঁচনি** (Strelization Beds schemes) ঃ 1964 চনত চৰকাৰ, স্থানীয় প্ৰশাসন আৰু স্বেচ্ছাসেৱী সংগঠনৰ পৰিচালনাত চিকিৎসালয়ত জীৱাণুমুক্ত শয্যা আঁচনি প্ৰৱৰ্তন কৰা হয়, ইয়াৰ দ্বাৰা মহিলাসকলৰ তৎক্ষণিক বন্ধ্যাকৰণ, অপাৰেচনৰ সুবিধা ইত্যাদি যিবোৰ অপাৰেছন বিচনাৰ অভাৱত চিকিৎসালয়ত কৰা হোৱা নাছিল। কিন্তু পিছত প্ৰসৱোত্তৰ কাৰ্যসূচীলৈ কিছুমান বিচনাক পৰিৱৰ্তন কৰা হয়। ইয়াৰ পৰৱৰ্তী সময়ত কেৱল স্থানীয় প্ৰশাসন আৰু স্বেচ্ছাসেৱী সংগঠনৰ দ্বাৰা পৰিচালিত চিকিৎসালয়সমূহতে বিচনাসমূহ প্ৰদান কৰা হৈছিল।
- **জন্ম আৰু শিশু স্বাস্থ্য কাৰ্যসূচী** (Reproductive and child health programme) ঃ জন্ম আৰু শিশু স্বাস্থ্য কাৰ্যসূচী 1997 চনৰ অক্টোবৰ মাহত ঘোষণা কৰা হৈছিল। 1994 চনত কাইৰোত অনুষ্ঠিত হোৱা জনসংখ্যা আৰু বিকাশৰ আন্তঃৰাষ্ট্ৰীয় সম্মিলনত ঘোষণা কৰা মতে নতুন অভিগমনেৰে এই আঁচনি প্ৰস্তুত কৰা হৈছিল। ইয়াত অন্তৰ্ভুক্ত কৰা দিশসমূহ আছিল-শিশু আৰু মাতৃ মংগল, পৰিয়াল পৰিকল্পনা, নতুন সংযোজন সেৱা, জন্মৰ ক্ষেত্ৰত নতুন দিশ, যৌন সংক্ৰমক ৰোগৰ চিকিৎসা ইত্যাদি।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পৰিয়াল পৰিকল্পনা কাৰ্যসূচীৰ ধাৰণা দিয়ক।

প্ৰশ্ন নং ২ ঃ পৰিয়াল পৰিকল্পনা কাৰ্যসূচীৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ লিখক।

১২.৫ পৰিয়াল কল্যাণ কাৰ্যসূচী প্ৰয়োগৰ প্ৰধান কৌশলসমূহ

কৌশলসমূহ ঃ

- ই অন্য স্বাস্থ্য সেৱাৰ সৈতে একত্ৰিত।
- গ্ৰাম্য অঞ্চলত হেঁচা প্ৰদান কৰে।
- দুটা শিশুৰ পৰিয়াল প্ৰচলিত হোৱা।
- ব্যৱধান ৰাখি দুটা শিশু জন্ম দিয়াৰ ক্ষেত্ৰত কিছুমান পদ্ধতি অৱলম্বন কৰে।
- সৰু পৰিয়ালৰ ধাৰণা ল'বলৈ পৰিয়ালসমূহৰ ঘৰে ঘৰে গৈ উৎসাহিত কৰা।
- ল'ৰা আৰু ছোৱালী উভয়কে শিক্ষাৰ বাবে উৎসাহ প্ৰদান কৰা।
- পুৰুষ আৰু মহিলাৰ বিবাহৰ বয়স ধাৰ্য্য কৰা।
- জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা।

- পৰিয়াল পৰিকল্পনাৰ ধাৰণা অৱলম্বন কৰিবলৈ দুখীয়া জনসাধাৰণক আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা।
- গণ মাধ্যমৰ বিভিন্ন আহিলাৰ যোগেদি বিস্তৃত হাৰত পৰিয়াল পৰিকল্পনাৰ বাবে সজাগতা সৃষ্টি কৰা।

১২.৫.১ ভাৰতবৰ্ষত পৰিয়াল পৰিকল্পনা প্ৰয়োগৰ কিছুমাণ সফলতা

- জন্ম নিৰোধৰ এটা বা বেছি পদ্ধতিৰ সজাগতা।
- জন্ম নিৰোধৰ ব্যৱহাৰ বৃদ্ধি।
- আধুনিক পৰিয়াল পৰিকল্পনাৰ জনপ্ৰিয় পদ্ধতি মহিলা বন্ধ্যাকৰণৰ জ্ঞান
- কনডমৰ ব্যৱহাৰ বৃদ্ধি।
- জন্ম নিৰোধৰ বড়ি সেৱন বৃদ্ধি।
- শিক্ষিতা মহিলাৰ জন্ম দিয়াৰ হাৰ হ্ৰাস হোৱা।
- উচ্চ আয় কৰা মানুহৰ মাজতো জন্ম দিয়াৰ হাৰ হ্ৰাস হোৱা।

১২.৫.২ পৰিয়াল কল্যাণ কাৰ্যসূচীত অৰ্থ নিয়োজন

পৰিয়াল কল্যাণ কাৰ্যসূচী হৈছে 100i কেন্দ্ৰীয় অৰ্থ সাহায্য প্ৰাপ্ত আঁচনি। কেন্দ্ৰৰ পৰিকল্পনাৰ অৰ্থৰ দ্বাৰা এই বিভাগৰ আন্তঃগাঁথনি, মানৱশক্তি, পৰিয়াল সেৱাৰ অন্যবোৰ সুবিধা পূৰণ কৰা হয়। ৰাষ্ট্ৰীয় পৰিয়াল পৰিকল্পনাৰ কাৰ্যসূচী কেন্দ্ৰৰ দ্বাৰা প্ৰচলিত হৈ থাকিব আৰু নৱম পৰিকল্পনাত পৰিয়াল কল্যাণৰ সকলো খৰচ কেন্দ্ৰৰ দ্বাৰা চলি থাকিব।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ কিছুমান দিশ উল্লেখ কৰক।

প্ৰশ্ন নং ৪ ঃ ভাৰতবৰ্ষত পৰিয়াল কল্যাণ কাৰ্যসূচীৰ কিছুমান কাৰ্যসূচী লিখক।

2 ১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰিয়াল কল্যাণ কাৰ্যসূচী পৰিয়ালৰ জীৱন ধাৰণৰ গুণগত মানদণ্ডৰ সৈতে জড়িত আৰু ই সৰু পৰিয়ালৰ ধাৰণা দিয়ে।

- পৰিয়াল কল্যাণ কাৰ্যসূচী হৈছে জন্ম নিয়ন্ত্রণৰ পৰিকল্পনা আৰু সমগ্ৰ পৰিয়ালৰে স্বাস্থ্যৰ কল্যাণ কৰা। ই হৈছে কেন্দ্রীয় পৰিচালিত কাৰ্যসূচী। এই পৰিকল্পনা প্রয়োগৰ বাবে কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰক 100í সাহায্য দিয়ে।
- পৰিয়াল কল্যাণ কাৰ্যসূচীয়ে তলৰ দিশবোৰ অন্তর্ভূক্ত কৰে—
  [1] পৰিয়াল পৰিকল্পনাৰ তথ্য, পৰামৰ্শ আৰু সেৱাৰে মহিলাসকলক স্বাস্থ্য সন্মতভাৱে শিশু জন্ম দিয়াত সহায় কৰে।
  (2) মহিলাসকলক স্বাস্থ্য সন্মত প্রসৱ, প্রসৱৰ পিছত শিশু আৰু মাতৃৰ স্বাস্থ্যৰ যত্ন আৰু প্রসৱৰ আগৰচোৱা সময়ত ল'বলগীয়া চিকিৎসাৰ বাবে মহিলাসকলক শিক্ষা প্রদান কৰা।
  (3) নৱজাতকৰ স্বাস্থ্যৰ যত্ন আৰু বেমাৰৰ প্রতিষেধক প্রদান।
  (4) যৌন ৰোগ সংক্রমনৰ চিকিৎসা আৰু প্রতিকাৰ।
- পৰিয়াল কল্যাণ কাৰ্যসূচীৰ প্রধান উদ্দেশ্য হৈছে জনসংখ্যা বৃদ্ধি স্থবিৰ কৰা আৰু গুণগত স্বাস্থ্য সেৱা, যেনে— শিশু আৰু মাতৃ উভয়কে প্রতিষেধক টীকা প্রদান কৰা।
  (1) স্বেচ্ছামূলকভাৱে সৰু পৰিয়ালৰ ধাৰণা গ্রহণত সুবিধা দিয়া।
  (2) ব্যৱধান ৰখা পদ্ধতিৰ ব্যৱহাৰ কৰা।
  (3) বিবাহিত পুৰুষ মহিলাসকলক জন্ম নিৰোধক লাভৰ ব্যৱস্থা কৰা।
  (4) গুণগত প্রসৱ বৃদ্ধি কৰি তোলা আৰু জনসংখ্যা নিয়ন্ত্রণ কৰা, জন্ম আৰু শিশু স্বাস্থ্য কাৰ্যকৰী, প্রত্যেক ৰাজ্যতে সাম্প্রদায়িক প্রয়োজন ভিত্তিকভাৱে প্রয়োগ কৰা।

১২.৭ অধিক জানিবলৈ

1 V. Krishnamacharyulu, School Management and System of Education, Neelkamal Publication Pvt. Ltd.
2 S.K. Nanda, Population Education, DOABA HOUSE, Delhi.

K ১২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচী হৈছে জন্ম নিয়ন্ত্রণৰ পৰিকল্পনা আৰু সমগ্ৰ পৰিয়ালৰে স্বাস্থ্যৰ কল্যাণ কৰা। ই হৈছে কেন্দ্রীয় পৰিচালিত কাৰ্যসূচী। এই পৰিকল্পনা প্রয়োগৰ বাবে কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহক 100í সাহায্য প্রদান কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ প্ৰধান উদ্দেশ্য হৈছে জনসংখ্যা বৃদ্ধি স্থবিৰ কৰা আৰু গুণগত স্বাস্থ্য সেৱা যেনে— প্ৰতিষেধক টীকা শিশু আৰু গৰ্ভৱতী মাতৃ উভয়কে প্ৰদান কৰা।

- স্বেচ্ছামূলকভাৱে সৰু পৰিয়ালৰ ধাৰণা গ্ৰহণত সুবিধা দিয়া।
- ব্যৱধান ৰক্ষা পদ্ধতিৰ ব্যৱহাৰ কৰা।
- বিবাহিত পুৰুষ-মহিলাসকলক জন্ম নিৰোধক লাভৰ ব্যৱস্থা কৰা।
- উন্নতমানৰ প্ৰসৱ বৃদ্ধি কৰি তোলা আৰু জনসংখ্যা নিয়ন্ত্ৰণ কৰা, জন্ম আৰু শিশু স্বাস্থ্য কাৰ্যসূচী প্ৰত্যেক ৰাজ্যতে সাম্প্ৰদায়িক প্ৰয়োজন ভিত্তিকভাৱে প্ৰয়োগ কৰা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ অন্তৰ্ভুক্ত দিশবোৰ হৈছে—

- পৰিয়াল পৰিকল্পনাৰ তথ্য, পৰামৰ্শ আৰু সেৱাৰে মহিলাসকলক স্বাস্থ্য সম্মতভাৱে শিশু জন্ম দিয়াত সহায় কৰা।
- মহিলাসকলক স্বাস্থ্য সম্মত প্ৰসৱ, প্ৰসৱৰ পিছত শিশু আৰু মাতৃৰ স্বাস্থ্যৰ যত্ন আৰু প্ৰসৱৰ আগৱছোৱা সময়ত ল'বলগীয়া চিকিৎসাৰ বাবে মহিলাসকলক শিক্ষা প্ৰদান কৰা।
- নৱজাতকৰ স্বাস্থ্যৰ যত্ন আৰু বেমাৰৰ প্ৰতিষেধক প্ৰদান।
- যৌনৰোগ সংক্ৰমণৰ চিকিৎসা আৰু প্ৰতিকাৰ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচী প্ৰয়োগৰ প্ৰধান কৌশলসমূহ ঃ

- ই অন্য স্বাস্থ্য সেৱাৰ সৈতে একত্ৰিত।
- গ্ৰাম্য অঞ্চলত অধিক গুৰুত্ব।
- দুটা শিশুৰ ধাৰণা প্ৰচলিত হোৱা।
- ব্যৱধান ৰাখি দুটা শিশু জন্ম দিয়াৰ ক্ষেত্ৰত কিছুমান পদ্ধতি অৱলম্বন কৰা।
- সৰু পৰিয়ালৰ ধাৰণা ল'বলৈ পৰিয়ালসমূহৰ ঘৰে ঘৰে গৈ উৎসাহিত কৰা।
- ল'ৰা-ছোৱালী উভয়কে শিক্ষাৰ প্ৰতি উৎসাহিত কৰা।
- মানুহৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ বাবে সুবিধা প্ৰদান কৰা।
- পৰিয়াল পৰিকল্পনাৰ ধাৰণা অৱলম্বন কৰিবলৈ দুখীয়া লোকসকলক আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা।
- গণ মাধ্যমৰ বিভিন্ন আহিলাসমূহৰ যোগেদি বিস্তৃত হাৰত পৰিয়াল পৰিকল্পনাৰ বাবে সজাগতা সৃষ্টি কৰা।

১২.৯ আৰ্হিপ্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 150 টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচী বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ উল্লেখ কৰক।

(খ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 300–500 টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ বিভিন্ন আঁচনিবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতবৰ্ষৰ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ জনসংখ্যা বৃদ্ধি আৰু শৈক্ষিক বিকাশ

অধ্যায় গাঁথনি

13.1 উদ্দেশ্য
13.2 পৰিচয়
13.3 জনসংখ্যা বৃদ্ধিৰ অর্থ
13.3.1 জনসংখ্যা বৃদ্ধিৰ প্রকৃতি
13.3.2 ভাৰতত জনসংখ্যা বৃদ্ধিৰ কাৰণসমূহ
13.4 জনসংখ্যা বৃদ্ধি আৰু গুণমান বিশিষ্ট শিক্ষা
13.5 জনসংখ্যা বৃদ্ধিত প্রাপ্ত বয়স্ক শিক্ষাৰ প্রভাৱ
13.6 জনসংখ্যা বৃদ্ধি আৰু বৃত্তীয় শিক্ষা
13.7 জনসংখ্যা বৃদ্ধি আৰু অগতানুগতিক শিক্ষাৰ সম্পর্ক
13.8 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
13.9 অধিক জানিবলৈ
13.10 অগ্রগতিৰ খতিয়ান
13.11 আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জনসংখ্যা বৃদ্ধিৰ অর্থ বর্ণনা কৰিব পাৰিব
- জনসংখ্যা বৃদ্ধিৰ আৰু গুণমান বিশিষ্ট শিক্ষাৰ মাজৰ সম্পর্ক বর্ণনা কৰিব পাৰিব
- জনসংখ্যা বৃদ্ধিৰ ওপৰত প্রাপ্তবয়স্ক শিক্ষাৰ প্রভাৱ সম্পর্কে আলোচনা কৰিব পাৰিব
- জনসংখ্যা বৃদ্ধি আৰু অগতানুগতিক শিক্ষাৰ সম্পর্ক বর্ণনা কৰিব পাৰিব।

১৩.২ পৰিচয়

মানুহৰ জনসংখ্যা বৃদ্ধি হৈছে এক অবিৰত প্রক্রিয়া আৰু যোৱা 10 হাজাৰ বছৰত পৃথিৱীৰ জনসংখ্যা প্রায় 4.5 বিলিয়ন হৈছে আৰু যোৱা কেইটামান শতিকাত এই বৃদ্ধিৰ হাৰ যথেষ্ট বৃদ্ধি পাইছে। ৰাষ্ট্রসংঘৰ অনুমান মতে

বৰ্তমান জনসংখ্যা বৃদ্ধিৰ হাৰ বছৰি প্ৰায় 2.5% । এই বৃদ্ধিৰ অনুপাত দিনে দিনে বাঢ়ি গৈ আছে। প্ৰত্যেক 30 চেকেণ্ডত প্ৰায় 117 টা শিশুৰ জন্ম হয় আৰু প্ৰায় 46 গৰাকী লোক মৰে, গতিকে 71 জন নতুন বাসিন্দা হয়। ইয়াৰ অৰ্থ হৈছেপ্ৰত্যেক দিনে 2,00,000 কৈ বেছি লোকে ভোগ কৰে বা বছৰত 75 মিলিয়ন হয়। 1921 চনৰ পৰাই ভাৰতৰ জনসংখ্যা অতি দ্ৰুত গতিত বৃদ্ধি পাই আহিছে। ৰাষ্ট্ৰসংঘৰ তথ্য মতে 2019 চনৰ মাজভাগত ভাৰতৰ জনসংখ্যা প্ৰায় 136.65 কোটি। যদি বৰ্তমান নিচিনাকৈ ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ ধাৰা প্ৰচলিত হৈ থাকে, তেন্তে 2045 চনত চীনতকৈ ভাৰতৰ জনসংখ্যা বেছি হৈ পৃথিৱীৰ ভিতৰতে অধিক জনসংখ্যাৰ দেশ স্বৰূপে পৰিগণিত হ'ব। জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ দেশৰ শিক্ষা ব্যৱস্থা, অৰ্থনৈতিক বিকাশ, নিয়োগৰ সুবিধা আৰু সামগ্ৰিকভাৱে গোটেই দেশৰ পৰিৱেশৰ ওপৰতে পৰে। বিভিন্ন অধ্যয়ণৰ পৰা এইটো প্ৰমাণিত হৈছে যে পৰিয়ালৰ আকাৰ আৰু জন্মৰ হাৰৰ ওপৰত শিক্ষাই প্ৰত্যক্ষ প্ৰভাৱ পেলায়।

এই অধ্যায়টিত আমি জনসংখ্যা বৃদ্ধি আৰু গুণমান বিশিষ্ট শিক্ষাত তাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিম। তাৰোপৰি, এই অধ্যায়টোত আমি জনসংখ্যা বৃদ্ধি আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ সৈতে তাৰ সম্পৰ্ক, বৃত্তীয় আৰু অগতানুগতিক শিক্ষাৰ সৈতে সম্পৰ্কৰ বিষয়ে আলোচনা কৰিম।

১৩.৩ জনসংখ্যা বৃদ্ধিৰ অৰ্থ

সাধাৰণতে, জনসংখ্যা বৃদ্ধি হৈছে কোনো বিশেষ এখন দেশ বা ঠাইত জনসংখ্যা বৃদ্ধি পোৱা। কেনেকৈ সময়ৰ লগে লগে ব্যক্তিৰ সংখ্যা বৃদ্ধি হয় বা কমি যায়। জনসংখ্যা বৃদ্ধিৰ প্ৰধান দিশ হৈছে তিনিটা— সেইকেইটা হৈছে জন্ম দিয়া ক্ষমতা, মৃত্যু আৰু প্ৰব্ৰজন। জনসংখ্যা প্ৰধানকৈ জন্মৰ হাৰতকৈ মৃত্যুৰ হাৰ কমাবলৈ নিৰ্ণয় কৰা হয়। দ্ৰুত হাৰত জনসংখ্যা বৃদ্ধিৰ প্ৰধান কাৰক হৈছে জন্মৰ হাৰ আৰু মৃত্যুৰ হাৰৰ মাজত থকা পাৰ্থক্য। জনসংখ্যা বৃদ্ধিৰ উচ্চ হাৰে প্ৰাকৃতিক সম্পদ, খাদ্য যোগান, ইন্ধন যোগান, নিযোগ, পানী নাটনি, বাসস্থান আদিত প্ৰভাৱ পেলায়। জনসংখ্যা বৃদ্ধিয়ে জীৱন ধাৰণৰ মানণ্ডৰ ওপৰতো প্ৰভাৱ পেলায়। জনসংখ্যা বৃদ্ধিৰ অৰ্থ হৈছে এটা নিদিৰ্ষ্ট সময়ত এক নিদিষ্ট স্থানত হোৱা মানুহৰ সংখ্যা। জনসংখ্যাই কোনো অঞ্চলৰ জনসংখ্যা বৃদ্ধি বা হ্ৰাসক নিৰ্দেশ কৰে যেনেকৈ সময়ৰ লগে লগে পৃথিৱীৰ জনসংখ্যা 1800 চনৰ পৰা 2011 চনলৈ 1 বিলিয়ন পৰা 7 বিলিয়ন হয়। **এল. বি. জনচনৰ** মতে "জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত যেতিয়ালৈকে সমতা আনিব পৰা নেযায়, তেতিয়ালৈকে ভোকাতুৰ পৃথিৱীক খুৱাব পৰা নেযাব।" প্ৰত্যেক গৰাকী পুৰুষ আৰু মহিলাই জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত স্থিৰ সিদ্ধান্ত ল'ব লাগিব। দ্ৰুত জনসংখ্যা বৃদ্ধিৰ প্ৰধান কাৰণ হৈছে মৃত্যুৰ হাৰ হ্ৰাস পোৱা।

১৩.৩.১ জনসংখ্যা বৃদ্ধিৰ প্ৰকৃতি

- জনসংখ্যা বৃদ্ধি হৈছে সামাজিক সমস্যা।

- জনসংখ্যা বৃদ্ধি হৈছে জলবায়ু পৰিবৰ্তনৰ সমস্যা।
- ই হৈছে খাদ্য সুৰক্ষাৰ সমস্যা।
- ই হৈছে মতবিৰোধ সমস্যা।
- জনসংখ্যা বৃদ্ধি হৈছে লিংগ বিষয়ক সমস্যা।
- ই হৈছে অর্থনৈতিক সমস্যা।
- জনসংখ্যা বৃদ্ধি হৈছে স্বাস্থ্যৰ সমস্যা।
- ই হৈছে বিকাশমূলক সমস্যা।

১৩.৩.২ ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ কাৰণসমূহ

- জনসংখ্যা বৃদ্ধিৰ এক প্ৰধান কাৰণ হৈছে মৃত্যুৰ হাৰ হ্ৰাস হোৱা। আধুনিক স্বাস্থ্য আৰু ঔষধৰ আৱিস্কাৰে মৃত্যুৰ হাৰ হ্ৰাস কৰি পেলাইছে। স্বাস্থ্য সেৱাৰো যথেষ্ট উন্নতি হৈছে। বিভিন্ন মহামাৰী আৰু বেমাৰবোৰ নিয়ন্ত্রিত হৈছে। এই সকলোবোৰ সম্ভৱ হৈছে চৰকাৰে জনসাধাৰণৰ স্বাস্থ্যৰ ক্ষেত্রত গ্রহণ কৰা বিভিন্ন ধৰণৰ পদক্ষেপৰ বাবে। আনহাতে একেৰাহে হোৱা জন্মৰ হাৰে ভাৰতৰ জনসংখ্যা বৃদ্ধিত অৱিহণা যোগাইছে।
- আমাৰ দেশত মানুহৰ প্রব্রজনে জনসংখ্যা বৃদ্ধিত প্রভাৱ পেলায়। বহুত মানুহ গাঁৱৰ পৰা নগৰলৈ প্রব্রজন কৰে আৰু ওচৰৰ দেশবোৰৰ পৰা ভাৰতলৈ বহুতো লোকৰ প্রব্রজন ঘটে। ইয়াৰ ফলস্বৰূপে চহৰ অঞ্চলত অতিৰিক্ত জনসংখ্যা বৃদ্ধি পায়। এনে বর্ধিত জনসংখ্যাই সম্পদৰ নাটনি, নিম্নমানৰ জীৱন ধাৰণ আৰু সামাজিক বিসংগতি সৃষ্টি কৰে।
- জনসংখ্যা বৃদ্ধিৰ অন্য কাৰণ হৈছে দাৰিদ্রতা আৰু অশিক্ষিত। ভাৰতত জনসংখ্যা বৃদ্ধিৰ কাৰণ আৰু প্রভাৱ দুয়োটাই হৈছে দাৰিদ্রতাৰ। দুখীয়া মানুহৰ ডাঙৰ পৰিয়াল এটাত শিশুসকলৰ ঘৰৰ বাবে আয় কৰিবলৈ পঠিওৱা হয়। 2011 চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ শিক্ষিতৰ হাৰ 74.04í ইয়াৰে পুৰুষ শিক্ষিতৰ হাৰ 82.14í আৰু মহিলা শিক্ষিতৰ হাৰ 65.46í, যিবোৰ পৃথিৱীৰ বিভিন্ন দেশৰ তুলনাত যথেষ্ট কম। এইটো লক্ষ্য কৰা হৈছে যে যিবোৰ ৰাজ্যত মহিলা শিক্ষিত হাৰ বেছি তেনেবোৰ ৰাজ্যত জন্মৰ হাৰ বেছি।
- ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ আন এক কাৰণ হৈছে বাল্য বিবাহ। যদিও ছোৱালীৰ ক্ষেত্রত 18 বছৰ আৰু ল'ৰাৰ ক্ষেত্রত 21 বছৰ চৰকাৰীভাৱে গৃহীত বিবাহ যোগ্য বয়স, তথাপিও গাওঁ অঞ্চলৰ ছোৱালীবোৰে 15-20 বছৰ বয়সতে বিয়াত বহে আৰু ইয়াৰ ফলত জন্ম দিয়াৰ ক্ষমতাৰ বয়স বৃদ্ধি পায়।
- বিবাহিত লোকসকলৰ মাজত পৰিয়াল পৰিকল্পনা ক্ষেত্রত সচেতনতাৰ অভাৱ দেখা যায়। বর্তমানেও অশিক্ষিত লোকসকলে পৰিয়াল পৰিকল্পনাৰ পদ্ধতিৰ বিষয়ে জ্ঞাত নহয়। গাওঁ অঞ্চল আৰু নগৰৰ দুখীয়া মানুহখিনিৰ মাজত থকা পৰিয়াল পৰিকল্পনাৰ অভাৱে হৈছে উচ্চ জনসংখ্যা বৃদ্ধিৰ কাৰণ।

- বিভিন্ন গৱেষণাৰ পৰা পোৱা গৈছে যে বেছিভাগ ভাৰতীয় পুৰুষ মহিলাই ছোৱালীতকৈ বেছি ল'ৰাহে বিচাৰে। ল'ৰা জন্ম দিয়াৰ আশাতে বহুতো পৰিয়ালে অধিক সন্তান জন্ম দিয়ে।
- সাংস্কৃতিক কাৰকবোৰে পৰিয়ালৰ আকাৰত প্ৰভাৱ পেলায় আৰু এনেদৰে জনসংখ্যা বৃদ্ধিৰ হাৰত প্ৰভাৱ পেলায়। সাংস্কৃতিক ক্ষেত্ৰত, পৰিকল্পনাৰ ওপৰত ধৰ্মই প্ৰভাৱ পেলায়। বহুতো ধৰ্মই বৃহৎ পৰিয়ালৰ ধাৰণাক সমৰ্থন কৰে আৰু কৃত্ৰিমভাৱে জনসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কঠোৰ মনোভাৱ পোষণ কৰে। অন্য কিছুমান সামগ্ৰিক সাংস্কৃতিক কাৰকসমূহ যেনে- শিক্ষাৰ সীমাবদ্ধতা আৰু মহিলাৰ নিয়োগৰ সুবিধা এনেবোৰ দিশত ক'বলৈ হ'লে মহিলাৰ শিক্ষাৰ ক্ষেত্ৰত মানুহৰ মনোভাৱ ইতিবাচক নহয়। যেতিয়া মহিলাসকল শিক্ষিত হ'ব আৰু অৰ্থনৈতিক নিৰাপত্তা লাভ কৰিব, তেতিয়া তেওঁলোকে নিশ্চিতভাৱে পৰিয়ালৰ আকাৰ সৰু কৰাৰ ক্ষেত্ৰত উপযুক্ত সিদ্ধান্ত ল'ব পাৰিব।

১৩.৪ জনসংখ্যা বৃদ্ধি আৰু গুণমান বিশিষ্ট শিক্ষা

গুণমান বিশিষ্ট শিক্ষাই মানুহৰ গুণাৱলী আৰু দক্ষতাৰ বিকাশ সাধন কৰি উপযুক্ত গুণৰাশিৰে সমাজৰ এগৰাকী সমৰ্থবান ব্যক্তি স্বৰূপে গঢ়ি তোলে। গুণগত শিক্ষাৰ দ্বাৰা সমাজ আৰু সম্প্ৰদায় বিকাশ হয়। জনসংখ্যা বৃদ্ধি হ্ৰাস কৰাৰ এটা শক্তিশালী আহিলা হৈছে শিক্ষা। অশিক্ষিত পিতৃ-মাতৃয়ে অধিক সন্তান জন্ম দিয়ে। গুণমাণ বিশিষ্ট শিক্ষাই জন্মৰ হাৰ নিম্নগামী আৰু জনসংখা হ্ৰাস কৰে। শিক্ষিত মহিলাৰ পৰিয়ালত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা থাকে, যিটো জনসংখ্যা বৃদ্ধিত প্ৰভাৱ পেলায়। শিক্ষাৰ দ্বাৰা আমি জনসংখ্যা সৈতে জড়িত কিছুমান অন্ধবিশ্বাস, সামাজিক ৰীতি-নীতি, পৰম্পৰা আদি আঁতৰ কৰিব পাৰো। গৱেষণাৰ পৰা পোৱা গৈছে যে মহিলাই উপযুক্তভাৱে শিক্ষা লাভ কৰাৰ উপায় গ্ৰহণ কৰিলে। সেই শিক্ষিত পৰিয়ালত সন্তানৰ সংখ্যা কম হয়। সৰু পৰিয়ালে গুণবিশিষ্ট শিক্ষা প্ৰদান কৰিব পাৰে আৰু শিশুসকলৰ উপযুক্ত সুবিধা প্ৰদান কৰিব পাৰে। ভাৰতৰ দ্ৰুত গতিত জনসংখ্যা বৃদ্ধিৰ ফলস্বৰূপে শিক্ষা মূল্যবান হৈ পৰিছে সেইবাবে সাধাৰণ মানুহে গুণমান বিশিষ্ট শিক্ষা লাভ কৰাটো কঠিন হৈ পৰিছে। সঘনাই বৃদ্ধি হোৱা জনসংখ্যাই ছাত্ৰ-ছাত্ৰী অনুশাসন হীনতা, গুণমান বিশিষ্ট শিক্ষা, অপচয় আৰু অনুন্নয়ণ আদিত প্ৰভাৱ পেলাইছে।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ জনসংখ্যা বৃদ্ধি বুলিলে কি বুজে?

প্ৰশ্ন নং ২ ঃ গুণমাণ বিশিষ্ট শিক্ষাৰ অৰ্থ কি?

প্ৰশ্ন নং ৩ ঃ জনসংখ্যা বৃদ্ধিৰ প্ৰকৃতি উল্লেখ কৰক।

১৩.৫ জনসংখ্যা বৃদ্ধিত প্ৰাপ্তবয়স্ক শিক্ষাৰ প্ৰভাৱ

প্ৰাপ্ত বয়স্ক শিক্ষা হৈছে এক অনুশীলন য'ত প্ৰাপ্তবয়স্ক সকলক পদ্ধতিগতভাৱে আত্ম শিক্ষাৰ কাৰ্যৱলী নিয়োগ কৰা হয় যাৰ দ্বাৰা তেওঁলোকে জ্ঞান, দক্ষতা, মনোভাৱ বা মূল্যবোধৰ ক্ষেত্ৰত নতুন জ্ঞান আহৰণ কৰিব পাৰে। এই শিক্ষাৰ লক্ষ্য হৈছে আত্মবিশ্বাস আৰু আত্মনিৰ্ভৰশীল কৰি তোলা। সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ বাবেও প্ৰাপ্তবয়স্ক শিক্ষা প্ৰয়োজনীয়। প্ৰাপ্ত বয়স্ক শিক্ষাৰ জৰিয়তে বিবাহিত দম্পতিসকলে সৰু পৰিয়ালৰ ধাৰণা, পৰিয়ালৰ সদস্য সংখ্যা হ্ৰাস কৰাৰ উপকাৰিতা, মাতৃ আৰু শিশুৰ স্বাস্থ্য, তেওঁলোকৰ পৰিয়ালবোৰৰ অৰ্থনৈতিক বিকাশ, সন্তানৰ বাবে উপযুক্ত শিক্ষা আৰু উন্নত জীৱন ধাৰণ আদিৰ বিষয়ে জানিব পাৰে। প্ৰাপ্তবয়স্ক শিক্ষাই জন্মধাৰণৰ ক্ষেত্ৰত থকা অন্ধবিশ্বাস আৰু ধাৰণা হ্ৰাস কাৰে। ভাৰত চৰকাৰে 1978 চনত ৰাষ্ট্ৰীয় প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যসূচী ঘোষণা কৰিছিল। এই কাৰ্যসূচীৰ লক্ষ্য আছিল অশিক্ষিত লোকসকলক পাঁচ বছৰ সময়ৰ ভিতৰত শিক্ষিত কৰি তোলা। আকৌ ৰাষ্ট্ৰীয় স্বাক্ষৰতা অভিযানৰ কেৱল স্বাক্ষৰতাৰ বিস্তাৰৰ বাবে ঘোষণা কৰা হোৱা নাছিল, ইয়াৰ জৰিয়তে পৰিয়াল কল্যাণ, টীকাকৰণ, শিশু আৰু মাতৃৰ স্বাস্থ্যৰ সুৰক্ষা, পৰিবেশ সুৰক্ষা ইত্যাদিও কৰা হৈছিল। স্বাক্ষৰতাই ব্যক্তি এজনক যুক্তিযুক্তভাৱে চিন্তা কৰা আৰু নিজৰ দায়িত্ব সম্পৰ্কে সচেতন কৰি তোলে। প্ৰাপ্তবয়স্ক শিক্ষাৰ এক ডাঙৰ সফলতা হৈছে ছোৱালীৰ শিক্ষা আৰু মহিলা সৱলীকৰণ যাৰ জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত দীৰ্ঘদিনীয়া প্ৰভাৱ থাকে। এনেদৰে প্ৰাপ্তবয়স্ক শিক্ষাই এখন দেশৰ জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

১৩.৬ জনসংখ্যা বৃদ্ধি আৰু বৃত্তীয় শিক্ষা

বৃত্তীয় শিক্ষাই মানুহক উপযুক্ত সংস্থাপনৰ প্ৰশিক্ষণ, চাকৰিৰ চৰ্ত পূৰণৰ প্ৰশিক্ষণ দিয়ে, এহাতে সুবিধা আৰু বিশেষ সুবিধাসমূহ আনহাতে ব্যক্তিৰ সমৰ্থসমূহ প্ৰৱণতা, শাৰীৰিক আৰু আৱেগিক দিশসমূহৰো প্ৰশিক্ষণ দিয়ে। যদি এখন দেশৰ জনসংখ্যা দ্ৰুত গতিত বাঢ়ি থাকে তেতিয়া তাত নিবনুৱা সমস্যাই দেখা দিয়ে। নিয়োগৰ সুবিধা আৰু অৰ্থনীতি দুয়োটাৰ মাজত আন্তঃসম্পৰ্ক আছে। দ্ৰুত গতিত জনসংখ্যা বৃদ্ধিৰ ফলত, উঠি অহা চামে নিয়োগৰ সুবিধা নেপায়। বৃত্তীয় শিক্ষাই নতুন প্ৰজন্মক আত্ম নিয়োগ আৰু পেছা নিৰ্বাচনত সহায় কৰে। বৰ্তমান ভাৰত চৰকাৰে বৃত্তীয় শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ দ্বাৰা দেশৰ ভৱিষ্যত বিকাশত সহায় হ'ব। আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত বৃত্তীয় শিক্ষাৰ বাবে সুবিধা আছে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল আত্মনিৰ্ভৰশীল হ'ব পাৰে আৰু আৰ্থিক ক্ষেত্ৰত পৰিয়ালক সহায় কৰিব পাৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ প্রাপ্তবয়স্ক শিক্ষা কি ?

প্রশ্ন নং ৫ ঃ প্রাপ্তবয়স্ক শিক্ষা আৰু জনসংখ্যা বৃদ্ধিৰ মাজত কিবা সম্পর্ক আছেনে ?

প্রশ্ন নং ৬ ঃ বৃত্তীয় শিক্ষাৰ সংজ্ঞা দিয়ক।

১৩.৭ জনসংখ্যা বৃদ্ধি আৰু অগতানুগতিক শিক্ষাৰ সম্পর্ক

অগতানুগতিক শিক্ষা হৈছে আনুষ্ঠানিক শিক্ষাৰ বিকল্প ব্যৱস্থা। ই শিক্ষণৰ ক্ষেত্রত বহুতো সুবিধা প্রদান কৰে। এই প্রকাৰৰ শিক্ষা হৈছে নমনীয় আৰু কম খৰচী। ই বিদ্যালয় অর্ধসমাপ্ত কৰা, নতুনকৈ স্বাক্ষৰতা লাভ কৰা লোক, কর্মৰত ব্যক্তি আৰু সমাজৰ পিছপৰা লোকসকলৰ প্রয়োজনীয়তা পূৰ কৰিব পাৰে। ই নিয়োগৰ ক্ষেত্রত সুবিধা প্রদান কৰে। ই শিক্ষণৰ এক সু-সংগঠিত কার্যসূচী। অগতানুগতিক শিক্ষাৰ লক্ষ্য হৈছে অজ্ঞতা দূৰীকৰণ, সমাজৰ পৰা অন্ধবিশ্বাস আঁতৰোৱা, আৰু সমতাৰ, বিকাশ অর্থনৈতিক স্থিতি, বিশেষ প্রয়োজন আৰু সবলীকৰণ বঢ়োৱা। অগতানুগতিক শিক্ষাৰ অন্য এক গুৰুত্বপূর্ণ দিশ হৈছে ই মহিলা সৱলীকৰণত সহায় কৰে। মহিলাসকল তেওঁলোকৰ অধিকাৰ, দায়িত্ব, স্বাস্থ্য, শিশু যত্ন, কম সন্তানৰ সুবিধা আদিৰ প্রতি সজাগ হয়। এনেদৰে জনসংখ্যা বৃদ্ধিৰ ক্ষেত্রত অগতানুগতিক শিক্ষাই যথেষ্ট অৰিহনা আগবঢ়ায়। বর্তমান ভাৰত চৰকাৰে অগতানুতিক শিক্ষাৰ বিকাশৰ ক্ষেত্রত বলিষ্ঠ পদক্ষেপ গ্রহণ কৰিছে।

2 ১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জনসংখ্যা বৃদ্ধি হৈছে কোনো বিশেষ অঞ্চলৰ বিশেষ সময়ৰ ভিতৰত জনসংখ্যা বৃদ্ধি পোৱা। ইয়াৰ অর্থ হৈছে সময়ৰ লগে লগে ব্যক্তিৰ সংখ্যা বৃদ্ধি বা হ্রাস হোৱা।
- জনসংখ্যা বৃদ্ধিৰ প্রধান তিনিটা দিশ আছে, সেইকেইটা হৈছে জন্ম দিয়াৰ ক্ষমতা, মৃত্যু আৰু প্রব্রজন। উচ্চ হাৰত জনসংখ্যা বৃদ্ধিয়ে প্রাকৃতিক সম্পদ, খাদ্য যোগান, ইন্ধন যোগান, নিয়োগ, পানী নাটনি, বাসস্থান আদিত প্রভাৱ পেলায়।
- গুণমান বিশিষ্ট শিক্ষাই জন্মৰ হাৰ নিম্নগামী কৰে আৰু জনসংখ্যা হ্রাস কৰে। শিক্ষিতা মহিলাসকলৰ পৰিয়ালত সিদ্ধান্ত গ্রহণ ক্ষমতা থাকে, যিয়ে জনসংখ্যা বৃদ্ধিত প্রভাৱ পেলায়। শিক্ষাৰ দ্বাৰা আমি জন্ম নিয়ন্ত্রণৰ সৈতে জড়িত কিছুমান অন্ধবিশ্বাস, ৰীতি-নীতি, সামাজিক পৰম্পৰা আঁতৰ কৰিব পাৰো।
- প্রাপ্ত বয়স্ক শিক্ষা হৈছে এক অনুশীলন য'ত প্রাপ্তবয়স্ক লোকসকলক পদ্ধতিগতভাৱে আত্ম শিক্ষাৰ কার্যাৱলীত লিপ্ত কৰা হয়— যাৰ দ্বাৰা তেওঁলোকে জ্ঞান, দক্ষতা, মনোভাৱ বা মূল্যবোধৰ ক্ষেত্রত নতুন

জ্ঞান আহৰণ কৰিব পাৰে। প্ৰাপ্ত বয়স্ক শিক্ষাৰ জৰিয়তে বিবাহিত দম্পতিসকলে সৰু পৰিয়ালৰ ধাৰণা, পৰিয়ালৰ সদস্য সংখ্যা হ্ৰাস কৰাৰ উপকাৰিতা, মাতৃ আৰু শিশুৰ স্বাস্থ্য, তেওঁলোকৰ পৰিয়ালবোৰৰ অৰ্থনৈতিক বিকাশ, সন্তানৰ বাবে উপযুক্ত শিক্ষা আৰু উন্নত জীৱন-ধাৰণৰ বিষয়ে জানিব পাৰে।

- বৃত্তীয় শিক্ষাই মানুহক উপযুক্ত সংস্থাপনৰ প্ৰশিক্ষণ, চাকৰিৰ চৰ্ত পূৰণৰ প্ৰশিক্ষণ দিয়ে। এহাতে সুবিধা আৰু বিশেষ সুবিধাসমূহ আনহাতে ব্যক্তিৰ সামৰ্থসমূহ, প্ৰৱণতা, শাৰীৰিক আৰু আবেগিক দিশসমূহবোৰ প্ৰশিক্ষণ দিয়ে। দ্ৰুতগতিত জনসংখ্যা বৃদ্ধিৰ ফলত উঠি অহা চামে নিয়োগৰ সুবিধা নেপায়। বৃত্তীয় শিক্ষাই নতুন প্ৰজন্মক আত্ম নিয়োগ আৰু পেছা নিৰ্বাচনত সহায় কৰে।
- অগতানুগতিক শিক্ষা হৈছে আনুষ্ঠানিক শিক্ষাৰ বিকল্প ব্যৱস্থা। ই শিক্ষণৰ ক্ষেত্ৰত বহুতো সুবিধা প্ৰদান কৰে। ই বিদ্যালয় অৰ্ধ সমাপ্ত কৰা, নতুনকৈ স্বাক্ষৰতা লাভ কৰা লোক, কৰ্মৰত ব্যক্তি আৰু সমাজৰ পিছপৰা লোকসকলৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰে। অগতানুগতিক শিক্ষাৰ লক্ষ্য হৈছে অজ্ঞতা দূৰীকৰণ, সমাজৰ পৰা অন্ধবিশ্বাস আঁতৰোৱা আৰু সমতাৰ, বিকাশ অৰ্থনৈতিক স্থিতি, বিশেষ প্ৰয়োজন আৰু সৱলীকৰণ বঢ়োৱা।

০ ১৩.৯ অধিক জানিবলৈ

1] Gupta P.K (2008), Population Education, Vinay Rakhaja, R.Lall Book Depot.

2] V. Krishnamacharyulu, School Management and System of Education, Neelkamal Publications Pvt. LTD.

3] S.K. Nanda, Population Education, Published by DOABA HOUSE, Delhi-110006.

K ১৩.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জনসংখ্যা বৃদ্ধি হৈছে এখন বিশেষ দেশ বা ঠাইত ব্যক্তিৰ সংখ্যা বৃদ্ধি পোৱা। জনসংখ্যা বৃদ্ধিৰ প্ৰধান দিশ তিনিটা, সেইকেইটা হৈছে জন্ম দিয়া ক্ষমতা, মৃত্যু আৰু প্ৰব্ৰজন। এই শব্দটোৰ অৰ্থ হৈছে সময়ৰ লগে লগে ব্যক্তিৰ সংখ্যা বৃদ্ধি বা হ্ৰাস হোৱা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ গুণমান বিশিষ্ট শিক্ষাই মানুহৰ গুণাৱলী আৰু দক্ষতাৰ বিকাশ সাধন কৰি উপযুক্ত গুণৰাশিৰে সমাজৰ এগৰাকী সামৰ্থৱান ব্যক্তি স্বৰূপে গঢ়ি তোলে। গুণমান বিশিষ্ট শিক্ষা হৈছে মানুহৰ অধিকাৰ আৰু মানুহৰ বস্তু।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জনসংখ্যা বৃদ্ধিৰ প্ৰকৃতি হৈছে—

1] জনসংখ্যা বৃদ্ধি হৈছে এক প্ৰাকৃতিক সমস্যা,

2] জনসংখ্যা বৃদ্ধি হৈছে জলবায়ু পৰিৱৰ্তনৰ সমস্যা,

3] ই হৈছে খাদ্য সুৰক্ষা সমস্যা,

4] ই হৈছে মত-বিৰোধৰ সমস্যা,

5] জনসংখ্যা বৃদ্ধি হৈছে লিংগ বিষয়ক সমস্যা,

6] ই হৈছে অর্থনৈতিক সমস্যা,

7] জনসংখ্যা বৃদ্ধি হৈছে স্বাস্থ্য সমস্যা আৰু

8] ই হৈছে বিকাশমূলক সমস্যা।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রাপ্তবয়স্ক শিক্ষা হৈছে এক অনুশীলন য'ত প্রাপ্তবয়স্ক সকলক পদ্ধতিগতভাৱে আত্ম শিক্ষাৰ কার্যাৱলীত নিয়োগ কৰা হয়। যাৰদ্বাৰা তেওঁলোকে জ্ঞান, দক্ষতা, মনোভাৱ বা মূল্যবোধৰ ক্ষেত্রত নতুন জ্ঞান আহৰণ কৰিব পাৰে। এই শিক্ষাই আত্মবিশ্বাস আৰু আত্মনির্ভৰশীল কৰি তোলে।

৫ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক আৰু অর্থনৈতিক বিকাশৰ বাবে প্রাপ্তবয়স্ক শিক্ষাৰ প্রয়োজন। প্রাপ্তবয়স্ক শিক্ষাৰ জৰিয়তে বিবাহিত দম্পতিসকলে সৰু পৰিয়ালৰ ধাৰণা, পৰিয়ালৰ সদস্য সংখ্যা হ্রাস কৰাৰ উপকাৰিতা, মাতৃ আৰু শিশুৰ স্বাস্থ্য, তেওঁলোকৰ পৰিয়ালৰ অর্থনৈতিক বিকাশ, সন্তানৰ বাবে উপযুক্ত শিক্ষা আৰু উন্নত জীৱন-ধাৰণ আদিৰ বিষয়ে জানিব পাৰে। প্রাপ্তবয়স্ক শিক্ষাই জন্ম ধাৰণ সম্পর্কে থকা অন্ধবিশ্বাস হ্রাস কৰিব পৰে।

৬ নং প্রশ্নৰ উত্তৰ ঃ বৃত্তীয় শিক্ষাই মানুহৰ উপযুক্ত সংস্থাপনৰ প্রশিক্ষণ, চাকৰিৰ চর্ত পূৰণৰ প্রশিক্ষণ দিয়ে এহাতে সুবিধা আৰু বিশেষ সুবিধাসমূহ।, আনহাতে ব্যক্তিৰ সামর্থসমূহ প্রৱণতা, শাৰীৰিক আৰু আৱেগিক দিশসমূহৰো প্রশিক্ষণ দিয়ে।

M ১৩.১১ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ জনসংখ্যা বৃদ্ধি কাক বোলে?

প্রশ্ন ২ ঃ প্রাপ্তবয়স্ক শিক্ষা কি?

প্রশ্ন ৩ ঃ অগতানুগতিক শিক্ষাৰ সংজ্ঞা দিয়ক।

খ) দীঘল প্রশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অগতানুগতিক শিক্ষা আৰু জনসংখ্যা বৃদ্ধিৰ সম্পর্ক আলোচনা কৰা।

প্রশ্ন ২ ঃ দ্রুতগতিত বৃদ্ধি পোৱা জনসংখ্যা হ্রাস কৰাৰ ক্ষেত্রত প্রাপ্তবয়স্ক শিক্ষাৰ ভূমিকা কি।

প্রশ্ন ৩ ঃ জনসংখ্যা বৃদ্ধিৰ ক্ষেত্রত বৃত্তীয় শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ জনসংখ্যা শিক্ষা আৰু শিক্ষকৰ ভূমিকা

অধ্যায় গাঁথনি

14.1 উদ্দেশ্য
14.2 পৰিচয়
14.3 জনসংখ্যা শিক্ষাত শিক্ষকৰ ভূমিকা
14.4 জনসংখ্যা শিক্ষা উন্নতকৰণৰ ক্ষেত্ত শিক্ষকৰ দায়িত্ব আৰু কর্তব্য
14.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
14.6 অধিক জানিবলৈ
14.7 অগ্রগতিৰ খতিয়ান
14.8 আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জনসংখ্যা শিক্ষাৰ ক্ষেত্রত শিক্ষকৰ ভূমিকা সম্পর্কে বর্ণনা কৰিব পাৰিব আৰু
- জনসংখ্যা শিক্ষা প্রদানৰ ক্ষেত্রত শিক্ষকৰ দায়িত্ব আৰু কর্তব্য সম্পর্কে ব্যাখ্যা কৰিব পাৰিব।

১৪.২ পৰিচয়

জনসংখ্যা শিক্ষা হৈছে বর্তমান সময়ত অতি গুৰুত্বপূর্ণ কার্যসূচী, যাৰ প্রয়োগ সমগ্র পৃথিৱীৰ বাবে প্রয়োজনীয়। যিকোনো শৈক্ষিক কার্য আৰু ইয়াৰ ফলপ্রসু প্রয়োগ প্রধানকৈ শিক্ষকৰ ওপৰত নির্ভৰশীল। শিক্ষকগৰাকী হৈছে সামাজিক পৰিৱর্তনৰ গুৰুত্বপূর্ণ দূত। তেওঁ হৈছে এখন দেশৰ ভাগ্য নির্মাতা। শিক্ষক হৈছে সমাজক পোহৰ বিলাওঁতা। এখন দেশৰ ভৱিষ্যত শিক্ষকৰ ওপৰত নির্ভৰশীল, তেওঁ কিদৰে অন্ধকাৰ আঁতৰাই জ্ঞানৰ পোহৰেৰে সমাজখনক আগুৱাই লৈযায়। জনসংখ্যাৰ দ্রুত বৃদ্ধিৰ ক্ষেত্রত তেওঁ এক প্রভাৱশালী ভূমিকা গ্রহণ কৰিব পাৰে আৰু জনসাধাৰণক অভিৰোচিত কৰি এনে জলন্ত সমস্যাৰ সমাধান কৰিব পাৰে। শিক্ষকে সমাজৰ সকলো শ্রেণী লোকৰ মাজত জনসংখ্যা বৃদ্ধিৰ পৰিণাম সম্পর্কে সজাগতা আনিব পাৰে। ছাত্র-ছাত্রীসকলক এই দিশত অনুপ্রাণিত কৰি জনসংখ্যাৰ গতিশীলতা, জনসংখ্যাৰ প্রতিবন্ধকতা আৰু ভৱিষ্যতে জনসংখ্যা বিস্ফোৰণত যুৱক-যুৱতীৰ ভূমিকা সম্পর্কে অবগত কৰি তুলিব পাৰে। তেওঁ সৰু পৰিয়ালৰ গুৰুত্ব সম্পর্কে ছাত্র-ছাত্রীক শিকাব পাৰে। তেওঁ

সমাজৰ জনসাধাৰণক জনসংখ্যা নিয়ন্ত্রণ বিষয়ক বিভিন্ন কার্যসূচীসমূহত অংশগ্রহণৰ বাবে অনুপ্রাণিত কৰি তুলিব পাৰে। এনেদৰে এই অধ্যায়টিত আমি সমাজৰ জনসংখ্যা শিক্ষা কার্যসূচী সফল প্রয়োগৰ ক্ষেত্রত শিক্ষকৰ ভূমিকা সম্পর্কে আলোচনা কৰিম।

১৪.৩ জনসংখ্যা শিক্ষাত শিক্ষকৰ ভূমিকা

শিক্ষক এগৰাকীয়ে ছাত্র-ছাত্রীক শিক্ষা দিয়াৰ লগতে ৰাষ্ট্র গঢ়াতো গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তেওঁ হৈছে সম্প্রদায়ৰ নেতা। ৰাষ্ট্রীয় শিক্ষা নীতিত (1986) সবলতাৰে কোৱা হৈছে— 'কোনো মানুহৰে স্থান শিক্ষকতকৈ ওপৰত নহয়' (No people can rise above the level of its teacher) শিক্ষকসকল হৈছে জাতি গঢ়োতা। গাঁও অঞ্চলত শিক্ষকসকলক নেতা হিচাবে গণ্য কৰা হয়। সেইবাবে তেওঁলোকে জনসাধাৰণক সৰু পৰিয়ালৰ ধাৰণা আৰু জনসংখ্যাৰ বৃদ্ধিৰ হাৰ হ্রাস কৰিবৰ বাবে ল'ব লগা পদ্ধতিবোৰ ব্যৱহাৰৰ বাবে অভিৰোচিত কৰি তুলিব পাৰে।

জনসংখ্যা শিক্ষা হৈছে এটা নতুন দিশ। ই ৰুচি-অভিৰুচি, মনোভাৱ, বিশেষ জ্ঞান আৰু তথ্যক অন্তর্ভুক্ত কৰি লয়। সমাজৰ ভালৰ বাবে শিক্ষকসকলে সাধাৰণ মানুহক সৰু পৰিয়ালৰ নীতি গ্রহণৰ ক্ষেত্রত সন্মত কৰিব পাৰে। জনসংখ্যা শিক্ষাৰ ক্ষেত্রত শিক্ষকৰ ভূমিকাৰ বিষয়ে তলত দাঙি ধৰা হ'ল—

- শিক্ষক হৈছে দেশ এখনৰ মেৰুদণ্ড স্বৰূপ। তেওঁ আমাৰ সমাজৰ পৰা অন্ধবিশ্বাস, ভুল মতবাদ, কু-সংস্কাৰ দূৰ কৰিব পাৰে। শিক্ষক-অভিভাৱকৰ সন্মিলনত শিক্ষকে সৰু পৰিয়ালৰ উপকাৰিতা, পৰিয়ালৰ উপযুক্ত স্বাস্থ্য, দ্রুতহাৰৰ জনসংখ্যা বৃদ্ধিৰ কুফল, জন্ম নিয়ন্ত্রণৰ বিভিন্ন কৌশলসমূহ, পুষ্টি আৰু প্রাপ্ত বয়স্ক শিক্ষাৰ বিষয়ে আভাষ দিব পাৰে। শিক্ষকে অভিভাৱকসকলৰ জৰিয়তে নিজৰ অঞ্চলত জনসংখ্যা বৃদ্ধিৰ হাৰৰ বিষয়ে বুজ ল'বলৈ কিছুমান কার্যসূচী হাতত ল'ব পাৰে।
- সাধাৰণতে জনসংখ্যা শিক্ষাৰ প্রকৃতি হৈছে একাধিক শাখাযুক্ত, ইয়াৰ জৰিয়তে মূল্যবোধ, সামাজিকভাৱে গৃহীত মনোভাব আৰু জনসংখ্যা বৃদ্ধিৰ উপযুক্ত অভ্যাসবোৰত আমি উপযুক্তভাৱে প্রভাৱ বিস্তাৰ কৰিব পাৰো। এগৰাকী শিক্ষকে উপযুক্ত মূল্য ব্যৱস্থাৰ বিকাশ, সামাজিকভাৱে গৃহীত মনোভাব, ছাত্র-ছাত্রীৰ মাজত দ্রুত জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ সমাধানৰ দিশ গ্রহণ কৰাত উপযুক্ত ভূমিকা গ্রহণ কৰিব পাৰে।
- শিক্ষক হিচাবে তেওঁ ছাত্র-ছাত্রীক জনসংখ্যা শিক্ষা যে যৌন শিক্ষা বা পৰিয়াল পৰিকল্পনা নহয় সেই বিষয়ে বুজাই দিব পাৰে। জনসংখ্যা শিক্ষা হৈছে সামাজিক দায়বদ্ধতাৰ কার্যসূচী। আমাৰ ব্যক্তিগত সিদ্ধান্তসমূহে প্রত্যেকৰে জীৱনৰ গুণগত মানদণ্ড বজাই ৰখাত সহায় কৰে।
- শিক্ষকসকলে ছাত্র-ছাত্রী আৰু সম্প্রদায়ৰ সহায়ত জনসংখ্যাৰ সৈতে জড়িত দিশবোৰ আৰু সঠিক দিশত তেওঁলোকৰ মনোভাবৰ মাজেৰে আগবঢ়াই নিব পাৰে।
- স্কুলৰ পৰিৱেশত শিক্ষকে বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী কার্যসূচী অনুষ্ঠিত কৰি ছাত্র-ছাত্রীৰ মাজত জনসংখ্যা বৃদ্ধিৰ বিষয়ে সচেতনতা সৃষ্টি কৰিব পাৰে।

- শিক্ষকে অশিক্ষিত অভিভাৱকসকল আৰু তেওঁলোকৰ পৰিয়ালৰ পৰিৱেশৰ সৈতে সম্পর্ক ৰাখিব লাগে। তেওঁ দুখীয়া অশিক্ষিত অভিভাৱকসকলক জনসংখ্যা নিয়ন্ত্রণ বা সৰু পৰিয়ালৰ ধাৰণা দিব পাৰে, যাৰ জৰিয়তে তেওঁলোকৰ ভৱিষ্যত সুৰক্ষিত হোৱাৰ লগতে উন্নত জীৱন ধাৰণ কৰিব পাৰে।
- শিক্ষকে সমাজৰ লোকক জনসংখ্যা বৃদ্ধিৰ সমস্যাৰ বিষয়ে অৱগত কৰিব পাৰে।

t চিন্তা চৰ্চা কৰক

আপোনাৰ নিজৰ অঞ্চলৰ ঠাইলৈ পৰিয়ালৰ সদস্যৰ সংখ্যা, তেওঁলোকৰ শিক্ষাগত অৰ্হতা, অৰ্থনৈতিক অৱস্থা আৰু তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ড বিষয়ে তথ্য সংগ্রহ কৰক।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জনসংখ্যা শিক্ষাত শিক্ষকৰ ভূমিকা ব্যাখ্যা কৰক।

১৪.৪ জনসংখ্যা শিক্ষা উন্নতকৰণৰ ক্ষেত্রত শিক্ষকৰ দায়িত্ব আৰু কর্তব্যসমূহ

ছাত্র-ছাত্রীৰ মাজত জনসংখ্যাৰ সমস্যাৰ বিষয়ে সচেতনতা অনা আৰু উপযুক্ত মনোভাৱৰ সৃষ্টি কৰাৰ ক্ষেত্রত শিক্ষকে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব লাগে। সেইবাবে শিক্ষকসকলে সমাজৰ প্রতি তেওঁলোকৰ দায়িত্ব আৰু কর্তব্য সম্পর্কে সচেতন হ'ব লাগে।

- শিক্ষক এগৰাকীয়ে নিজ অঞ্চলৰ জনসংখ্যাৰ সমস্যাৰ প্রতি সচেতন হ'ব লাগে।
- শিক্ষকে জনসংখ্যা নিয়ন্ত্রণ, HIV ৰ সম্পর্কে সজাগতা আদিৰ বিষয়ে কার্যসূচী অনুষ্ঠিত তথা অংশগ্রহণ কৰিব লাগে।
- শিক্ষকে জনসংখ্যা বিস্ফোৰণৰ কুফলসমূহ, সৰু পৰিয়ালৰ গুৰুত্ব, মানুহৰ মৌলিক প্রয়োজনসমূহ, সু-স্বাস্থ্য আদিৰ বিষয়ে ছাত্র-ছাত্রীক সজাগ কৰিব লাগে।
- শ্রেণীকোঠাৰ পৰিৱেশত, তেওঁ দৃশ্য শ্রাব্য সজুলিৰ মাধ্যমত ছাত্র-ছাত্রীক জনসংখ্যা শিক্ষা দিব পাৰে।
- পৰিয়ালৰ আকাৰত প্রভাৱ পেলোৱা মূল্যবোধ আৰু বিশ্বাসৰ প্রতি ছাত্র-ছাত্রীৰ মাজত সজাগতা সৃষ্টি কৰিব পাৰে।
- জনসংখ্যা বিস্ফোৰণৰ সাম্ভাব্য সমস্যাসমূহ যেনে- দেশৰ অর্থনৈতিক বিকাশ, শিক্ষাৰ সমস্যা, খাদ্যৰ নাটনি, জীৱনৰ গুণমান, নিয়োগৰ সমস্যা আদিৰ বিষয়ে সজাগতা আনিব লাগিব।
- শিক্ষকে জনসংখ্যাৰ গতিশীলতা, পৰিয়ালৰ আকাৰ মানুহৰ মৌলিক প্রয়োজন আৰু প্রাকৃতিক সম্পদৰ

পর্যাপ্ততা আদিৰ ওপৰত জৰীপকৰণ কৰিব পাৰে।

- শিক্ষকে অভিভাৱকসকলক শিক্ষানুষ্ঠানৰ বিভিন্ন উৎসৱ যেনে মানৱ অধিকাৰ দিৱস, পৰিৱেশ দিৱস, HIV / AIDS নিয়ন্ত্রণ কার্যসূচী ইত্যাদি নিয়ন্ত্রণ কৰিব লাগে। তেওঁ সমাজৰ সৈতে নিবিড় সম্পর্ক ৰাখিব লাগে।

শিক্ষাৰ বিভিন্ন স্তৰত, সহপাঠ্যক্রম কার্যসূচী আৰু বিভিন্ন বিষয়ৰ দ্বাৰা জনসংখ্যা শিক্ষা দিব লাগে। জনসংখ্যাৰ বিভিন্ন তথ্য কিছুমান বিষয়ত যেনে— ভূগোল, বুৰঞ্জী, সাহিত্য, পৌৰ বিজ্ঞান আদিত অন্তর্ভুক্ত কৰিব পাৰি। জনসংখ্যা শিক্ষা দিবৰ বাবে সহ পাঠ্যক্রম কার্যসূচীসমূহ, জৰীপকৰণ, নাট, আলোচনা আৰু আলোচনা চক্র, কর্মশালা, শিক্ষামূলক ভ্রমণ, চিনেমা, মেপ প্রদর্শন, চার্ট, পেপাৰ অংশ ইত্যাদিবোৰৰ ব্যৱহাৰ কৰিব পাৰি।

জনসংখ্যা শিক্ষাৰ ক্ষেত্রত শিক্ষকসকলক প্রশিক্ষণ দিব লাগে, যিহেতু জনসংখ্যা শিক্ষা হৈছে সমাজৰ গুৰুত্বপূর্ণ দিশ। শিক্ষকে সদায় জনসংখ্যা বৃদ্ধিৰ গতিশীলতা, ইয়াৰ কাৰণসমূহ আৰু ইয়াৰ পৰিণাম সম্পর্কে সম্পূর্ণৰূপে সজাগ হ'ব লাগে। তেওঁ সাধাৰণ জীৱনৰ উদাহৰণ ছাত্র-ছাত্রীৰ আগত দাঙি ধৰি জনসংখ্যা শিক্ষাৰ জ্ঞান দিব লাগে।

t চিন্তা চর্চা কৰক

আপোনাৰ সহপাঠীৰ সহযোগত নিজ অঞ্চলত জনসংখ্যা শিক্ষাৰ সমস্যা সম্পর্কত 'বাটৰ নাট' অনুষ্ঠিত কৰক আৰু সেই অঞ্চলত ইয়াৰ প্রভাৱ সম্পর্কে বুজ লওঁক।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২ ঃ জনসংখ্যা শিক্ষা প্রদানৰ ক্ষেত্রত শিক্ষকৰ দায়িত্ব আৰু কর্তব্যসমূহ লিখক।

2 ১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষকে সমাজৰ সকলো শ্রেণীৰ লোকৰ মাজত জনসংখ্যা বৃদ্ধিৰ পৰিনাম সম্পর্কে সজাগতা সৃষ্টি কৰিব পাৰে। তেওঁ ছাত্র-ছাত্রীক জনসংখ্যাৰ গতিশীলতা, জনসংখ্যাৰ প্রতিবন্ধকতা আৰু জনসংখ্যা বিস্ফোৰণত যুৱক-যুৱতীৰ ভূমিকা সম্পর্কে অনুপ্রাণিত কৰিব পাৰে।
- জনসংখ্যা শিক্ষা হৈছে নতুন বিষয়। ই ৰুচি, অভিৰুচি, মনোভাৱ, বিশেষ জ্ঞান আৰু তথ্য অন্তর্ভুক্ত কৰে। সমাজৰ ভালৰ বাবে শিক্ষকসকলে সাধাৰণ মানুহক সৰু পৰিয়াল নীতি গ্রহণৰ বাবে সন্মত কৰিব পাৰে।
- শিক্ষক হিচাবে তেওঁ ছাত্র-ছাত্রীক জনসংখ্যা শিক্ষা যে যৌন শিক্ষা বা পৰিয়াল পৰিকল্পনা নহয় সেই বিষয়ে বুজাই দিব পাৰে। জনসংখ্যা শিক্ষা হৈছে সামাজিক দায়বদ্ধতাৰ কার্যসূচী। আমাৰ ব্যক্তিগত সিদ্ধান্তসমূহে

প্ৰত্যেকৰে জীৱনৰ গুণগত মানদণ্ড বজাই ৰখাত সহায় কৰে।

- স্কুলৰ পৰিৱেশত শিক্ষকে বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী কাৰ্যসূচী অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত জনসংখ্যা বৃদ্ধিৰ বিষয়ে সচেতনতা সৃষ্টি কৰিব পাৰে।
- শিক্ষকে জনসংখ্যা বিস্ফোৰণৰ কুফলসমূহ, সৰু পৰিয়ালৰ গুৰুত্ব, মানুহৰ মৌলিক প্ৰয়োজনসমূহ, সু-স্বাস্থ্য আদিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক সজাগ কৰিব লাগে।
- শিক্ষকে অভিভাৱকসকলক শিক্ষানুষ্ঠানৰ বিভিন্ন উৎসৱ যেনে— মানৱ অধিকাৰ দিৱস, পৰিৱেশ দিৱস, HIV / AIDS নিয়ন্ত্ৰণ কাৰ্যসূচী ইত্যাদিত নিয়ন্ত্ৰণ কৰিব লাগে। তেওঁ সমাজৰ সৈতে নিবিড় সম্পৰ্ক ৰাখিব লাগে।

শিক্ষাৰ বিভিন্ন স্তৰত সহপাঠ্যক্ৰম কাৰ্যসূচী আৰু বিভিন্ন বিষয়ৰ দ্বাৰা জনসংখ্যা শিক্ষা দিব লাগে। জনসংখ্যাৰ বিভিন্ন তথ্য কিছুমান বিষয়ত যেনে— ভূগোল, বুৰঞ্জী, পৌৰ বিজ্ঞান, সাহিত্য আদিত অন্তৰ্ভুক্ত কৰিব পাৰি। জনসংখ্যা শিক্ষা দিবৰ বাবে সহ-পাঠ্যক্ৰম কাৰ্যসূচীসমূহ, জৰীপকৰণ, নাট, আলোচনা আৰু আলোচনা চক্ৰ, কৰ্মশালা, শিক্ষামূলক ভ্ৰমণ, চিনেমা, মেপ প্ৰদৰ্শন, চাৰ্ট, পেপাৰ অংশ ইত্যাদিবোৰৰ ব্যৱহাৰ কৰিব পাৰি।

১৪.৬ অধিক জানিবলৈ

1) V. Krishnamacharyulu, School Management and System of Education, Neelkamal Publication Pvt. Ltd.

2) S.K. Nanda, Population Education, DOABA HOUSE, Delhi.

১৪.৭ অগ্ৰগতিৰ নিৰীক্ষণ

১ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষক হৈছে এখন দেশৰ মেৰুদণ্ড স্বৰূপ। তেওঁ আমাৰ সমাজৰ পৰা অন্ধবিশ্বাস, ভুল মতবাদ, কু-সংস্কাৰ আদি দূৰ কৰিব পাৰে। শিক্ষক-অভিভাৱক সম্মিলনত শিক্ষকে সৰু পৰিয়ালৰ উপকাৰিতা, পৰিয়ালৰ উপযুক্ত স্বাস্থ্য, দ্ৰুতহাৰৰ জনসংখ্যা বৃদ্ধিৰ কুফল, জন্ম নিয়ন্ত্ৰণৰ বিভিন্ন কৌশলসমূহ, পুষ্টি আৰু প্ৰাপ্ত বয়স্ক শিক্ষাৰ কথাৰ আভাষ দিব পাৰে। শিক্ষকে অভিভাৱকসকলৰ জৰিয়তে নিজ অঞ্চলত জনসংখ্যা বৃদ্ধিৰ হাৰৰ বিষয়ে বুজ ল'বলৈ কিছুমান কাৰ্যসূচী হাতত ল'ব পাৰে।

- সাধাৰণতে, জনসংখ্যা শিক্ষাৰ প্ৰকৃতি হৈছে একাধিক শাখাযুক্ত। ইয়াৰ জৰিয়তে মূল্যবোধ, সামাজিকভাৱে স্বীকৃত মনোভাব আৰু জনসংখ্যা বৃদ্ধিৰ উপযুক্ত আভাসবোৰত আমি উপযুক্তভাৱে প্ৰভাৱ বিস্তাৰ কৰিব পাৰো। এগৰাকী শিক্ষকে উপযুক্ত মূল্য ব্যৱস্থাৰ

বিকাশ, সামাজিকভাৱে গৃহীত মনোভাৱ, ছাত্ৰ-ছাত্ৰীৰ মাজত দ্ৰুত জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ সমাধানৰ দিশ গ্ৰহণ কৰাত উপযুক্ত ভূমিকা গ্ৰহণ কৰিব পাৰে।

- সাধাৰণতে, জনসংখ্যা শিক্ষাৰ প্ৰকৃতি হৈছে একাধিক শাখাযুক্ত। ইয়াৰ জৰিয়তে মূল্যবোধ, সামাজিকভাৱে স্বীকৃত মনোভাৱ আৰু জনসংখ্যা বৃদ্ধিৰ উপযুক্ত আভাসবোৰত আমি উপযুক্তভাৱে প্ৰভাৱ বিস্তাৰ কৰিব পাৰো। এগৰাকী শিক্ষকে উপযুক্ত মূল্য ব্যৱস্থাৰ বিকাশ, সামাজিকভাৱে গৃহীত মনোভাৱ, ছাত্ৰ-ছাত্ৰীৰ মাজত দ্ৰুত জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ সমাধানৰ দিশ গ্ৰহণ কৰাত উপযুক্ত ভূমিকা গ্ৰহণ কৰিব পাৰে।
- শিক্ষক হিচাবে তেওঁ ছাত্ৰ-ছাত্ৰীক জনসংখ্যা শিক্ষা যে যৌন শিক্ষা বা পৰিয়াল পৰিকল্পনা নহয়, সেই বিষয়ে বুজাই দিব পাৰে। জনসংখ্যা শিক্ষা হৈছে সামাজিক দায়বদ্ধতাৰ কাৰ্যসূচী। আমাৰ ব্যক্তিগত সিদ্ধান্তসমূহে প্ৰত্যেকৰে জীৱনৰ গুণগত মানদণ্ড বজাই ৰখাত সহায় কৰে।
- শিক্ষকসকলে ছাত্ৰ-ছাত্ৰী আৰু সম্প্ৰদায়ৰ সহায়ত জনসংখ্যাৰ সৈতে জড়িত দিশবোৰ আৰু সঠিক দিশত তেওঁলোকৰ মনোভাৱ পৰিৱৰ্তনৰ মাজেৰে আগবঢ়াই নিব পাৰে।
- স্কুলৰ পৰিৱেশত শিক্ষকে বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী কাৰ্যসূচী অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত জনসংখ্যা বৃদ্ধিৰ বিষয়ে সচেতনতা সৃষ্টি কৰিব পাৰে।
- শিক্ষকে অশিক্ষিত অভিভাৱকসকল আৰু তেওঁলোকৰ পৰিয়ালৰ পৰিৱেশৰ সৈতে সম্পৰ্ক ৰাখিব লাগে। তেওঁ দুখীয়া অশিক্ষিত অভিভাৱকসকলক জনসংখ্যা নিয়ন্ত্ৰণ বা সৰু পৰিয়ালৰ ধাৰণা দিব পাৰে, যাৰ জৰিয়তে তেওঁলোকৰ ভৱিষ্যত সুৰক্ষিত হোৱাৰ লগতে উন্নত জীৱন ধাৰণ কৰিব পাৰে।
- শিক্ষকে সমাজৰ লোকক জনসংখ্যা বৃদ্ধিৰ সমস্যাবোৰৰ বিষয়ে অৱগত কৰাব পাৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জনসংখ্যাৰ সমস্যাৰ বিষয়ে সচেতনতা অনা আৰু উপযুক্ত মনোভাৱৰ সৃষ্টি কৰাৰ ক্ষেত্ৰত শিক্ষকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগে। সেই কাৰণে শিক্ষকসকলে সমাজৰ প্ৰতি তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে সচেতন হ'ব লাগে।

- শিক্ষক এগৰাকীয়ে নিজ অঞ্চলৰ জনসংখ্যাৰ সমস্যাৰ প্ৰতি সচেতন হ'ব লাগে।
- শিক্ষকে জনসংখ্যা নিয়ন্ত্ৰণ, HIV ৰ সম্পৰ্কে সজাগতা আদি বিষয়ে কাৰ্যসূচী অনুষ্ঠিত তথা অংশগ্ৰহণ কৰিব লাগে।
- শিক্ষকে জনসংখ্যা বিস্ফোৰণৰ কুফলসমূহ, সৰু পৰিয়ালৰ গুৰুত্ব, মানুহৰ মৌলিক প্ৰয়োজনসমূহ, সু-স্বাস্থ্য আদিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক সজাগ কৰিব লাগে।
- শ্ৰেণীকোঠাৰ পৰিৱেশত, তেওঁ দৃশ্য-শ্ৰাব্য সঁজুলিৰ মাধ্যমত ছাত্ৰ-ছাত্ৰীক জনসংখ্যা শিক্ষা দিব পাৰে।
- পৰিয়ালৰ আকাৰত প্ৰভাৱ পেলোৱা মূল্যবোধ আৰু বিশ্বাসৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মাজত

সজাগতা সৃষ্টি কৰিব পাৰে।

- জনসংখ্যা বিস্ফোৰণৰ সাম্ভাব্য সমস্যাসমূহ যেনে দেশৰ অর্থনৈতিক বিকাশ, শিক্ষাৰ সমস্যা, খাদ্যৰ নাটনি, জীৱনৰ গুণমান, নিয়োগৰ সমস্যাৰ আদিৰ বিষয়ে সজাগতা আনিব লাগিব।
- শিক্ষকে জনসংখ্যাৰ গতিশীলতাৰ, পৰিয়ালৰ আকাৰ, মানুহৰ মৌলিক প্ৰয়োজন আৰু প্ৰাকৃতিক সম্পদৰ পৰ্যাপ্ত আদিৰ ওপৰত জৰীপকৰণ কৰিব পাৰে।
- শিক্ষকে অভিভাৱকসকলক শিক্ষানুষ্ঠানৰ বিভিন্ন উৎসৱযেনে— মানৱ অধিকাৰ দিৱস, পৰিৱেশ দিৱস, HIV / AIDS নিয়ন্ত্ৰণ কার্যসূচী ইত্যাদিৰ নিয়ন্ত্ৰণ কৰিব লাগে। তেওঁ সমাজৰ সৈতে নিবিড় সম্পর্ক ৰাখিব লাগে।

শিক্ষাৰ বিভিন্ন স্তৰত, সহপাঠ্যক্ৰম কার্যসূচী আৰু বিভিন্ন বিষয়ৰ দ্বাৰা জনসংখ্যা শিক্ষা দিব লাগে। জনসংখ্যাৰ বিভিন্ন তথ্য কিছুমান বিষয়ত যেনে- ভূগোল, বুৰঞ্জী, পৌৰ বিজ্ঞান, সাহিত্য আদিত অন্তর্ভুক্ত কৰিব পাৰি। জনসংখ্যা শিক্ষা দিবৰ বাবে সহপাঠ্যক্ৰম কার্যসূচীসমূহ, জৰীপকৰণ, নাট, আলোচনা আৰু আলোচনা চক্ৰ, কর্মশালা, শিক্ষামূলক ভ্ৰমণ, চিনেমা মেপ প্ৰদর্শন, চার্ট ইত্যাদিবোৰৰ ব্যৱহাৰ কৰিব পাৰি।

জনসংখ্যা শিক্ষাৰ ক্ষেত্ৰত শিক্ষকসকলক প্ৰশিক্ষণ দিব লাগে, যিহেতু জনসংখ্যা শিক্ষা হৈছে সমাজৰ এক গুৰুত্বপূর্ণ দিশ। শিক্ষকে সদায় জনসংখ্যা বৃদ্ধিৰ গতিশীলতা, ইয়াৰ কাৰণসমূহ আৰু ইয়াৰ পৰিণাম সম্পর্কে সম্পূর্ণৰূপে সজাগ হ'ব লাগে। তেওঁ সাধাৰণ জীৱন ধাৰণৰ উদাহৰণ ছাত্ৰ-ছাত্ৰীৰ আগত দাঙি ধৰি জনসংখ্যা শিক্ষাৰ জ্ঞান দিব লাগে।

M ১৪.৮ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 150 টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ জনসংখ্যাৰ বৃদ্ধি সম্পর্কে ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা অনাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ জনসাধাৰণৰ উন্নতমানৰ জীৱন ধাৰণৰ ক্ষেত্ৰত শিক্ষকে লোৱা বিভিন্ন স্তৰবোৰ উল্লেখ কৰক।

(খ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 300–500 টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ জনসংখ্যা শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত শিক্ষকৰ দায়িত্ব আৰু কর্তব্যসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ জনসংখ্যা শিক্ষাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা আলোচনা কৰক।

*** ***** ***

REFERENCES

1) Akhtar, P. R. & Others (2008) : *Environmental and Population Education*, Assam Book Depot, Guwahati

2) Barua, J. (2009) : *Paribesh Aru Janasankhya Sikshya*, Chandra Prakash, Guwahati

3) Bhende, Asha, A.and Tara Kanitkar. (2006). *Principles of Population Studies*. Mumbai: Himalaya Publishing Hopuse.

4) Dasgupta, Samir (ed.) (2010). *Social Demography*. Delhi: Pearson.

5) Das, B. B. (2011) *Population Explosion- Its Problems and Awareness in Environmental Education*,Edited by S. Das, K. K. Publication. Guwahati.

6) Gupta, P.K. (2003) : *Population Education,* Surya Publication, New Delhi

7) Jhingan, M.L., B.K.Bhatt and J.N. Desai. (2005). *Demography*. Delhi: Vrinda Publications (P) Ltd.

8) Majumdar, P.K. (2013). *India's Demography- Changing Demographic Scenario in India*. New Delhi: Rawat Publications.

9) Nanda, S. K. (2005) : *Population Education –An Informative Update*, Doaba House, Delhi.

10) Raj, Hans. (1990). *Fundamentals of Demography (Population studies with special reference to India)*. Delhi: Surjeet Publications.

11) Sinha, V.C. and E. Zacharia. (2007). *Elements of Dempgraphy (With Demographic Profile of India and the World)*. New Delhi: Allied Publishers Pvt Ltd.

12) Srivastva, O.S. (1984). *Demography and Population Studies*. New Delhi: Vikash Publishing House Pvt.Ltd.

13) Taj, H. (2011) : *Current Challenges in Education,* Neelkamal Publications, New Delhi.